# অসমৰ জনজাতিসকলৰ উৎসৱ-অনুষ্ঠান

ধৰ্মেশ্বৰ দুৱৰা

**ASAMAR JANAJĀTI-SAKALAR UTSAV-ANUSTHAN :** A critical study of traditional festivals of the different tibal people of Assam written by Dharmeswar Duarah M.A. and publised by the Director of Assam Institute of Research for Tribals and Scheduled Castes, Jawaharnagar, Guwahati-22. Printed at : Bohniman Printers, Guwahati, First Edition : March, 2006 Price : Rs. 50.00

প্ৰকাশক : অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান, জৱাহৰ নগৰ, গুৱাহাটী-২২

প্ৰথম প্ৰকাশ : মাৰ্চ, ২০০৬

© : লিখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

পৰিবেশক : বাণী মন্দিৰ,
কংগ্ৰেছ ভৱন, হেদায়েৎপুৰ
গুৱাহাটী-৩

প্ৰচ্ছদ পট : ভবেন বৰা

আলোকচিত্ৰ : ধৰ্মেশ্বৰ দুৱৰা

ছাপাশাল : বহ্নিমান প্ৰিন্টাৰ্ছ, গুৱাহাটী

মূল্য : ৫০.০০ টকা

বিঃদ্ৰঃ (এই গ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধসমূহ পুনৰ মুদ্ৰণ কৰা অথবা চলচ্চিত্ৰ ৰূপ আদি দিবলৈ হ'লে লিখকক আগতীয়াকৈ যোগাযোগ কৰিব লাগিব।)

## উৎসৰ্গ

দেউতা খোলোক চন্দ্ৰ দুৱৰা

আৰু

আই পখিলী দুৱৰাৰ

পৱিত্ৰ স্মৃতিত গ্ৰন্থখনি

শ্ৰদ্ধাঞ্জলি স্বৰূপে

উৎসৰ্গ কৰিলোঁ।

'ৰংমন'

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs. Govt. of India, have been providing grants-in aid to authors for publication of books written on different aspects of tribals and scheduled castes. The scheme is basically known as 'Grants-in-Aid for Literary Works for Scheduled Castes and Scheduled Tribes'. The scheme receives very good response from different authors. In fact, it is difficult to accommodate all the authors under the scheme. As a part of this popular scheme, the book on **Asamar Janajati Sakalar Utsav Anusthan** by **Dharmeswar Duarah** has been sponsored by the Institute for publication. It is expected that the readers will receive the book with pleasure. We look forward for comments and suggestions from the readers.

I am thankful to the Ministry of Tribal Affairs, Govt. of India for providing financial assistance for the scheme. I am also thankful to the Government of Assam, Department of WPT & BC for giving financial assistance for the scheme. Finally, I like to thank M/s. Bohniman Printers, Guwahati for their help and co-operation for bringing out the book.

Dated Guwahati
the 16th February, 2006

**Mrs. N. A. Hazarika**
Director
Assam Institute of Research for
Tribals and Scheduled Castes,
Guwahati-22

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs. Govt. of India, have been providing grants-in aid to authors for publication of books written on different aspects of tribals and scheduled castes. The scheme is basically known as 'Grants-in-Aid for Literary Works for Scheduled Castes and Scheduled Tribes'. The scheme receives very good response from different authors. In fact, it is difficult to accommodate all the authors under the scheme. As a part of this popular scheme, the book on **Asamar Janajati Sakalar Utsav Anusthan** by **Dharmeswar Duarah** has been sponsored by the Institute for publication. It is expected that the readers will receive the book with pleasure. We look forward for comments and suggestions from the readers.

I am thankful to the Ministry of Tribal Affairs, Govt. of India for providing financial assistance for the scheme. I am also thankful to the Government of Assam, Department of WPT & BC for giving financial assistance for the scheme. Finally, I like to thank M/s. Bohniman Printers, Guwahati for their help and co-operation for bringing out the book.

Dated Guwahati
the 16th February, 2006

**Mrs. N. A. Hazarika**
Director
Assam Institute of Research for
Tribals and Scheduled Castes,
Guwahati-22

# .০১ (ক) আগকথা

বিচিত্ৰ অসম। বিচিত্ৰ জাতি-জনজাতি। ধৰ্ম, ভাষা, বৰ্ণ, সম্প্ৰদায় আদিৰ ক্ষেত্ৰত ভিন্নতা থাকিলেও পৰ্বত-ভৈয়াম উভয়ৰে বাসিন্দাই এটি প্ৰাণ, এটি মনেৰে নিজকে অসমীয়া হিচাপে পৰিচয় দিয়ে। কেৱল অসমৰে নহয় উত্তৰ-পূব ভাৰতৰ সাতোখন ৰাজ্যৰ জাতি-জনজাতিৰ সংযোগী ভাষা হিচাপে অসমীয়া ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণেৰে অসমীয়া সমাজ-জীৱন গঢ়ি উঠিছে। অসমৰ বৰ্তমান জনজাতীয় লোক সকলৰ ভিতৰত তাই বৌদ্ধ সমাজৰ শ্যাম, তুৰুং, আইতন, ফাকিয়াল, খামতি, চিংফৌ আদি, কাৰ্বি, কুকি, গাৰো, জেমি নগা, ঠেংগাল. ডিমাছা, তিৱা, দেউৰী, বড়ো, বেইটে, ভাইফে, মাৰ, মিচিং, ৰাভা, ৰাংখল, ৰেংমা, সোণোৱাল, হাজং আদিয়েই প্ৰধান। এই সকলৰ প্ৰত্যেকৰে নিজস্ব ভাষা সংস্কৃতি বিদ্যমান। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমত বসবাস কৰা আহোম, চুতীয়া, কোঁচ ৰাজবংশী, মৰাণ, মটক আৰু চাহজনগোষ্ঠীৰ ৰাইজেও জনজাতি কৰণৰ লক্ষ্যৰে ইতিমধ্যে যথেষ্ট প্ৰচেষ্টাৰে ভাৰত চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। এই সকলক জনজাতিৰ স্বীকৃতি প্ৰদান কৰিলে অসমখন জনজাতি অধ্যুষিত ৰাজ্যলৈ পৰিণত হ'ব। জনজাতিৰ বৈশিষ্ট্য আৰু পৰম্পৰালৈ লক্ষ্য কৰিলে উপৰি উক্ত জনগোষ্ঠী কেইটাক নিশ্চয় জনজাতিৰ শাৰীত উপবিস্থ কৰিব পৰা যায়।

বৈচিত্ৰতাৰ মাজত ঐক্যতা ৰাখি অসমৰ সকলো জাতি সম্প্ৰদায়ৰ লোকে শান্তিৰে বসবাস কৰি আছে। অৱশ্যে ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ পূৰণাৰ্থে মাজে সময়ে তৃতীয় শক্তিয়ে জাতিৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰাটোও দৃষ্টিগোচৰ হয়। তথাপি পৰস্পৰে পৰস্পৰৰ সংস্কৃতিক সন্মান জনায়। এখন সম্প্ৰীতিপূৰ্ণ বৃহৎ অসমীয়া সমাজ এনেদৰেই যুগে যুগে গঢ় লয়। সভ্যতাৰ সৃষ্টিত অৰিহণা যোগায়। বিচিত্ৰ অসমৰ ভৌগোলিক পৰিবেষ্টনত বসবাস কৰা বাৰেৰহণীয়া কলা-সংস্কৃতিৰ কোলাত লালিত-পালিত হোৱা বৰ্ণাঢ্য আৰু স্বৈশিষ্ট্যপূৰ্ণ লোক সংস্কৃতিৰে চহকী ছাবিশটা জনজাতীয় জনগোষ্ঠীৰ মনোমুগ্ধকৰ উৎসৱ-অনুষ্ঠানৰ গৱেষণামূলক উনৈশটা প্ৰবন্ধৰ সংকলন 'অসমৰ জনজাতিসকলৰ উৎসৱ-অনুষ্ঠান" নামৰ এই গ্ৰন্থখন। ইয়াত সন্নিবিষ্ট প্ৰবন্ধসমূহৰ অধিক সংখ্যক বিশেষকৈ 'আজিৰ অসম' কাকতৰ লগতে কেইটামান প্ৰবন্ধ 'অসমবাণী', 'দৈনিক জনমভূমি', 'The Sentinel', 'The News Star', 'অগ্ৰদূত', 'প্ৰান্তিক' আদি কাকত-আলোচনীত ইতিমধ্যে প্ৰকাশ পাইছে। এই আগাহতে কেউখন কাকত-আলোচনীৰ সম্পাদকলৈ আন্তৰিকতাৰে কৃতজ্ঞতা যাচিলোঁ।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমাৰ এগৰাকী বিষয়া হিচাপে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তৃত বিভিন্ন জনগোষ্ঠীৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছোঁ। ক্ষেত্ৰ অধ্যয়ন আৰু আলোকচিত্ৰ লোৱাৰ বাবে অসমৰ দিহিঙে-দিপাঙে ভ্ৰমিছোঁ। এনে ক্ষণবোৰত লোক সংস্কৃতি উদ্ধাৰ আৰু অধ্যয়নত নিজকে নিয়োজিত কৰি আপ্লুত হৈ সেইবোৰ সংৰক্ষণৰ বিষয়ত মনোযোগ দিওঁ। আবেগ বিবৰ্জিতভাৱে গৱেষণামূলক অধ্যয়নৰ ফল স্বৰূপে জনজাতীয় লোকসকলৰ মাজত পৰম্পৰাগত হিচাপে প্ৰচলিত উৎসৱ-অনুষ্ঠান আৰু ইয়াৰ আনুষংগিক আচাৰ-অনুষ্ঠানলৈ সম্যক দৃষ্টিপাত কৰি প্ৰবন্ধবোৰ লিখা হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে গ্ৰন্থখনত আলোচিত জনজাতিসকলৰ উৎসৱ-অনুষ্ঠানৰ আৰম্ভণিতে সংশ্লিষ্ট জনজাতিৰ এটি চমু পৰিচিতিও দাঙি ধৰা হৈছে। ১৯৭১ চনৰ পাছত অসমৰ প্ৰতিটো জনগোষ্ঠীৰ লোকৰ সুকীয়াকৈ জনসংখ্যাৰ হিচাপ চৰকাৰে প্ৰকাশ নকৰাত আমিও সেই হিচাপ দিব পৰা নাই। গ্ৰন্থখনৰ প্ৰবন্ধবোৰে অসমৰ জনজাতীয়লোকৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে অধ্যয়ন কৰোঁতা পাঠক-গৱেষক আৰু ছাত্ৰ-ছাত্ৰীক যথেষ্ট পৰিমাণে সহায় কৰিব। এইটো নিশ্চয় স্বীকাৰ কৰিব লাগিব যে বৰ্তমান যুগৰ লগত খাপ খুৱাই কিছুমান আচাৰ-অনুষ্ঠানৰ পৰিৱৰ্তন আৰু পৰিৱৰ্দ্ধনো নোহোৱাকৈ থকা নাই। প্ৰবন্ধবোৰ লিখোতে ক'ৰবাত কিবা স্বৰূপে ভুলো হৈ যাব পাৰে। তাৰ বাবে লিখক ক্ষমা প্ৰাৰ্থী।

এই খিনিতে উনুকিয়াই থ'ব খোজো যে অসমৰ অজনজাতীয় লোকসকলৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে লিখা প্ৰবন্ধসমূহৰ অন্য এটি সংকলনো পৃথকে প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে।

প্ৰকাশৰ বাবে গ্ৰন্থখন বাছনি কৰাৰ বাবে অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালিকা মহোদয়াৰ ওচৰত লিখক চিৰ কৃতজ্ঞ। বেটুপাতখন সজাই দিয়াৰ বাবে শিল্পী ভবেন বৰালৈ ধন্যবাদ থাকিল।

পাণ্ডুলিপিটো পুংখানুপুংখভাৱে পঢ়ি ড° নবীন চন্দ্ৰ শৰ্মা মহোদয়ে আগবঢ়োৱা দিহা-পৰমৰ্শ আমি আগ্ৰহেৰে গ্ৰহণ কৰি প্ৰৱন্ধবোৰৰ নাম আদি সলনি কৰাৰ লগতে যাৱতীয় ভালেখিনি আঁসোৱাহ দূৰ কৰাৰ আন্তৰিক প্ৰচেষ্টা হাতত ল'লোঁ। এই বদান্যতাৰ বাবে মহোদয়লৈ হিয়া ভৰা শ্ৰদ্ধা নিবেদিলোঁ।

গ্ৰন্থখন ছপাই দিয়াৰ বাবে বহ্নিমান প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰীলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পুথিখন ডি.টি.পি. কৰি দিয়াৰ বাবে ৰমেশ চন্দ্ৰ শৰ্মালৈ অশেষ ধন্যবাদ থাকিল।

সহৃদয় ৰাইজৰ কৰকমলত "অসমৰ জনজাতিসকলৰ উৎসৱ-অনুষ্ঠান" গ্ৰন্থখন তুলি দিবলৈ পাই শ্ৰমৰ সাৰ্থকতা উপলব্ধি কৰিছোঁ।

(ধৰ্মেশ্বৰ দুৱৰা)

থানা-নগাজৰি পথ
ডাক-সৰুপথাৰ
পিন-৭৮৫৬০১
গোলাঘাট জিলা
ফোন ঃ ০৩৭৭৪-২৭৭৭৯৫



# সূচী পত্ৰ

(ক) আগকথা .০১
১.০০ প্ৰথম অধ্যায়
—অৱতৰণিকা ১-১০
২.০০ দ্বিতীয় অধ্যায়
—অসমৰ তাই বৌদ্ধ সমাজৰ উৎসৱ ১১-১৭
৩.০০ তৃতীয় অধ্যায়
—কাৰ্বিসকলৰ উৎসৱ অনুষ্ঠান ১৮-২৩
৪.০০ চতুৰ্থ অধ্যায়
—কুকি সমাজৰ উৎসৱ অনুষ্ঠান ২৪-২৮
৫.০০ পঞ্চম অধ্যায়
—গাৰো সমাজৰ উৎসৱ অনুষ্ঠান ২৯-৩৩
৬.০০ ষষ্ঠ অধ্যায়
—জেমিসকলৰ কৃষি উৎসৱ অনুষ্ঠান ৩৪-৪৩
৭.০০ সপ্তম অধ্যায়
—ঠেংগালসকলৰ উৎসৱ অনুষ্ঠান ৪৪-৫০
৮.০০ অষ্টম অধ্যায়
—ডিমাছাসকলৰ উৎসৱ অনুষ্ঠান ৫১-৫৮
৯.০০ নৱম অধ্যায়
—তিৱা সমাজৰ উৎসৱ অনুষ্ঠান ৫৯-৭১
১০.০০ দশম অধ্যায়
—দেউৰীসকলৰ উছৱৰ ৰংচ'ৰা ৭২-৮৪
১১.০০ একাদশ অধ্যায়
—বড়োসমাজৰ পৰম্পৰাগত উৎসৱ ৮৫-৯০
১২.০০ দ্বাদশ অধ্যায়
—বেইটেসকলৰ উৎসৱ অনুষ্ঠান ৯১-৯৬
১৩.০০ ত্ৰয়োদশ অধ্যায়
—ভাইফে জনজাতিৰ উৎসৱ অনুষ্ঠান ৯৭-১০২

১৪.০০ চতুৰ্দশ অধ্যায়
—মাৰ জনজাতিৰ উৎসৱ অনুষ্ঠান ১০৩-১০৯
১৫.০০পঞ্চদশ অধ্যায়
—মিচিং সমাজৰ উৎসৱ অনুষ্ঠান ১১০-১১৯
১৬.০০ ষষ্ঠদশ অধ্যায়
—ৰাভাসমাজৰ লোক উৎসৱ অনুষ্ঠান ১২০-১২৭
১৭.০০ সপ্তদশ অধ্যায়
—ৰাংখল সমাজৰ উৎসৱ অনুষ্ঠান ১২৮-১৩৪
১৮.০০ অষ্টাদশ অধ্যায়
—ৰেংমা নগাৰ উৎসৱ অনুষ্ঠান ১৩৫-১৩৯
১৯.০০ উনবিংশ অধ্যায়
—সোণোৱাল সমাজৰ উৎসৱ অনুষ্ঠান ১৪০-১৪৯
২০.০০ বিংশ অধ্যায়
—হাজংসকলৰ উৎসৱ-অনুষ্ঠান ১৫০-১৫৬
২১.০০ একবিংশ অধ্যায়
— উপসংহাৰ ১৫৭-১৫৯
.০২ (খ) নিৰ্বাচিত গ্ৰন্থপঞ্জী ১৬০-১৬৪
.০৩ (গ) নিৰ্ঘণ্ট ১৬৫-১৮৮
.০৪ (ঘ) আলোক চিত্ৰ সূচী ১৮৯-২১১
(চিত্ৰ পৰিচয়)

১. জেমিনগা গাভৰুৰ বিহুৰ হাঁহি
২. তাঁতৰ পাটত ডিমাছা গাভৰু
৩. হাতেৰে বোৱা সাজপাৰ আৰু কুকি গাভৰু
৪. বজাৰলৈ বুলি বেইটে গাভৰু
৫. গাৰোসকলৰ ৱাংগালা নৃত্য
৬. পৰম্পৰাগত সাজপাৰেৰে কাৰ্বি পাটগাভৰু
৭. কাৰ্বি যুৱক-যুৱতীৰ সৈতে লিখক
৮. পানী অনা ঘাটলৈ ডিমাছা গাভৰু
৯. ঝুমতলীৰপৰা উভতিল ৰাংখল দম্পতি
১০. ডিমাছাৰ বাইডিমা নৃত্য
১১. ৰাভাৰ ফাৰকান্তি নৃত্য
১২. পৰম্পৰাগত সাজেৰে কুকি দম্পতি
১৩. বড়োৰ লোকনৃত্য "বৈশাগু"
১৪. পৰম্পৰাগত সাজপাৰেৰে কুকি ডেকা-গাভৰু
১৫. পৰম্পৰাগত সাজপাৰেৰে ভাইফে ডেকা-গাভৰু
১৬. কুকি মাতৃ আৰু কেঁচুৱা
১৭. পৰম্পৰাগত ঘৰৰ চোতালত কৰ্মৰত কাৰ্বি পুৰুষ
১৮. ঝুমতলী চহোৱাৰ মনেৰে কাৰ্বি লোকনৃত্যৰ দল
১৯. পৰম্পৰাগত সাজপাৰেৰে ডিমাছা গাভৰু
২০. কুকি কিশোৰ-কিশোৰী
২১. হাজং ডেকা গাভৰুৰ লেৱা টানা নৃত্য
২২. বড়োৰ লোকনৃত্য
২৩. দেউৰীসকলৰ বিহু নৃত্য
২৪. তিৱা লোকনৃত্য
২৫. ৰাংখলৰ ভাইলাম নৃত্য
২৬. পৰম্পৰাগত তাঁতশালৰ সৈতে কুকি শি পিনী
২৭. মিচিং বিহু নৃত্য
২৮. লোথানগাৰ লোকনৃত্যৰ দল
২৯. লোথানগাৰ ডেকা-গাভৰু
৩০. বেইটেসকলৰ লোকনৃত্য "পাৰটন লাম"
৩১. উৰালত ধান বনাত ব্যস্ত জেমিনগা গাভৰু
৩২. কৰ্মৰত বেইটে পুৰুষ
৩৩. হাতেৰে বোৱা কাপোৰৰ সৈতে জেমিনগা গাভৰু
৩৪. ৰাংখল পুৰুষ-মহিলাই ঝুমতলীত ধান দাইছে
৩৫. তাইতুৰুং গাভৰু
৩৬. নৃত্যৰ সাজেৰে তাইফাকিয়াল গাভৰু
৩৭. কাৰ্বি আইতাই টাকুৰীত এড়িসূতা কাটিছে
৩৮. মাৰসকলৰ ফেইফিট লাম নৃত্য
৩৯. কুকিসকলৰ উৎসৱৰ ভোজৰ বাবে অনা এটা মেঠোন
৪০. সোণোৱালসকলৰ "বহুৱা নৃত্য"
ধলাগাওঁ। ছৈখোৱা ঘাট।

৪১. 'চুৰ খেলা পৰ্ব' উৎসৱ উপলক্ষে মাছুমৰা নৃত্য পৰিবেশন কৰিছে হাজং গাভৰুৱে (সংগ্ৰহ)
৪২. তিৱা লোকনৃত্য (সংগ্ৰহ)
৪৩. দেউৰী বিহু নৃত্য (সংগ্ৰহ)
৪৪. ফাৰকান্তি নৃত্যৰ সাজেৰে ৰাভা গাভৰু (সংগ্ৰহ)
৪৫. তিৱাসকলৰ 'লাংখুন ফুজা মিছৱা' নৃত্য
৪৬. ৰেংমা নগাৰ মুখিয়াল আৰু পত্নী (সংগ্ৰহ)

## ১.০০ প্ৰথম অধ্যায়

# অৱতৰণিকা

### ক. অধ্যয়নৰ ক্ষেত্ৰ আৰু অধিবাসী

অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ই বিভিন্ন সংস্কৃতিৰ এখন মিলন ক্ষেত্ৰ।

অসমৰ সাংস্কৃতিক বৈশিষ্ট্যৰ স্বৰূপ ইয়াৰ বুৰঞ্জী, ভৌগোলিক, নৃতাত্বিক, সামাজিক, ভাষাতাত্বিক আদিৰ দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলেহে উদ্ধাৰ কৰিব পৰা যায়। বৰ্তমানৰ অসম পুৰণি প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপৰ অংশ বিশেষহে। ত্ৰিপুৰা, মণিপুৰ, নগালেণ্ড, অৰুণাচল, মেঘালয়, মিজোৰাম, কোচবিহাৰ আদি ভূখণ্ডই আছিল পুৰণি বৰঅসম। ৰামায়ণ, মহাভাৰত, কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আদিত প্ৰাগ্‌জ্যোতিষ, কামৰূপ, সৌমাৰ, দিক্কৰবাসিনী, দুৰ্জয়া আদি ভূখণ্ডৰ উল্লেখ আছে।

অতীজতে প্ৰাগ্‌জ্যোতিষপুৰ—কামৰূপত কিৰাত, চীনা, অসুৰ আদি জাতিগোষ্ঠীৰ লোক বসবাস কৰিছিল। ভাষাতাত্বিক আৰু প্ৰজাতীয় মূললৈ লক্ষ্য কৰিলে অতীজৰ প্ৰাগ্‌জ্যোতিষপুৰ-কামৰূপত নেগ্ৰিটো, অষ্ট্ৰ-এচিয়াটিক, তিব্বতবৰ্মী, আৰ্য আদি নৃগোষ্ঠীৰ লোক আছিল। খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে তাইআহোমসকলে অসমত প্ৰৱেশ কৰি বসবাস কৰিবলৈ লয়।

ধৰ্মৰ ফালৰ পৰা অসমৰ অধিবাসীসকলক হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন, শিখ আদি ভাগত পৃথক কৰিব পাৰি। আকৌ ইয়াৰ অধিবাসীসকলক জনজাতীয় আৰু অজনজাতীয় ৰূপেও দুটা পৃথক ভাগত ভগোৱা হয়।

বৰ অসমক বৰ্তমান সাতখন ৰাজ্যত পৰিণত কৰা হৈছে যদিও বৰ্তমান অসমত বসবাস কৰি থকা জনজাতীয় লোকগোষ্ঠীৰ অন্তৰ্গত ভালে সংখ্যক লোক বাকী কেইখন ৰাজ্যত বসবাস কৰা লোকগোষ্ঠীৰ অংশ বিশেষ।

সেইবাবে অসমৰ লোকসংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ হ'লে কাষৰীয়া ৰাজ্যকেইখনৰ জনগোষ্ঠীসমূহৰো সংস্কৃতিক অধ্যয়ন কৰিব লাগিব। ভৌগোলিক ক্ষেত্ৰৰ দ্বাৰা অসমৰ সৈতে বাকী ৰাজ্য কেইখন পৃথক হ'লেও অসম ভূমিত বিভিন্ন জনগোষ্ঠীৰলোক থাকি গ'ল আৰু অসমৰ সামূহিক সাংস্কৃতিক জীৱনধাৰাত বৰ্তমান তেওঁলোক বিলীনহৈ গ'ল।

ভাষা অনুসৰি অসমৰ জনজাতীয়লোকক দুটা গোষ্ঠীত ভগোৱা হয়। এটা অষ্ট্ৰিক আৰু আনটো শ্যাম-চীন। অষ্ট্ৰিক ভাষা-ভাষী জনজাতিৰ ভিতৰত খাছীয়া আৰু জয়ন্তীয়া সকলক অন্তৰ্ভুক্ত কৰা হয়। ভাষাতত্ববিদৰ মতে শ্যাম-চীন ভাষা গোষ্ঠীক চাৰিটা ভাগত ভাগ কৰা হয়। তিব্বত-বৰ্মী ইয়াৰে অন্যতম ভাগ। আকৌ তিব্বতবৰ্মী ভাষাকো তিব্বত-হিমালয়ী, অসম-বৰ্মী আৰু উত্তৰ অসম উপশাখা হিচাপে তিনিটা ভাগত ভগোৱা হয়।[১]

অসমত বিশেষকৈ অসমবৰ্মী ভাষা কোৱা জনজাতিৰ সংখ্যাই সৰহ। বড়ো, কুকিচীন, নগা আদিয়েই এই ভাষাৰ ভিতৰত পৰে। বড়ো ভাষা-ভাষী জনজাতীয় সকলৰ ভিতৰত কছাৰী, ৰাভা, গাৰো, তিৱা, ডিমাছা, ত্ৰিপুৰা, বড়ো আদি।

কুকিচীন শাখাৰ অন্তৰ্গত জাতি-গোষ্ঠী হৈছে মেইতেই, কুকি, মিজো, মাৰ, থাড, ৰাংখল, বেইটে, ভাইফে, খেলমা আদি। উত্তৰ অসম শাখাৰ ভিতৰত অকা, ডফলা, আদি, মিচিমি, মিচিং, আবৰ আদি পৰে।

অসমত বুজন সংখ্যক শ্যাম-চীন ভাষা গোষ্ঠীৰ লোক বসবাস কৰে। সেইসকলৰ ভিতৰত তাই আহোম, তাই খামতি, তাইফাকে, তাই তুৰুং, তাই খাময়াং, তাইআইতন, দোৱনীয়া আদিয়েই উল্লেখনীয়।

অসমৰ পুৰণি জনগোষ্ঠীৰ ভিতৰত নেগ্ৰিটো জাতিৰ নগা আৰু অষ্ট্ৰিক জাতিৰ খাছীয়া, জয়ন্তীয়া, কাৰ্বি সকলেই প্ৰধান।

অন্যহাতে অসমৰ আন আন জনজাতীয়লোকৰ ভিতৰত উল্লেখযোগ্য হ'ল মেছ কছাৰী, সোণোৱাল, ঠেঙাল, দেউৰী-চুতীয়া, মৰাণ, বৰাহী, হাজং আদি।

বৰ্তমান কিৰাত জাতিৰ চাওঁতাল, মুণ্ডা, ওৰাং, কুৰ্মি, চাৰ্থী, পানীকা, ভূমিজ, কোঁৱাৰ, তুৰি, গোৱালা, মাঝী আদি লোকসকল চাহ জনগোষ্ঠী

১ দাস, ভুবন মোহন, অসমৰ জনজাতীয় সংস্কৃতি



হিচাপে অসমৰ অধিবাসী। আকৌ দ্ৰাবিড়ী ভাষীৰ তামিল, তেলেগু, মালয়ালম, কানাড়ী আদিসকলে অসমৰ চাহ বাগিচা আৰু কয়লাখনি বিশেষত শ্ৰমিক ৰূপে বসবাস কৰি আছে।

চৈধ্য-পোন্ধৰ শতিকাৰ পৰাই অসমলৈ ইণ্ডো-ইৰাণীয় ভাষী মুছলমানসকলৰ আগমন হয়। আহোমৰ ৰাজত্ব কালতেই শিখসকলেও অসম ভূমিত বসবাস কৰিবলৈ লয়। উনৈশ শতিকাৰ আদিভাগত বৃটিছৰ অসমলৈ আগমন হোৱাৰ লগে লগে অসমৰ জনগোষ্ঠীসমূহৰ মাজত ধৰ্ম-সংস্কৃতিৰ দিশত এক বৃহৎ পৰিৱৰ্তনে দেখা দিবলৈ ধৰে। অসমত তেতিয়াৰ পৰাই খ্ৰীষ্টান ধৰ্মও বিস্তাৰিত হয়। তদুপৰি শিক্ষা, যাতায়ত, শিল্প-বাণিজ্য আদিৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন সাধিত হয়। লগে লগে বঙালী, নেপালী, বিহাৰী, মাৰোৱাৰী, পাঞ্জাবী আদি ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা লোকগোষ্ঠীৰে অসম ভৰি পৰে। তেওঁলোকে কঢ়িয়াই অনা বৰ্ণাঢ্য সংস্কৃতিয়েও অসমৰ সাংস্কৃতিক জগতক প্ৰভাৱিত কৰে।

অসমৰ আদি অধিবাসীসকলৰ সৈতে বসবাস কৰি থকা অজনজাতীয়লোকসকলৰ ভিতৰত ব্ৰাহ্মণ, কায়স্থ, কলিতা, কেওট, কোঁচ, ৰাজবংশী আদি জাতিগোষ্ঠীসকলক অন্তৰ্ভুক্ত কৰা হয়। আনহাতে কৈৱৰ্ত, হীৰা, কুমাৰ, মালি, যোগী আদি জনগোষ্ঠীও অসমৰ পুৰণি অধিবাসী।

অসমৰ সাংস্কৃতিক জগত উল্লিখিত বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্য সাংস্কৃতিক অৱদানেৰে পৰিপুষ্ট। সেয়েহে ই সমন্বয়ৰ সংস্কৃতি। জনজাতি অজনজাতি দুয়োৰে সাংস্কৃতিক অনুবৰ্তন, সংহতি আৰু সমাহৰণ প্ৰক্ৰিয়াৰ দ্বাৰা অসমৰ বাৰেবৰণীয়া সাংস্কৃতিক দৌল নিৰ্মিত হৈছে। দিয়া-লোৱাৰ মাজেৰে অসমৰ সাংস্কৃতিক বৈশিষ্ট্য ৰচিত হৈছে।

অসমৰ সংস্কৃতি ভাৰতীয় আৰ্যমুখী সংস্কৃতি হ'লেও ইয়াৰ পৰম্পৰাগত সাংস্কৃতিক বৈশিষ্ট্যত মংগোলীয় ধাৰাৰ সোঁত চিৰ প্ৰৱাহমান। অসমৰ অধিকাংশলোকেই জনজাতীয় আৰু মংগোলীয়।

উল্লেখযোগ্য যে ডব্লিউ-চি-স্মিথ নামৰ এগৰাকী সমাজ তাত্বিকে অসমৰ তিব্বত-বৰ্মী লোকৰ মাজত দেখা কিছুমান বৈশিষ্ট্য অনুধাৱন কৰিছে। সেইবোৰ হৈছে— মূৰ চিকাৰ প্ৰথা, মৰংঘৰ বা ডেকা চাং সজা, চাংঘৰত বাস কৰা, চাঙৰ ওপৰত মৰাশ সৎকাৰ কৰা, তামোল-পাণ খোৱা,

গাখীৰ নোখোৱা, গাত টেটু অঁকা, ৰাজনৈতিক শক্তিৰ পৰা মুক্ত হৈ থকা, থিয় দুমুখীয়া কমাৰ ভাটী সজা, সাধাৰণ পদ্ধতিৰ তাঁতশাল ব্যৱহাৰ কৰা, ঢালৰ ব্যৱহাৰ, পৰ্বতীয়া ঠাইত বসবাস কৰা আৰু আদিম ঝুম পদ্ধতিৰে খেতি বাতি কৰা আদি প্ৰথাবোৰ অসমৰ জনজাতীয় প্ৰায় লোকেই প্ৰচলন কৰি আছে। এইবোৰৰ উপৰিও মংগোলীয় সংস্কৃতিত আন কিছুমান বৈশিষ্ট্য বিদ্যমান। সেইবোৰ হৈছে— দেৱ দেৱীৰ পূজাত কেঁচা তেজৰ উপাচাৰ দিয়া, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত লাওপানী পৰিৱেশন কৰা, কুকুৰা-গাহৰি আদি ভক্ষণ কৰা, বিয়াত গা-ধন লোৱা, ঝুম খেতি কৰা, শুকান মাছ-মাংস খোৱা, কৈৰাতজ ধৰ্মৰ প্ৰভাৱ পৰা, বিপদ-আপদ বা আনন্দ উৎসৱত সামূহিক দায়িত্ব পালন কৰা, মান-মৰ্যাদাৰ ক্ষেত্ৰত অনমনীয়তা, নিজা অস্তিত্ব ৰক্ষাৰ চেষ্টা কৰা, সৰলতা, জাতি-বৰ্ণ ভেদভাৱ নোহোৱা আদি।

অৱশ্যে এই বৈশিষ্ট্যসমূহ কোনো কোনো জনজাতিৰ মাজত সম্পূৰ্ণকৈ নাথাকিবও পাৰে। তথাপি এনে বৈশিষ্ট্য অসমৰ সামূহিক লোকসাংস্কৃতিক জীৱনত চৰ্চিত আৰু ব্যৱহৃত হৈ আহিছে। লগে লগে বিভিন্ন জাতি-গোষ্ঠীৰ মাজত সমন্বয় সাধিত হৈছে।

অসমৰ জনগোষ্ঠীসমূহৰ পৰা ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ আৰু কলিতা জাতি-গোষ্ঠীৰ বাদে বাকী সকলো থলুৱা জাতিগোষ্ঠীয়েই মংগোলীয় সংস্কৃতিৰ বৈশিষ্ট্যৰে পুষ্ট।

অসমৰ লোক সংস্কৃতিৰ ক্ষেত্ৰতো বিভিন্ন জাতিৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। অসমৰ লোক-সংস্কৃতিক চাৰি ভাগে ভগাব পাৰি। সেইবোৰ হৈছে— (১) মৌখিক লোক বিদ্যা বা লোক সংস্কৃতি; (২) সামাজিক লোক প্ৰথা বা লোকাচাৰ; (৩) ভৌতিক সংস্কৃতি আৰু (৪) লোক কলা। এই কেউবিধ লোকসংস্কৃতিৰ সমল অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ মাজত প্ৰচলনহৈ আহিছে।

সংস্কৃতি বোঁৱতী নৈৰ দৰে। সময়ৰ অগ্ৰগতি আৰু জাতি-উপজাতিৰ মিলন হোৱা হেতুকে সাংস্কৃতিক ধাৰাইও দিয়া-লোৱাৰ মাজেৰে সমন্বয় সাধন কৰি আহিছে। এই ক্ষেত্ৰত অসমৰ সংস্কৃতিও বাদ নপৰে। প্ৰাগ্ঐতিহাসিক যুগতে অংকুৰিত হোৱা অসমৰ সংস্কৃতিয়ে আহোম যুগত



অসমীয়া সংস্কৃতি ৰূপে খ্যাত হয়। মোগলৰ আক্ৰমণ প্ৰতিহত কৰাৰ অৰ্থে আহোম ৰজাই 'সাতৰাজ মাৰি একৰাজ' কৰি মৰাণ, বৰাহী, চুতীয়া, কছাৰী, বড়ো, তিৱা, ভূঁঞা, কোঁচ আদি সকলোকে একগোট কৰিলে। এনেকৈয়ে পাহাৰ-ভৈয়াম জুৰি বিভিন্ন জাতি-উপজাতিৰে বৃহৎ অসমীয়া জাতীয়ত্বৰ গঢ় লয় আৰু অসমৰ সাংস্কৃতিক জীৱনতো সমন্বয়ৰ সৌধ গঢ়ি উঠে। অন্যহাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সংস্কৃতিত শ্ৰেণীহীন আৰু অস্পৃশ্যতাহীনভাৱে এক নামধৰ্মৰ ডোলেৰে জাতি-উপজাতিক বান্ধ খোৱালে।

অসম কোনো এটি বিশেষ নৃগোষ্ঠীৰ খিলঞ্জীয়া লোকৰ বসতিভূমি নহয়। ই যুগে যুগে অসুৰ, কিৰাত, অষ্ট্ৰিক, বড়ো, আৰ্য, অনাৰ্য, মংগোলীয়, জনজাতীয় আদি বিভিন্ন জনগোষ্ঠীৰ উমৈহতীয়া বাসভূমি হিচাপে পৰিগণিত হৈ আহিছে আৰু এটি সৰ্বাংগ সুন্দৰ সমন্বিত সংস্কৃতি গঢ়ি তুলিছে।[২]

অসমৰ হাবি-বননি; পাহাৰ-ভৈয়াম, চৰ-চাপৰি আদিত নিগাজীকৈ বসবাস কৰি অহা লোকেই অসমীয়া। বিভিন্ন ভাষা-উপভাষা, জাতি-জনজাতি, ধৰ্ম-সংস্কৃতিৰ মিলন ক্ষেত্ৰ অসম। বুৰঞ্জীৰ উত্থান-পতন ঘটিলেও ইয়াৰ সামাজিক, সাংস্কৃতিক সোঁতত বিভিন্ন জাতি-উপজাতিয়ে একেখন নাৱেৰে অবিৰামভাৱে যাত্ৰা কৰি আছে। সংমিশ্ৰণ আৰু সংহতি হৈছে অসমৰ জাতীয় জীৱনৰ মূল ভেটি। অনৈক্যৰ মাজত ঐক্য ৰচনা কৰাই হ'ল অসমৰ সাংস্কৃতিক বৈশিষ্ট্য।

অৱশ্যে বিভিন্ন কাৰণত অসমৰ ভিন্ ভিন্ প্ৰান্তত বসবাস কৰা অলেখ জাতি জনজাতিৰ লোক-সাংস্কৃতিক পৰম্পৰাৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক আচাৰ-অনুষ্ঠানৰ চৰ্চা নোহোৱাৰ ফলত এইবোৰ ক্ৰমান্বয়ে বিলুপ্তিৰ পথলৈ আগুৱাই যাবলৈ ধৰিছে। অসমৰ লোক-গীত মাত, নৃত্য, বাদ্য, শিল্প কলা, উৎসৱ-পাৰ্বণ, মেলা আদিৰো কিছু অংশ অৱহেলিত হ'বলৈ ধৰিছে। ইয়াৰ বাবে অসমৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ পৰিচয়ৰ ক্ষেত্ৰত সংকটে দেখা দিয়া পৰিলক্ষিত হয়। আনহাতে বিভিন্ন জনগোষ্ঠীৰ মাজত স্ববৈশিষ্ট্যৰে প্ৰচলিত বাৰেবৰণীয়া উৎসৱ-অনুষ্ঠান, নৃত্য-গীত-বাদ্যৰ বিষয়ে আন আন লোকগোষ্ঠীৰ লোকৰ মাজত অপ্ৰচলিত আৰু অপৰিচিত। এনে পৰিস্থিতিৰ

২ নেওগ, হৰিপ্ৰসাদ আৰু গগৈ লীলা, (সম্পা) অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, পৃ. ২৪৩-২৪৪

গাখীৰ নোখোৱা, গাত টেটু আঁকা, ৰাজনৈতিক শক্তিৰ পৰা মুক্ত হৈ থকা, থিয় দুমুখীয়া কমাৰ ভাটী সজা, সাধাৰণ পদ্ধতিৰ তাঁতশাল ব্যৱহাৰ কৰা, ঢালৰ ব্যৱহাৰ, পৰ্বতীয়া ঠাইত বসবাস কৰা আৰু আদিম ঝুম পদ্ধতিৰে খেতি বাতি কৰা আদি প্ৰথাবোৰ অসমৰ জনজাতীয় প্ৰায় লোকেই প্ৰচলন কৰি আছে। এইবোৰৰ উপৰিও মংগোলীয় সংস্কৃতিত আন কিছুমান বৈশিষ্ট্য বিদ্যমান। সেইবোৰ হৈছে— দেৱ দেৱীৰ পূজাত কেঁচা তেজৰ উপাচাৰ দিয়া, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত লাওপানী পৰিৱেশন কৰা, কুকুৰা-গাহৰি আদি ভক্ষণ কৰা, বিয়াত গা-ধন লোৱা, ঝুম খেতি কৰা, শুকান মাছ-মাংস খোৱা, কৈৰাতজ ধৰ্মৰ প্ৰভাৱ পৰা, বিপদ-আপদ বা আনন্দ উৎসৱত সামূহিক দায়িত্ব পালন কৰা, মান-মৰ্যাদাৰ ক্ষেত্ৰত অনমনীয়তা, নিজা অস্তিত্ব ৰক্ষাৰ চেষ্টা কৰা, সৰলতা, জাতি-বৰ্ণ ভেদভাৱ নোহোৱা আদি।

অৱশ্যে এই বৈশিষ্ট্যসমূহ কোনো কোনো জনজাতিৰ মাজত সম্পূৰ্ণকৈ নাথাকিবও পাৰে। তথাপি এনে বৈশিষ্ট্য অসমৰ সামূহিক লোকসাংস্কৃতিক জীৱনত চৰ্চিত আৰু ব্যৱহৃত হৈ আহিছে। লগে লগে বিভিন্ন জাতি-গোষ্ঠীৰ মাজত সমন্বয় সাধিত হৈছে।

অসমৰ জনগোষ্ঠীসমূহৰ পৰা ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ আৰু কলিতা জাতি-গোষ্ঠীৰ বাদে বাকী সকলো থলুৱা জাতিগোষ্ঠীয়েই মংগোলীয় সংস্কৃতিৰ বৈশিষ্ট্যৰে পুষ্ট।

অসমৰ লোক সংস্কৃতিৰ ক্ষেত্ৰতো বিভিন্ন জাতিৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে। অসমৰ লোক-সংস্কৃতিক চাৰি ভাগে ভগাব পাৰি। সেইবোৰ হৈছে— (১) মৌখিক লোক বিদ্যা বা লোক সংস্কৃতি; (২) সামাজিক লোক প্ৰথা বা লোকাচাৰ; (৩) ভৌতিক সংস্কৃতি আৰু (৪) লোক কলা। এই কেউবিধ লোকসংস্কৃতিৰ সমল অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ মাজত প্ৰচলনহৈ আহিছে।

সংস্কৃতি বোঁৱতী নৈৰ দৰে। সময়ৰ অগ্ৰগতি আৰু জাতি-উপজাতিৰ মিলন হোৱা হেতুকে সাংস্কৃতিক ধাৰাইও দিয়া-লোৱাৰ মাজেৰে সমন্বয় সাধন কৰি আহিছে। এই ক্ষেত্ৰত অসমৰ সংস্কৃতিও বাদ নপৰে। প্ৰাগ্ঐতিহাসিক যুগতে অংকুৰিত হোৱা অসমৰ সংস্কৃতিয়ে আহোম যুগত



অসমীয়া সংস্কৃতি ৰূপে খ্যাত হয়। মোগলৰ আক্ৰমণ প্ৰতিহত কৰাৰ অৰ্থে আহোম ৰজাই 'সাতৰাজ মাৰি একৰাজ' কৰি মৰাণ, বৰাহী, চুতীয়া, কছাৰী, বড়ো, তিৱা, ভূঞা, কোঁচ আদি সকলোকে একগোট কৰিলে। এনেকৈয়ে পাহাৰ-ভৈয়াম জুৰি বিভিন্ন জাতি-উপজাতিৰে বৃহৎ অসমীয়া জাতীয়ত্বৰ গঢ় লয় আৰু অসমৰ সাংস্কৃতিক জীৱনতো সমন্বয়ৰ সৌধ গঢ়ি উঠে। অন্যহাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সংস্কৃতিত শ্ৰেণীহীন আৰু অস্পৃশ্যতাহীনভাৱে এক নামধৰ্মৰ ডোলেৰে জাতি-উপজাতিক বান্ধ খোৱালে।

অসম কোনো এটি বিশেষ নৃগোষ্ঠীৰ খিলঞ্জীয়া লোকৰ বসতিভূমি নহয়। ই যুগে যুগে অসুৰ, কিৰাত, অষ্ট্ৰিক, বড়ো, আৰ্য, অনাৰ্য, মংগোলীয়, জনজাতীয় আদি বিভিন্ন জনগোষ্ঠীৰ উমৈহতীয়া বাসভূমি হিচাপে পৰিগণিত হৈ আহিছে আৰু এটি সৰ্বাংগ সুন্দৰ সমন্বিত সংস্কৃতি গঢ়ি তুলিছে।[২]

অসমৰ হাবি-বননি; পাহাৰ-ভৈয়াম, চৰ-চাপৰি আদিত নিগাজীকৈ বসবাস কৰি অহা লোকেই অসমীয়া। বিভিন্ন ভাষা-উপভাষা, জাতি-জনজাতি, ধৰ্ম-সংস্কৃতিৰ মিলন ক্ষেত্ৰ অসম। বুৰঞ্জীৰ উত্থান-পতন ঘটিলেও ইয়াৰ সামাজিক, সাংস্কৃতিক সোঁতত বিভিন্ন জাতি-উপজাতিয়ে একেখন নাৱেৰে অবিৰামভাৱে যাত্ৰা কৰি আছে। সংমিশ্ৰণ আৰু সংহতি হৈছে অসমৰ জাতীয় জীৱনৰ মূল ভেটি। অনৈক্যৰ মাজত ঐক্য ৰচনা কৰাই হ'ল অসমৰ সাংস্কৃতিক বৈশিষ্ট্য।

অৱশ্যে বিভিন্ন কাৰণত অসমৰ ভিন্ ভিন্ প্ৰান্তত বসবাস কৰা অলেখ জাতি জনজাতিৰ লোক-সাংস্কৃতিক পৰম্পৰাৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক আচাৰ-অনুষ্ঠানৰ চৰ্চা নোহোৱাৰ ফলত এইবোৰ ক্ৰমান্বয়ে বিলুপ্তিৰ পথলৈ আগুৱাই যাবলৈ ধৰিছে। অসমৰ লোক-গীত মাত, নৃত্য, বাদ্য, শিল্প কলা, উৎসৱ-পাৰ্বণ, মেলা আদিৰো কিছু অংশ অৱহেলিত হ'বলৈ ধৰিছে। ইয়াৰ বাবে অসমৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ পৰিচয়ৰ ক্ষেত্ৰত সংকটে দেখা দিয়া পৰিলক্ষিত হয়। আনহাতে বিভিন্ন জনগোষ্ঠীৰ মাজত স্ববৈশিষ্ট্যৰে প্ৰচলিত বাৰেবৰণীয়া উৎসৱ-অনুষ্ঠান, নৃত্য-গীত-বাদ্যৰ বিষয়ে আন আন লোকগোষ্ঠীৰ লোকৰ মাজত অপ্ৰচলিত আৰু অপৰিচিত। এনে পৰিস্থিতিৰ

২ নেওগ, হৰিপ্ৰসাদ আৰু গগৈ লীলা, (সম্পা) অসমীয়া সংস্কৃতি, অসম সাহিত্য সভা, পৃ. ২৪৩-২৪৪

বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে বিশেষ দৃষ্টি নিক্ষেপ কৰে। ইয়াৰ ফলস্বৰূপে অসমৰ বিভিন্ন ঠাইত সাংস্কৃতিক কেন্দ্ৰসমূহ প্ৰতিষ্ঠা কৰি অসমৰ সাংস্কৃতিক জাগৰণক পুনৰ্জীৱিত কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। বিশেষকৈ উদ্ধাৰ, সংৰক্ষণ, পৰিৱেশনৰ জৰিয়তে বৰ্ণাঢ্য সংস্কৃতিক জীয়াই ৰখাৰ চেষ্টা কৰা হৈছে। তদুপৰি গুৱাহাটীত স্থাপিত 'শংকৰদেৱ কলা ক্ষেত্ৰ'ৰ জৰিয়তেও এই উদ্দেশ্যক সফল ৰূপ দিয়াৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**খ. বিষয় বস্তু**

পৃথিৱীৰ দেশে দেশে, প্ৰান্তৰে প্ৰান্তৰে মানুহে বসবাস কৰে। বছৰৰ পৃথক পৃথক সময়ত তেওঁলোকে বিধে বিধে উৎসৱ-অনুষ্ঠানৰ আয়োজন কৰে। এইটো স্বীকাৰ্য যে সকলো সমাজে একে সময়তে একে ধৰণৰ উৎসৱ পালন নকৰে। আকৌ কিছুমান উৎসৱক সকলো সমাজে সমানে গুৰুত্ব প্ৰদান নকৰে।

এটা সুনিৰ্দিষ্ট সময়ত সমাজ একোখনে বছৰে বছৰে অনুষ্ঠিত কৰি অহা আচাৰ-অনুষ্ঠানকে উৎসৱ বুলি অভিহিত কৰা হয়। সামাজিক আচাৰ-অনুষ্ঠানৰ বাহ্যিক প্ৰকাশক আমি উৎসৱ-অনুষ্ঠান বুলিব পাৰোঁ। বৰ্তমানৰ উৎসৱ-অনুষ্ঠানবোৰ আদিম মানৱে ঐন্দ্ৰজালিক কাৰ্যকলাপেৰে (magical ritual) পালন কৰা অনুষ্ঠানৰ উত্তৰ জীৱিতা (survival) হিচাপে পৰিগণিত।[৩] আদিম মানৱ সমাজত ঐন্দ্ৰজালিক ক্ৰিয়া-কলাপ বিভিন্ন উপলক্ষত পালিত হৈছিল। সেইবোৰৰ উল্লেখযোগ্য হৈছে— দুৰ্জেয় প্ৰাকৃতিক শক্তিক সন্তুষ্টি প্ৰদান কৰা, সময় দীঘলীয়া কৰণ, ঠেটুঁৱৈ ধৰা শীতক বিদায় দিয়া, কৃষি ভূমি, বন-বননি, আকাশ-বতাহ, মাটি-পানী আদিৰ গৰাকী দেৱ-দেৱীক উপাসনাৰে সন্তুষ্টি প্ৰদান কৰা। ৰ'দ-বৰষুণ, বজ্ৰ-ধুমুহা আদিকো শান্ত কৰিবৰ বাবে এইবোৰৰ গৰাকীক উৎসৱ-অনুষ্ঠানেৰে উপাসনা কৰা হয়।

সাম্প্ৰতিক কালত উৎসৱ-অনুষ্ঠানৰ অন্তৰ্গত অলেখ কাৰ্যকলাপ সন্নিবিষ্ট হ'বলৈ ধৰিছে। এইবোৰৰ ভিতৰত ধৰ্মনিৰপেক্ষৰ স্মৃতি ৰক্ষা, দেশৰ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, শিশু দিৱস, শিক্ষক দিৱস, সাহিত্য সভাৰ

৩ Smith R. G. : "Festivals and Celebrations" in Folklore and Folklife. ed. Dorson, R.M. P. 159.



অধিৱেশন, মহৎ ব্যক্তিৰ জন্মোৎসৱ, বন মহোৎসৱ, নাৰী দিৱস, গ্ৰন্থ উৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা দিৱস আদি উল্লেখনীয়। অৱশ্যে এইবোৰৰ দ্বাৰা উৎসৱ-আচৰণ প্ৰকাশিত নহয় নতুবা প্ৰতীকী অৰ্থও অন্তৰ্নিহিত হৈ নাথাকে। সেইকাৰণে প্ৰকৃততে এনে অনুষ্ঠানক উৎসৱৰ শাৰীত বহুৱাব পৰা নাযায়।[৪]

উৎসৱ-অনুষ্ঠানত 'গ্ৰেট ট্ৰেডিছন' (Great Tradition) আৰু 'লিটল ট্ৰেডিছন' (Little Tradition) দুয়োৰে পৰম্পৰাগত লোক সাংস্কৃতিক উপাদানৰ প্ৰতিফলন ঘটে।

অসমৰ বিভিন্ন জনজাতিৰ মাজত উদ্‌যাপিত হৈ অহা পৰম্পৰাগত লোক উৎসৱ সমূহতো পৃথিৱীৰ আদিম মানৱে আচৰণ কৰি অহা বিশ্বাস আৰু ধৰ্মীয় প্ৰতিফলন ঘটে। এইবোৰত ঐন্দ্ৰজালিক ক্ৰিয়া-কলাপসমূহো সম্পৃক্ত হৈ থাকে।

পৃথিৱীৰ অন্যান্য জাতিৰ দৰে অসমৰো জনজাতিৰ মাজত উদ্‌যাপিত উৎসৱ-অনুষ্ঠানসমূহত নিম্নোল্লিখিত বিভাজনবোৰ প্ৰত্যক্ষ কৰা যায়। যেনে ঃ

**ক. ঋতুকালীন উৎসৱ** (Seasonal festivals)
**খ. পঞ্জিকা আশ্ৰয়ী উৎসৱ** (Calendaric festvals)
**গ. সীমিত অংশ গ্ৰহণ কৰা উৎসৱ** (Limited Participation festivals) **আৰু**
**ঘ. জীৱন বৃত্তৰ সৈতে জৰিত উৎসৱ বা সংস্কাৰমূলক উৎসৱ** (Sacramental and domestic festivals or festivals associated with rites-de-passage). আনহাতে তলত উল্লেখ কৰাৰ দৰেও অনেকে উৎসৱ-অনুষ্ঠানবোৰক ভাগ কৰিছে।

ক. গ্ৰেট-ট্ৰেডিছন আৰু লিটল ট্ৰেডিছনৰ অন্তৰ্ভুক্ত উৎসৱ-অনুষ্ঠান (Festivals belonging to Great or Little Tradition),
খ. পাৰিবাৰিক বা সামূহিক উৎসৱ-অনুষ্ঠান (Family or Community festivals),

৪ শৰ্মা, নবীন চন্দ্ৰ, "উৎসৱ-অনুষ্ঠান আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বসন্ত উৎসৱ", বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য, শৰ্মা, নবীন চন্দ্ৰ, (সম্পা.) পৃ. ৩

বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে বিশেষ দৃষ্টি নিক্ষেপ কৰে। ইয়াৰ ফলস্বৰূপে অসমৰ বিভিন্ন ঠাইত সাংস্কৃতিক কেন্দ্রসমূহ প্রতিষ্ঠা কৰি অসমৰ সাংস্কৃতিক জাগৰণক পুনৰ্জীৱিত কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। বিশেষকৈ উদ্ধাৰ, সংৰক্ষণ, পৰিৱেশনৰ জৰিয়তে বৰ্ণাঢ্য সংস্কৃতিক জীয়াই ৰখাৰ চেষ্টা কৰা হৈছে। তদুপৰি গুৱাহাটীত স্থাপিত 'শংকৰদেৱ কলা ক্ষেত্ৰ'ৰ জৰিয়তেও এই উদ্দেশ্যক সফল ৰূপ দিয়াৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হৈছে।

### খ. বিষয় বস্তু

পৃথিৱীৰ দেশে দেশে, প্ৰান্তৰে প্ৰান্তৰে মানুহে বসবাস কৰে। বছৰৰ পৃথক পৃথক সময়ত তেওঁলোকে বিধে বিধে উৎসৱ-অনুষ্ঠানৰ আয়োজন কৰে। এইটো স্বীকাৰ্য যে সকলো সমাজে একে সময়তে একে ধৰণৰ উৎসৱ পালন নকৰে। আকৌ কিছুমান উৎসৱক সকলো সমাজে সমানে গুৰুত্ব প্ৰদান নকৰে।

এটা সুনিৰ্দিষ্ট সময়ত সমাজ একোখনে বছৰে বছৰে অনুষ্ঠিত কৰি অহা আচাৰ-অনুষ্ঠানকে উৎসৱ বুলি অভিহিত কৰা হয়। সামাজিক আচাৰ-অনুষ্ঠানৰ বাহ্যিক প্ৰকাশক আমি উৎসৱ-অনুষ্ঠান বুলিব পাৰোঁ। বৰ্তমানৰ উৎসৱ-অনুষ্ঠানবোৰ আদিম মানৱে ঐন্দ্ৰজালিক কাৰ্যকল্যাপেৰে (magical ritual) পালন কৰা অনুষ্ঠানৰ উত্তৰ জীৱিতা (survival) হিচাপে পৰিগণিত।[৩] আদিম মানৱ সমাজত ঐন্দ্ৰজালিক ক্ৰিয়া-কলাপ বিভিন্ন উপলক্ষত পালিত হৈছিল। সেইবোৰৰ উল্লেখযোগ্য হৈছে— দুৰ্জেয় প্ৰাকৃতিক শক্তিক সন্তুষ্টি প্ৰদান কৰা, সময় দীঘলীয়া কৰণ, ঠেঁটুৱৈ ধৰা শীতক বিদায় দিয়া, কৃষি ভূমি, বন-বননি, আকাশ-বতাহ, মাটি-পানী আদিৰ গৰাকী দেৱ-দেৱীক উপাসনাৰে সন্তুষ্টি প্ৰদান কৰা। ৰ'দ-বৰষুণ, বজ্ৰ-ধুমুহা আদিকো শান্ত কৰিবৰ বাবে এইবোৰৰ গৰাকীক উৎসৱ-অনুষ্ঠানেৰে উপাসনা কৰা হয়।

সাম্প্ৰতিক কালত উৎসৱ-অনুষ্ঠানৰ অন্তৰ্গত অলেখ কাৰ্যকলাপ সন্নিবিষ্ট হ'বলৈ ধৰিছে। এইবোৰৰ ভিতৰত ধৰ্মনিৰপেক্ষৰ স্মৃতি ৰক্ষা, দেশৰ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, শিশু দিৱস, শিক্ষক দিৱস, সাহিত্য সভাৰ

৩ Smith R. G. : "Festivals and Celebrations" in Folklore and Folklife. ed. Dorson, R.M. P. 159.



অধিৱেশন, মহৎ ব্যক্তিৰ জন্মোৎসৱ, বন মহোৎসৱ, নাৰী দিৱস, গ্ৰন্থ উৎসৱ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা দিৱস আদি উল্লেখনীয়। অৱশ্যে এইবোৰৰ দ্বাৰা উৎসৱ-আচৰণ প্ৰকাশিত নহয় নতুবা প্ৰতীকী অৰ্থও অন্তৰ্নিহিত হৈ নাথাকে। সেইকাৰণে প্ৰকৃততে এনে অনুষ্ঠানক উৎসৱৰ শাৰীত বহুৱাব পৰা নাযায়।[৪]

উৎসৱ-অনুষ্ঠানত 'গ্ৰেট ট্ৰেডিছন' (Great Tradition) আৰু 'লিটল ট্ৰেডিছন' (Little Tradition) দুয়োৰে পৰম্পৰাগত লোক সাংস্কৃতিক উপাদানৰ প্ৰতিফলন ঘটে।

অসমৰ বিভিন্ন জনজাতিৰ মাজত উদ্‌যাপিত হৈ অহা পৰম্পৰাগত লোক উৎসৱ সমূহতো পৃথিৱীৰ আদিম মানৱে আচৰণ কৰি অহা বিশ্বাস আৰু ধৰ্মীয় প্ৰতিফলন ঘটে। এইবোৰত ঐন্দ্ৰজালিক ক্ৰিয়া-কলাপসমূহো সম্পৃক্ত হৈ থাকে।

পৃথিৱীৰ অন্যান্য জাতিৰ দৰে অসমৰো জনজাতিৰ মাজত উদ্‌যাপিত উৎসৱ-অনুষ্ঠানসমূহত নিম্নোল্লিখিত বিভাজনবোৰ প্ৰত্যক্ষ কৰা যায়। যেনে ঃ

**ক. ঋতুকালীন উৎসৱ** (Seasonal festivals)
**খ. পঞ্জিকা আশ্ৰয়ী উৎসৱ** (Calendaric festvals)
**গ. সীমিত অংশ গ্ৰহণ কৰা উৎসৱ** (Limited Participation festivals) **আৰু**
**ঘ. জীৱন বৃত্তৰ সৈতে জৰিত উৎসৱ বা সংস্কাৰমূলক উৎসৱ** (Sacramental and domestic festivals or festivals associated with rites-de-passage). আনহাতে তলত উল্লেখ কৰাৰ দৰেও অনেকে উৎসৱ-অনুষ্ঠানবোৰক ভাগ কৰিছে।

ক. গ্ৰেট-ট্ৰেডিছন আৰু লিটল ট্ৰেডিছনৰ অন্তৰ্ভুক্ত উৎসৱ-অনুষ্ঠান (Festivals belonging to Great or Little Tradition),
খ. পাৰিবাৰিক বা সামূহিক উৎসৱ-অনুষ্ঠান (Family or Community festivals),

৪ শৰ্মা, নবীন চন্দ্ৰ, "উৎসৱ-অনুষ্ঠান আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বসন্ত উৎসৱ", বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য, শৰ্মা, নবীন চন্দ্ৰ, (সম্পা.) পৃ. ৩

গ. স্বেচ্ছাকৃত বা অস্বেচ্ছাকৃত উৎসৱ-অনুষ্ঠান (Voluntary or non-voluntary festivals) আৰু

ঘ. উদ্দেশ্য ধৰ্মী উৎসৱ অনুষ্ঠান (Purposive festivals)[৫]

উৎসৱ-অনুষ্ঠানৰ সংযুতি (Structure of festivals)ঃ

উৎসৱ-অনুষ্ঠানত পৰম্পৰাগত আচাৰ-আচৰণৰ সমাহাৰ ঘটে। গীত-নৃত্য-বাদ্য-অভিনয় আদিয়েই এইবোৰৰ সংযুতি হিচাপে ধৰা দিয়ে। উৎসৱ অনুষ্ঠানৰ ক্ষেত্ৰখনক গীত-নৃত্য-বাদ্য অভিনয় আদি লোক বিদ্যা (Folk-lore) আৰু ইয়াৰ পূৰ্বাপৰ সম্বন্ধ অথবা অনুষংগ (Context) ই সাৰুৱা সমলেৰে পুষ্ট কৰি ৰাখে।[৬] উৎসৱ-অনুষ্ঠানৰ সংযুতি (Unit) বোৰ আৰু ইয়াৰ সৈতে জৰিত পুৰাণ কথা (mith), জনশ্ৰুতি (legends), সাধুকথা (tales) আদিও চৰ্চিত তথা পৰিৱেশিত হয়। তদুপৰি সামূহিক ভোজ আৰু বিবিধ খাদ্য প্ৰস্তুত কৰি জাতীয় পৰম্পৰা ৰক্ষা কৰা হয়।[৭] লোক বিদ্যাৰ এটা প্ৰধান শ্ৰেণী (genre) হিচাপে উৎসৱ-অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ ভূমিকা লক্ষ্যণীয়। যথেষ্ট লোকাচাৰ আৰু অনুষ্ঠান সম্বলিত উৎসৱ-অনুষ্ঠান প্ৰকৃততে জটিল আৰু অত্যাৱশ্যকীয় সামাজিক প্ৰমেয় (Social phenomenon)।

**উৎসৱ-অনুষ্ঠানৰ সামাজিক প্ৰকাৰ্য ঃ**

"উৎসৱ-অনুষ্ঠান উদ্‌যাপনৰ জৰিয়তে জনসাধাৰণৰ শক্তিৰ অপচয় হয় বুলি বহুতে আক্ষেপ কৰিলেও ইয়াৰ সুকাৰ্যাৱলী একোতে নুই কৰিব নোৱাৰি। উৎসৱ-অনুষ্ঠানৰ প্ৰকাৰ্যাৱলী বহুলভাৱে দুভাগত ভগাব পাৰি; যেনে ঃ (ক) বাস্তৱিক (Positive) আৰু (খ) নঞৰ্থক (Negative)। বাস্তৱিক কাৰ্যাৱলীকো বিভিন্ন ভাগত ভগাব পাৰি, যেনেঃ (i) সংস্কৃতিৰ প্ৰতিফলন, (ii) ধৰ্মীয় প্ৰকাৰ্যসাধন, (iii) নিষিদ্ধ আৰু অনুমোদিত আচৰণৰ অভিব্যঞ্জন, (iv) আমোদ-প্ৰমোদ বা অৱসৰ বিনোদনত ভূমিকা গ্ৰহণ, (v) বিশ্বাস আৰু কৃত্যৰ প্ৰমাণীকৰণ বা মান্যকৰণত ভূমিকা গ্ৰহণ, (vi) অনানুষ্ঠানিক শিক্ষা প্ৰদান, (vii) নৈতিক শিক্ষা প্ৰদান, (viii) সমাজীকৰণ,

৫ Srivastav, S. L, Folk Culture and Oral Tradition P. P. 187 - 88

৬ Smith, R. J., op-cit, P. 168

৭ শৰ্মা, নবীন চন্দ্ৰ, প্ৰাগুক্ত প্ৰবন্ধ, পৃ. ৯-১০



(ix) সমাজ নিয়ন্ত্ৰণ, (x) সামাজিক প্ৰতিবাদ, (xi) প্ৰচাৰ মাধ্যমৰূপে ভূমিকা গ্ৰহণ আৰু (x) ঐক্য আৰু সম্প্ৰীতিৰ ভাব স্থাপন।[৮]

**গ. অধ্যয়নৰ গুৰুত্ব আৰু তাৎপৰ্য**

পৃথিৱীৰ সকলো জাতি-জনজাতিৰে লোকবিদ্যা থকাৰ দৰে অসমৰো জনজাতিসকলৰ লোকবিদ্যা বিদ্যমান। সমাজ-সাংস্কৃতিক জীৱনত ইয়াৰ চৰ্চা আৰু প্ৰয়োগ সৰ্বত্ৰ। গতিকে এনে লোকবিদ্যাৰ অন্তৰ্গত উৎসৱ-অনুষ্ঠান বিভিন্ন উদ্দেশ্যৰে বিভিন্ন সময়ত পালিতহৈ আহিছে। লোকবিদ্যা অধ্যয়নৰ গুৰুত্ব সমাজ বিজ্ঞানৰ অন্যান্য বিষয় অধ্যয়নৰ দৰেই অপৰিহাৰ্য। অতীতক জনাৰ, পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-বিচাৰ, কলা-সংস্কৃতিৰ পৰিচয় লোৱাৰ বাবে সকলোৰে এটা স্বভাৱগত উৎসুক্য জাগে। সেইবাবে ইয়াৰ চিন্তা-চৰ্চা আৰু অধ্যয়ন, অনুশীলন কৰিবলৈ বৰ্তমানৰ লোকসকল আগ্ৰহীহৈ পৰে। অতীজৰ সভ্যতা-সংস্কৃতিৰ মান নিৰ্ণয় আৰু ইয়াৰ প্ৰকৃত স্বৰূপ উদঘাটনৰ বাবে লোকবিদ্যা অধ্যয়নৰ প্ৰয়োজনীয়তা সদায় আছে। বুৰঞ্জীৰ অৱলুপ্তপ্ৰায় অলেখ ঘটনা প্ৰৱাহো লোকবিদ্যা অধ্যয়নে পুনৰ উদ্‌ঘাটন কৰাত সহায় কৰিব পাৰে। লোকবিদ্যাৰ অন্তৰ্গত উৎসৱ অনুষ্ঠানৰ অধ্যয়নৰ দ্বাৰা জাতীয় সাহিত্য, বিষয় বস্তু, ৰচনাশৈলী, ভাষাৰ ক্ৰমবিৱৰ্তন, সমাজ-সংস্কৃতিৰ সম্যক জ্ঞান, জাতীয় চেতনা জাগৃতকৰণ, নৃজাতিৰ প্ৰণালীবদ্ধ অধ্যয়নক সামৰি ল'ব পৰা যায়। অসমৰ জনজাতিৰ উৎসৱ-অনুষ্ঠানৰ অধ্যয়নে সেইদৰে অসমৰ সভ্যতা-সংস্কৃতিৰ বুৰঞ্জী আৰু সমাজ-জীৱনৰ স্বৰূপ উদ্ধাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

**ঘ. অধ্যয়নৰ উদ্দেশ্য**

বৰ্তমান অসমৰ জনজাতিসকলৰ মাজত অনুশীলন হৈ থকা বিভিন্ন উৎসৱ-অনুষ্ঠানৰ পৰম্পৰা সময়ৰ পৰিবৰ্তনৰ লগে লগে আৰু আধুনিক জীৱনৰ প্ৰভাৱত ইয়াৰ ৰূপ সলনি হৈ অহাটো লক্ষ্য কৰা যায়। এনে অৱস্থাত এইবোৰৰ পুনৰ বিশ্লেষণ আৰু অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। জাতীয় চেতনাবোধ জাগৃত কৰি উৎসৱ-অনুষ্ঠানৰ অধ্যয়নৰ সমাজ-সংস্কৃতি বৰ্তাই ৰখা আৰু জাতীয় পৰিচিতি ৰক্ষা কৰাৰ উদ্দেশ্য নিহিত হৈ আছে। ইতিমধ্যে যদিও জনজাতিসকলৰ উৎসৱ-অনুষ্ঠানৰ

৮ (—), (—), পৃ. ১২

অধ্যয়ন বিভিন্ন জনে কৰিলেও সেইবোৰ একত্ৰীকৰণ কৰা হোৱা নাই। আমাৰ এই অধ্যয়নৰ দ্বাৰা সকলো জনজাতিৰে উৎসৱ-অনুষ্ঠানৰ এটা প্ৰণালীবদ্ধ ৰূপ দিয়াৰ চেষ্টা কৰি একেলগে পোৱাকৈ সংকলন কৰা হৈছে। ইয়াৰ দ্বাৰা আগ্ৰহীসকলে পৰৱৰ্তী সময়ত বিষয়টোৰ বিচাৰ-বিশ্লেষণ কৰাত সহায়ক নিশ্চয় হ'ব। নতুন প্ৰজন্মই যাতে জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ জাতীয় সংস্কৃতিক সঞ্জীৱিত কৰি ৰখাৰ প্ৰয়াস কৰে তাৰো প্ৰতি এই অধ্যয়নৰ উদ্দেশ্য সাৰোগত কৰা হৈছে।[৯]

**ঙ. অধ্যয়নৰ পদ্ধতি**

অসমৰ জনজাতিৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে অধ্যয়নৰ বাবে ঐতিহাসিক পদ্ধতি গ্ৰহণ কৰা হৈছে যদিও প্ৰসংগ অনুসৰি বৰ্ণনাত্মক আৰু তুলনাত্মক পদ্ধতিৰো সহায় লোৱা হৈছে। ঐতিহাসিক পদ্ধতিৰ প্ৰয়োগ কৰাৰ উপৰি ক্ষেত্ৰ অধ্যয়ন, প্ৰাসংগিক গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, বাতৰি কাকত আদিৰ প্ৰৱন্ধপাতি বিচাৰ বিশ্লেষণ কৰি অধ্যয়ন কৰা হৈছে।

পৰ্যবেক্ষণ (observation) আৰু প্ৰশ্নসূচক (interview) পদ্ধতিৰ দ্বাৰা ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সংগৃহীত উপাদানসমূহ অধ্যয়নৰ ক্ষেত্ৰত আৱশ্যক অনুসৰি প্ৰয়োগ কৰা হৈছে।

অসমৰ বিভিন্ন জনজাতি বসতিভূমিত ক্ষেত্ৰ অধ্যয়ন কৰাৰ লগতে বিভিন্ন ব্যক্তিক আনুসংগিক সমলৰ বাবে প্ৰশ্ন সোধাৰ লগতে পৰ্যবেক্ষণো কৰা হৈছে।

অধ্যয়নৰ বাবে ইংৰাজী, অসমীয়া আদি ভাষাৰ গ্ৰন্থ, আলোচনী আৰু বাতৰি কাকতৰ সহায় লোৱা হৈছে। এইবোৰ বিশেষকৈ হাফলংস্থিত জিলা পুথি ভঁৰাল, অসম ৰাজ্যিক সংগীত মহাবিদ্যালয় পুথিভঁৰাল, সৰুপথাৰস্থিত ধনশিৰি মহকুমা পুথিভঁৰাল, বিভিন্ন ব্যক্তিৰ পুথিভঁৰাল আদিৰ পৰা সংগ্ৰহ কৰা হৈছে। তদুপৰি ব্যক্তিগত ভাৱেও কিছু সংখ্যক প্ৰাসংগিকপুথি সংগ্ৰহ কৰি সমল লোৱা হৈছে।[১০]

৯ দুৱৰা ধৰ্মেশ্বৰ, "বহু সংস্কৃতি আৰু সমন্বয়ৰ পৰম্পৰা", (আজিৰ অসম, গুৱাহাটী, ১৫ জুলাই, ১৯৯৫)

১০ '—', '—' (The Sentinel & আজিৰ অসম Hone Link, Guwahati, 29 July, 1995 )

## ২.০০ দ্বিতীয় অধ্যায়

# অসমৰ তাই বৌদ্ধ সমাজৰ উৎসৱ

দক্ষিণ-পূৱ এচিয়াত বিস্তৃতহৈ থকা তাইসকলৰ নাম ঠাই অনুসৰি ভিন্ ভিন্। তেওঁলোক একে মূলৰ ঠাল আৰু সংস্কৃতিৰ মানুহ হ'লেও সময়ৰ গতিত বিভিন্ন নামেৰে খ্যাত হয়। থাইলেণ্ডত থাই বা শ্যাম, থাইলেণ্ডৰ উত্তৰ-পূৱ অঞ্চলত লাওচ, চালুইন নৈৰ উপত্যকাত লূ আৰু খূন; ব্ৰহ্মদেশ আৰু ইউনানত শান; চীনত তাই মাও; অসমত আহোম, খামতি, নৰা, আইতনীয়া, তুৰুং, ফাকিয়াল, খামজঙীয়া আদি নামেৰে পৰিচিত। অসমলৈ অহা তাইসকলে নিজকে খামতাই বুলি কৈছিল। দেহ গঠন আৰু তাই ভাষাৰ সাদৃশ্যলৈ লক্ষ্য কৰিলে তেওঁলোক প্ৰকৃততে শান্ জাতিৰ।[১]

আহোমসকলৰ পাছতেই পাটকাই পৰ্বত পাৰহৈ খাম্তি, ফাকিয়াল, আইতন, তুৰুং আৰু খাম্জাংসকল অসমলৈ আহি বসবাস কৰিবলৈ লয়। আহোমৰ বাহিৰে বাকীসকলো শান্লোকেই বৌদ্ধধৰ্মাৱলম্বী। তাই ভাষাত অসমত তাই সম্ভূত জাতিসমূহক তাইখাম্তি, তাইফাকে, তাই আইতন, তাই তুৰং, তাই খাময়াং বোলা হয়।

খামতিসকল অতীজতে শদিয়া, ছৈখোৱা, চুণপোৰা, চিচি, টেঙাপানী, নাৰায়ণপুৰ, জকাই আৰু মুডংলাঙত বাস কৰিছি ল। বৰ্তমান তেওঁলোকৰ বসতি গাঁওবোৰ টেঙাপানী, নাৰায়ণপুৰ, লক্ষীমপুৰ, ধেমাজি, লিড়ু, ম্যুংলাং আদি অঞ্চলতহে আছে।

তাই খামজাং বা তাই খাময়াংসকলৰ গাঁওসমূহ বৰ্তমান নশ্যাম, চলাপথাৰ, দিচাংপানী, ৰহণপথাৰ, মিঠাপুখুৰী, ৰজাপুখুৰী, মাৰ্ঘেৰিটা আদি অঞ্চলত অৱস্থিত। খাময়াংসকল শ্যাম বুলিও জনাজাত। কোনো কোনোৱে তেওঁলোকক নৰা বুলিও অভিহিত কৰে। সম্ভৱতঃ খাম্য়াং আৰু নৰাসকল একেটা ঠালৰ লোক। কালক্ৰমত বাসস্থানৰ সলনি হোৱাত 'মাননাম' আৰু 'মাননই' নামেৰে দুটা ভাগত বিভক্ত হয়। এই দুয়োটা ঠালৰে ভাষা একে।

১ গগৈ, লীলা, টাই সংস্কৃতিৰ ৰূপৰেখা, শ্ৰীভূমি পাবলিচিং কোম্পানী, ৭৯ মহাত্মা গান্ধী ৰোড, কলিকতা প্ৰথম প্ৰকাশ, ১৯৭১

ফাকিয়াল বা তাইফাকেসকল আহোম, খাম্‌তি, খাম্‌য়াং আদিৰ দৰেই ম্যংকঙৰ পৰা ফাটি অহা তাইসকলৰে এটা ঠাল। তেওঁলোক বৰ্তমান মাৰ্ঘেৰিটাৰ ওচৰৰ বৰফাকিয়াল, মান্‌মৌ; জয়পুৰৰ ওচৰৰ নামফাকিয়াল, টিপাম ফাকিয়াল আৰু লিডু অঞ্চলৰ নংলাই, লং আদি কেইখনমান গাঁৱত বসবাস কৰে।

তাই জাতিৰ অন্য এটা ঠাল হৈছে তুৰুংসকল। তেওঁলোক একালত পাটকাই পৰ্বতৰ সিপাৰে তুৰুংপানী নৈৰ পাৰত বাস কৰিছিল। চিংফৌ কাচিন সমাজত এসময়ত বাস কৰা হেতুকে এওঁলোকৰ ভাষাত চিংফৌৰ প্ৰভাৱ বিদ্যমান। তেওঁলোক বৰ্তমান তিতাবৰ, ৰজাপুখুৰী তুৰুংগাঁও, বালিপথাৰ, বৰপথাৰ, খৰিকটীয়া আদি অঞ্চলত বসবাস কৰে।

তাই আইতনসকলো তাই জাতিৰ অন্যতম শাখা। তেওঁলোকে বৰ্তমান মানতাই হিচাপে পৰিচয় দিয়ে। এইসকলে কাৰ্বি আংলং জিলাৰ বালিপথাৰ, চিলনীজান, ভিতৰ কালিয়নী, বৰহোলা আদিত বসবাস কৰি আছে।

খাম্‌তি, ফাকিয়াল, আইতন্‌, তুৰুং, খাম্‌য়াং, নৰা আদি সকলো তাই বৌদ্ধ জনজাতীয় লোকৰে নিজস্ব ভাষা বিদ্যমান। তেওঁলোকৰ মাজত প্ৰচলিত ভাষাৰ সাদৃশ্য মনকৰিবলগীয়া। কোনো কোনো ক্ষেত্ৰত কিছু অমিল থাকিলেও তেওঁলোক থেৰবাদী বৌদ্ধ ধৰ্মাৱলম্বী হোৱা কাৰণে ধৰ্ম ভিত্তিত পালনীয় সকলো অনুষ্ঠানৰ নিয়মাৱলী একেই। তেওঁলোকৰ ধৰ্ম কাৰ্যত ব্যৱহৃত ভাষা তাই আৰু পালি। বিশ্ব বৌদ্ধ ভাতৃত্ব সংঘৰ আঞ্চলিক কেন্দ্ৰ সদৌ অসম বৌদ্ধ মহাসভাৰ জৰিয়তে ভাৱৰ আদান প্ৰদান কৰি বিশ্বৰ বৌদ্ধসকলৰ লগত ভাতৃত্ব আৰু স্নেহেৰে বিশ্ব শান্তিৰ বাবে অৰিহণা যোগাই আহিছে। তেওঁলোকে বছৰৰ বিভিন্ন সময়ত নিৰ্দিষ্ট ধৰ্মীয় উৎসৱসমূহ পালন কৰে। তাৰ ভিতৰত (১) পইছাংকেন, (২) বৰ্ষাবাস, (৩)অক্‌ৱা, (৪) মাইকৌচুমফাই আদিয়েই প্ৰধান।

প্ৰত্যেক তাই বৌদ্ধ গাঁৱতে বৌদ্ধ বিহাৰ স্থাপন কৰি লোৱা হয়। ধৰ্মীয় সকলো কাৰ্য পৰিচালনা কৰিবলৈ একোগৰাকী বৌদ্ধ ভিক্ষু থাকে। ভিক্ষু বা বাপুসকলে পুৰোহিত আৰু শিক্ষকৰ কাম কৰে। তেওঁলোকে বৌদ্ধ ধৰ্ম গ্ৰন্থ আৰু ভাষা-সাহিত্যৰ শিক্ষা দান কৰে। পুৰণি বৌদ্ধ বিহাৰৰ ভিতৰত চৌখামৰ খাম্‌তি গোঁসাইবাৰী, চলাপথাৰ, দিচাংপানী, সাপেখাতি, ৰহণ পথাৰ, খৰিকটীয়া, বৰহোলা, বালিজান, দুবৰণী, ৰজা পুখুৰী শ্যামগাঁও, ৰজা পুখুৰী তুৰুং গাঁও, চিলনীজান, বালিপথাৰ, ভিতৰ কালিয়নী, নামফাকে গাঁও আদি ঠাইৰ বৌদ্ধ বিহাৰসমূহ উল্লেখযোগ্য। সকলো ধৰ্মকাৰ্য চলাবলৈ একোজন ভিক্ষু আৰু ধৰ্মপুথি পাঠ কৰিবলৈ একোজন 'চাওজেৰে' বা 'চাওচেৰে' নিয়োজিত হয়। বৌদ্ধ বিহাৰৰ চৌহদত তোৰণ, প্লাংফ্ৰা বা চংফ্ৰা, কংমু, পুথিভঁৰাল আদি সুন্দৰভাৱে সজাই ৰাখে। ধৰ্মীয় কাৰ্য সম্পাদনৰ কাৰণে চাওজেৰে, ভিক্ষু আদিকে মুখ্য কৰি গাঁওবাসী বিহাৰত সমবেত হয়। বিহাৰৰ ভিতৰত এটা আচুতীয়া কোঠা 'বাংনা' থাকে। তাত বৌদ্ধ মূৰ্ত্তি ৰাখিবলৈ এখন বেদী 'ফ্ৰাপ্লাং' সজোৱা হয়। কিছুমান বিহাৰত বৌদ্ধৰ অস্থিও সুৰক্ষিত কৰি থয়। তদুপৰি তাই আৰু পালি ভাষাত ৰচিত চোকবিধায়া, চম্‌পা ইউটা-চোক-টান্‌টা, ত্ৰিপিটক আদি পুথিসমূহ ৰখা হয়। বিহাৰৰ বেৰত বৌদ্ধৰ প্ৰতিচ্ছবি, পৱিত্ৰতাৰ প্ৰতীক তান্‌খন আদি আঁকি ৰাখে। তান্‌খন দান দি বাঁহৰ খুটা পুতি তাত ওলোমাই ৰখা হয়। বতাহত এইবোৰ যিমানেই কঁপে সিমানেই দাতাৰ সুখ-শান্তি হয় আৰু মৃতকৰ নামত উছৰ্গ কৰিলে মৃতকৰ আত্মাৰ শান্তি হয় বুলি বিশ্বাস আছে।

(১) পয়ছাংকেন ঃ 'চাক্ৰেট' বা পঞ্জিকা মতে চ'তৰ সংক্ৰান্তিত পয়ছাংকেন উৎসৱৰ আৰম্ভণি হয়। সেইদিনা তাই বৌদ্ধসকলে একে সময়তে বৌদ্ধ মূৰ্ত্তি বিহাৰৰ পৰা বাহিৰলৈ উলিয়াই আনে। 'চংফ্ৰা' নামৰ এটি সুন্দৰ সৰু ঘৰত মূৰ্ত্তিবোৰ তিনিদিনলৈ ৰখা হয়। সেই ঘৰৰ সৈতে সংযোজিত এখন নেওৰাত ভক্তসকলে সভক্তিৰে পানী ঢালে আৰু 'চাংকেনচুটং' বৌদ্ধ বন্দনা কৰে। পানী নেওৰাৰে গৈ 'কুংপান' নামৰ এটা চকৰি যন্ত্ৰত সোমায়। তাৰ পৰা মূৰ্ত্তিসমূহত সুন্দৰভাৱে পৰে। এইদৰেই মূৰ্ত্তিক গা - ধুওৱা হয়। সাধাৰণতে মূৰ্ত্তিসমূহ নেদেখাকৈ আঁৰ কাপোৰ দি ৰাখে। তিনিদিনলৈ এইদৰে ৰখা হয়। মূৰ্ত্তিবোৰ অনা-নিয়া কৰোতে ঢোল, কাঁহ, তাল আদি বজায়। মূৰ্ত্তিত পানী ঢালি আহোতে ডেকা-গাভৰুসকলে ইজনে সিজনলৈ পানী ছটিয়াই স্ফূৰ্তি কৰে। আনন্দত তেওঁলোকে পৱিত্ৰ অন্তৰেৰে ভগৱান বুদ্ধৰ গুণ-গান গাই 'কা-আলং' আদি নৃত্য পৰিৱেশন কৰে।[২]

২ দুৱৰা, ধৰ্মেশ্বৰ, 'অসমৰ তাই বৌদ্ধসকলৰ ধৰ্মীয় উৎসৱ', অগ্ৰদূত, ৰঙালী বিহু বিশেষ সংখ্যা, গুৱাহাটী, ১৯৮৭ চন।

বৌদ্ধ পূৰ্ণিমা ঃ অসমৰ তাই বৌদ্ধসকলে পূৰ্ণিমা তিথিবোৰত আৰু ধৰ্মীয় সভা-সমিতি পাতিবলৈ হ'লে বিশ্ব বৌদ্ধ পতাকা উত্তোলন কৰে। ভিক্ষু আৰু দায়কসকলে ফুল লৈ ফ্ৰা, ত্ৰা, সাংঘা অৰ্থাৎ বুদ্ধ ধৰ্ম আৰু সংঘক বন্দনা কৰে। যুৱতীসকলে বুদ্ধৰ ষৰৰশ্মি পতাকাক বন্দনা কৰি পালি গাথা গায়। 'চাওজেৰে'ই ধৰ্মীয় শ্ল'গান দিয়ে। ভিক্ষুৱে সংঘৰ তৰফৰ পৰা আশীৰ্বাদ জনায়।

দায়কসকল থম্ত্ৰা অৰ্থাৎ ধৰ্মদেশনাৰ বাবে বিহাৰৰ ভিতৰত একত্ৰিত হয়। তেওঁলোকে হাতত পুষ্প, ধূপ, প্ৰদীপ আদিৰে বুদ্ধক প্ৰণাম কৰে। তদুপৰি শীল প্ৰাৰ্থনা কৰিলে ভিক্ষুৱে পঞ্চশীল প্ৰদান কৰে। 'চাওজেৰে'ই 'ত্ৰা' অৰ্থাৎ ধৰ্মৰ বাণী দিবলৈ ভিক্ষুৰ ওচৰত তাই ভাষাৰে প্ৰাৰ্থনা কৰে। ভিক্ষুৱে বিভিন্ন কৰ্মফলৰ কথা পালি ভাষাৰে পাঠ কৰে। দায়কসকলেও একান্ত চিত্তে হাতযোৰ কৰি শ্ৰৱণ কৰি যায়। দাতাসকলৰ হৈ 'চাওজেৰে'ই দান সামগ্ৰীসমূহ 'ৰেজাক' অৰ্থাৎ উৎসৰ্গ কৰে। ভিক্ষুৱে দাতাসকলক আশীৰ্বাদ দিয়ে। বৌদ্ধ পূৰ্ণিমা উপলক্ষে ভগৱান বুদ্ধৰ জন্ম, বৌদ্ধত্ব লাভ আৰু নিৰ্বাণ প্ৰাপ্তিৰ কথা স্মৰণ কৰি প্ৰদীপ উছৰ্গ 'কা-ফাই' নৃত্য পৰিৱেশন কৰে।

(২) বৰ্ষাবাস ঃ অসমৰ তাই বৌদ্ধসকলে আহাৰৰ পূৰ্ণিমাৰ পৰা আহিনৰ পূৰ্ণিমালৈকে তিনিমাহ ধৰি 'খাওৱা' অৰ্থাৎ বৰ্ষাবাস পালন কৰে। এই সময়ছোৱাৰ পালনীয় প্ৰধান তিথিবোৰ হৈছে— (ক) 'পুত্ৰা' অৰ্থাৎ আহাৰী পূৰ্ণিমা, (খ) 'চাৰেচাতাং' অৰ্থাৎ মধু পূৰ্ণিমা, (গ) 'মে'পি' অৰ্থাৎ গংগা তিথি, (ঘ) 'অকৰা' অৰ্থাৎ প্ৰৱাৰণা। এই তিথিবোৰ পালন কৰিবলৈ প্ৰত্যেক তিথিতে পঞ্চশীল, অষ্টশীল আদি ৰীতিবোৰ বিহাৰত গ্ৰহণ কৰে। তদুপৰি অষ্টশীল পালন কৰা লোকসকলে বগা বসন পিন্ধি এবেলাৰ বাবেহে অন্ন গ্ৰহণ কৰি 'স্থা' ঘৰত তিথিৰ দিনটো অতিবাহিত কৰে।

(ক) পুতৰা আহাৰী পূৰ্ণিমাৰ দিনা পালিত হয়।

(খ) চাৰে অৰ্থাৎ মধু পূৰ্ণিমা তিথিত সেই সময়ৰ উৎপাদিত ফলমূল, শাক-পাচলি, ধান-চাউলৰ উপৰি মৌজোল দান কৰাটো বিশেষ উল্লেখনীয় কাৰ্য।

(গ) মে'পি অৰ্থাৎ গংগা তিথি হিচাপে চাৰে তিথিৰ পাছৰ অমাৱশ্যা



তিথিতেই পালন কৰা হয়। সেইদিনা পৱিত্ৰ পানী প্ৰৱাহিত হয় বুলি বিশ্বাস আছে। সেয়েহে তাই বৌদ্ধসকলে পুৱা গা-পা ধুই নতুন কাপোৰ পৰিধান কৰি বৌদ্ধ বিহাৰত একত্ৰিতহৈ 'থমত্ৰা' কৰে।

(৩) অক্ৰাচাতাং অৰ্থাৎ প্ৰৱাৰণা উৎসৱ লক্ষীপূৰ্ণিমাৰ দিনা অনুষ্ঠিত হয় আৰু ইয়াৰ লগে লগে বৰ্ষাবাসৰ অন্ত পৰে। প্ৰথম দিনা পুৱা বিশ্ব বৌদ্ধ পতাকা উত্তোলন কৰি মৈত্ৰী ভাৱনা আৰু 'থম্ত্ৰা' কৰে। আবেলি চাওজেৰেই তাই পুথিৰ জাতক পাঠ আৰু ব্যাখ্যা কৰে। ভক্তসকলে শ্ৰৱণ কৰি থাকে। গধূলি পেটেচা অৰ্থাৎ কল্পতৰু গছ এডাল সুন্দৰভাৱে সজাই চাঙি কৰি তাত দান-সামগ্ৰীবোৰ ৰখা হয়। এই সামগ্ৰীবোৰৰ ভিতৰত ধৰ্মীয় পুথি, বৌদ্ধমূৰ্ত্তি আৰু চিবৰ অৰ্থাৎ ভিক্ষুৱে পৰিধান কৰিবলগীয়া গেৰুৱা বসন আদিও থাকে। এই পেটেচা চাৰিজনে কান্ধতলৈ বিহাৰৰ চাৰিওফালে শোভাযাত্ৰা কৰা প্ৰথা প্ৰচলিত। সেই সময়ত তেওঁলোকে স্ফূৰ্ত্তিও কৰে। শোভাযাত্ৰাৰ অন্তত পেটেচা ৰেজাক অৰ্থাৎ উৎসৰ্গ কৰি তেওঁলোকে শীল গ্ৰহণ কৰে। ৰাতি বিশেষভাৱে তৈয়াৰী উৰন্ত আকাশ বন্তি 'ফুংফাই' উৰুৱায়। তদুপৰি বিহাৰৰ চাৰিওফালে হেজাৰ বন্তি চিমিথং জ্বলাই পৱিত্ৰ ভাৱ মনলৈ আনে।

(৪) মাইকৌচুমফাই বা বাপু মেজি ঃ অসমৰ তাইবৌদ্ধ সকলে মাঘী পূৰ্ণিমাত মাইকৌচুমফাই উৎসৱ পালন কৰে। পূৰ্ণিমা তিথিৰ আগতেই ডেকা-গাভৰুসকলে খৰিৰে মেজি 'মাইকৌ' ধুনীয়াকৈ সাজি উলিয়ায়। পূৰ্ণিমাৰ আগদিনা সন্ধ্যা ধৰ্মীয় ৰীতি অনুসৰি 'মাইকৌ' উৎসৰ্গ অৰ্থাৎ 'ৰেজাক' কৰে। ভিক্ষুৱে গাঁৱৰ মংগলৰ বাবে সূত্ৰ গায় আৰু শীল প্ৰদান কৰে। পূৰ্ণিমাৰ দিনা কাহিলি পুৱা মাইকৌ জ্বলোৱা হয়। পুৱা প্ৰসাদৰ দৰে খিচিৰি ভাত 'খয়াকু' খোৱা হয়। উৎসৱ উপলক্ষে নৃত্য-গীতো পৰিৱেশন কৰে। তেনে এটি নৃত্য হৈছে 'কামেংবি' অৰ্থাৎ পখিলা নাচ। এই উৎসৱৰ অন্য এটি নৃত্য হ'ল 'কা-টে-খেং'।

তাই বৌদ্ধ সমাজত ফাগুনী পূৰ্ণিমা 'ডুনচি', ভিক্ষুৰ মৃত্যুত 'পয়লেং' বা 'ম্যাফং', বিহাৰ দান 'ক্যংলো', ভিক্ষুৰ বসন 'চিবৰ' দান, মৃতকৰ শ্ৰাদ্ধ আৰু গাঁওবাসী বা ঘৰ-ঘৰোৱাহীৰ মংগলৰ বাবে 'মাংগ্লা' আদিও উৎসৱমুখৰ পৰিৱেশেৰে পালন কৰা হয়। তদুপৰি বৌদ্ধ ধৰ্মৰ ৰীতি অনুসৰি ধৰ্ম কাৰ্য

সম্পাদন কৰে। প্ৰত্যেক পূৰ্ণিমা তিথিত গাঁৱৰ জীয়ৰীসকলে ভগৱান বুদ্ধৰ আশীৰ্বাদ লাভৰ বাবে হাতত ফুললৈ 'চিখু-চেবানটাং' অৰ্থাৎ বৌদ্ধ বন্দনা কৰে।

তাই বৌদ্ধসকলৰ বুৰঞ্জীত তেওঁলোক সাহসী আৰু বীৰ আছিল বুলি পোৱা যায়। আজিও অতীতক সুঁৱৰি যুদ্ধ বিজয়ৰ নৃত্য 'কা-মাই-টাও' আৰু 'কা-চিয়াক' পৰিৱেশন কৰে। কলা-সংস্কৃতিৰ ক্ষেত্ৰতো তেওঁলোক অতি চহকী। তেওঁলোকে একোখন গাঁও পাতি সৰল আৰু শান্তিৰে জীৱন অতিবাহিত কৰে। তেওঁলোকৰ গাঁওবোৰ অতি পৰিপাটি আৰু বসবাসৰ উপযোগী। পৰম্পৰাগত ভাৱে সজা ঘৰবোৰ সাধাৰণতে চাংঘৰ। প্ৰতি ঘৰতে পদূলি মুখৰে পৰা ঘৰৰ সমুখলৈকে একোখন ধুনীয়া ফুলনিবাৰী থাকে। বাৰীৰ ভিতৰখন চকুত লগাকৈ তামোল-পাণ, নাৰিকল, কল, আম-কঁঠাল, মধুৰী, ডালিম, অমিতা, কমলা, আনাৰস আদি বিবিধ ফলমূলৰ গছ-গছনি আৰু অলেখ তৰহৰ শাক-পাচলিৰে ভৰপূৰ হৈ থাকে। তেওঁলোক প্ৰধানকৈ কৃষিজীৱী।

ঘৰুৱা জীৱনত তাই বৌদ্ধসকল শান্তি প্ৰিয়, বিনয়ী আৰু ভদ্ৰ। অতিথিক আদৰ-সাদৰ কৰা তেওঁলোকৰ পৰম্পৰাগত ৰীতি।

তাই জনগোষ্ঠীৰ পুৰুষ-মহিলা উভয়ে পৰিধান কৰা সকলো ধৰণৰ পৰম্পৰাগত সাজপাৰ জীয়ৰী-বোৱাৰীয়ে ঘৰতেই বৈ-কাটি লয় আৰু তেওঁলোকৰ সাজপাৰত তোলা ফুলৰ চানেকি চালে চকু ৰোৱা। আনহাতে 'তানখন'ত বোৱা পেগোদা আদিৰ আটকধুনীয়া নক্সাই শিপিনীৰ শিল্প নিপুণতাৰ পৰিচয় দাঙি ধৰাত সহায় কৰে।

ঘৰত ব্যৱহৃত নানাবিধ সামগ্ৰীত শিল্পীসুলভ ভাৱৰ পৰিচয় পোৱা যায়। দৈনন্দিন ঘৰুৱা কাম-বনত ব্যস্ত হৈ থকা এই লোকসকলে আজিৰ সময়ত শিল্প কলাৰ চৰ্চাও অব্যাহত ৰাখে। তেওঁলোকৰ বৌদ্ধ বিহাৰবোৰ চকু ৰোৱাকৈ সজোৱা হয়। এইবোৰৰ চৌহদত স্থাপিত বৌদ্ধ মূৰ্ত্তি, সিংহ আদিত ভাস্কৰ্যৰ সৌন্দৰ্য আৰু নৈপুণ্য প্ৰকাশ পায়। তদুপৰি কাৰুকাৰ্যখচিত তোৰণ 'প্লাংফ্ৰা' বা 'চংফ্ৰা', দৌল 'কংমু' আদি স্থাপত্য শিল্পৰ পৰিচায়ক। পৱিত্ৰতাৰ প্ৰতীক 'তানখন'ত তোলা বুদ্ধৰ প্ৰতিচ্ছবি, ফুল আৰু আটকধুনীয়া ঘৰৰ চানেকিয়ে সৌন্দৰ্য প্ৰিয়তাৰ কথাকেই সোঁৱৰায়। বিভিন্ন নৃত্যৰ বাবে



আৱশ্যকীয় সাজ-সজ্জা আৰু মুখা আদিত শিল্পীৰ কৰ্ম কুশলতা প্ৰকাশ পায়। ঘৰত ব্যৱহৃত বাঁহ-বেতৰ বিবিধ বস্তুতো শিল্প কৰ্ম খচিত হয়।

তাই বৌদ্ধ ধৰ্মীয় জনগোষ্ঠীৰ মাজত বৌদ্ধ ধৰ্মৰ লগতে তাই ধৰ্মীয় তথা সাংস্কৃতিক পৰম্পৰাও প্ৰচলিত। তেওঁলোকৰ গীত-মাত, নৃত্য, বাদ্যবাদন, ঘৰ সজা পদ্ধতি, আচাৰ-ব্যৱহাৰ, আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, সামাজিক জীৱনধাৰা, জন্ম-মৃত্যু, বিয়া-বাৰু আদিৰ আচাৰ-অনুষ্ঠান, সাজপাৰ, আ-অলংকাৰ, খোৱা-বোৱা, দৈনন্দিন ঘৰুৱা আৰু সামাজিক পৰম্পৰা আদি সকলোতে স্বকীয় বৈশিষ্ট্য বিদ্যমান। তেওঁলোকে অসমত যুগ যুগ ধৰি বসবাস কৰি আহিলেও স্বকীয় সভ্যতা-সংস্কৃতি, ভাষা-ধৰ্ম, ৰীতি-নীতি আদিৰ পৰম্পৰা ৰক্ষা কৰি আহিছে।[৩]

৩ দুৱৰা, ধৰ্মেশ্বৰ, 'অসমৰ তাই বৌদ্ধ ঃ এখন শান্তিপূৰ্ণ সমাজ', আজিৰ অসম, গুৱাহাটী, ১৪ পুহ ১৯১৭ শক, ৩০ ডিচেম্বৰ, ১৯৯৫।

# ৩.০০ তৃতীয় অধ্যায়

# কাৰ্বিসকলৰ উৎসৱ-অনুষ্ঠান

অসমৰ আদি অধিবাসী হিচাপে পাৰ্বত্য অঞ্চলৰ কাৰ্বি জনগোষ্ঠীয়ে এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। ভাৰতীয় সংবিধানত মিকিৰ নামেৰে উল্লিখিত এই জনগোষ্ঠীয়ে বৰ্তমান কাৰ্বি বুলিয়েই পৰিচয় দিয়ে। তেওঁলোকৰ সৰহ সংখ্যক লোক কাৰ্বি আংলং জিলাত বসবাস কৰে যদিও উত্তৰ কাছাৰ পাহাৰ জিলা, কামৰূপ, নগাঁও, মৰিগাঁও, শোণিতপুৰ, গোলাঘাট আদি জিলাতো যথেষ্ট সংখ্যক লোকে বসবাস কৰে।[১]

বংশগতভাৱে কাৰ্বিসকল মংগোলীয় জনগোষ্ঠীৰ। তেওঁলোক বৃহৎ ইন্দোচীন ভাষাগোষ্ঠীৰ তিব্বতো-বৰ্মণ শাখাৰ লোক।[২] গ্ৰীয়েৰ চনৰ ভাৰতীয় ভাষা জৰিপ অনুসৰি তেওঁলোকক নগা-বড়ো উপভাষাৰ অন্তৰ্ভুক্ত কৰা হৈছে। আকৌ কুকি-চীন শাখাৰো যথেষ্ট সংযোগ ঘটা লক্ষ্য কৰা যায়। অসমীয়া, খাছীয়া আদি ভাষাৰো অলেখ শব্দ কাৰ্বি ভাষাত সিঁচৰতিহৈ আছে।[৩]

প্ৰাকৃতিক পৰিৱেশৰ মাজত পাহাৰ-ভৈয়াম উভয়তে বসবাস কৰা কাৰ্বিসকলৰ গোটেই বছৰ জুৰি ধৰ্ম আৰু উছৱৰ উলাহৰ অন্ত নাই। কুকি-চীন জনগোষ্ঠীৰ ধৰ্মীয় ধ্যান-ধাৰণাৰে কাৰ্বিসমাজৰ ধৰ্মীয় কাৰ্যকলাপে ৰহণ বোলোৱা। আনহাতে অষ্ট্ৰিক জনগোষ্ঠীৰ ছিনতেংসকলৰ প্ৰভাৱেৰে কাৰ্বিসমাজৰ বহু দিশ নিৰ্ণিত হোৱা পৰিলক্ষিত হয়।

কাৰ্বিসকলে পৰম্পৰা ৰক্ষা কৰি বছৰৰ বিভিন্ন সময়ত বিভিন্ন কাৰ্য উপলক্ষে উছৱ পালন কৰি লোক নৃত্য-গীত পৰিৱেশন কৰে। তেওঁলোকৰ উছৱবিলাক কৃষি কৰ্ম ভিত্তিত গঢ় লৈ উঠিছে। এই বিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে দহাকাজ, (১) "চ'মাংকান", (২) 'হাচাকেকান' অৰ্থাৎ

১ Bordoloi, B. N. and Sharma, Thakur G. C and Saikia M. C. Tribes of Assam, Part-1., Tribal Research Institute, Assam, Guwahati Page-52

২ Bordoloi, B. N., Chomangkan, The Death Ceremony observed by the Karbis, Guwahati 1982, Preface.

৩ Teron, L. Mikir Janajati (Assamese), 1961 Jorhat, Page-2



লখিমী উৎসৱ, ইন্দ্ৰাদি দেৱতাৰ পূজা উৎসৱ (৩) 'চ'জুন', কৃষি কৰ্ম' কৰাৰ সময়ত গাঁওবাসীয়ে পালন কৰা পূজা উৎসৱ (৪) 'ৰংকেৰ', ঘৰুৱাভাৱে পালন কৰা ৰোগ আদি নিৰাময়ৰ পূজা উৎসৱ (৫) 'পেং', কৃষিৰ আৰম্ভণি উৎসৱ (৬) ৰিত্নংচিংদি', খেতি চপোৱা কাৰ্যৰ ভিত্তিত পতা উৎসৱ (৭) 'চক্-ইৰই', গৃহ দেৱতা 'হেম্ফু'ৰ পূজা উৎসৱ (৮) 'হেম্ফু', কৃষি দেৱতাৰ পূজা উৎসৱ (৯) 'চিনথং আৰনাম' বা 'বুইচ'ম', শতমুখী দেৱীৰ পূজা উৎসৱ (১০) 'আৰনামফাৰ', জয় লাভৰ পূজা উৎসৱ (১১) 'লাম আফু' ইত্যাদি।

(১) 'চ'মাংকান' ঃ কাৰ্বি সমাজৰ লোকসংস্কৃতিৰ প্ৰতিফলন স্বৰূপ 'চ'মাংকান উৎসৱৰ জৰিয়তে তেওঁলোকৰ কৃষ্টি-সংস্কৃতি, সভ্যতা, ধৰ্মীয় পৰম্পৰা, আচাৰ-অনুষ্ঠান আজিও বৰ্তি আছে। মৃতকৰ আত্মাৰ পৰিশুদ্ধি আৰু গৃহস্থৰ শুভকামনাৰে শ্ৰাদ্ধ অনুষ্ঠান 'চ'মাংকান' অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ সৈতে বহুত আনুষংগিক আচাৰ-নীতি পালন কৰা হয়। সাধাৰণতে এই উৎসৱ 'কান্-ফ্লাফ্লা', 'লাংটুক' আৰু 'হাৰণে' নামৰ তিনি প্ৰকাৰৰ ৰীতি-নীতিৰ যিকোনো এক প্ৰকাৰেহে পালন কৰা হয়। কেউবিধ পদ্ধতিয়েই তিনি দিন ব্যাপি আয়োজিত হয়। প্ৰথম দিনাক মৃতকৰ অস্থি সংগ্ৰহৰ দিন 'ৰূপকেহুম,' দ্বিতীয় দিনাক সৰু নাচ 'কানছ' আৰু তৃতীয় দিনাক বৰনাচ 'কান্পি' বুলি অভিহিত কৰা হয়। আনহাতে চতুৰ্থ দিনা 'বান্জাৰ কেকু'— অস্থি আদি পিতৃৰ শ্মশান বেদীত অগ্নি প্ৰজ্বলনেৰে সৎকাৰ কৰা হয়।

'চ'মাংকান' উৎসৱৰ দ্বাৰা মৃতকৰ আত্মাক বাদ্য বাদনেৰে আগবঢ়াই দিয়া হয়। সেইবাবে এই উছৱৰ স্থানলৈ দূৰণিৰ গাঁওসমূহৰ পৰাও বাদ্যযন্ত্ৰসহ 'জাম্বিলি আথন' আদি বিভিন্ন কলাত্মক সামগ্ৰী কঢ়িয়াই অনা হয়। নৃত্য-গীত আৰু খোৱা-বোৱাৰে 'চ'মাংকান'ৰ কেউদিন উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অৱশ্যে শ্ৰদ্ধানুষ্ঠান হোৱা বাবে আনন্দৰ মাজতে বিষাদৰ সুৰ বাজি উঠা লক্ষ্যণীয়। 'চ'মাংকান'ৰ আচাৰ-নীতি জনা তিৰোতা গায়িকা 'অ'চেপী'ৰ কৰুণ সুৰৰ গীতে সকলোৰে মন ভাৰাক্ৰান্ত কৰি তোলে। এই উছৱৰ মাধ্যমেৰে আধ্যাত্মিক ৰূপত অশ্লীল গীত-নৃত্যও পৰিৱেশিত হয়। কিন্তু এই অশ্লীলতা কেৱল 'চ'মাংকান'ৰ পৰিবেষ্টনিৰ মাজতেই সীমাবদ্ধ। কাৰ্বিসকলৰ

## ৩.০০ তৃতীয় অধ্যায়

# কাৰ্বিসকলৰ উৎসৱ-অনুষ্ঠান

অসমৰ আদি অধিবাসী হিচাপে পাৰ্বত্য অঞ্চলৰ কাৰ্বি জনগোষ্ঠীয়ে এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। ভাৰতীয় সংবিধানত মিকিৰ নামেৰে উল্লিখিত এই জনগোষ্ঠীয়ে বৰ্তমান কাৰ্বি বুলিয়েই পৰিচয় দিয়ে। তেওঁলোকৰ সৰহ সংখ্যক লোক কাৰ্বি আংলং জিলাত বসবাস কৰে যদিও উত্তৰ কাছাৰ পাহাৰ জিলা, কামৰূপ, নগাঁও, মৰিগাঁও, শোণিতপুৰ, গোলাঘাট আদি জিলাতো যথেষ্ট সংখ্যক লোকে বসবাস কৰে।[১]

বংশগতভাৱে কাৰ্বিসকল মংগোলীয় জনগোষ্ঠীৰ। তেওঁলোক বৃহৎ ইন্দোচীন ভাষাগোষ্ঠীৰ তিব্বতো-বৰ্মণ শাখাৰ লোক।[২] গ্ৰীয়েৰ চনৰ ভাৰতীয় ভাষা জৰিপ অনুসৰি তেওঁলোকক নগা-বড়ো উপভাষাৰ অন্তৰ্ভুক্ত কৰা হৈছে। আকৌ কুকি-চীন শাখাৰো যথেষ্ট সংযোগ ঘটা লক্ষ্য কৰা যায়। অসমীয়া, খাছীয়া আদি ভাষাৰো অলেখ শব্দ কাৰ্বি ভাষাত সিঁচৰতিহৈ আছে।[৩]

প্ৰাকৃতিক পৰিৱেশৰ মাজত পাহাৰ-ভৈয়াম উভয়তে বসবাস কৰা কাৰ্বিসকলৰ গোটেই বছৰ জুৰি ধৰ্ম আৰু উছৱৰ উলাহৰ অন্ত নাই। কুকি-চীন জনগোষ্ঠীৰ ধৰ্মীয় ধ্যান-ধাৰণাৰে কাৰ্বিসমাজৰ ধৰ্মীয় কাৰ্যকলাপে ৰহণ বোলোৱা। আনহাতে অষ্ট্ৰিক জনগোষ্ঠীৰ ছিনতেংসকলৰ প্ৰভাৱেৰে কাৰ্বিসমাজৰ বহু দিশ নিৰ্ণিত হোৱা পৰিলক্ষিত হয়।

কাৰ্বিসকলে পৰম্পৰা ৰক্ষা কৰি বছৰৰ বিভিন্ন সময়ত বিভিন্ন কাৰ্য উপলক্ষে উছৱ পালন কৰি লোক নৃত্য-গীত পৰিৱেশন কৰে। তেওঁলোকৰ উছৱবিলাক কৃষি কৰ্ম ভিত্তিত গঢ় লৈ উঠিছে। এই বিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে দহাকাজ, (১) "চ'মাংকান", (২) 'হাচাকেকান' অৰ্থাৎ

১ Bordoloi, B. N. and Sharma, Thakur G. C and Saikia M. C. Tribes of Assam, Part-1., Tribal Research Institute, Assam, Guwahati Page-52

২ Bordoloi, B. N., Chomangkan, The Death Ceremony observed by the Karbis, Guwahati 1982, Preface.

৩ Teron, L. Mikir Janajati (Assamese), 1961 Jorhat, Page-2



লখিমী উৎসৱ, ইন্দ্ৰাদি দেৱতাৰ পূজা উৎসৱ (৩) 'চ'জুন', কৃষি কৰ্ম' কৰাৰ সময়ত গাঁওবাসীয়ে পালন কৰা পূজা উৎসৱ (৪) 'ৰংকেৰ', ঘৰুৱাভাৱে পালন কৰা ৰোগ আদি নিৰাময়ৰ পূজা উৎসৱ (৫) 'পেং', কৃষিৰ আৰম্ভণি উৎসৱ (৬) ৰিত্নংচিংদি', খেতি চপোৱা কাৰ্যৰ ভিত্তিত পতা উৎসৱ (৭) 'চক্-ইৰই', গৃহ দেৱতা 'হেম্ফু'ৰ পূজা উৎসৱ (৮) 'হেম্ফু', কৃষি দেৱতাৰ পূজা উৎসৱ (৯) 'চিনথং আৰনাম' বা 'বুইচ'ম', শতমুখী দেৱীৰ পূজা উৎসৱ (১০) 'আৰনামফাৰ', জয় লাভৰ পূজা উৎসৱ (১১) 'লাম আফু' ইত্যাদি।

(১) 'চ'মাংকান' ঃ কাৰ্বি সমাজৰ লোকসংস্কৃতিৰ প্ৰতিফলন স্বৰূপ 'চ'মাংকান উৎসৱৰ জৰিয়তে তেওঁলোকৰ কৃষ্টি-সংস্কৃতি, সভ্যতা, ধৰ্মীয় পৰম্পৰা, আচাৰ-অনুষ্ঠান আজিও বৰ্তি আছে। মৃতকৰ আত্মাৰ পৰিশুদ্ধি আৰু গৃহস্থৰ শুভকামনাৰে শ্ৰাদ্ধ অনুষ্ঠান 'চ'মাংকান' অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ সৈতে বহুত আনুষংগিক আচাৰ-নীতি পালন কৰা হয়। সাধাৰণতে এই উৎসৱ 'কান্-ফ্লাফ্লা', 'লাংটুক' আৰু 'হাৰণে' নামৰ তিনি প্ৰকাৰৰ ৰীতি-নীতিৰ যিকোনো এক প্ৰকাৰহে পালন কৰা হয়। কেউবিধ পদ্ধতিয়েই তিনি দিন ব্যাপি আয়োজিত হয়। প্ৰথম দিনাক মৃতকৰ অস্থি সংগ্ৰহৰ দিন 'ৰূপকেহুম,' দ্বিতীয় দিনাক সৰু নাচ 'কানছ' আৰু তৃতীয় দিনাক বৰনাচ 'কান্পি' বুলি অভিহিত কৰা হয়। আনহাতে চতুৰ্থ দিনা 'বান্জাৰ কেকু'— অস্থি আদি পিতৃৰ শ্মশান বেদীত অগ্নি প্ৰজ্বলনেৰে সৎকাৰ কৰা হয়।

'চ'মাংকান' উৎসৱৰ দ্বাৰা মৃতকৰ আত্মাক বাদ্য বাদনেৰে আগবঢ়াই দিয়া হয়। সেইবাবে এই উছৱৰ স্থানলৈ দূৰণিৰ গাঁওসমূহৰ পৰাও বাদ্যযন্ত্ৰসহ 'জাম্বিলি আথন' আদি বিভিন্ন কলাত্মক সামগ্ৰী কঢ়িয়াই অনা হয়। নৃত্য-গীত আৰু খোৱা-বোৱাৰে 'চ'মাংকান'ৰ কেউদিন উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অৱশ্যে শ্ৰদ্ধানুষ্ঠান হোৱা বাবে আনন্দৰ মাজতে বিষাদৰ সুৰ বাজি উঠা লক্ষ্যণীয়। 'চ'মাংকান'ৰ আচাৰ-নীতি জনা তিৰোতা গায়িকা 'অ'চেপী'ৰ কৰুণ সুৰৰ গীতে সকলোৰে মন ভাৰাক্ৰান্ত কৰি তোলে। এই উছৱৰ মাধ্যমেৰে আধ্যাত্মিক ৰূপত অশ্লীল গীত-নৃত্যও পৰিৱেশিত হয়। কিন্তু এই অশ্লীলতা কেৱল 'চ'মাংকান'ৰ পৰিবেষ্টনিৰ মাজতেই সীমাবদ্ধ। কাৰ্বিসকলৰ

সাংস্কৃতিক জীৱনৰ এটা বিশিষ্ট অধ্যায় 'চ'মাংকানে' অধিকাৰ কৰি আছে।

কাৰ্বিসকলৰ উৎসৱবিলাকৰ উদ্দেশ্যে নৃত্য-গীত আদিৰে আয়োজন কৰা হয়। 'চ'মাংকান'ত ডেকা-গাভৰুসকলে ঢোল 'চেংবুৰূপ', পেঁপা 'মুৰিতংপ', আদি বাদ্যযন্ত্ৰৰ সুৰ আৰু গীতমাতৰ তালত বৃত্তাকাৰে নৃত্য পৰিৱেশন কৰে। হাতত ঢাল 'চং' আৰু তৰোৱাল 'নক' নচুৱাই এই নৃত্য কৰা হয়। লক্ষ্য কৰিবলগীয়া যে নৃত্যৰ সময়ত বৃত্তৰ মাজত এজন ডেকাৰ হাতত আকৰ্ষণীয় 'জাম্বিলি আথন' থাকে। ডেকা-গাভৰুসকলে মিলি 'মিমছ'কিৰুং' নৃত্য আৰম্ভ কৰে। তেওঁলোকে এই নৃত্যত কেইবাবিধো নাচ নাচে। সেইবোৰৰ ভিতৰত 'মিমছ'কিৰুং', 'বাঞ্জাৰ-কেকান', 'চংচিংনাং', 'কেংতিৰকেকান', 'ৰিছ'মাৰ কাচিহিং' আদি উল্লেখনীয়। মন কৰিবলগীয়া যে ডেকা-গাভৰুৱে যোৰা পাতি নচাৰ সময়ত তেওঁলোক একে ফৈদৰ হোৱা অনুচিত।

(২) 'হাচাকেকান' ঃ খেতিবাতি চপাই কাৰ্বিসকলে আনন্দ উল্লাস প্ৰকাশ কৰি উৎসৱ পাতে। এই উপলক্ষে হাঁহি-ধেমালি, নৃত্য-গীত, সমজুৱা ভোজ আদিৰ আয়োজন কৰা হয়। এটি জোনাক নিশা নিৰ্বাচন কৰি 'হাচাকেকান' নৃত্য পৰিৱেশন কৰা হয়। এজন গায়ক 'লুঞ্জে'ই গীত আৰম্ভ কৰে আৰু কেৱল ডেকাসকলে তেওঁৰ পৰিচালনাত উলাহতে সুপৰি-কল্পিতভাৱে দুশাৰীহৈ হাত চাপৰি বজাই ঘূৰি ঘূৰি নৃত্য কৰে।

(৩) 'চ'জুন' ঃ ঘৰুৱা পূজা উৎসৱ হিচাপে 'চ'জুন' অৰ্থাৎ স্বৰগ পূজাই কাৰ্বিসকলৰ ডাঙৰ উৎসৱ। চাৰি বা পাঁচ বছৰৰ অন্তৰে অন্তৰে পালনীয় এই উৎসৱৰ যোগেদি তেওঁলোকৰ ইন্দ্ৰ 'ৰফং', ৰুদ্ৰ 'আৰ্পি', অগ্নি 'বিৰ্‌ণে' আদি দেৱতাসকলৰ উদ্দেশ্যে পূজাভাগ আগবঢ়োৱা হয়। পূজাৰ বেদীত উৎসৰ্গ কৰা গাহৰিবোৰ আগৰে পৰা আগ কৰি ৰাখি খাহী কৰি থ'ব লাগে। এইবোৰ ডাঙৰ হোৱাৰ বছৰেই পূজাৰ আয়োজন কৰিবলৈ প্ৰস্তুতি চলাব লাগে। এই পূজা তিনিটা সময়ত কৰিব লাগে। ক্ৰম অনুসৰি উৎসৰ্গীকৃত গাহৰিৰ সংখ্যাও এটাৰ পৰা তিনিটা বা চাৰিটালৈ বৃদ্ধি কৰি যোৱা হয়। গৃহস্থৰ সকলো মিতিৰ কুটুম্বকে পূজালৈ নিমন্ত্ৰণ কৰি অনা হয়। তিনি দিনকৈ পালনীয় এই উৎসৱত খোৱা-বোৱা, পূজাপাত আদি অনুষ্ঠানেৰে এটা উলহ-মালহৰ পৰিৱেশৰ সৃষ্টি হয়।



(৪) 'ৰংকেৰ' ঃ কৃষি কাৰ্য কৰাৰ সময়ত গাঁওবাসী মিলিত হৈ উৎসৱ পালন কৰা হয়। এই উৎসৱ এক প্ৰকাৰৰ পূজা উৎসৱ। বৰষুণ কামনা কৰা, খেতি-বাতি ভাল হোৱা, বেমাৰ-আজাৰ নোহোৱা, সকলো প্ৰকাৰৰ অপায়-অমংগল দূৰ হোৱা আদি উদ্দেশ্যেৰে গাঁওবাসীয়ে এই উৎসৱ পালন কৰে। মুখ্যতঃ এই পূজা উৎসৱ দুই প্ৰকাৰৰ। (১) 'পিৰ্দাৰংকেৰ' আৰু (২) 'আজ'-ৰংকেৰ'। দিনৰ ভাগত গাঁওখনৰ পৰা যথেষ্ট আঁতৰত পালন কৰা পূজা উৎসৱ হৈছে 'পিৰ্দাৰংকেৰ'। এই পূজা উৎসৱত কেৱল পুৰুষসকলহে উপস্থিত থাকিব পাৰে। পূজাত প্ৰসাদ হিচাপে গ্ৰহণ কৰা মাংসৰ আঞ্জা ঘৰলৈ অনাও নিষেধ। আনহাতে 'আজ'ৰংকেৰ' নিশাৰ ভাগত সম্পন্ন কৰা হয়। বিশেষকৈ আমে মলিওৱা আৰু কঁঠালে মুচিওৱা সময়ৰ আগতেই 'ৰংকেৰ' উৎসৱৰ আয়োজন কৰা হয়। বছৰৰ আৰম্ভণিতে গাঁওবাসীৰ শুভ কামনা কৰি উৎসৱমুখৰ পৰিৱেশৰ মাজত 'ৰংকেৰ' পূজা পালন কৰিবলৈ লোৱা হয়।

'ৰংকেৰ' উৎসৱৰ অন্য এটা বিশিষ্ট ধাৰা হৈছে 'ৰফংৰংকেৰ'। এইবিধ ধাৰাৰ বেলিকা এখন বা দুখন গাঁৱৰ লোকৰ উপৰি একোটা মৌজাৰ লোকৰ মাজত সমূহীয়াকৈ পালন কৰা 'ৰংকেৰ' উৎসৱকে বুজোৱা হয়। ইয়াৰ পৰিসৰ অতি বৃহৎ। প্ৰতি পাঁচ বছৰৰ অন্তৰে অন্তৰে এনেবিধ 'ৰংকেৰ' উৎসৱ পালিত হয়। দুদিনীয়াকৈ পালিত হোৱা এই উৎসৱৰ প্ৰথম দিনা সামূহিক পূজাপাত আৰু দ্বিতীয় দিনা লক্ষ্মীপূজা 'লখিকেকুৰ' পূজা অনুষ্ঠিত কৰা হয়। এই উৎসৱত পূজাৰীয়ে মন্ত্ৰ পাঠ কৰি ইয়াৰ অৰ্থ ভক্তসকলক বুজাই দিয়ে। ইয়াৰ পাছত সকলোকে ধান বিলাই দিয়া হয়। এই ধান প্ৰতিঘৰৰ লোকে নিজৰ খেতিৰ কঠীয়াৰ লগত মিহলি কৰি লয়। এই ধানক 'মিনু' নামেৰে অভিহিত কৰে আৰু ইয়েই লক্ষ্মী দান স্বৰূপ।

(৫) 'পেং' ঃ ঘৰুৱা সকলো ধৰণৰ অপায়-অমংগল, বিপদ-বিঘিনি আঁতৰ কৰাৰ কাৰণে গৃহ দেৱতা 'পেঙ'ৰ উদ্দেশ্যে পূজাভাগ আগবঢ়োৱা হয়। বছৰেকীয়া হিচাপে ছাগলী এটা বলি দি এই পূজা কৰা হয়। তদুপৰি গোমধান, এলাউ, চাউল, মদ আদিও পূজাৰ নামত উছৰ্গা কৰা হয়।

(৬) 'ৰিতনংচিংদি' ঃ এই উৎসৱ শস্যৰ গুটি সিঁচাৰ আৰম্ভণিতে তেওঁলোকে আয়োজন কৰে। এই উদ্দেশ্যেৰে নৃত্য-গীতো পৰিৱেশন কৰা

হয়। ডেকা-গাভৰুসকলে পৰম্পৰাগত সাজপাৰ পিন্ধি হাতত একোখন সৰু কোৰ 'কুচ'লৈ এই নৃত্য কৰে। তেওঁলোকৰ এজনে হোৰা 'হাক'ত প্ৰয়োজনীয় বস্তুলৈ আহে আৰু লাউপানী 'হৰলাং' পথাৰৰ দেৱী 'লংলে আহিঈ'ৰ উদ্দেশ্যে ছটিয়াই গীত আৰম্ভ কৰে।

(৭) 'চক-ইৰই' ঃ খেতিবাতি চপাই আনন্দ উৎসৱ কৰিবলৈ কাৰ্বিসমাজে 'চক্‌ইৰই' পালন কৰে। ধান দোৱা, মৰণা মৰা, ধান ঘৰলৈ অনা আদি কামত ব্যস্ত হৈ থকাৰ অন্তত গাঁওবাসীয়ে গৃহস্থলৈ সহায়ৰ হাত আগবঢ়ায়। দুখে ভাগৰে থকা লোকসকলে খেতি চপাই আজৰি পৰত সকলোৱে নৃত্য-গীত পৰিৱেশন কৰি আনন্দ লভে। খোৰা-বোৰা আদিও সামূহিকভাৱে কৰি স্ফূৰ্তি কৰে। উৎসৱ অনুষ্ঠিত কৰাৰ দিনা ৰাতি নৃত্য-গীতৰ মাজত নিজকে বিলাই দিয়ে। এই উৎসৱত গীত গাই 'ইৰুকাচেন' নামৰ এগৰাকী সমাজ সংস্কাৰকক স্মৰণ কৰা হয়। সম্পত্তিৰ গৰাকীনী 'লক্ষ্মী কেপ্লাঙ'ৰ বন্দনাৰে গীত গোৱা হয়। ইয়াৰ পাছতেই 'কান্তিৰ কেকান' আৰু 'হাচাকেকান' গীত পৰিৱেশিত হয়।

কাৰ্বিসকলে 'হেম্ফু' দেৱতা, 'ৰিত্‌আংলং', 'চিনথং আৰনাম' বা 'বুইচ'ম্ন', 'আৰনামফাৰ', 'লাম আফু', 'ডেংজা' বা 'ডেউৰি', 'থেংপি থেংছ' আদি পূজা উৎসৱ কৰি ঘৰুৱা আৰু সামাজিকভাৱে মংগল কামনা কৰে। এইবোৰৰ উপৰি অলেখ দেৱ-দেৱী তেওঁলোকৰ দ্বাৰা পৰম্পৰাগতভাৱে পূজিতহৈ আহিছে।

কাৰ্বিসমাজত অনুশীলন হোৱা আন এটি আকৰ্ষণীয় নৃত্যানুষ্ঠান হৈছে 'হান-উপ-আহি-কেকান'। ৰজাৰ ঘৰত কাক বাঁহৰ গাজ যোগান ধৰাৰ ভিত্তিত এই নৃত্য পৰিৱেশন কৰা হয়। লোকনৃত্যৰ বাবে ব্যৱহাৰ কৰা তেওঁলোকৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ সমূহ হ'ল— ডম্বৰু সদৃশ বাদ্য 'চেংবুৰূপ', পেঁপা 'মুৰিতংপ', ঢোল 'চেং', বাঁহী 'পংচি', বীণ 'কুম' আদিয়েই উল্লেখযোগ্য।

অভাৱ অনাটনে জুৰুলা কৰিলেও কাৰ্বি জনজাতিৰ সামাজিক ... বিভিন্ন কৰ্ম উপলক্ষে আয়োজিত উৎসৱ-পাৰ্বণবিলাকত লোকনৃত্য-গীতৰ পৰিৱেশন মন কৰিবলগীয়া। বৰ্তমান প্ৰতি বছৰে ...লাকৰ যুৱ সমাজে ১৯৭৪ চনৰে পৰা 'কাৰ্বি ইউথ্ ফেষ্টিভেল'



অনুষ্ঠানৰ জৰিয়তে সাংস্কৃতিক সমন্বয়ৰ এটি উৎসৱ অনুষ্ঠিত কৰি আহিছে। এই অনুষ্ঠানে তেওঁলোকৰ জাতীয় জীৱনৰ সকলো দিশতে প্ৰভাৱ পেলাইছে। বিশেষকৈ শিক্ষা, সাহিত্য, কলা-কৃষ্টি, সংস্কৃতি, পৰম্পৰাগত খেল-ধেমালি, নৃত্য-গীত-বাদ্য, খোৰা-বোৰা, সাজপাৰ আদিৰ ক্ষেত্ৰতো ইয়াৰ উল্লেখনীয় প্ৰভাৱ বিস্তাৰিত হৈছে। আনহাতে এই সমূহ উৎসৱৰ জৰিয়তে প্ৰতিফলনো ঘটিছে। লগে লগে শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ দিশলৈও ই বৰঙণি আগবঢ়োৱাটো লক্ষ্যণীয়।

হাঁহি-কান্দোনে গৰকা তেওঁলোকৰ জীৱনৰ চিত্ৰ নৃত্য-গীত সমূহত পৰিস্ফুটহৈ উঠে। বৰ্তমানৰ আধুনিক জীৱনৰ বলিয়া বতাহ এই জনগোষ্ঠীৰ জীৱনলৈও নোবোৱাকৈ থকা নাই। অৱশ্যে পৰম্পৰা ৰক্ষা কৰি তাত বৰ্তমানৰ ৰহণ চৰোৱাটো সংস্কৃতি সমৃদ্ধৰহে পৰিচায়ক। যন্ত্ৰ যুগে পাহাৰীয়া গাঁও বিলাকৰ লোক-সাংস্কৃতিক জীৱনত প্ৰভাৱ পেলাবলৈ ধৰিলেও জাতীয় পৰম্পৰাক জীপ দি ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰা লোকশিল্পীসকলৰ শিল্প কৰ্ম লক্ষ্য কৰিবলগীয়া। বৃহৎ অসমীয়া সংস্কৃতিৰ বোৱতি সুঁতিলৈ কাৰ্বিসকলৰ অৰিহণাও কম নহয়।[৪]

৪ দুৱৰা, ধৰ্মেশ্বৰ, 'কাৰ্বিসমাজৰ উছৱৰ উলাহ', প্ৰবন্ধ, আজিৰ অসম ১০ ফেব্ৰুৱাৰী, ১৯৯৬ চন

## ৪.০০ চতুৰ্থ অধ্যায়

# কুকিসমাজৰ উৎসৱ-অনুষ্ঠান

অসমৰ উত্তৰ কাছাৰ পাহাৰ জিলাত বসবাস কৰা কুকি জনজাতিৰ সামাজিক জীৱন ধাৰাৰ অন্যান্য জনজাতিসকলৰ লগত বহুতো ক্ষেত্ৰত মিল দেখা পোৱা যায়। মিজো, কুকি, চাকমা আদি জাতিসমূহ প্ৰকৃততে ব্ৰহ্মদেশৰ চীন পাহাৰত আছিল। তাৰপৰা তেওঁলোক বৰ্তমান মিজোৰাম আৰু বৰ্তমানৰ বাংলাদেশৰ চিতাগং পাহাৰলৈ আহে। তেওঁলোকে বৰ্তমান অসমৰ উত্তৰ কাছাৰ পাহাৰ জিলাতো বসবাস কৰে। গোটেই অঞ্চলটোতেই তেওঁলোকৰ বংশৰ লোক বসতি কৰে যদিও স্থানীয় প্ৰভাৱৰ হেতু প্ৰত্যেক ফৈদে নিজৰ নিজৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰিব পৰা নাই বুলি ক'ব পাৰি। অতীজতে কেউটা জাতি একেলগে বসবাস কৰি থকাৰ কাৰণে সেইসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত ৰীতি-নীতি, সামাজিক অনুষ্ঠান আৰু ভাষাৰো অনেক পৰিমাণে সাদৃশ্য পৰিলক্ষিত হয়।[১]

কুকি জনজাতিৰ লোকসকলে বছৰৰ বিভিন্ন সময়ত বিভিন্ন উদ্দেশ্য আগত ৰাখি অলেখ উৎসৱ-পাৰ্বণ পালন কৰি আহিছে। সেই উৎসৱবোৰৰ উদ্দেশ্যসমূহৰ ভিতৰত আনন্দ উল্লাস প্ৰকাশ কৰা, কৃষি কৰ্ম কৰা, কৃষিৰ উৎপাদন চপোৱা, চিকাৰ বা যুদ্ধ জয়ৰ বাবে বিশেষ ব্যক্তিক সন্মান প্ৰদৰ্শন কৰা আদিয়েই উল্লেখযোগ্য। এনে ধৰণৰ সামূহিক আৰু ব্যক্তিগত উৎসৱ-পাৰ্বণে তেওঁলোকৰ মাজত মিলা-প্ৰীতি আৰু আনন্দৰ ভাৰ জগাই তোলে। তলত কেইটামান উৎসৱৰ বৰ্ণনা দিয়া হ'ল।

(১) চমকিভাহ ঃ পৰম্পৰা ৰীতি মতে কুকি ডেকাসকলে নিজৰ ঘৰত ৰাতি নুশুই অন্য এঘৰ লোকৰ ঘৰত শুৱলৈ যায়। তেওঁলোকৰ ছয়-সাতজন মিলি একোটা দল গঠন কৰি এইদৰে শুৱে। এই দলবোৰে পৃথকে পৃথকে ৰাতি থকা লোকজনৰ ঘৰত 'চমকিভাহ' উৎসৱৰ আয়োজন কৰে। ঘৰৰ গিৰিহঁতৰ মতামতলৈ তেওঁলোকে খৰালি কালত ভাল দিন বাৰ চাই এই উৎসৱ পালন কৰে। ডেকাসকলে ঘৰে ঘৰে ধান খুজি আনি ভোজ আৰু

১ District Census Hand book, 1961- United Mikir and N. C. Hills.



লাউপানী তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰে। ঘৰৰ গিৰিহঁতেও সাধ্যানুসৰি লাউপানীৰ ব্যৱস্থা কৰে।

এই উৎসৱৰ প্ৰথম দিনা 'চমকিভাহ নিপিনি'ৰ পুৱা এটা গাহৰি কাটি ভোজৰ আয়োজন কৰে আৰু গাঁৱৰ মুখিয়াল 'হাউচা' আৰু গাঁও পৰিষদৰ সদস্যসকলক আমন্ত্ৰণ কৰি আনি আপ্যায়ন কৰে। দ্বিতীয় দিনাও সেইদৰে ভোজভাত আৰু লাউপানীৰ আয়োজন কৰে। এই দিনটোক 'চমকিভাহ চাপাং জুচইনি' বোলা হয়। শেষৰ দিনৰ অনুষ্ঠানক 'ইননেই জু বুহনি' বুলি অভিহিত কৰে। সেইদিনা গৃহস্থৰ 'বেচা' আৰু 'টুচা' নামৰ দুজন সন্মানিত লোকে নিজাববীয়াকৈ তৈয়াৰ কৰা লাউপানী 'চমজিএ'ৰ ডেকা হাউচা 'চেমংপচই'ৰ সদস্য আৰু উপস্থিত ব্যক্তিসকলক আপ্যায়িত কৰাৰ লগতে নৃত্য-গীত পৰিৱেশন কৰিও আনন্দ দিয়ে।

(২) লমকিভাহ উৎসৱ ঃ গাঁৱৰ ডেকা-গাভৰুৰ সংগঠন 'লম'ৰ সদস্যসকলৰ দ্বাৰা এই উৎসৱৰ আয়োজন কৰা হয়। খেতি চপোৱা উৎসৱ হিচাপে 'লমকিভাহ' পালন কৰে। ডেকাসকলৰ দলপতি 'লমহাউচা'ই গাঁৱৰ মুখিয়াল 'হাউচা'ৰ অনুমতি সাপেক্ষে উৎসৱৰ যাৱতীয় কামকাজত আত্মনিয়োগ কৰে। উৎসৱত এই উপলক্ষৰ মেঠোন 'লমশিল' যোগাৰ কৰি প্ৰয়োজনীয় মাংস সংগ্ৰহ কৰে। উৎসৱৰ থলী হিচাপে 'হাউচা' বা 'লমহাউচা'ৰ ঘৰৰ চোতাল খনকেই ব্যৱহাৰ কৰা হয়। চোতালত নৃত্য-গীত পৰিৱেশন কৰিবলৈ এখন বাঁহৰ মঞ্চ 'লমকেমপপি' তৈয়াৰ কৰে। তাৰ কাষত এডাল প্ৰায় ত্ৰিশফুট দীঘল কাঠৰ খুটা 'শিলখম' ওপৰফালে ডালপাত ৰাখি পোতে। তাত উৎসৱত খাবলৈ অনা মেঠোনটো বান্ধি ৰখা হয়।

উৎসৱৰ প্ৰথম দিনা ডেকা-গাভৰুসকলে 'লমলা' গীত গাই আনন্দেৰে কামবনত আত্মনিয়োগ কৰে। সেইদিনা সকলোৱে উৎসৱলৈ অনা মেঠোনটোৰ সৈতে বিভিন্ন খেল কৰি তাক ভাগৰাই তোলে। এনে বিশেষ খেলক 'শিলচুহগইনি' বোলে। দ্বিতীয় দিনাৰ অনুষ্ঠানক 'মিপাহনি' বোলা হয়। সেইদিনা সকলোৱে মেঠোনটোক সজাই পৰাই ফুল আৰু কপাহী সূতাৰে মালা আদি পিন্ধাই 'গং', 'দাহপি' আদি বাদ্য বজাই গাঁৱলৈ উলিয়াই নিয়ে আৰু সন্মানীয়লোকসকলৰ ঘৰত নৃত্য-গীত পৰিৱেশন কৰি স্ফূৰ্ত্তি কৰে। গৃহস্থইও মাংস আদি উপহাৰ দি সন্মান কৰে। তৃতীয় দিনা পুৱা 'মুজুহ টিয়েং' বোলা যাঁঠীৰে খুচি মেঠোনটো বধ কৰা হয়। ইয়াক মাজত ৰাখি

সকলোৱে গীত গাই 'শিলপংলাম' নামৰ নৃত্য পৰিৱেশন কৰে। গধূলি মেঠোনৰ মাংসৰে ভোজভাত 'চপং' খায়। ৰাতি 'হাউচা'ৰ ঘৰত বহি তেওঁলোকে পানীয় সেৱন কৰে আৰু ওৰে ৰাতি বিদায়ৰ গীত গাই কটায়। পৰস্পৰৰ মাজত বিৰাজ কৰা সম্প্ৰীতিৰ এনাজৰী কটকটীয়া কৰি বছৰলৈ উৎসৱক বিদায় দিয়ে আৰু সূৰ্যোদয়ৰ পূৰ্বেই তেওঁলোকে 'হাউচা'ৰ ঘৰ ত্যাগ কৰি মনত উৎসৱৰ আমেজ চিৰ দিনলৈ সানি ঘৰমুৱা হয়।

(৩) 'চা-আই' উৎস্বৰ ঃ কুকিসমাজত বহুতো বিখ্যাত চিকাৰী আছে। তেওঁলোকৰ চিকাৰৰ সময়ত মৰা ডাঙৰ পশু-পক্ষীৰ আত্মাবোৰে কেতিয়াবা চিকাৰীজনক কোনো বিপদত পেলোৱাৰ সম্ভাৱনা আছে বুলি জনবিশ্বাস আছে। এই ভয়ৰ পৰা হাত সাৰি থাকিবৰ কাৰণে সম্ভ্ৰান্ত চিকাৰীসকলে 'চা-আই' নামৰ উৎসৱ পালন কৰিবলৈ আগবাঢ়ে। 'চা-আই' উৎসৱৰ বিভিন্ন পৰ্যায়ত আনুষ্ঠানিকভাৱে এখন ওখ আৰু বহল চাং 'কমপি' সজা, উৎসৱত খাবলৈ অনা মেঠোনটো বন্ধা খুটা 'শিলখম' পোতা, চিকাৰ কৰা জীৱজন্তুৰ আত্মাই হিচাপ কৰিব নোৱৰাকৈ বিশেষভাৱে অংকিত খুটা 'থিংজিয়েল' পোতা, 'আইচান' অনুষ্ঠান পতা আদি বিভিন্ন আচাৰ-অনুষ্ঠানৰ আয়োজন কৰা হয়। তদুপৰি 'শিল-বন-চুৰ' নৃত্য কৰা হয়। এই উপলক্ষে উপস্থিত সকলোৱে বান্ধি থোৱা মেঠোনৰ কাষত থিয়হৈ 'গং', 'খং' আদি বাদ্য বজাই 'হ'-হ-হহ' কৈ চিঞঁৰি চাপৰি বজাই ভৰিৰ পৰা দেহৰ ওপৰৰ অংশ নৃত্য কৰাৰ দৰে লয়লাসেৰে এবাৰ সোঁফালে আৰু আনবাৰ বাওঁফালে হাওলাই আনন্দ কৰে। আকৌ মেঠোনটোৰ লগত নানা ভাৱে খেলা কৰা হয়। শেষত ইয়াক বধ কৰি সকলোৱে চাৰিওকাষে সমবেতহৈ 'শিলপং লামলা' গীত গাই নৃত্য কৰে। চিকাৰীৰ ঘৰতেই খোৱা-বোৱা কৰি ৰাতিলৈ উলাহতে ডেকা-গাভৰুসকলে নৃত্য-গীত পৰিৱেশন কৰে। বাঁহৰ চুঙাৰ-বাঁহী 'ফেইফিট' বজাই নৃত্য কৰা এই উৎসৱৰ এটা বিশেষ প্ৰথা।

(৪) 'চাভাংকুট' উৎসৱ ঃ কুকিসমাজে বিশেষ উলহমালহেৰে পালন কৰা আন এটা উৎসৱ হৈছে 'চাভাংকুট' উৎসৱ। অক্টোবৰৰ মাহত কৃষিজীৱী কুকিসকলৰ শস্য পথাৰবোৰ ধানেৰে ওপচি পৰে। ঝুম খেতিৰ ধান ইতিমধ্যে চপোৱা হয়। ওপৰত শাৰদীয় নিৰ্মল সুনীলিম আকাশ। বতৰ ফৰকাল। সকলোৰে পৰ্যাপ্ত আজৰিৰ সময়। এই সময়তেই কুকিসকলে 'চাভাংকুট' উৎসৱ পালনৰ বাবে আয়োজন কৰে। এফালে শস্য পোৱাৰ আশা আৰু আনফালে সুন্দৰ বতৰে তেওঁলোকৰ মাজত উৎসৱৰ ৰং সানি



যায়। আগতে এই উৎসৱৰ কোনো নিৰ্দ্ধাৰিত দিন বাৰ নাছিল। কুকিসমাজে বৰ্তমান দেশৰ সকলো অঞ্চলতে নৱেম্বৰ মাহৰ প্ৰথম দিনটোতেই 'চাভাংকুট' উৎসৱ পালনৰ বাবে নিৰ্দ্ধাৰিত দিন হিচাপে ধাৰ্য কৰি লৈছে। সেই অনুসৰি সকলোতে বিভিন্ন আচাৰ-অনুষ্ঠানেৰে এই উৎসৱ পালিত হ'বলৈ লৈছে। উল্লেখযোগ্য যে কুকিসকলৰ উৎসৱ পালনৰ সুবিধাৰ্থে যোৱা কেইটামান বছৰৰ পৰা উত্তৰ কাছাৰ জিলা পৰিষদে এক নৱেম্বৰ তাৰিখটো স্থানীয় বন্ধ হিচাপে ঘোষণা কৰিছে। খোৱা-বোৱা আৰু নৃত্য-গীত পৰিৱেশনৰ দ্বাৰা এই উৎসৱটি কুকিসকলে যথাবিহিতৰূপে পালন কৰে। আজিকালি বিহু সন্মিলনবোৰ অসমৰ বিভিন্ন ঠাইত আয়োজন কৰাৰ দৰে 'চাভাংকুট' উৎসৱ পালনৰ বাবেও কুকিসকলে তেওঁলোকৰ উৎসৱৰ সন্মিলন পাতিবলৈ লৈছে। সন্মিলন উপলক্ষে তেওঁলোকে পতাকা উত্তোলন, ৰাজহুৱা, সাংস্কৃতিক সভা, সাংস্কৃতিক অনুষ্ঠান, সৌন্দৰ্য প্ৰতিযোগিতা, পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা, নৃত্য-গীত আদিৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰে। উৎসৱৰ দ্বাৰা কুকিসমাজে নিজৰ ঐতিহ্য পৰম্পৰা, কলা-সংস্কৃতি আৰু পৰস্পৰৰ মাজত মিলাপ্ৰীতি তথা শান্তি-সম্প্ৰীতি অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে।

(৫) 'চাং আই' উৎসৱ ঃ কৃষিজীৱী কুকিসমাজে ঝুমতলীত ধান খেতি কৰে। পাহাৰীয়া আওগৰীয়া মাটিত ঘন ঘনকৈ আলি বান্ধি সৰু সৰু ডৰা কৰি দূৰৈৰ জুৰিৰ পানী বোৱাই আনিও পানী খেতি হিচাপে ধান ৰোৱে। 'চাং আই' হৈছে ধান চপোৱা উৎসৱ।

ঘৰৰ গৃহস্থনী গৰাকীয়েই এই উৎসৱত বেছি সন্মান পোৱাৰ যোগ্যা। কাৰণ তেওঁৰ কষ্ট আৰু কৰ্মৰ বিনিময়তেই খেতিৰ উৎপাদন বৃদ্ধি পায়। এই উৎসৱক 'চাং-আই' অৰ্থাৎ ধান উৎপাদন বুলি অভিহিত কৰে। ধান দাই চপাই মৰণা মৰা, পথাৰৰ পৰা গুটি ধান ঘৰলৈ কঢ়িওৱা আৰু ঘৰত সংৰক্ষণ কৰি মেঠোন মাৰি ভোজভাত খোৱাৰ ভিত্তিতেই তিনিবিধ আচাৰ-অনুষ্ঠান পালিত হয়। কুকি ভাষাত এই তিনিওটা অনুষ্ঠানক যথাক্ৰমে 'চংহাহ', 'ভহচা আই' আৰু 'চেলা-আই' বোলে। এই উৎসৱ কেইবিধক একে বছৰতে পালন কৰিব পৰা নাযায়। সেইকাৰণে এবছৰৰ অন্তৰে অন্তৰে এইবোৰ পালন কৰা হয়। 'চাং-আই' অত্যধিক খৰছী উৎসৱ। পৰিয়ালৰ সকলোৱেই এই উৎসৱ পালনৰ সময়ত বৰ কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। সেইকাৰণে সম্ভ্ৰান্ত আৰু চহকী পৰিয়ালবোৰেহে ইয়াক পালন কৰিবলৈ আগবাঢ়ে।

এনেধৰণৰ কৃষি উৎসৱত পৰিয়ালক গাঁওবাসীয়ে সকলো ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়ায়। 'চাং আই'ৰ দৰে কৃষি উৎসৱৰ জৰিয়তে গাঁওবাসীৰ মাজত সুন্দৰ সম্প্ৰীতিৰ বন্ধন গঢ়ি উঠে আৰু সমূহীয়াভাৱে কৃষি কৰ্ম কৰি আৰ্থ-সামাজিক জীৱনলৈ অৰিহণা আগবঢ়ায়।

নৃত্য-গীত ঃ কুকিসকলে উৎসৱ-পাৰ্বণ, বিয়া বাৰু আৰু কৃষি কৰ্ম কৰোতে বহু প্ৰকাৰৰ গীত আৰু নৃত্য পৰিৱেশন কৰে। তেওঁলোকৰ পৰম্পৰাগত বাদ্যযন্ত্ৰও যথেষ্ট পৰিমাণে আছে। নৃত্য পৰিৱেশনৰ সময়ত জাতীয় পৰম্পৰা ৰক্ষা কৰি ডেকা-গাভৰুসকলে নিজা বৈশিষ্ট্যপূৰ্ণ সাজপাৰ পিন্ধি লোৱাটো উল্লেখযোগ্য কথা। তেওঁলোকৰ আকৰ্ষণীয় নৃত্যবোৰৰ ভিতৰত 'চুহটালাম', 'জংচালাম', 'চেগুলফেখয় লাম', 'ফেইফিটলাম', 'চেলপংলাম, 'বকললাম' 'বাহুই লাম', 'লমগোলাম', 'লেলবচুলাম', 'মলকংলাম' আদিয়েই প্ৰধান। নৃত্যবোৰৰ বিশেষ বৈশিষ্ট্য হিচাপে পদচালনালৈ লক্ষ্য কৰা যায়। কেতিয়াবা দুশাৰীকৈ, কেতিয়াবা বৃত্তাকাৰে মাজত দুজন বা চাৰিজনকৈ নৃত্য কৰে। বাদ্যযন্ত্ৰৰ তালে তালে গীতৰ সুৰে সুৰে এই নৃত্যসমূহ পৰিৱেশন কৰা হয়।[২]

কুকিসকলৰ বহুবিধ বাদ্যযন্ত্ৰ আছে। সেইবোৰৰ ভিতৰত তত, ঘন, সুষিৰ আৰু আনদ্ধ বাদ্য। তত জাতীয় বাদ্যৰ ভিতৰত 'চেলংদাহ', 'ইহেমথেই' আদি। ঘনজাতীয় বাদ্যবোৰ হ'ল— বৰকাঁহ 'দাহপি', সৰুকাঁহ 'দাহবু' আৰু একেবাৰে সৰুকাঁহ 'দাহপাবু' আদি। সুষিৰ জাতীয় বাদ্যবোৰ হ'ল— 'ফেইফিট', 'গচেম', মেঠোনৰ শিঙা 'শিলকি', 'গ-চুমকন' আদি। আনদ্ধ বাদ্যযন্ত্ৰবোৰ হৈছে ঢোল 'খৱং'। ইয়াৰ আকৃতিও ভিন্ ভিন্। বৰ্তমান গীটাৰৰ ব্যৱহাৰো প্ৰতিখন কুকি গাঁৱতে দৃষ্টিগোচৰ হয়। কলাসুলভভাৱে বাদ্যযন্ত্ৰবোৰ কুকিসমাজৰ লোক শিল্পীসকলে নিজেই তৈয়াৰ কৰি লয়।[৩]

২ দুৱৰা, ধৰ্মেশ্বৰ, উত্তৰ কাছাৰ পাহাৰৰ লোকসংস্কৃতি, সাংস্কৃতিক সঞ্চালকালয়, অসম, গুৱাহাটী, ১৯৮৮ পৃ. ১৯০-১৯৮

৩ Duarah, Dharmeswar, "N. C. Hills : A Treasury of Folklore I," The Sentinel Vol II No 66, Guwahati 19th June, 1984.

### ৫.০০ পঞ্চম অধ্যায়

# গাৰোসমাজৰ উৎসৱ-অনুষ্ঠান

অসমৰ অন্যান্য জনজাতিৰ দৰে গাৰো জনজাতি সমাজেও এখন সংস্কৃতি সম্পন্ন সমাজৰ পৰিচয় দাঙি ধৰে। মংগোলীয়ান সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত এই গাৰো জনজাতি তিব্বত-বৰ্মীয় ভাষা পৰিয়ালৰ। অঞ্চল ভেদে গাৰোসকলে নিজকে 'আচিক-মান্দে' বুলি অভিহিত কৰে। 'আচিক' শব্দৰ অৰ্থ পাহাৰ আৰু 'মান্দে' শব্দৰ অৰ্থ মানুহ। নৃতাত্বিক দৃষ্টিকোণৰ পৰা গাৰোসকল গোল মুখৰ আৰু চাপৰ অথচ শকত-আৱত দেহাৱয়বৰ লোক। তেওঁলোক সৰল আৰু নিৰ্জু প্ৰকৃতিৰ।

মেঘালয় ৰাজ্যৰ গাৰোপাহৰ জিলাত ঘনকৈ বসবাস কৰিলেও গাৰো জনজাতিৰ বুজন পৰিমাণৰ লোক অসমৰ বিশেষকৈ কামৰূপ, গোৱালপাৰা, কাৰ্বি আংলং, গোলাঘাট আদি জিলাত বসবাস কৰে। এইটো মনকৰিবলগীয়া যে বৃটিছৰ শাসন কালত বিংশ শতাব্দীত বহুতো গাৰো জনজাতিৰ পৰিয়ালক বৰ্তমান গোলাঘাট জিলাৰ কাকডোঙা চাহ বাগিচাত বনুৱাৰ কামবন কৰিবৰ বাবে গাৰো পাহাৰৰ পৰা অনা হৈছিল। কালক্ৰমত এওঁলোকৰ বংশ বৃদ্ধি হয় আৰু বাগিচাৰ কামবনো কৰিবলৈ বাদ দিয়ে। আনহাতে তেওঁলোক আগৰ বসতি স্থললৈ উভতি নগৈ বৰ্তমানৰ কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ নেপেৰপেটী অঞ্চল আৰু গোলাঘাট জিলাৰ ধনশিৰি মহকুমাত বসবাস কৰিবলৈ লয়।[১]

গাৰো জনজাতিৰ বসতিভূমি, ভাষা, সাংস্কৃতিক ধাৰা আৰু আন্তঃ সাম্প্ৰদায়িক বিবাহৰ ওপৰত ভিত্তি কৰি তেওঁলোকক 'এৱেচ', 'একেৱেচ', 'চিচাক', 'দুৱেল', 'মৎচি', 'মৎজাংচি' বা 'মতাবেং', 'অম'বেং', 'চিবুক', 'ৰুগা', 'গনৰ্চিং', 'আতং', 'মেগাম' আদি ভাগত ভাগ কৰা হয়। এই উপ ফৈদবোৰৰ পৰম্পৰৰ মাজৰ ভাষা, সংস্কৃতি আৰু আচাৰ নীতিৰ ক্ষেত্ৰত কিছু পৃথকতা দেখা যায়।[২]

১ Bordoloi, B. N. 'The Garos', Tribes of Assam, Part III, Page !-16

২ Borkakati, S. N. Tribes of Assam, New Delhi, 1969, Page-23

গাৰো ভাষাত ফৈদক 'চৎচি' বোলা হয়। প্ৰথম অৱস্থাত মূলতঃ 'মৰাক', 'ম'মিন', 'চাংমা' আদি তিনিটা ফৈদ আছিল যদিও পাছলৈ 'আবেং', 'আৰেং', 'শিৰা' আদি ভাগতো বিভক্ত হৈ ফৈদৰ উদ্ভৱ হয়।[৩]

তদুপৰি গাৰোসকলৰ প্ৰথমে 'চাংমা', 'মৰাক' নামৰ দুটা প্ৰধান ফৈদ আছিল যদিও পাছত 'ম'মিন', 'আৰেং' আৰু 'শিৰা' নামৰ ফৈদৰ উদ্ভৱ হয়।[৪]

এইটো লক্ষ্য কৰিবলগীয়া যে তেওঁলোকৰ 'ম'চং' অৰ্থাৎ ফৈদক পশু-পক্ষী, গছ-বাঁহ, নৈ-পাহাৰ আদিৰ নাম অনুসৰি নামকৰণ কৰা হয়।

১৯৭১ চনৰ লোক পিয়ল মতে অসমত বসবাস কৰা গাৰো জনজাতিৰ লোকসংখ্যা সৰ্বমুঠ ৯,১৩৯ জন আৰু ইয়াৰে ৫,২২২ গৰাকী পুৰুষ, ৩,৯১৭ গৰাকী নাৰী।

গাৰো জনজাতি হৈছে মাতৃ প্ৰধান জনজাতি। অৱশ্যে তেওঁলোকৰ সম্পত্তিৰ অধিকাৰীণী মহিলাসকল হ'লেও পুৰুষসকলৰ সামাজিক স্থানো উচ্চ পৰ্যায়ৰ। তেওঁলোকৰ ভাষাত পৰিয়ালক 'নোক' বোলা হয়। আকৌ পৰিয়ালৰ সদস্য, ঘৰ, সম্পত্তি আদিক একত্ৰে 'নোকদাং' বুলি কোৱা হয়। পৰিয়ালৰ সকলো সা-সম্পত্তিৰ অধিকাৰিণী জীয়ৰী গৰাকীক 'নোখ্ৰম' বোলে।

অসমৰ অন্যান্য জনজাতিৰ দৰে গাৰো সমাজতো ডেকাসকলৰ সমূহীয়া শয়নঘৰ অৰ্থাৎ 'নোকপংটে' পৰম্পৰাগতভাৱে জীয়াই আছে। এই ডেকা সংগঠনটোৰ জৰিয়তে তেওঁলোকৰ আনুষ্ঠানিক সকলো ধৰণৰ শিক্ষা, বাঁহ বেতৰ কামকাজ, খেলা-ধূলা, সামাজিক শিক্ষা, উৎসৱ-পাৰ্বন, নৃত্য-গীত-বাদ্য আদিৰ অনুশীলন আৰু সংৰক্ষণ হৈ আহিছে। অৱশ্যে বৰ্তমান যুগত এনে পৰম্পৰাৰ অনেক সৌন্দৰ্য লুপ্ত হোৱাৰ উপক্ৰম নোহোৱাকৈ থকা নাই। এইটো স্বীকাৰ্য যে গাৰো সমাজৰ সকলো ধৰণৰ সমাজ-সাংস্কৃতিক কাৰ্যসূচীত 'নোকপংটে'ৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ।

অতীজতে গাৰোসকল হিন্দু ধৰ্মাৱলম্বী লোক আছিল যদিও বৰ্তমান যথেষ্ট পৰিমাণে খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈছে। ইয়াৰ কাৰণে তেওঁলোকৰ সকলো পৰম্পৰা আচাৰ-নীতিৰ পৰিৱৰ্তে খ্ৰীষ্টান আচাৰ-নীতিয়ে নিজা

৩ Ibid, P–23

৪ Sangma, Milton : 'History and Culture of the Garos,' Garo Hills Land and the People, edited by Gassah, L. S, Guwahati/New Delhi, 1984, Page-133.



আসন অধিকাৰ কৰি লৈছে। হিন্দু ৰীতি অনুসৰি পূজা পাতল কৰিব জনা লোকক তেওঁলোকে 'খামাল' বুলি অভিহিত কৰে। তেওঁলোকৰ সমাজত পালিত হোৱা মুখ্য দেৱ-দেৱতাসকল হৈছে— 'তাতাৰা ৰবোগা', 'চঁলজং', 'নচটু-নপনটু', 'মচি', 'চৰবুদি', 'গ'ৰেৰা', 'কলকামে', 'চুমিমে' আদি। কৃষিয়েই গাৰোসকলৰ প্ৰধান জীৱিকাৰ সমল। পাহাৰীয়া ঠাই বিশেষত ঝুম পদ্ধতিৰে আৰু ভৈয়াম অঞ্চলত পানী খেতি পদ্ধতিৰে বিশেষকৈ ধান খেতি সম্পন্ন কৰে। ধান খেতিৰ বাহিৰেও বিবিধ বাগিচা শস্য আৰু নানা প্ৰকাৰৰ শাক-পাচলিৰো খেতি তেওঁলোকে কৰে। তদুপৰি হাঁহ, কুকুৰা, গাহৰি, গৰু, ছাগলী আদি পুহি জীৱিকা অৰ্জন কৰে।

গাৰো সকলৰ ফৈদ তথা গাঁৱৰ মুখিয়াল জনক 'নকমা' বুলি কোৱা হয়। তেওঁ গাঁৱৰ ঝুমতলীৰ মাটি গাঁওবাসীৰ মাজত বিতৰণ কৰি দিয়াৰ ক্ষমতা লাভ কৰে। গাঁও বাসীয়েও তেওঁক কৰ হিচাপে ধান পৰিশোধ কৰিব লাগে।

তিব্বতো-বৰ্মণ পৰিয়ালৰ বড়ো শাখাৰ ভাষা গোষ্ঠীৰ গাৰো জনজাতিৰ বৰ্ণাঢ্য লোক-সংস্কৃতিৰ প্ৰতিফলন তেওঁলোকৰ লোক গীত-মাত, নৃত্য, বাদ্য, উৎসৱ-পাৰ্বন, পূজা-পাতল, পোছাক-পৰিচ্ছদ, অঁা-অলংকাৰ আদিত লক্ষ্য কৰিব পৰা যায়। বিভিন্ন উপলক্ষত তেওঁলোকে লোক নৃত্য-গীত পৰিৱেশন কৰে। সেইবোৰৰ ভিতৰত গাঁওখনৰ মুখিয়াল 'নকমা'ৰ অভিষেক, উছৰ্গিত পাথৰ প্ৰতিষ্ঠাপন, ন-ঘৰ লোৱা, ডেকা চাং লোৱা, মৃত্যুৰ শ্ৰাদ্ধৰ অনুষ্ঠান, কৃষি উৎসৱ আদিয়েই উল্লেখনীয়।

কৃষি ভিত্তিক উৎসৱৰ ভিতৰত 'ৱান গালা' উৎসৱেই অতিকৈ পয়োভৰপূৰ্ণ। ঝুম কৃষিৰ বাবে হাবি কটাৰ পৰা গুটি সিঁচা, নিৰণি কৰা, বিভিন্ন ধৰ্মানুষ্ঠান কৰা, খেতি চপোৱা, ন-চাউল খোৱা আদি বিভিন্ন স্তৰত 'ৱানগালা' উৎসৱৰ আয়োজন কৰা হয়। এই উৎসৱ উপলক্ষে পূজা-পাতল, খোৱা-বোৱা আৰু নৃত্য-গীতৰো আয়োজন কৰা হয়।

গাৰো জনজাতিৰ লোকে 'আৰং গাগামা' 'আগাচাআ' অৰ্থাৎ ঝুমখেতি কৰিবলৈ প্ৰথম দিনা যেতিয়া হাবি কাটিবলৈ আৰম্ভ কৰে সেই দিনা 'চু' অৰ্থাৎ লাউপানী সমূহীয়াকৈ পান কৰি এই কাৰ্যৰ শুভাৰম্ভ কৰে। এনে কাৰ্যক তেওঁলোকে 'ওফাতা' বোলে। হাবি-বন কাটি জ্বলাই শেষ কৰাৰ পাছত গাঁওবাসীয়ে আকৌ সমূহীয়াকৈ লাউপানী খাই দুদিনকৈ নৃত্য-গীত পৰিৱেশন

কৰি উৎসৱৰ ৰং চৰায়। এই উৎসৱক 'আগালমাকা' বোলে। মন কৰিবলগীয়া যে এই উৎসৱৰ অন্তত তেওঁলোকৰ সকলো বাদ্যযন্ত্ৰ যেনে ঢোল, শিঙা আদি মুখিয়াল গৰাকীৰ ঘৰত ৰাখি থয়। এনেদৰে উৎসৱৰ সামৰণি মাৰি থোৱা কাৰ্যক 'দামা-গোগাতা' বোলা হয়। ধান নপকালৈকে কৰ্মত ব্যাঘাত জন্মিব পাৰে বুলি এই বাদ্য বজোৱাটো নিষিদ্ধ। 'আগালমাকা' উৎসৱৰ পাছতেই তেওঁলোকে খেতিত বিবিধ শস্যৰ গুটি সিঁচে। সেইবোৰৰ গছ গজি উঠাৰ অন্তত অন্ততঃ দুবাৰকৈ নিৰাই দিয়া হয়। প্ৰথম বাৰ নিৰোৱাক 'আজা কৰা দাঙা' আৰু দ্বিতীয় বাৰ নিৰোৱাক 'বামিল ৰাতা' বোলে। গাঁওখনৰ পৰা যথেষ্ট দূৰৈত ঝুমতলী পতাৰ বাবে তাত থাকিবলৈ অস্থায়ী ঘৰ অৰ্থাৎ 'আবা জামাদাল' সাজি লোৱা হয়। আকৌ অস্থায়ীভাৱে খেতিৰ পথাৰত বাসকৰা কাৰ্যক 'আবা খাতা' বোলা হয়।

ধান কলাপকা দিলে তাৰে কিছু দাই আনি চিৰা অৰ্থাৎ 'ৰংচু' খুন্দি 'ৰংচুগালা' উৎসৱ পালন কৰা হয়। এই উৎসৱ পালন কৰি উপাস্য দেৱ-দেৱীলৈ উছৰ্গ কৰাৰ পাছতহে ন-ধানৰ ভাত খোৱাৰ নিয়ম। খেতি চপাই অনাৰ পাছত তেওঁলোকে মূল 'ৱানগালা' উৎসৱৰ শুভাৰম্ভ হিচাপে 'আহায়া' উৎসৱৰ আয়োজন কৰি 'চু' পান কৰি আনন্দ উপভোগ কৰে। তদুপৰি মুখিয়ালৰ ঘৰৰ পৰা বাদ্যযন্ত্ৰবোৰ আনি জাৰি-জোকাৰি সেইবোৰ বজোৱাৰ বাবে আখৰা কৰা হয়।

'ৱানগালা' উৎসৱ প্ৰায় এসপ্তাহলৈ পালন কৰা হয়। উৎসৱ উপলক্ষে গাঁৱৰ সকলো আলি-পদূলি চাফ-চিকুণ কৰা হয়। সেই সময়ত পান কৰিবলৈ 'চু' অৰ্থাৎ লাউপানী যথেষ্ট পৰিমাণে তৈয়াৰ কৰিব লাগে। গাঁৱৰ সকলো বয়সৰ লোকৰ লিংগ ভেদে অনেক কামৰ প্ৰয়োজন হয়। সকলোৰে মিলি উৎসৱৰ প্ৰস্তুতি চলায়। আৰম্ভণিৰ দিনা গাঁৱৰ মুখিয়াল 'নকমা'ৰ ঘৰত 'চালজং' অৰ্থাৎ সূৰ্য দেৱতালৈ 'চু' আৰু ঝুমতলীত উৎপাদিত বিবিধ কৃষি সামগ্ৰী উছৰ্গ কৰি পূজা কৰা হয়। 'নকমা'ই গাঁওবাসীক ভোজভাত আৰু 'চু' পৰিৱেশন কৰি আপ্যায়িত কৰে। সেইদিনা ৰাতি বিশেষকৈ বুঢ়া-বুঢ়ীসকলে ঘৰৰ ভিতৰতেই নাচি বাগি মুখিয়ালৰ ঘৰখন উছৱমুখৰ পৰিৱেশেৰে ভৰাই তোলে। বয়সীয়াল সকলৰ পাছে পাছে ডেকা-গাভৰুসকলেও ৰাতিটো ঘৰে ঘৰে 'চু' খাই আনন্দ উপভোগ কৰে। দ্বিতীয় দিনা পুৱা গাঁওবাসী পুনৰ মুখিয়ালৰ ঘৰত উপস্থিত হৈ 'ৱানগালা' উৎসৱৰ মুখ্য অনুষ্ঠান 'চাচাত'ৰ



আয়োজন কৰে। এই উপলক্ষে তেওঁলোকৰ 'ঢোল', 'নাগৰা' আদি বাদ্য বজোৱা হয়। তদুপৰি চৰিয়া আকৃতিৰ 'বাং' নামৰ এবিধ কাঁহ বাদ্য মাৰিৰে কোবাই বজোৱা হয়। 'চাচাত' অনুষ্ঠানত কেইগৰাকীমান বয়সীয়াল লোকে 'মিল্লাম' অৰ্থাৎ ঢাল-তৰোৱাল হাতে হাতে লৈ নৃত্য পৰিৱেশন কৰে। এই নৃত্যৰ দ্বাৰা তেওঁলোকৰ অতীতৰ বীৰত্বপূৰ্ণ কাহিনী বৰ্ণনা কৰি গীত-মাতো গোৱা হয়। অতিকৈ আকৰ্ষণীয় এই বিধ নৃত্যক 'গ্ৰিকা' বোলা হয়। এই নাচত অংশ গ্ৰহণকাৰীসকলক 'চু' যাঁচি সন্মান জনোৱা হয়। আনহাতে চাউলৰ পিঠাগুৰিত পানী মিহলাই ঘৰৰ বেৰত লেপি দিয়া হয় আৰু উপস্থিত সকলোৰে গাত সানি পৱিত্ৰ ভাৱ জগাই তোলা হয়। এইদৰে মুখিয়ালৰ ঘৰত 'চাচাত' অনুষ্ঠানৰ সামৰণি মাৰি অসমৰ ৰঙালী বিহুত ঘৰে ঘৰে হুচৰি গোৱাৰ দৰে গাঁওবাসীৰ সকলোৰে ঘৰতে 'চাচাত' পালন কৰিব লাগে। সকলোৰে এইদৰে 'চাচাত' পালন কৰি আনন্দ উপভোগ কৰাৰ লগতে সম্প্ৰীতিৰ বান্ধোনেৰে বান্ধ খাই পৰে।[৫]

গাৰোসকলে পালন কৰা 'মাংগোনা' বা 'দেলনাং' উৎসৱটো হৈছে শ্ৰাদ্ধ উৎসৱ। এই উপলক্ষেও নৃত্য-গীত-মাত পৰিৱেশন কৰা হয়।

নৃত্য-গীত-বাদ্য পৰিৱেশন কৰি গাৰো সমাজে বিভিন্ন উৎসৱ উপলক্ষে আনন্দ প্ৰকাশ কৰে। তেওঁলোকৰ যুদ্ধ আৰু বীৰত্বৰ নৃত্য 'গ্ৰিকা' আৰু 'ৱানগালা'ই মুখ্য আৰু আকৰ্ষণীয় নৃত্যানুষ্ঠান। নৃত্যৰ সময়ত ব্যৱহৃত লোকবাদ্যবোৰৰ ভিতৰত 'দামা' অৰ্থাৎ দীঘল ঢোল, 'ক্ৰাম' অৰ্থাৎ 'দামা'তকৈ আকাৰত ডাঙৰ ঢোল, 'নদিদ' অৰ্থাৎ সৰু আকৃতিৰ ঢোল, 'নাগ্ৰা' বা নাগাৰা, 'আদিল' বা পেঁপা, ম'হৰ শিঙা, বিবিধ বাঁহী আদিয়েই উল্লেখযোগ্য। তদুপৰি উৎসৱত 'বাং' নামৰ এবিধ কাঁহ জাতীয় বাদ্যও বজোৱা হয়।

অন্যান্য জনজাতিৰ দৰে গাৰো জনজাতিৰো সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে পৰিৱৰ্তনে দেখা দিছে। সময়ৰ বিৱৰ্তনৰ লগে লগে এনে পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। বিজ্ঞানৰ অগ্ৰগতি আৰু আধুনিক শিক্ষাৰ প্ৰসাৰৰ বাবেই এনে দ্ৰুত পৰিৱৰ্তনে গা কৰি উঠিছে। অৱশ্যে সাংস্কৃতিক পৰম্পৰাকো সংৰক্ষিত আৰু অনুশীলন কৰি জাতীয়তা ৰক্ষা কৰাত সমাজ বিশেষ আগ্ৰহী হ'লেহে বিলুপ্ত হ'বলৈ ধৰা আপুৰুগীয়া সংস্কৃতিত মামৰে নধৰে।[৬]

৫ মজুমদাৰ, ধীৰেন্দ্ৰ নাৰায়ণ, গাৰো সংস্কৃতিৰ ৰূপৰেখা, অসম সাহিত্য সভা, ১৯৭৪, পৃষ্ঠা ১৯-২৪।
৬ দুৱৰা, ধৰ্মেশ্বৰ, 'গাৰোসমাজৰ সাংস্কৃতিক জীৱন', আজিৰ অসম, ৪ মে' ১৯৯৭।

৬.০০ ষষ্ঠ অধ্যায়

# জেমিসকলৰ কৃষি উৎসৱ-অনুষ্ঠান

ঝুমতলীৰ ধান চপোৱাৰ অন্তত জেমি গাঁওবোৰলৈ উৎসৱৰ সাতো ৰঙী ৰামধনুৰ চকুৰোৱা ৰঙৰ ফাকুগুৰি এছাটি মলয়া বতাহে ছটিয়াই যায়। চাৰিওফালে ম'হৰ শিঙৰ পেঁপা 'কেবুইকে'ৰ সুৰ ধ্বনিৰে মুখৰিত হৈ পৰে। সেই সুৰৰ প্ৰতিধ্বনি পাহাৰৰ ভাঁজে ভাঁজে, গছে-বনে বিয়পি পৰে। তেওঁলোকৰ গাঁৱত চিয়ামি উৎসৱৰ আনন্দই সকলোৰে মন প্ৰাণ উতলা কৰে।

বিনন্দীয়া প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে পৰিবেষ্টিত অসমৰ পাৰ্বত্য ভূমি। এই ৰাজ্যৰ উত্তৰ কাছাৰ পাহাৰ জিলাৰ বিভিন্ন জনজাতীয়লোকৰ মাজত জেমিনগা সকলৰো এখন বিশেষ আসন বিদ্যমান। নগালেণ্ড আৰু অসমৰ উত্তৰ কাছাৰ পাহাৰ জিলাত বসবাস কৰা 'জেমি', 'লিয়াংমাই' আৰু 'ৰংমাই' নামৰ তিনিটা নগা উপজাতি মিলি 'জেলিয়াংৰং' নাম লৈছে। তিনিওটা উপজাতিৰে সমন্বয়ৰ সাংস্কৃতিক অনুষ্ঠান 'জেলিয়াংৰংহাৰাকা'। ইয়েই বৰ্তমান তেওঁলোকৰ সমাজ-সাংস্কৃতিক জীৱনৰ গুৰুত্বপূৰ্ণ বাহক অনুষ্ঠান। 'হাৰাকা'ৰ বাবেও তেওঁলোকে বিভিন্ন বিষয়ৰ গীত গাই আনন্দ পায়।

জেমিসকলৰ গাঁওসমূহ একো একোটা পাহাৰৰ একেবাৰে ওপৰৰ মালভূমি অংশত প্ৰতিষ্ঠা কৰা হয়। শ শ বছৰ ধৰি অসমৰ মাটি-পানীৰ লগত নিজকে মিলাই তেওঁলোকে স্বকীয় কলা-সংস্কৃতিৰ বৈশিষ্ট্য অটুট ৰাখিবলৈ সক্ষম হৈছে। তেওঁলোকৰ নিজা আচাৰ-বিচাৰ, সামাজিক জীৱন, ধৰ্ম-কৰ্ম, ভাষা-সাহিত্য, আশা-আকাংক্ষা, সাজ-পোছাক, আ-অলংকাৰ, জন্ম-মৃত্যু-বিবাহৰ সময়ত পালনীয় নিয়ম পৰম্পৰাগতভাৱে প্ৰচলিত।[১]

বছৰৰ বিভিন্ন ঋতুৰ লগে লগে প্ৰকৃতিয়েও নতুনৰ পোহাৰ মেলে। জড়জগত আৰু জীৱজগতৰ মাজত এটা আলোড়নৰ ঢৌ বাগৰি যায়।

১ Duarah, Dharmeswar, "The Folk Festivals of the Zeme Nagas", The Sentinel, Vol. II No 15, 22nd July, 1984



জেমিসকলৰ প্ৰাণতো সিহৰণ জাগে। মনৰ এনে হেন্দোলনি প্ৰকাশ বিভিন্ন উৎসৱ-পাৰ্বনত প্ৰতিফলিত হয়। কোনোবা ডেকাই প্ৰকৃতিৰ পৰশত উৎফুল্লিতহৈ বাঁহৰ বাঁহী 'মেটিয়াম' বজাই মনৰ পুৰণি শাঁত পেলায়।

উৎসৱৰ জৰিয়তে ধৰ্ম বিশ্বাস, ধৰ্মানুষ্ঠান, খোৱা-বোৱা, পিন্ধা-উৰা, খেল-ধেমালি, নৃত্য-গীত আদিৰ অনুশীলন আৰু পৰিচয় প্ৰকাশ হয়।

ডেকা গাভৰুৱেই কৰ্ম শক্তিৰ আধাৰ। উৎসৱৰ আয়োজনৰ বেলিকাও তেওঁলোকেই ভৰসাৰ স্থল। জেমি ডেকাৰ সংগঠন 'হাংচেউকি' আৰু গাভৰুৰ সংগঠন 'লেউচেউকি'ৰ সমূহীয়া প্ৰচেষ্টাই উৎসৱৰ আকৰ্ষণীয়তা বৃদ্ধি কৰে। আনহাতে ডেকাৰ সমূহীয়া শয়ন ঘৰ 'হাংচেউকি'য়েই উৎসৱৰ মূল কেন্দ্ৰ স্বৰূপ। ইয়াতেই শিঙা 'কেবুইকে' বজাই আটাইৰে মনত উৎসৱৰ হেন্দোলনি তোলা হয়।

জেমিসকলৰ উৎসৱ-পাৰ্বণ দৰাচলতে কৃষি ভিত্তিক। গোটেই বছৰ ধৰি পালন কৰা উৎসৱসমূহৰ ভিতৰত (১) 'হেলেই বামবে', (২) 'চাং বামবে', (৩) 'ফক্ ফাট্মি', (৪) 'ইংকামঙি', ৫) 'চিয়ামি' আৰু (৬) 'কাগাবেই' উল্লেখযোগ্য। উৎসৱ আহিলে সকলোৱে গীতৰ সুৰ সমলয়ৰ সৃষ্টি কৰে। সেয়া হৈছে 'কাকেলেউবে'।[২]

(১) 'হেলেই বামবে' ঃ ঝুম পদ্ধতিৰে পাহাৰীয়া অঞ্চলত জেমিসকলে খেতিবাতি কৰে। তেওঁলোকৰ প্ৰধান খেতি হৈছে আহুধান। এই খেতিৰ লগত ওতপ্ৰোতভাৱে বিভিন্ন উৎসৱ-পাৰ্বন জড়িতহৈ পৰে। ধানৰ সঁচ মাটিত গোজাৰ পৰা আৰম্ভ কৰি দাই ঘৰলৈ সোমোৱালৈকে উৎসৱৰ পয়োভৰেৰে গাঁও ৰজন্‌জনাই থাকে। পৰিশ্ৰমৰ ভাগৰ পলুৱাবলৈ লাউপানী 'দুইজাও' খোৱাৰ উপৰি আকৰ্ষণীয় সমূহীয়া নৃত্য-গীতৰ আয়োজন কৰে। হাবি-বননি কাটি জুই জ্বলাই তাত খুৰ্পিৰে একোটাইঁত সৰু খোল খান্দি শাৰী শাৰীকৈ ধানবোৰ সিঁচি চৰাই-চিৰিকতিয়ে খাব নোৱৰাকৈ ঢাকিথৈ আহে। সাধাৰণতে চ'ত মাহত বসন্তৰ আগমন হোৱাৰ লগে লগে এই কৃষি পদ্ধতিৰো আৰম্ভ হয় আৰু তেতিয়াই ৰাইজৰ সমূহীয়া প্ৰচেষ্টাত ভাল দিনবাৰ নিৰ্দ্ধাৰণ কৰি উৎসৱৰ আয়োজন কৰে। এই 'হেলেইবামবে' উৎসৱ

২ দুৱৰা, ধৰ্মেশ্বৰ, "জেমি নগাৰ উৎসৱ-পাৰ্বণ, নৃত্য-গীত আৰু বাদ্যযন্ত্ৰ", অসম বাণী, বিহু সংখ্যা, ১৯০৩ শকাব্দ।

দুদিনলৈ চলি থাকে। ইয়াৰ কোনো নিৰ্দিষ্ট দিনবাৰ নাই। গাঁৱৰ মাজৰ আহল-বহল ঠাই এডোখৰত ৰাতিপুৱা তেওঁলোকৰ পুৰোহিত 'টিংকোপেউ'ৰ তত্ত্বাৱধানত গাহৰি নতুবা ম'হ বধ কৰা হয়। এই জন্তুটো শস্যৰ অধিকাৰী দেৱতা 'চুহপ্ৰাই'ৰ উদ্দেশ্যে উৎসৰ্গ কৰি সকলোৱে ইয়াৰ মাংস ভগাই লয়। ডেকাচাং 'হাংচেউকি'ৰ সন্মুখত প্ৰথম দিনা জাকজমকীয়া নৃত্য-গীতৰ আয়োজন কৰা হয়। ডেকা-গাভৰুসকলে নাচ বাগ কৰি এই উৎসৱৰ গাম্ভীৰ্যতা প্ৰকাশ কৰে। দিনে নিশাই খোৱা-বোৱা আৰু নৃত্য-গীত হোৱাৰ অন্তত পুৱতি নিশা ছোৱালীবোৰক ডেকাহঁতে ঘৰে ঘৰে আগবঢ়াই থৈ আহেগৈ। দ্বিতীয় দিনাখনো নৃত্য-গীত হয়। অৱশ্যে এইবাৰ তেওঁলোকে গোটেই গাঁওখনৰ এমূৰৰ পৰা আনমূৰলৈ বাটে বাটে আৰু পদূলিয়ে পদূলিয়ে বিহুত হুচৰি গোৱাৰ দৰে নৃত্য-গীতৰ সমাহাৰেৰে মুখৰিত কৰি তোলে। আগবেলা ডেকা-গাভৰুসকলে হাবিৰ পৰা কলপাত ৰংধেমালিৰ মাজেৰে সংগ্ৰহ কৰি আনি সকলোৰে ঘৰত প্ৰয়োজন অনুসৰি বিলাই দিয়ে। আবেলি পৰত সংগৃহীত কলপাতৰ বাকী থকাবোৰ চিৰিলি চিৰিলি কৰি ফালি হাতত লৈ নৃত্য-গীত পৰিৱেশন কৰে। ৰাতিপুৱাই গ'লেও তেওঁলোকৰ ৰংধেমালি আৰু নৃত্য-গীতৰ সামৰণি নপৰে। সমূহীয়া এনে মিলা-মিচাই ডেকা-গাভৰুসকলৰ মাজত আত্মীয়তা বঢ়ায়। প্ৰাকৃতিক শোভাৰ মনোৰম পৰিৱেশৰ মাজত তেওঁলোকৰ কৰ্মক্লান্ত জীৱনৰ অৱসৰ বিনোদনৰ লগে লগে জাতীয় কৃষ্টিৰ বিকাশ সাধন আৰু নিজস্বতা ৰক্ষা কৰাত সহায়ক হয়।

(২) 'চাংবামবে' ঃ এই উৎসৱৰ পয়োভৰ সিমান নাই। বাৰিষা কালত ধাননিবোৰ লহপহকৈ বাঢ়িবলৈ ধৰে। ঘন সেউজীয়া পথাৰবোৰত যাতে পোকে নধৰে অথবা বেমাৰ আজাৰে নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে কুকুৰা কাটি পূজা কৰা হয়। শস্যৰ অধিকাৰী দেৱতা 'চুহপ্ৰাই'ৰ উদ্দেশ্যে পুৰোহিত 'টিংকোপেৰে' কুকুৰা কাটি ভোগ দিয়াৰ ব্যৱস্থা আছে। পূজাপাতলৰ বাহিৰে এই উৎসৱৰ তেনে কোনো গুৰুত্বপূৰ্ণ আচাৰ-অনুষ্ঠান নাই।

(৩) 'ফক্‌ফাট্‌মি' ঃ গাহৰি কাটি এই উৎসৱৰ পূজা-পাতল কৰা হয়। ধান দাবলৈ আৰম্ভ কৰাৰ লগে লগে গাঁওবাসীয়ে মিলি ফক্‌ফাট্‌মি উৎসৱৰ আয়োজন কৰে। সকলোৱে যাতে উদ্যমেৰে খেতি চপাব পাৰে তাৰেই ব্যৱস্থাৰূপে এই পূজা আৰু উৎসৱ পালন কৰে। আহিন মাহত আয়োজিত



এই পূজাত পুৰোহিত 'টিংকোপেৰে' গাহৰি কাটি পূজ্যদেৱতাক ভোগ দিয়ে। ডেকা-গাভৰুসকলে ইচ্ছা কৰিলে নৃত্য-গীতৰ ব্যৱস্থা কৰিব পাৰে।

(৪) 'ইংকামঙি' ঃ ধান দোৱাৰ সময়ত গাঁৱৰ সকলোলোকেই কৰ্মব্যস্ততাহে পৰে। দিন ৰাতি একাকাৰ কৰি ধান দোৱা, কঢ়িওৱা, মৰণামৰা আদি কামত সকলোৱে আত্মনিয়োগ কৰে। এনে সময়ত দুখ-ভাগৰ পাহৰি একেলগে মিলি 'ইংকামঙি' উৎসৱ পালন কৰিবলৈ আগবাঢ়ে। ছোৱালীবোৰে লাউপানী 'জু' তৈয়াৰ কৰি ডেকাচাং 'হাংচেউকি'ত পৰিৱেশন কৰে। এই উৎসৱত কোনো ধৰণৰ পূজাপাতল নহয়। কেৱল লাউপানী খোৱা আৰু নৃত্য-গীত কৰি কৰ্মক্লান্ত দেহাক জিৰণি দিয়াই এই উৎসৱৰ মুখ্য উদ্দেশ্য।

(৫) 'কাহাগাবে' ঃ আঘোণ মাহত 'কাহাগাবে' উৎসৱ পালিত হয়। চাৰিদিনীয়াকৈ এই উৎসৱ বৰ্তি থাকে। অসমৰ ভৈয়ামৰ জাতিবোৰে পালনকৰা ব'হাগৰ সাতবিহুৰ বিভিন্ন নামকৰণ যেনে— চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, মানুহ বিহু, চেনেহী বিহু, কুটুম বিহু, চেৰা বিহু আদি কৰাৰ দৰে চাৰি দিনকৈ পালন কৰা জেমিনগাসকলৰ এই উৎসৱৰ নামকৰণ ক্ৰমান্বয়ে 'মালাপজেইবে', 'উমপেকা পেমাই', 'কাউগাবে' আৰু 'পপেপেমাই' কৰা হয়। এইবোৰৰ প্ৰত্যেক দিনাৰে কাৰ্যসূচীও সুকীয়া সুকীয়া।

প্ৰথম দিনা 'মালাপ জেইবে'। গাঁৱৰ ডেকা-বুঢ়া সকলো মিলি দুডাল দীঘল গছ কাটি আনি বাকলি চাঁচি এডাল গাঁৱৰ উজনিৰ ফালে আৰু আনডাল নামনিৰ ফালে পুতি এই উৎসৱৰ আৰম্ভণি কৰে। ব'হাগ বিহুত নাহৰৰ কুমলীয়া পাতত মন্ত্ৰ লিখি বছৰটোলৈ ধুমুহা-বজ্ৰপাতৰ দ্বাৰা ৰক্ষা পৰিবলৈ যিদৰে ভৈয়ামৰ অসমীয়া সমাজে সিবিলাক ঘৰৰ ছালত গুজি থয় সেইদৰে জেমিনগাসকলেও গছৰ পাত আনি আগন্তুক বছৰটোও যাতে কাৰো বেমাৰ-আজাৰ হ'ব নোৱাৰে আৰু সকলোৱেই তেজ-বল-শক্তিৰে বলীয়ানহৈ বিভিন্ন কামকাজত আত্মনিয়োগ কৰিব পাৰে তেনে উদ্দেশ্য আগত ৰাখি সকলোৱে ঘৰৰ ছালত গুজি ৰাখে। পুৰুষসকল সেইদিনা নাৰীৰ সংস্পৰ্শলৈ নাহে। আনকি তেওঁলোকে ভাতপানীও নিজেই ৰন্ধাবঢ়া কৰি ডেকা-বুঢ়াসকলো ডেকাচাঙত শোৱাৰ ব্যৱস্থা হাতত লয়। এনে প্ৰথাকেই তেওঁলোকে 'উমফে' হোৱা বুলি কয়। কুকুৰাই ডাক দিয়াৰ সময়তেই সকলোৱে শোৱাপাটী এৰি আহে। লাউপানী সেৱন কৰা

তেওঁলোকৰ স্বাভাৱিক ব্যৱস্থা।

দ্বিতীয় দিনা 'উমপেকা পেমাই'। জেমিসকলৰ পুৰুষসুলভ কাৰ্য মন কৰিবলগীয়া। তেওঁলোকৰ এই উৎসৱত শক্তিৰ পৰিচয় প্ৰদৰ্শন কৰা হয়। জীৱ-জন্তুৰ সৈতে যুঁজবাগৰ কৰাৰ উপৰি চিকাৰৰ নিচান কৰা আৰু বিভিন্ন প্ৰকাৰৰ খেল-ধেমালি কৰা দেখা যায়। গাঁৱৰ দুইমূৰত পুতি থোৱা খুটা দুটাত ধনুৰে কাঁড় কোনে কিমান মাৰি লগাব পাৰে তাৰ প্ৰতিযোগিতা চলে। মাটিৰে ওখকৈ দেৱালৰ দৰে দুৰ্গ তৈয়াৰ কৰি কোনে জপিয়াই অতিক্ৰম কৰিব পাৰে তাৰো প্ৰমাণ চায়। এনেকুৱা প্ৰথাৰ দ্বাৰা তেওঁলোকৰ শক্তিৰ পৰীক্ষা কৰা হয়। সকলোকে শাৰীৰিক দিশত মনোযোগ দিবৰ বাবে উৎসাহ যোগোৱাও এই উৎসৱৰ অন্য এটা গুৰুত্বপূৰ্ণ দিশ। অতীজৰ পৰা অন্যান্য জাতি আৰু জীৱজন্তুৰ সৈতে যিকোনো সময়ত যুঁজ দিবলৈ সদায় প্ৰস্তুতহৈ থাকিবলৈ এনে শিক্ষাৰ প্ৰয়োজনীয়তাক তেওঁলোকে নুই কৰিব নোৱাৰে। তিৰোতাসকলে উৰালত খুন্দি দিয়া পিঠা গুড়িবোৰ পুৰুষসকলে এই উৎসৱত কলাফুলত সানি লয়। ইচ্ছা কৰিলে সেইদিনাখন ডেকা-গাভৰুসকলে ঘৰে ঘৰে গীত গাই নৃত্য প্ৰদৰ্শন কৰিবৰো থল আছে।

'কাহাগাবে' উৎসৱৰ তৃতীয় দিনাখন হৈছে 'কাউগাবে'। ডেকা-গাভৰুসকলে বছৰৰ বিভিন্ন সময়ত সমূহীয়াকৈ গাঁওবাসীৰ ঘৰে ঘৰে কামবন কৰি অৰ্থ উপাৰ্জন কৰাৰ বাহিৰেও এই উৎসৱৰ দিনাখন বিশেষভাৱে শ্ৰমদান কৰি তেওঁলোকে পুঁজি সংগ্ৰহ কৰে। এনেভাৱে সংগৃহীত পুঁজিৰ পৰা গাঁৱত থকা কোনো নোহোৱা বুঢ়া-বুঢ়ীসকললৈ সাহায্য আগবঢ়ায়। বৃদ্ধলোকসকলৰ প্ৰতি আগবঢ়োৱা এনে সাহায্যই ডেকা-গাভৰুসকলৰ দায়িত্ববোধৰ কথাকেই সূচায়।

চতুৰ্থ দিনাক 'পপেপেমাই' বুলি অভিহিত কৰা হয়। ৰাতিপুৱা সকলোৱে গা-পা ধুই উঠি খোৱা-বোৱা কৰে। লাউপানী সেৱন কৰাৰ পাছত তেওঁলোকৰ সমূহীয়া নৃত্য-গীতৰ আয়োজন কৰা হয়। পুৰুষসকলে কলাফুলত পিঠাগুৰি সানি লয়। গাঁওখনৰ এমূৰৰ পৰা আনমূৰলৈ হুচৰি গোৱাৰ দৰে বাটে বাটে নৃত্য-গীত পৰিৱেশন কৰে। এই হুচৰি গোৱাৰ সময়ত প্ৰত্যেকঘৰ লোকেই সন্মানসহকাৰে ৰাইজক সেৱা 'কলুম' জনাই পা-পইচা সাধ্যানুসৰি আগবঢ়ায়। জাতিবাঁহ 'তেৰিয়াদা' এডাল দুফাল কৰি



দুজন বুঢ়ালোকে দুই মূৰে ধৰি আগন্তুক বছৰত পুৰণি ঝুমতীলত বেছিকৈ শস্য উৎপাদন হ'বনে নতুন ঝুমতলীত হ'ব তাৰ মংগল চায়। এই উৎসৱৰ প্ৰথম দিনা পুতি থোৱা গছৰ খুটা দুটাও উঘালি পেলাব লাগে। ইয়াৰ লগে লগে তেওঁলোকৰ 'কাহাগাবে' উৎসৱৰো ওৰ পৰে।

(৬) 'চিয়ামি' ঃ জেমি নগাসকলৰ আটাইতকৈ পয়োভৰপূৰ্ণ আৰু উল্লেখযোগ্য উৎসৱ হৈছে 'চিয়ামি' উৎসৱ। অসমৰ অন্যান্য জাতিয়ে পালন কৰা ভোগালী বিহুৰ দৰে খেতি-বাতি চপাই আয়োজন কৰা তেওঁলোকৰ এই উৎসৱক ভোগৰ বিহু বোলাৰ থল আছে। ভোজভাত খোৱা আৰু নৃত্য-গীত পৰিৱেশন কৰা কাৰ্য আটাইতকৈ আকৰ্ষণীয় জাতীয় উৎসৱ হিচাপে 'চিয়ামি'ৰ গুৰুত্ব অধিক। প্ৰাকৃতিক পৰিৱেশৰ লগত ৰজিতা খুৱাই কাতি-আঘোণ মাহত পালন কৰা এই উৎসৱত ডেকা-গাভৰুসকলে নৃত্য-গীত, নানাবিধ চিকাৰ কাৰ্য আৰু খেল-ধেমালিৰ জৰিয়তে মুক্ত মনৰ উল্লাস প্ৰকাশ কৰে। ডেকা-গাভৰুসকলৰ সংগঠন 'হাংচেউকি' আৰু 'লেউচেউকি'ৰ দ্বাৰা সমূহীয়াভাৱে গোটেই বছৰটো জুৰি গাঁৱলীয়া লোকৰ ঘৰত কামকাজ কৰি অৰ্জন কৰা অৰ্থ কড়িৰে এই উৎসৱৰ যাৱতীয় খৰছ পাতি বহন কৰা হয়। ডেকাশক্তিয়ে সাধ্যানুসৰি আয়োজন কৰা এই আকৰ্ষণীয় উৎসৱ তেওঁলোকৰ হৃদয়ৰ চৰম উল্লাস।

চিয়ামি উৎসৱ পালন কৰিবৰ কাৰণে গোটেই বছৰ ধৰি প্ৰস্তুতি চলোৱা প্ৰয়োজন। তিনি প্ৰকাৰে এই উৎসৱ পালিত হয়। সেইবোৰ হৈছে— (ক) 'হেগোম জাওচাক্‌বে', (খ) 'হাংলেউটেওবে' আৰু (গ) 'মেটোই-টেওবে'। ইয়াৰ যিকোনো এটা পদ্ধতিৰেহে এবছৰত চিয়ামি উৎসৱ পালন কৰিব পাৰি। ডেকাচাঙত গাঁৱৰ লোকসকল গোট খাই আগতীয়াকৈ ইয়াৰ সিদ্ধান্ত কৰিব লাগে। গাঁৱত অপায় অমংগল হ'লে নতুবা কিবা কাৰণত দুৰ্যোগ আহিলে চিয়ামি উৎসৱ আটাইতকৈ সহজ-সৰল পদ্ধতিটোৰেহে পালিত হয়।

(ক) 'হেগোম জাও চাকবে' ঃ— গাৱঁৰ প্ৰত্যেক মানুহৰ ঘৰতেই লাউপানী 'হেগোম' তৈয়াৰ কৰা হয়। প্ৰতিজন ল'ৰা-ছোৱালীৰ নামত লাউপানী তৈয়াৰ কৰি হেগোম উৎসৱৰ সময়ত ডেকা-গাভৰু আৰু অন্যান্যলোকৰ মাজত পৰিৱেশন কৰে। ডেকা-গাভৰুসকলে জাকপাতি

কলপাত আনে আৰু তাৰে বাটি তৈয়াৰ কৰে। বাটিত ‘হেগোম’ ভৰাই সকলোৱেই খায় আৰু আনন্দত নৃত্য-গীত কৰিবলৈ ধৰে। গাঁৱৰ মূৰত থকা নৈ-নিজৰা নতুবা কুঁৱাৰ পৰা পানী আনিবলৈ ডেকা-গাভৰুসকলে শাৰীপাতি গীত গাই যায়। নিজস্ব পোছাক-পৰিচ্ছদেৰে ডেকা-গাভৰুসকলে সমদল যাত্ৰা কৰে। সকলোৰে পিঠিত একো একোটা হোৱা ‘কালং’ থাকে। ইয়াত কাকবাঁহৰ ডাঙৰ ডাঙৰ চুঙা ভৰাই লয়। চুঙাত পানী ভৰাই আনি প্ৰয়োজন অনুসৰি সকলোৰে ঘৰত ভগাই দিয়ে।

(খ) ‘হাংলেউটেওবে’ ঃ— ‘চিয়ামি’ উৎসৱ পালনৰ দ্বিতীয় ৰীতি হৈছে ‘হাংলেউটেওবে’। এই উৎসৱ প্ৰধানতঃ ডেকা-গাভৰুৰ উৎসৱ। কাৰণ আদিৰে পৰা অন্তলৈ ডেকা-গাভৰুক কেন্দ্ৰ কৰি সকলো কৰ্ম চলে। ডেকাচাং ‘হাংচেউকি’ আৰু গাভৰুচাং ‘লেউচেউকি’ৰ সদস্যভুক্ত সকলক উক্ত বছৰৰ ভিতৰত বিয়া নহ’বলৈ অনুৰোধ জনায়। বৈবাহিক সম্বন্ধৰ লগে লগে দুয়োটা সংগঠনৰ সদস্য কমি যায় আৰু উৎসৱৰ সময়ত ৰং ধেমালিৰ ক্ষেত্ৰত পয়োভৰো কমে। আনহাতে গাঁৱত অপায়-অমংগল হ’লে উৎসৱ মোলান পৰে। উল্লিখিত দুই সংগঠনৰ কোনোবা সদস্যৰ মৃত্যু হ’লে সেই বছৰলৈ এই পদ্ধতিৰে উৎসৱ নাপাতে। বৰং প্ৰথম পদ্ধতি ‘হেগোমজাওচাক্‌বে’ পদ্ধতিৰেহে পালন কৰে।

পুৰোহিত ‘টিং কো পেউ’ বা ‘গেকুংমে’ৰ দ্বাৰা গাহৰি বা ম’হ বধ কৰি গাঁৱৰ সকলোৰে মংগল কামনা কৰি অদৃষ্ট দেৱতাৰ উদ্দেশ্যে পূজা-পাতল কৰে। যিমানেই জন্তু নাকাটক কিয় সকলো জন্তুৰে বৰণ একে হোৱা বাঞ্ছনীয়। বাঁহৰ চুঙাত সকলোৱে লাউপানী খাই নৃত্য-গীত কৰে। কোনো ডেকা-গাভৰু উৎসৱৰ কেইদিন নিজা ঘৰলৈ নাযায়। তেওঁলোকে খোৱা-বোৱা আদি সকলো কাৰ্য ডেকাচাঙতেই সম্পাদন কৰে। নাদ বা নিজৰাৰ পৰা পানী অনা, খৰি কটা, পাত সংগ্ৰহ কৰা, আদি কাম বিলাকো সমূহীয়াকৈ নৃত্য-গীতৰ মাজেৰেই চলাই থাকে। ডেকাসকলে গাভৰুৰ নামত জীৱ জন্তু কাটি তাৰ মাংস তেওঁলোকক ভাগ কৰি দিয়া প্ৰথা প্ৰচলিত।

অসমৰ ভৈয়ামৰ জাতিবোৰৰ মাজত বিহুৰ সময়ত নাৰীয়ে পুৰুষক বিহুৱান উপহাৰ দিয়াৰ দৰে জেমি গাভৰুৱেও ডেকা সকলক নিজহাতে



বোৱা চাদৰ ‘মপাক্‌ফাই’ উপহাৰ দিয়াৰ নিয়ম। ইয়াৰ বিনিময়ত ডেকাসকলেও গাভৰুক মাংস বা টকা উপহাৰ দিব লাগে।

ডেকাচাঙত মুখামুখিকৈ দুশাৰীকৈ এজন ডেকা, এগৰাকী গাভৰু বহি তেওঁলোকৰ মনৰ ভাব প্ৰকাশক সুন্দৰ গীত পৰিৱেশন কৰে। দিনে নিশাই চলি থকা এই গীতৰ মাজে মাজে লাউপানীও খায়। এনেধৰণেৰে প্ৰায় চাৰি দিনলৈ অনুষ্ঠান একেৰাহে চলি থাকে। গাঁৱৰ বুঢ়া-বুঢ়ী নতুবা বিবাহিত পুৰুষ-মহিলা সকলেও ডেকা-গাভৰুৰ উৎসৱত উৎসাহ উদগনি যোগায় আৰু নিজেও অপৰিসীম আনন্দ লাভ কৰে।

(গ) ‘মেটোইটেওবে’ ঃ ‘চিয়ামি’ উৎসৱৰ অন্যতম পদ্ধতি হ’ল ‘মেটোইটেওবে’। গোটেই বছৰ ধৰি এই উৎসৱ পালন কৰিব লাগে। ডেকা-গাভৰুসকলে এডোখৰ ভাল ঝুমতলী নিৰ্বাচন কৰি তাত ধানখেতি কৰে। উৎপাদিত ধানৰ পৰাই এই উৎসৱৰ সকলো ধৰণৰ খৰছ-পাতিৰ ব্যৱস্থা কৰে। এই উৎপাদিত ধান-চাউলৰ পৰা তৈয়াৰ কৰা লাউপানী সকলোৱে খায়। গোটেই ডেকাচাং লাউপানীৰ গোন্ধেৰে আমোল-মোলাই ৰাখিব পাৰিলে সকলোৰে মনত আনন্দৰ সীমা নাইকিয়া হয়। সাত দিনলৈ এই উৎসৱৰ পয়োভৰ চলে। বছৰৰ বিভিন্ন সময়ত ঝুমতলীত কামবন কৰিবলৈ যোৱা ডেকাসকলক গাভৰুসকলে লাউপানীৰ যোগান ধৰে আৰু নিজেও সেৱন কৰি তৃপ্তি লভে। সেইদৰে গাঁৱলৈ অতিথি আহিলেও বছৰৰ যিকোনো সময়ত তেওঁলোকে নৃত্য-গীত পৰিৱেশনৰ কাৰণে সাজু হৈ থাকে। ঝুমতলীৰ হাবি কাটি জুই জ্বলোৱাৰ পৰা গুটি সিঁচা বা ধান চপোৱালৈকে সকলো কামত তেওঁলোকৰ সামূহিক উৎসৱমুখৰ কামকাজত উৎসাহ উদ্দীপনাই বিৰাজ কৰে। অকল সেয়াই নহয় ‘লেউচেউকি’ত গাভৰুসকলে বিধে বিধে কাপোৰ কানি নিজ হাতে বৈ আপোনজনক উপহাৰ স্বৰূপে দিবৰ কাৰণে সাঁচি ৰাখে। সেইদৰে ডেকাসকলেও চিকাৰ আদি কৰি পোৱা জন্তুৰ মাংস গাভৰুসকলক দি কেৱল চেনেহ যঁচাই নহয় বীৰত্বৰো পৰিচয় দিয়ে।

‘মেটোইটেওবে’ উৎসৱত কিছুমান ধেমালিও আয়োজিত হয়। ডেকাচাঙৰ মাজত কাপোৰেৰে এখন পৰ্দা দি এফালে ছোৱালী আৰু আনফালে ল’ৰাবোৰ থাকে। ছোৱালীয়ে ল’ৰাৰ আৰু ল’ৰাই ছোৱালীৰ

হাতবোৰ শৰীৰৰ আন কোনো অংগ নেদেখাকৈ কাৰ চিনাক্ত কৰিব লাগে। এই নিয়মৰ পৰা এইটোকেই প্ৰমাণিত হয় যে একেলগে হাঁহি-ধেমালি আৰু কামকাজ কৰি থকাৰ ফলত ইজনে-সিজনক বৰ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিববলৈ সুবিধা লাভ কৰে। চেনেহ-প্ৰীতিৰ বান্ধোন কটকটীয়া হোৱাৰ উপৰিও তেওঁলোকৰ শৰীৰৰ অংগলৈকে সকলোৱে অতি চিনাকি হ'ব পাৰে। তেওঁলোকৰ অন্তৰত আত্মীয়তা তেনেদৰেই গঢ়ি উঠে। আনহাতে ল'ৰাই ছোৱালীক আৰু ছোৱালীয়ে ল'ৰাক পৰ্দাৰ ওপৰেদি বিবিধ গছৰ পাত একোখিলা প্ৰদৰ্শন কৰি সিবিলাকৰ নামবোৰ সোধে। ইও এক প্ৰকাৰৰ প্ৰতিযোগিতা। জন্ম হোৱাৰ পৰা জেমিনগাসকলে বিভিন্ন কাম কাজৰ কাৰণে পাহাৰীয়া হাবি-বননিত ঘূৰি ফুৰে। তেতিয়াই তেওঁলোকৰ গছ-বনৰ প্ৰতি এটা অহেতুক মৰম জাগি উঠে। সেয়েহে গছ-বনৰ সৈতেও গভীৰভাৱে পৰিচিত হয়। বনৰীয়া দৰৱ জাতিৰ বাবেও এইবোৰ ব্যৱহাৰ কৰে। এনে স্থলত কোনে কিমান গছৰ লগত চিনাকি হ'ব পাৰিছে তাকেই এনে একোখন প্ৰতিযোগিতাৰ যোগেদি প্ৰমাণ চাব পৰা যায়।

সাত দিনলৈ চলি থকা এই উৎসৱৰ দ্বিতীয় দিনা হাতত ভাত, মাংসৰ আঞ্জা আৰু লাউপানীলৈ ডেকা-গাভৰুসকলে এনে উৎসৱ আয়োজন কৰিব নোৱৰা অন্য সংগঠনবোৰৰ সদস্যসকলকো দিয়ে। ইয়াৰ দ্বাৰাই বিভিন্ন সংগঠনৰ মাজৰ বুজাপৰাৰ ভাব গভীৰ হয়।

মোৰাংঘৰ বা ডেকাচাঙৰ মজিয়া বা চোতালত ডেকা-গাভৰুৱে ঘূৰণীয়াকৈ নৃত্যৰ সমাৰোহ 'কাপেগাওবে' অনুষ্ঠিত কৰে। ঢোল 'ইনচুম', কাঁহ 'হেমবেও', কৰতাল 'ইনটুৰাই', ম'হৰ শিঙৰ দীঘল পেঁপা 'কেবুইকে', বাঁহৰ বাঁহী 'মেটিয়াম', বীণ 'ইন্ৰা', এপাব বাঁহেৰে তৈয়াৰ কৰা বাদ্য 'কুমতই', গগনা 'ইনটু' আদি বাদ্যযন্ত্ৰৰ ঐক্যসুৰ সমলয়ৰ উপৰি গীতৰ সুৰে সুৰে উৎসৱমুখৰ পৰিৱেশৰ মাজত জুমে জুমে ডেকা-গাভৰুৱে জাতীয় পোছাক-পৰিচ্ছদ পৰিধান কৰি হিয়া উজাৰি নাচে। তাত সমবেত দৰ্শকৰ চিত্ত আকৰ্ষণ কৰাৰ বাদেও তেওঁলোক একাত্মবোধ হ'বলৈ বাধ্য হৈ পৰে। উৎসৱৰ পাঁচদিনৰ দিনাখন ৰাতি ডেকা-গাভৰুসকলৰ বয়সস্ক পুৰুষ দলপতি 'হেলেউৰুণপেউ' বা 'কাডিপিঅ'ৰ নিৰ্দেশ মতে কিছু সময়ৰ বাবে সকলোৱে জিৰণি ল'বৰ বাবে সুবিধা পায়। জিৰণিৰ পাছত পুনৰ নৃত্য-গীত



আৰু খোৱা-বোৱাৰ আৰম্ভ হয়। সাত-দিনৰ দিনা পুৱতি নিশা ডেকা-গাভৰুসকল গাঁৱৰ এডোখৰ নিৰ্বাচিত ঠাই 'পেগাওপং'ত গৈ উপস্থিত হয় আৰু পুনৰ ডেকা চাঙলৈ আহি সকলো ঘৰা ঘৰি যাবলৈ ধৰে। গাভৰুসকলে মাংসৰ টোপোলা আৰু ডেকাসকলে উপহাৰ পোৱা কাপোৰলৈ নিজা ঘৰলৈ যায়গৈ। অতিকৈ আপোন, অতিকৈ হেপাহৰ 'চিয়ামি' উৎসৱৰো দিন গলি শেষ হোৱাৰ দৰে হাততে মলঙি যায়। সকলোৱে মাজত সৌহাৰ্দ আৰু মৰম-চেনেহৰ এনাজৰী সোণালী সূতাৰে পকাই যুগমীয়া কৰি থৈ যায়। উলহ-মালহেৰে আয়োজিত উছৱৰো সামৰণি পৰে। গাঁওখনো কিছু দিনলৈ নিজমহৈ পৰে।[৩]

৩। দুৱৰা, ধৰ্মেশ্বৰ, "তেওঁলোক এতিয়াও গোট খায় ভোগ আনন্দৰ উৎসৱৰ বাবে" প্ৰবন্ধ, আজিৰ অসম, ৮ পৃষ্ঠা, ১৯১৭ শক, ২৪ ডিচেম্বৰ, ১৯৯৫

# ৭.০০ সপ্তম অধ্যায়

# ঠেংগালসকলৰ উৎসৱ-অনুষ্ঠান

অসমৰ আদিম কছাৰী জনজাতিৰ অন্তৰ্গত ঠেংগাল গোষ্ঠীৰ যথেষ্ট সংখ্যক লোক বৰ্তমানেও আছে। তেওঁলোকৰ বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰা আৰু স্বকীয় বৈশিষ্ট্যই এটা সুকীয়া জনগোষ্ঠী হিচাপে পৰিচয় দিবলৈ সক্ষম। তথাপি এই সত্য যে বৰ্তমান অসমৰ অন্যান্য জাতি-উপজাতিৰ বিশেষকৈ আহোম আৰু চুতীয়াসকলৰ সংমিশ্ৰণত ঠেংগালসকলৰ ওচৰ সম্বন্ধ হোৱাত পৰস্পৰৰ মাজত বিবাহৰ উপৰি ধৰ্মীয় আৰু সাংস্কৃতিক আদান-প্ৰদানে সুকীয়া পৰিচয় দিয়াত যথেষ্ট আহুকাল হৈছে।

ঠেংগালসকলে লিখা উপাধিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকে আহোম ৰাজত্বৰ সময়ত বিভিন্ন কৰ্মত নিয়োজিত অনুযায়ী বৰা, শইকীয়া, নেওগ, ৰাজখোৱা, বৰুৱা উপাধিও পাইছিল। এতিয়াও তেওঁলোকৰ মাজত এই উপাধিবোৰ উত্তৰাধিকাৰ হিচাপে বৰ্তি আছে। আনহাতে অনেকলোকে অতীজৰ মূল কছাৰী জাতি হিচাপে এতিয়াও কছাৰী উপাধি লিখি পৰিচয় দিয়ে। তদুপৰি বুৰঞ্জী সম্পৰ্কিত কাৰণবশতঃ তেওঁলোকে ঠেংগাল হিচাপে বিশেষ ভাবে উপাধি গ্ৰহণ কৰাৰ লগতে কছাৰী জনজাতিৰ এটা শাখা হিচাপে ঠেংগাল বুলি পৰিচিত হৈছে।

ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃত ভৈয়াম অনুসূচীত জনজাতিৰ অন্তৰ্গত ঠেংগালসকলক সুকীয়াকৈ পৰিচিত কৰা হোৱা নাই যদিও তেওঁলোক কছাৰী জনজাতিৰ অন্তৰ্গতহৈ সাঙোৰ খাই আছে। তেওঁলোক মূলতঃ মংগোলীয় প্ৰজাতিৰ বৃহৎ বড়ো গোষ্ঠীৰ এটা শাখা।

ঠেংগাল শব্দটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন বুৰঞ্জীবিদে তেওঁলোকৰ মতামত আগবঢ়াই গৈছে। এই নামটো যথেষ্ট নতুন আৰু অৰ্বাচীন। হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানত ঠেঙাল বা ঠেংগাল সকলক আদিমবাসী কছাৰী বুলি অভিহিত কৰিছে। বুৰঞ্জীৰ পটভূমি মতে ঠেংগালসকল বীৰ যোদ্ধা, সাহসী, যুদ্ধ কলাত নিপুণ, বিশ্বাসী হোৱা কাৰণে আহোম ৰজাই



তেওঁলোকক যুদ্ধৰ সৈনিক হিচাপে নিয়োগ কৰিছিল। এনে সাহিয়াল কছাৰী পুৰুষসকলে যুদ্ধৰ সাজ হিচাপে ঠেংগা পিন্ধিছিল। আনকি সাধাৰণ জীৱন যাপনৰ কালতো তেওঁলোকে ঠেংগা পিন্ধি কটোৱা পৰিলক্ষিত হৈছিল। এই দিশলৈ লক্ষ্য কৰি কালক্ৰমত ঠেংগা পৰিহিত কছাৰীসকলক ঠেংগাল স্বৰূপে বিখ্যাত কৰা হয়।[১]

বৃত্তি অনুসৰি কছাৰীসকলৰ সোণ কমোৱাসকলক সোণোৱাল আৰু ৰূপ কমোৱাসকলক ৰূপোৱাল বুলি আহোম ৰাজত্বকালত স্বীকৃতি দিয়া হৈছিল। ৰূপোৱালসকলে ঠেংগা পিন্ধি থকালৈ লক্ষ্য কৰি তেওঁলোকক ঠেংগাল হিচাপে অভিহিত কৰা হৈছিল।

আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কালত আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱ দেৱগোঁসাই পলাতক অৱস্থাত টেঙাপানী নৈৰ দাঁতিত শদিয়াৰ কুণ্ডিল নগৰৰ আশে পাশে আছিলগৈ। এইজন সত্ৰাধিকাৰৰ ঐশ্বৰিক মহিমাৰ প্ৰমাণ চাবলৈ কছাৰীসকলে চুঙাত ভাগে ভাগে সোণ আৰু ৰূপ যাঁচিছিল। সোণ আগবঢ়োৱাসকলক সোণোৱাল আৰু ৰূপ আগবঢ়োৱাসকলক ৰূপোৱাল কছাৰী বুলি পৰিচিত কৰা হৈছিল। শেষলৈ ৰূপোৱাল সকলেই ঠেঙা পিন্ধাৰ বাবে ঠেংগাল হিচাপে জনাজাত হ'ল।[২]

কৈৰাতজ ধৰ্ম ঃ 'যোগিনীতন্ত্ৰ' গ্ৰন্থ মতে কামৰূপৰ প্ৰাচীন কালৰ কছাৰীসকলৰ আধ্যাত্মিক ৰূপটোক 'কৈৰাতজ' ধৰ্ম বুলি অভিহিত কৰিছে। এই দিশলৈ লক্ষ্য কৰিলে কছাৰীসকল কৈৰাতজ ধৰ্মৰ অন্তৰ্ভুক্ত। শিৱপূজা কৰা কৈৰাতজ ধৰ্মৰ মূল মন্ত্ৰ। গতিকে ঠেংগাল সকলো কছাৰী হিচাপে শিৱ উপাসক। তেওঁলোকে শিৱক মহেশ্বৰ সদাশিৱ, ভোলানাথ, মহাদেৱ আদি নামেৰে পূজা কৰে।

কানিপাণ দিয়া ঃ ঠেংগালসকল বৰ্তমান বৈষ্ণৱ পন্থী। তেওঁলোকে শ্ৰীমন্ত শংকৰদেৱৰ উদ্ভাৱিত আৰু নীতি-নিয়মেৰে পালিত বৈষ্ণৱ ধৰ্ম বা একশৰণ নাম ধৰ্মৰ মতে ধৰ্মানুষ্ঠান পাতে যদিও অতীজৰ পৰম্পৰা ৰক্ষা কাৰি 'সদাশিৱ'ক পূজাভাগ আগবঢ়াই থাকে। গৰু, ম'হ আদি জীৱজন্তুৰ

---

১ হাজৰিকা প্ৰবীণ কুমাৰ, "ঠেংগাল কছাৰীৰ ইতিহাস; এটি বাস্তৱ চিন্তা," প্ৰবন্ধ, ঠেংগাল দৰ্পণ, সদৌ অসম ঠেংগাল সংগঠন স্মৃতিগ্ৰন্থ, বিহপুৰীয়া অধিৱেশন, ১৯৯২ চন।

২ সোণোৱাল, গগন, "সোণোৱাল কছাৰী," "অসমৰ জনজাতি", সম্পাদনা ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ, পৃষ্ঠা ৭১-৭২।

মংগলাৰ্থে আৰু শ্ৰীবৃদ্ধিৰ বাবে তেওঁলোকে গোহালিত ভাং, কানি, মাহ-প্ৰসাদ আৰু আমৰলীয়া হাঁহ নৈবেদ্য হিচাপে আগবঢ়াই শিৱপূজা কৰে। এই ৰীতিকে 'কানিপাণ' বুলিও কোৱা হয়। ইয়াৰোপৰি কণী আগবঢ়াই 'টেকেলা ডাঙৰীয়া' নামৰ এজন দেৱতাকো শিৱৰ সৈতে পূজা কৰে।

ভিতৰ সকাম ঃ অঞ্চলভেদে ঠেংগালসকলৰ মাজত পূজা-পাতলৰ বিধি-বিধানৰ পৃথকতা থাকে। তেওঁলোকৰ পূজিত দেৱতাৰ ভিতৰত বুঢ়া ডাঙৰীয়া, আইলুকীয়া, ৰঙা-ৰাঙলী, ভূৰুলী আই, বাটটেকেলা অন্যতম। এইসকলক বহুতো ঠেংগাল পৰিয়ালে নিজাববীয়াকৈ ঘৰত 'ভিতৰ সকাম' বুলি পূজা কৰে।[৩]

কিছুমান পৰিয়ালে 'হাতুৰালী-বাটুৰালী", বাঁক-দেৱতা, গা-ডাঙৰীয়া, জলখাই, চামোন, 'যখ-যখিনী" আদিকো পূজা কৰে। তদুপৰি গ্ৰহ-নক্ষত্ৰৰ দোষ মোচনৰ বাবে গ্ৰহৰ চাউল খোৱা অনুষ্ঠানো পালিত হয়।

মৃতকক দিয়া সবাহ ঃ বিহুৰে সংক্ৰান্তিয়ে, অপায়-অমংগল হ'লে মৃতকৰ দোষ হোৱা বুলি ঠেঙালসকলে বিশ্বাস কৰে। এই বিশ্বাসৰ বশৱৰ্তীহৈ তেওঁলোকে মৃতকলৈ 'মৃতকক দিয়া' নতুবা 'মৰাক দিয়া' নামেৰে নৈবেদ্য আগবঢ়াই পূজা অনুষ্ঠান আয়োজন কৰি মৃতকৰ আত্মাৰ প্ৰতি সন্মান জনোৱা হয়। এইদৰে মাৰিমৰক, অপায়-অমংগলৰ পৰা ৰক্ষা পাব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰে।

'পিৰ দিয়া' প্ৰথাও মৃতকৰ দিয়া প্ৰথাৰে নামান্তৰ। অৱশ্যে কলপাতত কেঁচা পিঠাগুৰি, গুৰ, চেনি, গাখীৰ আদি নৈবেদ্য পুখুৰীৰ পাৰত আগবঢ়াই অন্তত পানীত উটুৱাই দিয়াৰ নিয়ম।

আই সবাহ ঃ বসন্ত বা আই দেখা দিলে আই সবাহ পাতি পৱিত্ৰ অনুষ্ঠানেৰে আইক সন্তুষ্টি কৰি পৰিত্ৰাণ পোৱা যায়।

অপেশ্বৰী সবাহ বা দুপৰীয়া সবাহ ঃ অপেশ্বৰী সবাহ বা দুপৰীয়া সবাহ ঠেঙাল ৰাইজে সাধাৰণতে ছোৱালী সময় অনুসৰি পুষ্পিতা নহ'লে, পিঠা খোৱা ৰোগত, চকুৰ অসুখত, ল'ৰা-ছোৱালীৰ স্বাস্থ্য ক্ৰমান্বয়ে ভংগহৈ আহিলে এই পূজা ভৰ দুপৰীয়া চোতালত আসন পাতি নৈবেদ্য হিচাপে

৩ বৰা, নন্দ, অসমৰ ঠেংগাল কছাৰীৰ ইতিবৃত্ত, গ্ৰন্থ, গোলাঘাট জিলা সাহিত্য সভা, ২৫ ফেব্ৰুৱাৰী, ২০০২ চন, পৃষ্ঠা ৪৪-৪৭



কেঁচা পিঠাগুৰি, চেনি, গুৰ, কল, তামোলপাণ আদি আগবঢ়াই আয়োজন কৰে। এই স্থানত বন্তিও প্ৰজ্বলন কৰা হয়। দুপৰীয়া পতা বাবে দুপৰীয়া সবাহ আৰু অনেকজনে "ওপৰ সবাহ' বা "দুপৰ সবাহ" বুলিও কয়।

ভূৰ উটুৱা আৰু ৰাজহুৱা সকাম ঃ নতুন বছৰ সোমোৱাৰ লগে লগে ঠেংগাল ৰাইজে বছৰটোলৈ সকলো ধৰণৰ অপশক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ আৰু সকলো পৰিয়ালতে সুখ-শান্তি-সমৃদ্ধি বিৰাজ কৰিবলৈ ভূৰ উটুৱা পূজা ৰাজহুৱাভাৱে পালন কৰে। বিশেষকৈ জেঠ মাহত আয়োজিত কৰা এই পূজা উপলক্ষে এখন কলগছৰ ভূৰ তৈয়াৰ কৰি তাত নৈবেদ্য আৰু মাহ-প্ৰসাদ আদি উছৰ্গ কৰা হয়। ভূৰত সেন্দূৰৰ ফোঁট দিয়াৰ নিয়ম। কল পটুৱাবে বঠা আৰু নাৱৰীয়াকো সাজি ভূৰত উঠাই ৰখা হয়। আয়তীসকলে আইনাম আৰু পুৰুষসকলে গোঁসাই নাম গায়। শেষত ঢোল, তাল, খোল আদি বাদ্য বাই ভূৰখন পানীলৈ উটুৱাই দিয়া হয়। এই পূজাৰ সৈতে সংগতি ৰাখি সমান্তৰালকৈ ৰাজহুৱা সকামৰো আয়োজন কৰিব লাগে। তেওঁলোকে ৰাজহুৱা সকামৰ উপলক্ষে বুঢ়া ডাঙৰীয়া আৰু আই গোঁসানী, দুৰ্গাদেৱীৰো পূজা কৰে।

পানী তোলা সবাহ, বৰসবাহ আৰু লখিমী সবাহ ঃ ঠেংগাল কছাৰীসকলে অসমৰ অন্যান্য জাতিৰ দৰে পানী তোলা সৱাহ, বৰসবাহ আৰু লখিমী সবাহ পালন কৰি আহিছে। অৱশ্যে তেওঁলোকৰ এই সবাহসমূহত নিজস্ব বৈশিষ্ট্য বিদ্যমান। তিনিদিনীয়াকৈ পালিত পানী তোলা সবাহৰ বাবে নামঘৰলৈ তিনি গৰাকী এঁৱা ছোৱালীৰ দ্বাৰা পৱিত্ৰ ভাৱেৰে পানী আনি নামঘৰত চুকে-কোণে ছটিয়াই দিয়ে আৰু ঘটটো মণিকূটত সংৰক্ষণ কৰে। পানী তুলিবলৈ সদলবলে পুৰুষ-মহিলা যায়। যাওঁতে পুৰুষসকলে গোঁসাই নাম আৰু মহিলাসকলে আই নাম গাই যায়। গায়নে-বায়নে খোলতাল বাই যোৱা এই দৃশ্য চালে চকু ৰোৱা। তিনিদিনৰ দিনাখন তেওঁলোকে নামঘৰত গায়ন-বায়নৰ যোৱা, নাম-প্ৰসংগ, দিহা বা সৰহুৱা নাম আদিৰে নামঘৰ ভক্তি ৰসেৰে বোৱাই তোলে। মাহপ্ৰসাদৰ সৈতে বিশেষকৈ পকা মিঠৈ বিতৰণ কৰাটো লক্ষ্যণীয়। পানীতোলা সবাহতো তেওঁলোকে কলপটুৱাৰে ভূৰ সাজি তাত চাকি জ্বলাই নৈবেদ্য আগবঢ়াই নাওঁখন পানীত উটুৱাই দিয়ে। পৰ্যাপ্ত কৃষি উৎপাদন আৰু

মংগলাৰ্থে আৰু শ্ৰীবৃদ্ধিৰ বাবে তেওঁলোকে গোহালিত ভাং, কানি, মাহ-প্ৰসাদ আৰু আমৰলীয়া হাঁহ নৈবেদ্য হিচাপে আগবঢ়াই শিৱপূজা কৰে। এই ৰীতিকে 'কানিপাণ' বুলিও কোৱা হয়। ইয়াৰোপৰি কণী আগবঢ়াই 'টেকেলা ডাঙৰীয়া' নামৰ এজন দেৱতাকো শিৱৰ সৈতে পূজা কৰে।

ভিতৰ সকাম ঃ অঞ্চলভেদে ঠেংগালসকলৰ মাজত পূজা-পাতলৰ বিধি-বিধানৰ পৃথকতা থাকে। তেওঁলোকৰ পূজিত দেৱতাৰ ভিতৰত বুঢ়া ডাঙৰীয়া, আইলুকীয়া, ৰঙা-ৰাঙলী, ভূৰুলী আই, বাটটেকেলা অন্যতম। এইসকলক বহুতো ঠেংগাল পৰিয়ালে নিজাববীয়াকৈ ঘৰত 'ভিতৰ সকাম' বুলি পূজা কৰে।[৩]

কিছুমান পৰিয়ালে 'হাতুৰালী-বাটুৰালী'', বাঁক-দেৱতা, গা-ডাঙৰীয়া, জলখাই, চামোন, 'যখ-যখিনী'' আদিকো পূজা কৰে। তদুপৰি গ্ৰহ-নক্ষত্ৰৰ দোষ মোচনৰ বাবে গ্ৰহৰ চাউল খোৱা অনুষ্ঠানো পালিত হয়।

মৃতকক দিয়া সবাহ ঃ বিহুৰে সংক্ৰান্তিয়ে, অপায়-অমংগল হ'লে মৃতকৰ দোষ হোৱা বুলি ঠেঙালসকলে বিশ্বাস কৰে। এই বিশ্বাসৰ বশৱৰ্তীহে তেওঁলোকে মৃতকলৈ 'মৃতকক দিয়া' নতুবা 'মৰাক দিয়া' নামেৰে নৈবেদ্য আগবঢ়াই পূজা অনুষ্ঠান আয়োজন কৰি মৃতকৰ আত্মাৰ প্ৰতি সন্মান জনোৱা হয়। এইদৰে মাৰিমৰক, অপায়-অমংগলৰ পৰা ৰক্ষা পাব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰে।

'পিৰ দিয়া' প্ৰথাও মৃতকৰ দিয়া প্ৰথাৰে নামান্তৰ। অৱশ্যে কলপাতত কেঁচা পিঠাগুৰি, গুৰ, চেনি, গাখীৰ আদি নৈবেদ্য পুখুৰীৰ পাৰত আগবঢ়াই অন্তত পানীত উটুৱাই দিয়াৰ নিয়ম।

আই সবাহ ঃ বসন্ত বা আই দেখা দিলে আই সবাহ পাতি পৱিত্ৰ অনুষ্ঠানেৰে আইক সন্তুষ্টি কৰি পৰিত্ৰাণ পোৱা যায়।

অপেশ্বৰী সবাহ বা দুপৰীয়া সবাহ ঃ অপেশ্বৰী সবাহ বা দুপৰীয়া সবাহ ঠেঙাল ৰাইজে সাধাৰণতে ছোৱালী সময় অনুসৰি পুষ্পিতা নহ'লে, পিঠা খোৱা ৰোগত, চকুৰ অসুখত, ল'ৰা-ছোৱালীৰ স্বাস্থ্য ক্ৰমান্বয়ে ভংগহৈ আহিলে এই পূজা ভৰ দুপৰীয়া চোতালত আসন পাতি নৈবেদ্য হিচাপে

৩ বৰা, নন্দ, অসমৰ ঠেংগাল কছাৰীৰ ইতিবৃত্ত, গ্ৰন্থ, গোলাঘাট জিলা সাহিত্য সভা, ২৫ ফেব্ৰুৱাৰী, ২০০২ চন, পৃষ্ঠা ৪৪-৪৭



কেঁচা পিঠাগুৰি, চেনি, গুৰ, কল, তামোলপাণ আদি আগবঢ়াই আয়োজন কৰে। এই স্থানত বন্তিও প্ৰজ্বলন কৰা হয়। দুপৰীয়া পতা বাবে দুপৰীয়া সবাহ আৰু অনেকজনে ''ওপৰ সবাহ' বা ''দুপৰ সবাহ'' বুলিও কয়।

ভূৰ উটুৱা আৰু ৰাজহুৱা সকাম ঃ নতুন বছৰ সোমোৱাৰ লগে লগে ঠেংগাল ৰাইজে বছৰটোলৈ সকলো ধৰণৰ অপশক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ আৰু সকলো পৰিয়ালতে সুখ-শান্তি-সমৃদ্ধি বিৰাজ কৰিবলৈ ভূৰ উটুৱা পূজা ৰাজহুৱাভাৱে পালন কৰে। বিশেষকৈ জেঠ মাহত আয়োজিত কৰা এই পূজা উপলক্ষে এখন কলগছৰ ভূৰ তৈয়াৰ কৰি তাত নৈবেদ্য আৰু মাহ-প্ৰসাদ আদি উছৰ্গ কৰা হয়। ভূৰত সেন্দূৰৰ ফোঁট দিয়াৰ নিয়ম। কল পটুৱাবে বঠা আৰু নাৱৰীয়াকো সাজি ভূৰত উঠাই ৰখা হয়। আয়তীসকলে আইনাম আৰু পুৰুষসকলে গোঁসাই নাম গায়। শেষত ঢোল, তাল, খোল আদি বাদ্য বাই ভূৰখন পানীলৈ উটুৱাই দিয়া হয়। এই পূজাৰ সৈতে সংগতি ৰাখি সমান্তৰালকৈ ৰাজহুৱা সকামৰো আয়োজন কৰিব লাগে। তেওঁলোকে ৰাজহুৱা সকামৰ উপলক্ষে বুঢ়া ডাঙৰীয়া আৰু আই গোঁসানী, দুৰ্গাদেৱীৰো পূজা কৰে।

পানী তোলা সবাহ, বৰসবাহ আৰু লখিমী সবাহ ঃ ঠেংগাল কছাৰীসকলে অসমৰ অন্যান্য জাতিৰ দৰে পানী তোলা সবাহ, বৰসবাহ আৰু লখিমী সবাহ পালন কৰি আহিছে। অৱশ্যে তেওঁলোকৰ এই সবাহসমূহত নিজস্ব বৈশিষ্ট্য বিদ্যমান। তিনিদিনীয়াকৈ পালিত পানী তোলা সবাহৰ বাবে নামঘৰলৈ তিনি গৰাকী এঁৰা ছোৱালীৰ দ্বাৰা পৱিত্ৰ ভাৱেৰে পানী আনি নামঘৰত চুকে-কোণে ছটিয়াই দিয়ে আৰু ঘটটো মণিকূটত সংৰক্ষণ কৰে। পানী তুলিবলৈ সদলবলে পুৰুষ-মহিলা যায়। যাওঁতে পুৰুষসকলে গোঁসাই নাম আৰু মহিলাসকলে আই নাম গাই যায়। গায়নে-বায়নে খোলতাল বাই যোৱা এই দৃশ্য চালে চকু ৰোৱা। তিনিদিনৰ দিনাখন তেওঁলোকে নামঘৰত গায়ন-বায়নৰ যোৱা, নাম-প্ৰসংগ, দিহা বা সৰুহুৱা নাম আদিৰে নামঘৰ ভক্তি ৰসেৰে বোৱাই তোলে। মাহপ্ৰসাদৰ সৈতে বিশেষকৈ পকা মিঠৈ বিতৰণ কৰাটো লক্ষ্যণীয়। পানীতোলা সবাহতো তেওঁলোকে কলপটুৱাৰে ভূৰ সাজি তাত চাকি জ্বলাই নৈবেদ্য আগবঢ়াই নাওঁখন পানীত উটুৱাই দিয়ে। পৰ্যাপ্ত কৃষি উৎপাদন আৰু

আৱশ্যকীয় বৰষুণ কামনা কৰি কৃষিজীৱী ঠেংগাল সকলে এই পানীতোলা সবাহৰ আয়োজন কৰে।

জেঠ মাহত আজৰিৰ দিনবাৰ চাই ঠেংগালসকলে সমজুৱাকৈ খেলে খেলে নামঘৰত 'বৰসবাহ' অনুষ্ঠিত কৰে। বছৰটোলৈ সকলোৰে শুভ কামনা কৰি এই বৰসবাহ পাতে।

ঠেংগালসকলে লক্ষ্মী পূৰ্ণিমাৰ দিনাখন উলহ-মালহেৰে অন্যান্য জাতি-গোষ্ঠীৰ দৰে লক্ষ্মীপূজা 'লখিমী সবাহ' হিচাপে পালন কৰে।

বিহু উৎসৱ ঃ নতুন বছৰ সোমায়। গছে পাত সলায়। কুলি-কেতেকীয়ে সুললিত সুৰেৰে গীত গায়। মেঘে ঘিটিং কৰাৰ লগে লগে ন-পানী বাগৰে। নতুন ঘাঁহ-বনে ধৰণী সেউজীয়া কৰে। ন-পানী পাই উজানত মাছ উঠে। অসমীয়া সমাজৰ মনতো বিহুৰ বতৰাই হিয়ামন ৰাইজাই কৰে। অতিকৈ চেনেহৰ বাপতি সাহোন বহাগৰ বিহুটি অসমীয়াৰ প্ৰাণলৈ আহে। নতুন আশা উদ্দীপনা আৰু মিলা-প্ৰীতিৰ বান্ধোনেৰে বান্ধ খাই বিহু উৎসৱ পাতে। অসমীয়া অন্যান্য জাতি-উপজাতিয়ে বিহু পতাৰ দৰে ঠেংগালসকলেও বিহু পাতে। আনন্দোৎসৱৰ আয়োজন কৰে। মতলীয়া হয়। অৱশ্যে বিহুৰ আচাৰ-অনুষ্ঠান পালনত স্বকীয় বৈশিষ্ট্যও ৰক্ষা কৰে।

কৃষি ভিত্তিক উৎসৱ বিহুৰ সৈতে ধানখেতিৰ বিভিন্ন পৰ্যায়ৰ লগত ইয়াৰ ওতপ্ৰোত সম্বন্ধ বিৰাজমান।

চ'ত বিহু বা ব'হাগ বিহু ঃ চ'ত মাহ সোমোৱাৰ লগে লগে বিহুৰ বলিয়া বাই ঠেংগাল সমাজতো হেন্দোলনি তোলে। ঘৰে ঘৰে জীয়ৰী-বোৱাৰীয়ে গামোচা বোৱাত ব্যস্তহৈ পৰে। ৰাতি 'ৰাতিবিহু' পাতে। ডেকাই ডেকাৰ ভাগে আৰু গাভৰুৱে গাভৰুৰ ভাগে চ'তৰ সংক্ৰান্তিলৈকে 'ৰাতি বিহু' পাতি আনন্দ লভে। বহাগ মাহত দিনত গছৰ তলত বিহু পাতি "মাইকী বিহু", "গাভৰু বিহু" নামেৰে নাচি বাগি, বিহু নাম গাই মিলাপ্ৰীতিৰে মনৰ বতৰা বিলায়। গাভৰু সকলৰ দৰে "পাট গাভৰু' সকলেও সুকীয়াকৈ বিহু মৰাটো লক্ষ্যণীয়।

ঠেংগালসকলৰ মাজতো গৰু বিহুৰ দিনাখন নতুন তৰা জৰীৰে গৰুক বন্ধাৰ এটা পৰম্পৰাগত প্ৰচলিত নিয়ম। তেওঁলোকৰ ডেকাসকলে বিহু মাৰি, নাম গাই নৈ-বিল-জান-জুৰি আদিৰ দাঁতিৰ হাবিতলীৰ পৰা তৰাগছ



কাটি আনিবলৈ যায়। সেই তৰা গছ ঘৰে ঘৰে গোটায়। বুঢ়া সকলেও তৰা গছৰ জৰী বাটে। এয়ে 'তৰা ছিৰা বিহু' নতুবা 'বালি হুচৰি'। ধাননি নোহোৱা উদং পথাৰত নৰানিৰ মাজত বিহু মৰাকে "নৰাছিঙা" বিহু বুলিবৰ থল আছে।

চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। সেইদিনা ঠেংগালসকলেও অন্যান্য জাতি-গোষ্ঠীৰ দৰে গৰু বিহু পালন কৰে আৰু গৰু গা-ধুৱাই গৰুৰ সুস্বাস্থ্যৰ লগতে বংশ বৃদ্ধি কামনা কৰে। মাহ-হালধি সানি, মাখিয়তী-দীঘলতিৰে কোৱাই নানা বিধ শাক-পাচলিৰ চকল ছটিয়াই গৰুৰ দীৰ্ঘায়ু কামনা কৰে। ঠেংগালসকলে 'সাত বিহু' পালন কৰে আৰু বোকা ছটিয়াই স্ফূৰ্তি কৰি 'বোকা বিহু'ও পাতে। কণী যুঁজায় আৰু বছৰলৈ মূৰ ফুৰণিৰ পৰা ৰক্ষা পৰিবলৈ প্ৰচেষ্টা কৰে। ঢোল, পেঁপা, টকা, গগনা, সুতুলি, বীণ, টোকাৰী, কৰতাল, কড়িতাল, তাল আদি বাদ্য বাই বিহু নাম, হুচৰি নাম গাই হুচৰি গায়। ঘৰে ঘৰে হুচৰি গাই গৃহস্থক আশীৰ্বাদ জনায়। বছৰটোলৈ সুখ-সমৃদ্ধি কামনা কৰে। হুচৰি গোৱা ধনেৰে ভোজভাত খায়, নিমখ কিনি ভগায় আৰু ৰাহি হোৱা ধন নামঘৰৰ উন্নয়নৰ বাবে আগবঢ়ায়। এয়াই ঠেংগাল সকলৰ সম্প্ৰীতিৰ নতুন বৰ্ষোৎসৱ বিহু। ব'হাগৰ বিহু। শেষত নৈৰ পাৰত নতুবা আলিৰ দাঁতিৰ ডাঙৰ গছত বিহুৱান আঁৰি বিহু মাৰৰ বাদ্যযন্ত্ৰ ঘূণীয়া কৰি বিহু উৰুৱায়। বছৰলৈ বিহুক বিদায় জনায়। থাকি যায় মাথো মিলা-প্ৰীতিৰ ছিঙিব নোৱাৰা কটকটীয়া বান্ধোন।

কাতি বিহু ঃ কাতি বিহু কঙালী। এই সময়ত গৃহস্থৰ ঘৰে ঘৰে ভঁৰালত ধানৰ পৰিমাণ কমি আহে। তথাপি অনুষ্ঠুপীয়াকৈ হ'লেও কৃষিজীৱী ঠেংগালসকলে নিজস্ব বৈশিষ্ট্যৰে কাতিবিহু পালন কৰে। হাতত কাঁচি লৈ পৰিয়ালৰ এজনে ধাননিলৈ গৈ গেৰেলী হোৱা ধান চাই সুখ পায়। প্ৰচুৰ সম্ভাৱনাই তেওঁলোকৰ মনপ্ৰাণ ভৰাই তোলে। সন্ধিয়া তুলসী তলত, পদূলি, গোহালি, বৰঘৰ, ৰান্ধনি ঘৰ, বাৰী আৰু ধাননিত বন্তি জ্বলায়। লখিমীক পূজা কৰে। অনুষ্ঠুপীয়াকৈ আয়োজন কৰিলেও পিঠা-পনা, জা-জলপানো কাতি বিহু বুলি পৰিৱেশন কৰাটো মন কৰিবলগীয়া।

মাঘ বিহু ঃ মাঘ বিহু ভোগালী। ভোগৰ উৎসৱ। খেতি বাতি চপা... সকলো মিলি লগভাত বা ভোজ খোৱা কাৰ্যই এই বিহুৰ মূল উ

আৱশ্যকীয় বৰষুণ কামনা কৰি কৃষিজীৱী ঠেংগাল সকলে এই পানীতোলা সবাহৰ আয়োজন কৰে।

জেঠ মাহত আজৰিৰ দিনবাৰ চাই ঠেংগালসকলে সমজুৱাকৈ খেলে খেলে নামঘৰত 'বৰসবাহ' অনুষ্ঠিত কৰে। বছৰটোলৈ সকলোৰে শুভ কামনা কৰি এই বৰসবাহ পাতে।

ঠেংগালসকলে লক্ষ্মী পূৰ্ণিমাৰ দিনাখন উলহ-মালহেৰে অন্যান্য জাতি-গোষ্ঠীৰ দৰে লক্ষ্মীপূজা 'লখিমী সবাহ' হিচাপে পালন কৰে।

বিহু উৎসৱ ঃ নতুন বছৰ সোমায়। গছে পাত সলায়। কুলি-কেতেকীয়ে সুললিত সুৰেৰে গীত গায়। মেঘে ঘিটিং কৰাৰ লগে লগে ন-পানী বাগৰে। নতুন ঘাঁহ-বনে ধৰণী সেউজীয়া কৰে। ন-পানী পাই উজানত মাছ উঠে। অসমীয়া সমাজৰ মনতো বিহুৰ বতৰাই হিয়ামন ৰাইজাই কৰে। অতিকৈ চেনেহৰ বাপতি সাহোন বহাগৰ বিহুটি অসমীয়াৰ প্ৰাণলৈ আহে। নতুন আশা উদ্দীপনা আৰু মিলা-প্ৰীতিৰ বান্ধোনেৰে বান্ধ খাই বিহু উৎসৱ পাতে। অসমীয়া অন্যান্য জাতি-উপজাতিয়ে বিহু পতাৰ দৰে ঠেংগালসকলেও বিহু পাতে। আনন্দোৎসৱৰ আয়োজন কৰে। মতলীয়া হয়। অৱশ্যে বিহুৰ আচাৰ-অনুষ্ঠান পালনত স্বকীয় বৈশিষ্ট্যও ৰক্ষা কৰে।

কৃষি ভিত্তিক উৎসৱ বিহুৰ সৈতে ধানখেতিৰ বিভিন্ন পৰ্যায়ৰ লগত ইয়াৰ ওতপ্ৰোত সম্বন্ধ বিৰাজমান।

চ'ত বিহু বা ব'হাগ বিহু ঃ চ'ত মাহ সোমোৱাৰ লগে লগে বিহুৰ বলিয়া বাই ঠেংগাল সমাজতো হেন্দোলনি তোলে। ঘৰে ঘৰে জীয়ৰী-বোৱাৰীয়ে গামোচা বোৱাত ব্যস্তহৈ পৰে। ৰাতি 'ৰাতিবিহু' পাতে। ডেকাই ডেকাৰ ভাগে আৰু গাভৰুৱে গাভৰুৰ ভাগে চ'তৰ সংক্ৰান্তিলৈকে 'ৰাতি বিহু' পাতি আনন্দ লভে। বহাগ মাহত দিনত গছৰ তলত বিহু পাতি "মাইকী বিহু", "গাভৰু বিহু" নামেৰে নাচি বাগি, বিহু নাম গাই মিলাপ্ৰীতিৰে মনৰ বতৰা বিলায়। গাভৰু সকলৰ দৰে "পাট গাভৰু' সকলেও সুকীয়াকৈ বিহু মৰাটো লক্ষ্যণীয়।

ঠেংগালসকলৰ মাজতো গৰু বিহুৰ দিনাখন নতুন তৰা জৰীৰে গৰুক বন্ধাৰ এটা পৰম্পৰাগত প্ৰচলিত নিয়ম। তেওঁলোকৰ ডেকাসকলে বিহু মাৰি, নাম গাই নৈ-বিল-জান-জুৰি আদিৰ দাঁতিৰ হাবিতলীৰ পৰা তৰাগছ



কাটি আনিবলৈ যায়। সেই তৰা গছ ঘৰে ঘৰে গোটায়। বুঢ়া সকলেও তৰা গছৰ জৰী বাটে। এয়ে 'তৰা ছিৰা বিহু' নতুবা 'বালি হুচৰি'। ধাননি নোহোৱা উদং পথাৰত নৰানিৰ মাজত বিহু মৰাকে "নৰাছিঙা" বিহু বুলিবৰ থল আছে।

চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। সেইদিনা ঠেংগালসকলেও অন্যান্য জাতি-গোষ্ঠীৰ দৰে গৰু বিহু পালন কৰে আৰু গৰু গা-ধুৱাই গৰুৰ সুস্বাস্থ্যৰ লগতে বংশ বৃদ্ধি কামনা কৰে। মাহ-হালধি সানি, মাখিয়তী-দীঘলতিৰে কোৱাই নানা বিধ শাক-পাচলিৰ চকল ছটিয়াই গৰুৰ দীৰ্ঘায়ু কামনা কৰে। ঠেংগালসকলে 'সাত বিহু' পালন কৰে আৰু বোকা ছটিয়াই স্ফূৰ্তি কৰি 'বোকা বিহু'ও পাতে। কণী যুঁজায় আৰু বছৰলৈ মূৰ ফুৰণিৰ পৰা ৰক্ষা পৰিবলৈ প্ৰচেষ্টা কৰে। ঢোল, পেঁপা, টকা, গগনা, সুতুলি, বীণ, টোকাৰী, কৰতাল, কড়িতাল, তাল আদি বাদ্য বাই বিহু নাম, হুচৰি নাম গাই হুচৰি গায়। ঘৰে ঘৰে হুচৰি গাই গৃহস্থক আশীৰ্বাদ জনায়। বছৰটোলৈ সুখ-সমৃদ্ধি কামনা কৰে। হুচৰি গোৱা ধনেৰে ভোজভাত খায়, নিমখ কিনি ভগায় আৰু ৰাহি হোৱা ধন নামঘৰৰ উন্নয়নৰ বাবে আগবঢ়ায়। এয়াই ঠেংগাল সকলৰ সম্প্ৰীতিৰ নতুন বৰ্ষোৎসৱ বিহু। ব'হাগৰ বিহু। শেষত নৈৰ পাৰত নতুবা আলিৰ দাঁতিৰ ডাঙৰ গছত বিহুৱান আঁৰি বিহু মাৰঁ বাদ্যযন্ত্ৰ ঘূৰ্ণীয়া কৰি বিহু উৰুৱায়। বছৰলৈ বিহুক বিদায় জনায়। থাকি যায় মাথো মিলা-প্ৰীতিৰ ছিঙিব নোৱাৰা কটকটীয়া বান্ধোন।

কাতি বিহু ঃ কাতি বিহু কঙালী। এই সময়ত গৃহস্থৰ ঘৰে ঘৰে ভঁৰালত ধানৰ পৰিমাণ কমি আহে। তথাপি অনুষ্টুপীয়াকৈ হ'লেও কৃষিজীৱী ঠেংগালসকলে নিজস্ব বৈশিষ্ট্যৰে কাতিবিহু পালন কৰে। হাতত কাঁচি লৈ পৰিয়ালৰ এজনে ধাননিলৈ গৈ গেৰেলী হোৱা ধান চাই সুখ পায়। প্ৰচুৰ সম্ভাৱনাই তেওঁলোকৰ মনপ্ৰাণ ভৰাই তোলে। সন্ধিয়া তুলসী তলত, পদূলি, গোহালি, বৰঘৰ, ৰান্ধনি ঘৰ, বাৰী আৰু ধাননিত বন্তি জ্বলায়। লখিমীক পূজা কৰে। অনুষ্টুপীয়াকৈ আয়োজন কৰিলেও পিঠা-পনা, জা-জলপানো কাতি বিহু বুলি পৰিৱেশন কৰাটো মন কৰিবলগীয়া।

মাঘ বিহু ঃ মাঘ বিহু ভোগালী। ভোগৰ উৎসৱ। খেতি বাতি চপা... সকলো মিলি লগভাত বা ভোজ খোৱা কাৰ্যই এই বিহুৰ মূল উ

সংক্ৰান্তিৰ পাছৰ পৰা উত্তৰায়ণ হয় আৰু ক্ৰমান্বয়ে দিন দীঘলহৈ গৰমৰ দিন বৃদ্ধি পায়। উৰুকাৰ দিনা সমজুৱাকৈ ন-চাউলেৰে ৰাইজে একেলগে ভোজখাই সম্প্ৰীতিৰ এনাজৰী দীৰ্ঘস্থায়ী কৰে। এই ভোজৰ সৈতে আনুষঙ্গিক বিভিন্ন কাম-কাজ কৰা হয়। গাঁৱৰ গৰখীয়া ল'ৰা আৰু ডেকাসকলে বাঁহ খেৰেৰে ভেলাঘৰ সাজে। তাত ৰাতি তেওঁলোকে বিভিন্ন খেল-ধেমালি কৰি ৰাতিবোৰ কটায়। খৰি কাটি মেজি জাপি পুৱতি নিশাই সংক্ৰান্তিৰ দিনা জ্বলাই অগ্নি পূজা কৰে। সমজুৱাই অগ্নিক সাক্ষী কৰি মনৰ কামনা পূৰ্ণ হোৱাৰ বাবে আশীৰ্বাদ জনায়। দিনত ম'হ যুঁজায়। যুঁজ চাই বছৰটোলৈ মূৰ ফুৰণিৰ পৰা পৰিত্ৰাণৰ সুযোগ গ্ৰহণ কৰে। উৰুকাৰ দিনা ৰাতি খেৰৰ জৰীৰে ভঁৰালৰ খুটা, চ'তি, তাঁতশাল, ঢেঁকী, লাগনি গছ আদি বন্ধাৰ নিয়ম পালন কৰি খৰালি বৰদৈচিলাই যাতে অনিষ্ট কৰিব নোৱাৰে তাৰেই ব্যৱস্থা কৰা হয়। বিহু বুলি 'মৃতকক দিয়াৰ" পাছত ঘৰ ঘৰোৱাহী আৰু মিটিৰ কুটুমকে আদি কৰি আলহী-দুলহী সকলোৱে ভোজভাত, পিঠা পনা-জা-জলপান আদি খায়।

অসমৰ সাংস্কৃতিক জগতলৈ এইদৰে ঠেংগাল সকলেও পাৰ্যমানে সংস্কৃতিৰ সমল আগবঢ়াই বৃহৎ অসমীয়া বৰ্ণাঢ্য আৰু চহকী সভ্যতা-সংস্কৃতি গঢ় দিয়াত অলেখ বৰঙণি আগবঢ়োৱাটো মনে প্ৰাণে স্বীকাৰ কৰিব লগীয়া।[৪]

৪ দুৱৰা, ধৰ্মেশ্বৰ, "ঠেংগালসকলৰ উৎসৱ আৰু অনুষ্ঠান", আজিৰ অসম, গুৱাহাটী, ৩০ নৱেম্বৰ, ২০০৩

## ৮.০০ অষ্টম অধ্যায়

# ডিমাছাসকলৰ উৎসৱ-অনুষ্ঠান

অসমৰ আদিবাসীসকলৰ অন্যতম জাতি ডিমাছা-কছাৰীসকল তিব্বত-বৰ্মী ভাষা গোষ্ঠীৰ অসম বৰ্মী শাখাৰ অন্তৰ্ভুক্ত। "তিব্বত-বৰ্মীসকল চীন দেশৰ দক্ষিণ অংশৰ পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীয়েদি অসম-ব্ৰহ্ম-ইন্দোচীন আদিত সিচৰিতহয়।"[১]

ডিমাছাসকলে বৰ্তমান উত্তৰ কাছাৰ পাহাৰ জিলা, নগাঁও জিলা, কাৰ্বি আংলং জিলা, কাছাৰ আৰু নগালেণ্ডৰ ধনশিৰি, মহংডিজোৱা আদি ঠাইত বসবাস কৰে। ভৌগোলিক ক্ষেত্ৰ ভেদে তেওঁলোকৰ সমাজক চাৰিটা ভাগত ভাগ কৰা হয়। নগালেণ্ডৰ সকলক 'ডিজোৱাছা', লংকা, হোজাই, যোগীজান আদি ঠাইৰ সকলক 'ডেম্ৰাছা', কাছাৰৰ সকলক 'হাৱাৰছা' আৰু উত্তৰ কাছাৰ পাহাৰৰ সকলক 'হাচাউছা' বুলি অভিহিত কৰা হয়।

"বৰ্তমান ডিমাছাসকল সংখ্যালঘুহৈ কাছাৰত বসতি কৰি আছে। তেওঁলোকৰ ওপৰত বংগীয় সংস্কৃতিৰ প্ৰভাৱ যথেষ্টৰূপে পৰিছে। নগুণ ধাৰণ; জন্ম-মৃত্যু-বিবাহ আদি ডিমাছাসকলৰ পৰম্পৰা ৰীতিৰ সলনি ব্ৰাহ্মণ্য প্ৰথা প্ৰচলন হৈছে। বৰ্মন উপাধি গ্ৰহণ ব্ৰাহ্মণ্য প্ৰভাৱৰ ফল।"[২]

'বুচু' উৎসৱ ঃ পৃথিৱীৰ প্ৰায় সকলো জাতিৰে জাতীয় উৎসৱ আছে। প্ৰকৃতি আৰু মানুহৰ সম্বন্ধ অতি নিবিড়। সেয়েহে প্ৰাকৃতিক পৰিৱেশৰ পৰিৱৰ্তন হোৱাৰ লগে লগে মানুহৰ মনবোৰো পৰিৱৰ্তিত হোৱা স্বাভাৱিক। দৈনন্দিন জীৱনৰ কাম-কাজৰ হেঁচাৰ মাজৰ পৰা অৱসৰ পালেই মানুহে খেল-ধেমালি, চিকাৰ, পঢ়াশুনা, নাচগান আদিত আত্মনিয়োগ কৰে।

কৃষিজীৱী ডিমাছাসকলৰ অৱসৰ বিনোদন বিশেষকৈ ৰাতিৰ সময়খিনিহে। দিনৰ দিনটো ঝুমতলীৰ কাম নতুবা বজাৰ-সমাৰ আদিত অতিবাহিত কৰাৰ অন্তত নিশাৰ ভাগতহে আজৰি পায়। সেই সময়তেই তেওঁলোকৰ নৃত্য-গীত আদিৰ চৰ্চা কৰিবলৈ সুবিধা। ইচ্ছানুযায়ী কোনো জনে বাঁহ-বেতৰ কাম কৰে, সেইদৰে অন্যসকলে হাতত 'মৰি' অৰ্থাৎ পেঁপা আৰু 'খ্ৰাম' অৰ্থাৎ ঢোললৈ বজাই আনন্দ উপভোগ কৰে। অৱশ্যে

আজিকালি এই নীতিৰ কিছু সলনি হোৱা উল্লেখনীয়। দুজন ডেকা আৰু দুগৰাকী গাভৰুৱে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি গলবস্ত্ৰলৈ সন্মানীয়সকলক ডেকা-গাভৰুৰহৈ সেৱা কৰে আৰু উপহাৰসমূহ প্ৰদান কৰে। ইয়াতেই তেওঁলোকৰ মহানুভৱতাৰ পৰিচয় পোৱা যায়।

'চুৰেম' আৰু 'হাংচেউমানাওবা' উৎসৱ পালন কৰাৰ উপৰি ডিমাছাসকলে 'জিধাৱ' নামৰ অন্য এক প্ৰকাৰৰ বিহু উৎসৱ পালন কৰে। আগৰ দুটাৰ দৰে পয়োভৰ এইবিধ উৎসৱত নাই যদিও নদ্ৰাঙত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানসমূহে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। তিনিদিন ধৰি পালন কৰা 'জিধাৱ' উৎসৱৰ খৰছ-পাতিৰ যোগান গাঁৱৰ সকলো লোকে ধৰে। একোটা ডাঙৰ সামাজিক কাম নতুবা কৃষি কৰ্মৰ পাছত এনে বিহু উৎসৱ আয়োজিত হয়। মনৰ দুখ-ভাগৰ পাহৰি থাকিবলৈ আৰু সমজুৱাৰ মাজত মিলা-প্ৰীতিৰ ভাৱ অক্ষুণ্ণ ৰাখিবলৈ এনে বিহু উৎসৱৰ আৱশ্যকতা আছে। সম্প্ৰীতিৰ ভাৱ আগত ৰাখি গাঁওবাসীয়ে এই বিহু উৎসৱ পালন কৰে। খোৱা-বোৱা, নাচ-গান, হাঁহি-ধেমালিয়ে তেওঁলোকৰ এই বিহুক এটা উদুলি-মুদুলি আৰু পয়োভৰপূৰ্ণ কৰি তোলে। আনন্দমুখৰ বিহুৰ সামৰণি কেতিয়ানো পৰে ডেকা-গাভৰুৱে গমকে নাপায়। পুনৰ এনে বিহু জাকজমককৈ পতাৰ আশাৰে এইবাৰলৈ বিহুটিক বিদায় জনায়।'

'হাংচেউমানাওবা বুচু' ঃ একোটা জাতিৰ জাতীয় কৃষ্টি সংস্কৃতিৰ চানেকিৰ পৰাহে সেই জাতিৰ সভ্যতাৰ নিদৰ্শন পৰিস্ফুট হয়। জাতীয় কৃষ্টিয়ে জাতিৰনিজস্বতা বহন কৰে। অসমৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ অন্যতম অংশ স্বৰূপ ডিমাছা কছাৰী সকলৰো বাৰেৰহণীয়া নিজস্ব বৈশিষ্ট্যৰে পূৰ্ণ সাতাম-পুৰুষীয়া সমৃদ্ধিশালী কৃষ্টি সংস্কৃতি আছে। এই সংস্কৃতিৰ ঐতিহ্য ডিমাপুৰ, মাইবাং, খাছপুৰ আৰু কাছমাৰী পথাৰৰ ভগ্নাৱশেষবিলাকে বহন কৰি আছে। উত্তৰ কাছাৰ পাৰ্বত্য জিলা, কাৰ্বি আংলং জিলা, নগাঁও জিলা আৰু কাছাৰ জিলাৰ অন্তৰ্গত বিভিন্ন ঠাইৰ ডিমাছা কছাৰী অধিবাসীলোক সকলৰ মাজত আধুনিক সভ্যতা আৰু সংস্কৃতিৰ প্ৰভাৱ পৰা স্বত্ত্বেও তেওঁলোকৰ ঐতিহ্যমণ্ডিত জাতীয় সংস্কৃতি জীয়াই আছে। সেয়েহে তেওঁলোক এটা স্বকীয় বৈশিষ্ট্যপূৰ্ণ জাতি হিচাপে থিয় হ'বলৈ সক্ষম। প্ৰাচীন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মেলা,



হাঁহি-কান্দোন, আশা-আকাংক্ষা, পূজা-পাতল, কৃষি আৰু জীৱ-জন্তু পোহপাল, উৎসৱ-পাৰ্বন আদি তেওঁলোকৰ মাজত বৰ্তমানেও পৰম্পৰাগতভাৱে প্ৰচলিতহৈ আছে। নতুন যুগৰ সৈতে খাপ-খুৱাঁকৈ এনে জীৱনধাৰা সংস্কৃতহৈ পৰাটো লক্ষ্যণীয়। 'হাংচেউমানাওবা' অৰ্থাৎ বিহু উৎসৱটিয়েই তেওঁলোকৰ উৎসৱ বিলাকৰ ভিতৰত আটাইতকৈ পয়োভৰপূৰ্ণ আৰু লেখত ল'বলগীয়া উৎসৱ।

কৃষিজীৱী ডিমাছা কছাৰীসকলৰ মাজত প্ৰচলিত এই 'হাংচেউমানাওবা' উৎসৱটি মূলতঃ কৃষি ভিত্তিক। এই উৎসৱত নগাসকলৰ কৃষ্টিৰ প্ৰভাৱো যথেষ্ট পৰিছে। অসমৰ ভৈয়ামত পালন কৰা ভোগালী বিহুৰ লগত ইয়াৰ কিছু সাদৃশ্য আছে। পাহাৰীয়া অঞ্চল বিলাকত ঘাইকৈ ঝুম পদ্ধতিৰে আহুধানৰ খেতি কৰা হয়। ভাদ-আহিন মাহৰ ভিতৰত এই খেতি চপাই অটোৱা হয়। আকৌ পানী খেতি হিচাপে ৰোৱা ধান আঘোণ-পুহ মাহত চপায়। গতিকে এনে সময়তে তেওঁলোকৰ ভঁৰাল শস্যেৰে ভৰি পৰে আৰু মনত উলাহে পাৰ ওপচা হেন্দোলনি তোলে। আনন্দ প্ৰকাশক এই উৎসৱটি ভোগালী বিহুৰ দৰে তেওঁলোকৰ ভোগৰ উৎসৱ। অৱশ্যে ভোগালী বিহুৰ যেনেদৰে নিৰ্দ্ধাৰিত দিনবাৰ থাকে সেইদৰে তেওঁলোকৰ 'হাংচেউমানাওবা' উৎসৱৰ কোনো নিৰ্দ্ধাৰিত দিনবাৰ নাছিল। বৰ্তমান ৰাইজৰ সুবিধালৈ লক্ষ্য ৰাখি প্ৰতি বছৰৰ জানুৱাৰী মাহৰ ২৭ তাৰিখটো 'বুচুডিমা' হিচাপে নিৰ্দ্ধাৰণ কৰি উৎসৱ পালন কৰা হৈছে। উত্তৰ কাছাৰ পাহাৰ জিলা পৰিষদেও এই দিনটো চৰকাৰী বন্ধৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। অতীজতে সমজুৱা লোকসকল 'নদ্ৰাং' অৰ্থাৎ ডেকাচাঙত মিলিতহৈ উপযুক্ত দিনবাৰ 'বুচু' পালনৰ বাবে নিৰ্দ্ধাৰণ কৰিছিল। এনে দিন নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত তেওঁলোকে লক্ষ্য ৰাখে যাতে ওচৰৰ কোনো গাঁৱত একে সময়তে উৎসৱ পতা নহয়। কাৰণ একেলগে দুখন গাঁৱত এই উৎসৱ পাতিলে এখন গাঁৱৰ লোক আন এখন গাঁৱলৈ যাব নোৱাৰিব আৰু একেলগে ভোজভাত খাই নাচি-বাগি মনৰ ভাৱ প্ৰকাশ কৰি মিলা-মিচা কৰাত অসুবিধা হ'ব।

এই বিহু তেওঁলোকে সাধ্যানুসৰি দুই-তিনি দিনৰ পৰা সাত দিনলৈকে পালন কৰে। সমজুৱাকৈ খোৱা-বোৱা আদিত খৰছ পাতি কৰিবৰ বাবে ডেকা-গাভৰুসকলে এবছৰৰ আগৰে পৰাই ইয়াৰ প্ৰস্তুতি চলায়। তেওঁলোকে

আজিকালি এই নীতিৰ কিছু সলনি হোৱা উল্লেখনীয়। দুজন ডেকা আৰু দুগৰাকী গাভৰুৱে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি গলবস্ত্ৰলৈ সন্মানীয়সকলক ডেকা-গাভৰুৰহৈ সেৱা কৰে আৰু উপহাৰসমূহ প্ৰদান কৰে। ইয়াতেই তেওঁলোকৰ মহানুভৱতাৰ পৰিচয় পোৱা যায়।

'চুৰেম' আৰু 'হাংচেউমানাওবা' উৎসৱ পালন কৰাৰ উপৰি ডিমাছাসকলে 'জিধাৱ' নামৰ অন্য এক প্ৰকাৰৰ বিহু উৎসৱ পালন কৰে। আগৰ দুটাৰ দৰে পয়োভৰ এইবিধ উৎসৱত নাই যদিও নদ্ৰাঙত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানসমূহে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। তিনিদিন ধৰি পালন কৰা 'জিধাৱ' উৎসৱৰ খৰছ-পাতিৰ যোগান গাঁৱৰ সকলো লোকে ধৰে। একোটা ডাঙৰ সামাজিক কাম নতুবা কৃষি কৰ্মৰ পাছত এনে বিহু উৎসৱ আয়োজিত হয়। মনৰ দুখ-ভাগৰ পাহৰি থাকিবলৈ আৰু সমজুৱাৰ মাজত মিলা-প্ৰীতিৰ ভাৱ অক্ষুণ্ণ ৰাখিবলৈ এনে বিহু উৎসৱৰ আৱশ্যকতা আছে। সম্প্ৰীতিৰ ভাৱ আগত ৰাখি গাঁওবাসীয়ে এই বিহু উৎসৱ পালন কৰে। খোৱা-বোৱা, নাচ-গান, হাঁহি-ধেমালিয়ে তেওঁলোকৰ এই বিহুক এটা উদুলি-মুদুলি আৰু পয়োভৰপূৰ্ণ কৰি তোলে। আনন্দমুখৰ বিহুৰ সামৰণি কেতিয়ানো পৰে ডেকা-গাভৰুৱে গমকে নাপায়। পুনৰ এনে বিহু জাকজমককৈ পতাৰ আশাৰে এইবাৰলৈ বিহুটিক বিদায় জনায়।'

'হাংচেউমানাওবা বুচু' ঃ একোটা জাতিৰ জাতীয় কৃষ্টি সংস্কৃতিৰ চানেকিৰ পৰাহে সেই জাতিৰ সভ্যতাৰ নিদৰ্শন পৰিস্ফুট হয়। জাতীয় কৃষ্টিয়ে জাতিৰনিজস্বতা বহন কৰে। অসমৰ জাতীয় কৃষ্টি-সংস্কৃতিৰ অন্যতম অংশ স্বৰূপ ডিমাছা কছাৰী সকলৰো বাৰেৰহণীয়া নিজস্ব বৈশিষ্ট্যৰে পূৰ্ণ সাতাম-পুৰুষীয়া সমৃদ্ধিশালী কৃষ্টি সংস্কৃতি আছে। এই সংস্কৃতিৰ ঐতিহ্য ডিমাপুৰ, মাইবাং, খাছপুৰ আৰু কাছমাৰী পথাৰৰ ভগ্নাৱশেষবিলাকে বহন কৰি আছে। উত্তৰ কাছাৰ পাৰ্বত্য জিলা, কাৰ্বি আংলং জিলা, নগাঁও জিলা আৰু কাছাৰ জিলাৰ অন্তৰ্গত বিভিন্ন ঠাইৰ ডিমাছা কছাৰী অধিবাসীলোক সকলৰ মাজত আধুনিক সভ্যতা আৰু সংস্কৃতিৰ প্ৰভাৱ পৰা স্বত্বেও তেওঁলোকৰ ঐতিহ্যমণ্ডিত জাতীয় সংস্কৃতি জীয়াই আছে। সেয়েহে তেওঁলোক এটা স্বকীয় বৈশিষ্ট্যপূৰ্ণ জাতি হিচাপে থিয় হ'বলৈ সক্ষম। প্ৰাচীন ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মেলা,



হাঁহি-কান্দোন, আশা-আকাংক্ষা, পূজা-পাতল, কৃষি আৰু জীৱ-জন্তু পোহপাল, উৎসৱ-পাৰ্বন আদি তেওঁলোকৰ মাজত বৰ্তমানেও পৰম্পৰাগতভাৱে প্ৰচলিতহৈ আছে। নতুন যুগৰ সৈতে খাপ-খুৱাঁকৈ এনে জীৱনধাৰা সংস্কৃতহৈ পৰাটো লক্ষ্যণীয়। 'হাংচেউমানাওবা' অৰ্থাৎ বিহু উৎসৱটিয়েই তেওঁলোকৰ উৎসৱ বিলাকৰ ভিতৰত আটাইতকৈ পয়োভৰপূৰ্ণ আৰু লেখত ল'বলগীয়া উৎসৱ।

কৃষিজীৱী ডিমাছা কছাৰীসকলৰ মাজত প্ৰচলিত এই 'হাংচেউমানাওবা' উৎসৱটি মূলতঃ কৃষি ভিত্তিক। এই উৎসৱত নগাসকলৰ কৃষ্টিৰ প্ৰভাৱো যথেষ্ট পৰিছে। অসমৰ ভৈয়ামত পালন কৰা ভোগালী বিহুৰ লগত ইয়াৰ কিছু সাদৃশ্য আছে। পাহাৰীয়া অঞ্চল বিলাকত ঘাইকৈ ঝুম পদ্ধতিৰে আহুধানৰ খেতি কৰা হয়। ভাদ-আহিন মাহৰ ভিতৰত এই খেতি চপাই অটোৱা হয়। আকৌ পানী খেতি হিচাপে ৰোৱা ধান আঘোণ-পুহ মাহত চপায়। গতিকে এনে সময়তে তেওঁলোকৰ ভঁৰাল শস্যেৰে ভৰি পৰে আৰু মনত উলাহে পাৰ ওপচা হেন্দোলনি তোলে। আনন্দ প্ৰকাশক এই উৎসৱটি ভোগালী বিহুৰ দৰে তেওঁলোকৰ ভোগৰ উৎসৱ। অৱশ্যে ভোগালী বিহুৰ যেনেদৰে নিৰ্দ্ধাৰিত দিনবাৰ থাকে সেইদৰে তেওঁলোকৰ 'হাংচেউমানাওবা' উৎসৱৰ কোনো নিৰ্দ্ধাৰিত দিনবাৰ নাছিল। বৰ্তমান ৰাইজৰ সুবিধালৈ লক্ষ্য ৰাখি প্ৰতি বছৰৰ জানুৱাৰী মাহৰ ২৭ তাৰিখটো 'বুচুডিমা' হিচাপে নিৰ্দ্ধাৰণ কৰি উৎসৱ পালন কৰা হৈছে। উত্তৰ কাছাৰ পাহাৰ জিলা পৰিষদেও এই দিনটো চৰকাৰী বন্ধৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে। অতীজতে সমজুৱা লোকসকল 'নদ্ৰাং' অৰ্থাৎ ডেকাচাঙত মিলিতহৈ উপযুক্ত দিনবাৰ 'বুচু' পালনৰ বাবে নিৰ্দ্ধাৰণ কৰিছিল। এনে দিন নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত তেওঁলোকে লক্ষ্য ৰাখে যাতে ওচৰৰ কোনো গাঁৱত একে সময়তে উৎসৱ পতা নহয়। কাৰণ একেলগে দুখন গাঁৱত এই উৎসৱ পাতিলে এখন গাঁৱৰ লোক আন এখন গাঁৱলৈ যাব নোৱাৰিব আৰু একেলগে ভোজভাত খাই নাচি-বাগি মনৰ ভাব প্ৰকাশ কৰি মিলা-মিচা কৰাত অসুবিধা হ'ব।

এই বিহু তেওঁলোকে সাধ্যানুসৰি দুই-তিনি দিনৰ পৰা সাত দিনলৈকে পালন কৰে। সমজুৱাকৈ খোৱা-বোৱা আদিত খৰছ পাতি কৰিবৰ বাবে ডেকা-গাভৰুসকলে এবছৰৰ আগৰে পৰাই ইয়াৰ প্ৰস্তুতি চলায়। তেওঁলোকে

সমূহীয়াকৈ কামবন কৰি পোৱা ধন সঞ্চয় কৰি এই উৎসৱত খৰছ কৰে। এনেকৈয়ে তেওঁলোকৰ মিলা-প্ৰীতি আৰু ঐক্যবদ্ধতা অধিক কটকটীয়া হয়।

বিহুতলী হিচাপে গাঁৱৰ কোনোবা এঘৰৰ আহল বহল চোতাল 'গাজাইবাউ' নিৰ্বাচন কৰি লোৱা হয় যাতে উৎসৱত অংশ গ্ৰহণ কৰা লোক তাত অনায়াসে থাকিব পাৰে। 'গাজাইবাউ'ৰ অৰ্থ হৈছে উৎসৱ পতা ঘৰৰ লোকৰ গৃহস্থনী। এই গৃহস্থনী গৰাকী অতিকৈ সাদৰী আৰু ধৈৰ্যশীলা হোৱা উচিত। নহ'লে এমাহৰ আগৰে পৰা তেওঁৰ চোতালত যিকোনো সময়তে ডেকা-গাভৰু আহি উৎসৱৰ প্ৰস্তুতি কৰি থাকোতে খেল-ধেমালি, নাচগান আৰু বাদ্য যন্ত্ৰৰ মাতেৰে উদ্ভৱ হোৱা অশান্তি সহ্য কৰিব নোৱাৰিব। সেয়েহে তেওঁ মনত কেতিয়াবা বেয়া পালেও হাঁহি-মাতি থাকিব লাগে।

গাঁৱলৈ সোমোৱা ৰাস্তাৰ মূৰত এখন প্ৰৱেশ দ্বাৰ 'ফাংশ্লা' আটক ধুনীয়াকৈ সজা হয়। এই তোৰণখনৰ কাৰুকাৰ্য আৰু কৌশল চালে চকুৰোৱা। ইয়াক কেৱল বাঁহৰ দ্বাৰা তৈয়াৰ কৰা হয়। কোনো গাঁঠি বা গজালেৰে সংযোগ নকৰি কেৱল বিন্ধা কৰি বাঁহবিলাক সংযোগ কৰা হয়।

বিহু উৎসৱত ডিমাছা কছাৰীসকলে বিশেষকৈ বৰা চাউলৰ ভাত খায়। বৰা চাউলৰ ভাত নোখোৱাসকলে অন্য চাউলৰ ভাতো খায়। মাংস 'মগঙ'ৰ ভিতৰত গাহৰি, ম'হ, হাঁহ আৰু কুকুৰাৰ মাংসই প্ৰধানকৈ পৰিৱেশন কৰা হয়। উল্লেখযোগ্য যে তেওঁলোকৰ খেৰছা, দাওলগুপো, নুনিছা, হাখমাওছা আদি ফৈদ বিলাকে গাহৰিৰ মাংস ভোজন কৰাটো নিষিদ্ধ। বিহুৰ দিনা কাটিবলগীয়া নোদোকা ম'হটো বিহুৰ পোন্ধৰ দিন মানৰ আগতে নাচি বাগি ডেকা-গাভৰুসকলে ফাংশ্লাৰ তলেদি গাঁৱৰ মাজেৰে আনি গাজাইবাউৰ চোতাল গছকায় আৰু তাতেই বান্ধি ৰাখে। গাঁৱৰ প্ৰতিঘৰতে বিহুৰ প্ৰথম দিনা শেষ পৰ্যায়ৰ সামৰণি পৰে। এই দিনটোত মাংস কটা 'চাটাইবা' উৎসৱ পালন কৰা হয়। নিজে খোৱাৰ লগতে দূৰণিৰ আ[illegible]ীসকলক পৰিৱেশন কৰিবলৈ সকলোৰে ঘৰত 'জু' বা 'জুদিমা' অৰ্থাৎ [illegible] তৈয়াৰ কৰি লয়।

বিহুৰ দিনাখন 'মিডোগাৰবা' অৰ্থাৎ ভগবানৰ প্ৰতি শ্ৰদ্ধাৰে মাংস [illegible] মদ 'জু' আদি আগবঢ়োৱা হয়। তেওঁলোকে আয়োজন কৰা



'হাংচেউমানাওবা'ত যাতে কোনো অপায়-অমংগল হ'বলৈ নাপায় আৰু সকলোৱে যাতে সমভাৱে আনন্দ কৰিব পাৰে তাৰ উদ্দেশ্যেৰেই 'মিডোগাৰবা'ক বন্দনা কৰা হয়।

'লাউথাইচা' অৰ্থাৎ তিতা লাউৰ শুকান খোলাত 'জু' মদ আনি নানা তৰহৰ ফুল আৰু জীৱজন্তু আদি অংকিত সুন্দৰ বাঁহৰ চুঙাৰ গিলাচবিলাকত খাবলৈ দিয়া হয়। সকলোৱে ঢাৰিত বহি ধনী-দুখীয়া ভেদা-ভেদ পাহৰি আনন্দ মনেৰে মাংস 'মগং', 'মাখাম' ভাত, 'জু' মদ আদি খাই তৃপ্তি পায়। মনৰ উলাহত অন্তৰ উথলি উঠে।

উৎসৱমুখৰ পৰিৱেশত ঢোল 'খ্ৰাম', কহুঁৱা গছৰ ঠাৰিৰে সজা চালনী আকাৰৰ এবিধ বাদ্য 'খ্ৰামডুবুং', 'মৰি' পেঁপাৰ ছেৱে ছেৱে ডেকা-গাভৰুসকলে সাত দিনলৈ জুমে জুমে নাচি থাকে। বিশেষ মন কৰিবলগীয়া যে 'মৰি'ৰ সুৰ বিহুৰ শেষলৈকে একেৰাহে বাজি থাকিব লাগে।

'বুচু' উৎসৱৰ প্ৰথম দিনাখন জীৱজন্তু মাৰি মাংস ভাগ কৰি দিয়াৰ বাবে সেই দিনাক 'বুচু চাটাইবা' বোলা হয়। দ্বিতীয় দিনা 'বুচুমা'। সেই দিনাখন কনিষ্ঠসকলে জ্যেষ্ঠসকলক সন্মান প্ৰদৰ্শন কৰি উপহাৰ আগবঢ়ায় আৰু জ্যেষ্ঠ-সকলেও তেওঁলোকক আশীৰ্বাদ জনায়। মাক-দেউতাককো সন্মান কৰি 'জু' মদ আগবঢ়োৱা হয়। অন্যহাতেদি সেইদিনা 'মাখামবাৰ খাওবা' অনুষ্ঠানৰ জৰিয়তে সেই বছৰত মৃত্যুবৰণ কৰা লোকসকলৰ উদ্দেশ্যে মদ-ভাত আগবঢ়োৱা প্ৰথাও প্ৰচলিত। দ্বিতীয় দিনাখন গাঁওবুঢ়া 'কুনংগ'ৰ ঘৰৰ দুৱাৰ মুখত আৰু তোৰণ 'ফাংশ্লা'ৰ সন্মুখত কেইবাটাও দলত ডেকা-গাভৰু আৰু অন্যান্যসকল বিভক্তহৈ 'হৌ ! হৌ! বুলি চিঞৰি বিহুৰ আগজাননী দিয়ে। এই চিঞঁৰে সকলোৰে মনত উলাহৰ সঞ্চাৰ কৰে। এই চিঞঁৰৰ শেষত "অ' হ'— হ' হ'— হেই" বুলি খুব জোৰেৰে আটায়ে চিঞঁৰি চিঞঁৰি আনন্দ প্ৰকাশ কৰে।

সেইদিনাৰ অন্য এটা অনুষ্ঠান হৈছে 'বাগাওবা'। গাঁৱৰ সকলো লোকেই এই অনুষ্ঠানত যোগদান কৰে। গোটেই গাঁওখনৰ এমূৰৰ পৰা আনমূৰলৈ বিভিন্ন প্ৰকাৰেৰে আকৰ্ষণীয়াকৈ শাৰী পাতি পাতি তেওঁলোক কেইবাদলো হৈ অহা-যোৱা কৰে। তদুপৰি প্ৰত্যেক দলে বেলেগে বেলেগে গীত গাই যায়। এই আকৰ্ষণীয় অনুষ্ঠান যিজনে এবাৰ দেখিছে তেওঁ

সমূহীয়াকৈ কামবন কৰি পোৱা ধন সঞ্চয় কৰি এই উৎসৱত খৰছ কৰে। এনেকৈয়ে তেওঁলোকৰ মিলা-প্ৰীতি আৰু ঐক্যবদ্ধতা অধিক কটকটীয়া হয়।

বিহুতলী হিচাপে গাঁৱৰ কোনোবা এঘৰৰ আহল বহল চোতাল 'গাজাইবাউ' নিৰ্বাচন কৰি লোৱা হয় যাতে উৎসৱত অংশ গ্ৰহণ কৰা লোক তাত অনায়াসে থাকিব পাৰে। 'গাজাইবাউ'ৰ অৰ্থ হৈছে উৎসৱ পতা ঘৰৰ লোকৰ গৃহস্থনী। এই গৃহস্থনী গৰাকী অতিকৈ সাদৰী আৰু ধৈৰ্যশীলা হোৱা উচিত। নহ'লে এমাহৰ আগৰে পৰা তেওঁৰ চোতালত যিকোনো সময়তে ডেকা-গাভৰু আহি উৎসৱৰ প্ৰস্তুতি কৰি থাকোতে খেল-ধেমালি, নাচগান আৰু বাদ্য যন্ত্ৰৰ মাতেৰে উদ্ভৱ হোৱা অশান্তি সহ্য কৰিব নোৱাৰিব। সেয়েহে তেওঁ মনত কেতিয়াবা বেয়া পালেও হাঁহি-মাতি থাকিব লাগে।

গাঁৱলৈ সোমোৱা ৰাস্তাৰ মূৰত এখন প্ৰৱেশ দ্বাৰ 'ফাংশ্লা' আটক ধুনীয়াকৈ সজা হয়। এই তোৰণখনৰ কাৰুকাৰ্য আৰু কৌশল চালে চকুৰোৱা। ইয়াক কেৱল বাঁহৰ দ্বাৰা তৈয়াৰ কৰা হয়। কোনো গাঁঠি বা গজালেৰে সংযোগ নকৰি কেৱল বিন্ধা কৰি বাঁহবিলাক সংযোগ কৰা হয়।

বিহু উৎসৱত ডিমাছা কছাৰীসকলে বিশেষকৈ বৰা চাউলৰ ভাত খায়। বৰা চাউলৰ ভাত নোখোৱাসকলে অন্য চাউলৰ ভাতো খায়। মাংস 'মগঙ'ৰ ভিতৰত গাহৰি, ম'হ, হাঁহ আৰু কুকুৰাৰ মাংসই প্ৰধানকৈ পৰিৱেশন কৰা হয়। উল্লেখযোগ্য যে তেওঁলোকৰ খেৰছা, দাওলগুপো, নুনিছা, হাখমাওছা আদি ফৈদ বিলাকে গাহৰিৰ মাংস ভোজন কৰাটো নিষিদ্ধ। বিহুৰ দিনা কাটিবলগীয়া নোদোকা ম'হটো বিহুৰ পোন্ধৰ দিন মানৰ আগতে নাচি বাগি ডেকা-গাভৰুসকলে ফাংশ্লাৰ তলেদি গাঁৱৰ মাজেৰে আনি গাজাইবাউৰ চোতাল গছকায় আৰু তাতেই বান্ধি ৰাখে। গাঁৱৰ প্ৰতিঘৰতে বিহুৰ প্ৰথম দিনা শেষ পৰ্যায়ৰ সামৰণি পৰে। এই দিনটোত মাংস কটা 'চাটাইবা' উৎসৱ পালন কৰা হয়। নিজে খোৱাৰ লগতে দূৰণিৰ আ[illegible]হীসকলক পৰিৱেশন কৰিবলৈ সকলোৱে ঘৰত 'জু' বা 'জুদিমা' অৰ্থাৎ [illegible] তৈয়াৰ কৰি লয়।

বিহুৰ দিনাখন 'মিডোগাৰবা' অৰ্থাৎ ভগবানৰ প্ৰতি শ্ৰদ্ধাৰে মাংস [illegible] মদ 'জু' আদি আগবঢ়োৱা হয়। তেওঁলোকে আয়োজন কৰা



'হাংচেউমানাওবা'ত যাতে কোনো অপায়-অমংগল হ'বলৈ নাপায় আৰু সকলোৱে যাতে সমভাৱে আনন্দ কৰিব পাৰে তাৰ উদ্দেশ্যেৰেই 'মিডোগাৰবা'ক বন্দনা কৰা হয়।

'লাউথাইচা' অৰ্থাৎ তিতা লাউৰ শুকান খোলাত 'জু' মদ আনি নানা তৰহৰ ফুল আৰু জীৱজন্তু আদি অংকিত সুন্দৰ বাঁহৰ চুঙাৰ গিলাচবিলাকত খাবলৈ দিয়া হয়। সকলোৱে ঢাৰিত বহি ধনী-দুখীয়া ভেদা-ভেদ পাহৰি আনন্দ মনেৰে মাংস 'মগং', 'মাখাম' ভাত, 'জু' মদ আদি খাই তৃপ্তি পায়। মনৰ উলাহত অন্তৰ উথলি উঠে।

উৎসৱমুখৰ পৰিৱেশত ঢোল 'খ্ৰাম', কহুঁৱা গছৰ ঠাৰিৰে সজা চালনী আকাৰৰ এবিধ বাদ্য 'খ্ৰামডুবুং', 'মৰি' পেঁপাৰ ছেৱে ছেৱে ডেকা-গাভৰুসকলে সাত দিনলৈ জুমে জুমে নাচি থাকে। বিশেষ মন কৰিবলগীয়া যে 'মৰি'ৰ সুৰ বিহুৰ শেষলৈকে একেৰাহে বাজি থাকিব লাগে।

'বুচু' উৎসৱৰ প্ৰথম দিনাখন জীৱজন্তু মাৰি মাংস ভাগ কৰি দিয়াৰ বাবে সেই দিনাক 'বুচু চাটাইবা' বোলা হয়। দ্বিতীয় দিনা 'বুচুমা'। সেই দিনাখন কনিষ্ঠসকলে জ্যেষ্ঠসকলক সন্মান প্ৰদৰ্শন কৰি উপহাৰ আগবঢ়ায় আৰু জ্যেষ্ঠ-সকলেও তেওঁলোকক আশীৰ্বাদ জনায়। মাক-দেউতাককো সন্মান কৰি 'জু' মদ আগবঢ়োৱা হয়। অন্যহাতেদি সেইদিনা 'মাখামবাৰ খাওবা' অনুষ্ঠানৰ জৰিয়তে সেই বছৰত মৃত্যুবৰণ কৰা লোকসকলৰ উদ্দেশ্যে মদ-ভাত আগবঢ়োৱা প্ৰথাও প্ৰচলিত। দ্বিতীয় দিনাখন গাঁওবুঢ়া ' কুনংগ'ৰ ঘৰৰ দুৱাৰ মুখত আৰু তোৰণ 'ফাংশ্লা'ৰ সন্মুখত কেইবাটাও দলত ডেকা-গাভৰু আৰু অন্যান্যসকল বিভক্তহৈ 'হৌ ! হৌ! বুলি চিঞৰি বিহুৰ আগজাননী দিয়ে। এই চিঞঁৰে সকলোৰে মনত উলাহৰ সঞ্চাৰ কৰে। এই চিঞঁৰৰ শেষত "অ' হ'— হ' হ'— হেই" বুলি খুব জোৰেৰে আটায়ে চিঞঁৰি চিঞঁৰি আনন্দ প্ৰকাশ কৰে।

সেইদিনাৰ অন্য এটা অনুষ্ঠান হৈছে 'বাগাওবা'। গাঁৱৰ সকলো লোকেই এই অনুষ্ঠানত যোগদান কৰে। গোটেই গাঁওখনৰ এমূৰৰ পৰা আনমূৰলৈ বিভিন্ন প্ৰকাৰেৰে আকৰ্ষণীয়াকৈ শাৰী পাতি পাতি তেওঁলোক কেইবাদলো হৈ অহা-যোৱা কৰে। তদুপৰি প্ৰত্যেক দলে বেলেগে বেলেগে গীত গাই যায়। এই আকৰ্ষণীয় অনুষ্ঠান যিজনে এবাৰ দেখিছে তেওঁ

কেতিয়াও পাহৰিব নোৱাৰে।[১]

'বুচু' উৎসৱৰ প্ৰতিটো নিশা ডেকা-গাভৰু, ল'ৰা-ছোৱালী আনকি বয়সীয়াল সকলেও গীত গাই, বাদ্য বজাই নৃত্য কৰি আনন্দ উল্লাসত মতলীয়াহৈ পৰে। সৰু ল'ৰা-ছোৱালী বিলাকে ডাঙৰসকলক অনুসৰণ কৰি নাচিবলৈ শিকে। বয়সীয়ালসকলে ডেকা-গাভৰুহঁতৰ নাচ উপভোগ কৰি উদগনি দি থাকে আৰু কোনোবা সময়ত তেওঁলোকেও নাচিবলৈ আৰম্ভ কৰে। নৃত্যৰ অপৰিহাৰ্য বাদ্যযন্ত্ৰবিলাকৰ ছেৱতহে বিশেষকৈ তেওঁলোকে নাচে। বিহুনাম গায় যদিও তাৰ সুৰত তেওঁলোকে নানাচে। বিহুনাচ বিলাকৰ দ্বাৰা তেওঁলোকে কৃষ্টি কিছুমান প্ৰদৰ্শন কৰাটো লক্ষ্যণীয়। তেওঁলোকে নচা নাচ বিলাকৰ ভিতৰত 'বাইডিমা,' 'জাউবাণী', 'জাউপীনবাণী', 'ৰেণগিনবাণী', 'দাইশ্লেলাইবাণী', 'বাইচেৰগী', 'কোনলোবাণী', 'নানাবাইৰিবাণী', 'কামাউঠাইকিম বাওবাণী', 'বুৰুণজালা কাইলাইবাণী', 'হোমাওদাওবাণী', 'ৰোংজাওবাণী', 'দাওচিপ মাইকেব বাণী', 'দাওলিংজাং নাওয়াইজাং নাইনলাইবাণী', 'নাৰিমবাণী', 'ৰোগীদাও বিহিমাইয়াদাও', 'মাইজাওবাণী, মাইচুবাণী', 'ৰিচিববাণী', 'মিচাই বনঠাই জিবাণী, 'হোমোজিংলদাইবাণী', 'মাইগামজিগবাণী', 'দাউন দাইন লাইবাণী', 'বেৰমা চাৰাও পাইবাণী', 'মাদাইক্লিম বাণী', 'মাইগুচাবন দাইন বাণী', আদি উল্লেখযোগ্য আৰু আকৰ্ষণীয়। আপোন পাহৰাহে তেওঁলোকে বিভিন্ন দেহ-ভংগীমাৰে আড়ম্বৰপূৰ্ণ নৃত্য প্ৰদৰ্শন কৰে। আপোন পাহৰাহে তেওঁলোকে বিভিন্ন দেহ ভংগীমাৰে আড়ম্বৰপূৰ্ণ নৃত্য প্ৰদৰ্শন কৰে। মনৰ আবেগ অনুভূতি প্ৰকাশ কৰা এই নৃত্যবোৰ জটিল তালৰ। অভ্যাস নকৰিলে বা ভাল প্ৰশিক্ষণ নল'লে এনেয়ে নাচিব নোৱাৰি। নৃত্য-গীত বিলাকৰ জৰিয়তে ডিমাছা কছাৰীসকলে প্ৰাচীন কাহিনী, ভগৱান স্তুতি, ডেকা-গাভৰুৰ প্ৰেম-পিৰিতি, বিভিন্ন জীৱ-জন্তুৰ কাৰ্য, মানুহৰ দৈনন্দিন কাৰ্য, বিশ্ব প্ৰকৃতিৰ ৰেহৰূপ আদি বৰ্ণিত হয়। তেওঁলোকৰ বিহুত যোৱা নাম গাই ইজনে সিজনৰ মনৰ ভাৱ গীতৰ মাজেদি জনোৱাৰ আকৰ্ষণীয় অনুষ্ঠানো আছে। এইদৰে তৰ্কও লাগে গীতৰ মাজেৰে। উদাহৰণ স্বৰূপে তলত এটি বিহু গীত উদ্ধৃত কৰা হ'ল।

১ দুৰবা, ধৰ্মেশ্বৰ, "ডিমাছাৰ বুচু উৎসৱ," অসম বাণী, বিহু সংখ্যা, গুৱাহাটী, ১৯৮৪



ডিমাছা ঃ

"মালাৰাও ঃ ওৱাথিলিং হায়াওনে থাংয়াৰাও
টুৰিছা বজৰজাং লাবুদি
নাগা ঃ টুৰিছা বজৰজাং লাবুনাং
চেৰেণিং টুৰিছা বজৰজাং দিনাংব
মালাৰাও ঃ টুৰিছা বজৰজাং লাবুদি
টুৰিছা দিয়াহি লাইনাংয়া
নাগা
মালাৰাও ঃ বাঁচাইন চাইন লাওদাও জাপাইখা
বাঁচাইন চাইন থাংৰে থাংবুকা
বহৰদে হৰচিনি হৰপাইকা।
নহাদে মাৰেথাও নাংবদু
নহাদে পাৰেমাও নাংবদু।
পাইথাংনাং জালাইৰাও থাংগানাং
পাইথাং নাং হাইনটিৰাও থাংগানাং।।"

অসমীয়া অনুবাদ ঃ

ছোৱালী ঃ ঝুমৰ বাঁহ কাটিবলৈ যাবানো কোন?
বাঁহৰে মাকোটি মোলৈ আনি দিবা সোণ।
ল'ৰা ঃ বাঁহৰে মাকোটি চিকুণাই আনিছোঁ কাটি
মৰমৰে মাকোটি ল'ব কোনে হাত পাতি?
ছোৱালী ঃ বাঁহৰে মাকোটি আনিলে ককাইটি
হেঁপাহেৰে ল'ম ঐ দুহাতেৰে সাৱটি।
ল'ৰা-ছোৱালী ঃ দিনটো ক্ৰমে দীঘলহে আহিছে
দিনটো ক্ৰমে ওৰ পৰি আহিছে
ৰাতিও ইয়ালৈ ক্ৰমে আহি আছে।
আইৰে ঘৰলৈ ঘূৰিবৰ হ'ল
দেউতাৰ ঘৰলৈ ঘূৰিবৰ হ'ল।
আহ যাওঁ ডেকা-গাভৰুৰ দল
আহ যাওঁ সমনীয়াৰ দল।।

বিহু নাচত অংশ গ্ৰহণ কৰা পুৰুষসকলে মালকোচা দিয়া ধুতি নতুবা 'ৰিছা' নামৰ ফুলাম ধুতি, হাত দীঘল বগা কামিজ,গাত ক'লা কোট নতুবা 'ৰিমচাও' নামৰ চাদৰ, মূৰত কপাহী নাইবা এড়িৰ পাগুৰি বান্ধি লয়। মহিলাসকলে কঁকাললৈকে ৰংচঙীয়া 'ৰিগু' নামৰ এবিধ মেখেলা পিন্ধে। ইয়াৰোপৰি 'ৰিকাউচা' নামৰ এবিধ উৎসৱ আদিত পিন্ধৱৰ বাবে বিশেষভাৱে তৈয়াৰী চাদৰ একোখন কঁকালৰ ওপৰৰ অংশত পিন্ধি লয়। আজিকালি ব্লাউজৰ ব্যৱহাৰ প্ৰচলিত হৈছে।

বিহুৰ শেষৰ দিনৰ অনুষ্ঠান আটাইতকৈ পয়োভৰপূৰ্ণ আৰু আকৰ্ষণীয়। সেইদিনাখন 'গাজাইবাউ'ৰ চোতালৰ ৰভাথলী 'মিপ্ৰাইবাচাঙ'ৰ মাজভাগ ঘূৰি ঘূৰি নাচি নাচি মাটি খান্দি পানী ঢালি বোকা তৈয়াৰ কৰি সেই বোকা এজনে আন এজনক সানি দি হাঁহি-ধেমালি কৰে। বননিত বনৰীয়া আলু খান্দিলে যেনেকৈ মাটি খান্দিব লাগে সেইদৰে ইয়াতো মাটি খান্দি বোকা তৈয়াৰ কৰা হয়। বোকা খেলৰ অন্তত সকলোৱে গা ধুবলৈ ওচৰৰ নৈ বা নিজৰাৰ পাৰলৈ যায়। ৰভাথলীৰ দুৱাঁৰখনো পানীত উটুৱাই দিবলৈ লৈ যোৱা হয়।

সপ্তাহ জোৰা ভোগ, আনন্দ আৰু উৎসৱ মুখৰ বিহুৰ পৰিৱেশ চাই থাকোতে হাততেই মলঙি যায়। মিলনৰ ক্ষণবোৰে তেওঁলোকৰ মাজলৈ আনন্দৰ ধল বোৱাই আনে। বছৰ গলি শেষ হ'লে নতুন বছৰৰ আগমন হয়। নতুন উলাহৰে নতুন বছৰক আদৰি পুনৰ নাচি বাগি গীত গাই বুকুৰ মৰম-চেনেহ যাচিবলৈ আগন্তুক বছৰটোলৈ অপেক্ষা কৰি থাকে।

মিলা-প্ৰীতিৰে জাতীয় কৃষ্টিক যুগমীয়া কৰি ৰখাৰ দৃঢ় সংকল্প আগত ৰাখি এবছৰৰ বাবে এই উৎসৱৰ এনেদৰেই সামৰণি পৰে।[২]

২ Duarah, Dharmeswar, "Busu Festival of the Dimasas," The Sentinel, Vol II, No 344, 31st March, 1985.

### ৯.০০ নৱম অধ্যায়

# তিৱা সমাজৰ উৎসৱ-অনুষ্ঠান

আগতে 'লালুং' বুলি জনাজাত জনজাতীয় লোকসকলে নিজকে বৰ্তমান 'তিৱা' জনজাতি হিচাপে পৰিচয় দিয়ে। তিৱা শব্দৰ 'তি' মানে পানী আৰু 'ৱা' মানে শ্ৰেষ্ঠ বা উচ্চ মৰ্যাদা সম্পন্ন। মন কৰিব লগীয়া যে 'তিৱা' শব্দটো সম্ভৱ 'তিব্বতীয়া' শব্দৰ পৰাই উদ্ভৱ হৈছে। বড়ো জনগোষ্ঠীৰ অন্তৰ্ভুক্ত 'টিপৰা', 'তিৱা' আৰু 'ডিমাছা' জনগোষ্ঠীৰ আদিম বাসস্থান হয়তো তিব্বতৰ এটা সৰোবৰৰ কাষত আছিল।

১৯৬১ চনৰ লোকপিয়ল অনুসৰি তিৱাসকলৰ জনসংখ্যা আছিল ৬১,৩১৫ জন। ১৯৭১ চনৰ লোকপিয়ল মতে তেওঁলোকৰ সংখ্যা ৯৫,৬০৯ জনলৈ বৃদ্ধি পায়। তদুপৰি ১৯৮৭ চনৰ নিৰূপিত গণনা অনুসৰি তেওঁলোকৰ জনসংখ্যা হয়গৈ ১,৬২,৭৬০ জন।

তিৱা জনগোষ্ঠীৰ লোকসকল সংখ্যা গৰিষ্ঠ হিচাপে মৰিগাঁও আৰু নগাঁও জিলাত বসবাস কৰে। কাৰ্বিআংলং, ধেমাজি, যোৰহাট, কামৰূপ জিলাৰ উপৰি মেঘালয় ৰাজ্যৰ জয়ন্তীয়া জিলাতো যথেষ্টসংখ্যক লোকে বসবাস কৰে।

পাহাৰ ভৈয়াম উভয় অঞ্চলতে বসবাস কৰা তিৱাসকলৰ মাজত জীৱন ধাৰণৰ প্ৰণালীৰ অলেখ পৃথকতা দেখা পোৱা যায়। বিশেষকৈ ওচৰ-চুবুৰীয়া অন্যান্য জনগোষ্ঠীৰ সংস্পৰ্শ আৰু ভৌগোলিক পৰিৱেশৰ ভিন্নতাৰহেতু তেওঁলোকৰ খোৱা-বোৱা পিন্ধা-উৰা, গাঁও-ঘৰ প্ৰতিষ্ঠাৰ প্ৰণালী, কৃষি কৰ্ম, ধৰ্মীয় আচাৰ-অনুষ্ঠান আদিৰ ক্ষেত্ৰতো বিশেষ পৃথকতা দৃষ্টিগোচৰ হয়।

তিৱাসকলৰ ধৰ্মীয় আৰু সমাজ জীৱনত সমূহীয়া কীৰ্তন ঘৰ 'বৰঘৰ', 'থানঘৰ' আৰু 'নামঘৰে' বিশেষ স্থান অধিকাৰ কৰি আছে। তদুপৰি ডেকাচাং 'চামাদি'ৰ সামাজিক কাৰ্যপ্ৰণালী আৰু ডেকা সংগঠনৰ সামাজিক দায়বদ্ধতা যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়।

বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ লগত সাঙুৰ খোৱাই তিৱাসকলৰ উৎসৱসমূহ পালন কৰা হয়। পূজা-অৰ্চনা, খোৱা-বোৱা, ৰং-ধেমালি, নৃত্য-গীত-বাদ্য বাদন, মান সন্মান, ভাৱ বিনিময়, সামূহিক সম্প্ৰীতি আৰু সৰ্বজনৰ কুশল কামনাৰে তেওঁলোকৰ উৎসৱবোৰ উদ্‌যাপিত হয়। বছৰৰ বিভিন্ন সময়ত বিভিন্ন উপলক্ষত পালিত হোৱা মুখ্য উৎসৱবোৰ হৈছে তিনিটা বিহু বা 'বিচু', 'ছগ্ৰামিছাৱা', 'বৰত', 'জংখং— ছংখং ফুজা' (পূজা), 'লাংখুন পূজা', 'খাপলাং ৰাৱাণে ফুজা', 'ৱানচাৱা' বা 'ৱানজোৱা' 'জোনবিল মেলা', 'মৰণা মৰা', 'মেলা বা গোসাঁই উলিওৱা উৎসৱ', 'ভিতৰ সেৱা', আদি।

বিহু উৎসৱ ঃ অসমত বিস্তৃত আৰু জাকজমক হিচাপে পালিত হোৱা বহাগ, মাঘ আৰু কাতি বিহুক নিজস্ব আচাৰ-অনুষ্ঠানেৰে তিৱা সকলেও পালন কৰে। বিহুক তেওঁলোকে 'বিছু' বা 'পিছু' বোলে। বসতি ভূমিৰ ভিন্নতা আৰু বংশ পৰিয়ালৰ ভিন্নতা অনুসৰি অতীজতে বিহু পালনৰ দিনবাৰৰ মাজত কিছু অমিল হ'লেও বৰ্তমান অসমৰ অন্যান্য লোকে পালন কৰা দিনবাৰৰ লগত সংগতি ৰাখি সংক্ৰান্তিৰ দিনতেই বিহু পালনৰ আৰম্ভণি কৰা হয়।

তেওঁলোকৰ 'পাচোৰাজ্য'ৰ লোকসকলে পুৰণি কালত বহাগ বিহু বহাগৰ বুধ বাৰে আৰু মাঘ বিহু মাঘৰ মংগল বাৰে কৰিছিল। বাৰপূজীয়া আৰু 'সাতোৰাজ্য'ৰ লোকসকলে বৰ্তমান সংক্ৰান্তিৰ দিনতেই বিহু পালন কৰে। শিলচাঙৰ খোলা অঞ্চলৰ লোকে বহাগ বিহু মংগল বাৰে আৰু মাঘ বিহু বুধ বাৰে পালন কৰে। সেইদৰে গোভা আৰু নেলী অঞ্চলৰ লোকে বহাগ বিহু শনিবাৰে আৰু মাঘবিহু দেওবাৰে পালন কৰে। চহাৰী অঞ্চলৰ লোকে বহাগ বিহু শনি আৰু দেওবাৰে আৰু মাঘ বিহু মংগল আৰু বুধবাৰে পালন কৰিছিল। বৰ্তমান সংক্ৰান্তিৰ দিনৰ পৰাই পালন কৰে।

ব'হাগ বিহুক বসন্তৰ আনন্দোৎসৱ, মাঘবিহুক খেতি চপোৱা উৎসৱ আৰু কাতি বিহুক অনুষ্টুপীয়াকৈ লখিমী উৎসৱ হিচাপে তিৱা সমাজে পালন কৰে। উৎসৱ সমূহৰ আৰম্ভণিতে পূজা-পাতল আৰু আনুষংগিক ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰাতো লক্ষ্যণীয়।

চ'তৰ শেষত প্ৰকৃতিয়ে ন সাজেৰে ৰমকজমক হৈ মানুহৰ মনতো



উৎসৱৰ হেন্দোলনি তোলে। কুলি-কেঁতেকী চৰাইৰ হিয়া জুৰুৱা মাত, এজাক বৰষুণ আৰু বন বননিত বনৰীয়া ফুলৰ সুবাসে সকলোকে আপ্লুত কৰে। মানুহেও বহাগ বিহু পাতি ৰংধেমালি আৰু নৃত্য-গীত পৰিৱেশন কৰি প্ৰকৃতিৰ সৈতে হাত মিলায়। ব'হাগ বিহু উপলক্ষে তিৱাসকলে বিশেষকৈ মহাদেউ, মহামাই, জংকং, ভাগৱতী, কালিকা, কেঁচাইখাতী, ৰণচালী, বুঢ়া ৰামছা, চাৰি ভাই, ফৰিমহৰ অৰ্থাৎ সূৰ্য্য, বসুন্ধৰী, গণেশ, কাৰ্ত্তিক আদি দেৱ-দেৱীক পূজা কৰে। আকৌ খোলা অঞ্চলৰ ৰজা আৰু সেনাপতিসকলে ঘৰুৱাকৈ হোজাইদেউ আৰু মহাদেউৰ পূজাও কৰে।[১]

ব'হাগ বিহু উপলক্ষে তেওঁলোকে অনেক আচাৰ-অনুষ্ঠানৰো আয়োজন কৰে। গছৰ শ্ৰীবৃদ্ধি আৰু ফুল-ফল বৃদ্ধিৰ বাবে ধান খেৰেৰে লাগনি গছত একোটা বান্ধ দিয়া হয়। বৰঘৰীয়া পৰিয়ালৰ লোকে পাঁচটা শিয়াল গাঁৱৰ প্ৰৱেশ পথত বধ কৰি মা-কেঁচাইখাতী, লুকৰি কংগৰ, পাকৰি কংগৰ, বৰদেও আৰু মহাদেউৰ উদ্দেশ্যে উৎসৰ্গ কৰা প্ৰথা প্ৰচলিত।

গৰুৰগা ধুৱাবৰ কাৰণে আৱশ্যকীয় পাচলি যেনে লাউ, বেঙেনা, থেকেৰা, হালধি আদি চকল-চকলকৈ বিহুৰ আগদিনাই কাটি থোৱা হয় আৰু পাছদিনা নৈ-বিল আদিত গা ধুৱাওঁতে গৰুৰ গালৈ সেইবোৰ ছটিয়াই সিহঁতৰ দীৰ্ঘায়ু আৰু বংশ বৃদ্ধি কমানা কৰা হয়। গা ধুৱাবলৈ নিয়াৰ আগতে সিহঁতৰ গাত চৰুৰ চাই মিঠাতেল সানি বনোৱা ৰঙেৰে হাতৰ ছাপ দিয়া নিয়ম। গৰু-গাই আদিৰ মংগল কামনা কৰি 'বাঘ ৰজা'কো পূজা কৰা হয়। সেইদৰে সা-সম্পত্তি বৃদ্ধিৰ বাবে 'কুবেৰ'কো পূজা কৰা হয়। আনহাতে পিঠাগুৰি পানীত গুলিলৈ গোহালি, ভঁৰাল, ৰান্ধনিঘৰ, তাঁতশাল আদিত ছটিয়াই পৰম্পৰা নিয়ম ৰক্ষা কৰে।

নতুন বছৰক আদৰণি জনোৱাৰ উদ্দেশ্যে তিৱাসকলে 'যোৰাতোলা' বুলি এটা অনুষ্ঠানৰ আয়োজন কৰে। কৌ-পাতৰ চাউলৰ টোপোলা, তুলসী পাত আৰু দুৱৰিবনলৈ এই অনুষ্ঠানটো পাতে। আনহাতে বিহু উপলক্ষে বৰঘৰত তামোল-পাণ, পিঠা পনা দি পৰিয়ালৰ লোকসকলে উপৰিপুৰুষক স্মৰণ কৰে। নতুনকৈ খেতি-পথাৰত নমাৰ আগতে এই বিহুতেই খেতিৰ সঁজুলিবোৰ উলিয়াই আনি বিশ্বকৰ্মা আৰু কুবেৰৰ নামত পূজা কৰি পৱিত্ৰ

১ Sarmah Thakur, G. C, The Lalungs, Page 100

কৰা হয়। পিঠাগুৰিৰ পানী ছটিয়াই এইবোৰ শুদ্ধ কৰা হয়। ঘৰৰ তিৰোতাসকলে গধূলি মাটি চাকি জ্বলাই ঘৰৰ চাৰিওফালে পোহৰাই তোলে। ডাঙৰসকলক তেওঁলোকে বিহুৱান যাঁচে। 'ভেটি কৰহা' দিয়াৰ পাছত এই বিহুৰ সামৰণি মৰা হয়। ৰজা, ৰাজকুমাৰ, সেনাপতিক ভাৰত পিঠা, কপাহ, হালধি, বেঙেনা, জলকীয়া, শুকান মাছ, বাঁহগাজ আদি আনি দিয়া হয়। এই ভাৰত অনা সামগ্ৰীৰে গধূলি এটা ভোজৰ আয়োজন কৰা হয়। আনহাতে ধেমালিৰ বাবে দুদল ডেকাৰ মাজত ভাৰবোৰ টনা-আঁজুৰা কৰি এটা খেলৰো আয়োজন কৰা হয়।

পাৰ্বত্য অঞ্চলত বসবাস কৰা তিৱা সমাজে বিশেষকৈ 'বোকা নাচ'ৰ দ্বাৰা বহাগ বিহুৰ সামৰণি মাৰে। তেওঁলোকে সপ্তাহটোৰ বুধবাৰৰ পৰা মংগলবাৰলৈকে গাঁৱৰ এমূৰৰ পৰা নৃত্য-গীত পৰিৱেশন কৰে আৰু গৃহস্থই তামোল-পাণ, টকা-পইচা সন্মানেৰে যাঁচি আদৰণি জনায়। শেষৰ দিনৰ বুধবাৰে কাষৰ নৈ-বিল আদিৰ ওচৰত এডোখৰ ঠাইত বোকা তৈয়াৰ কৰি তাত ডেকা-গাভৰুৱে বাদ্যৰ ছেৱত গীত গাই নাচে। ইয়াৰ আগতে বয়সীয়াল লোকে প্ৰাৰ্থনা কৰে আকৌ সকলোৱে গা-পা ধুই আহি পুনৰ প্ৰাৰ্থনা কৰি বিহুৰ সামৰণি মাৰে। এটা গাহৰি মাৰি তাৰ মাংসৰে ভোজ খাই আনন্দ উপভোগ কৰা হয়।

ভৈয়ামত বসাবস কৰা তিৱা সমাজৰ বিহুৰ আনুষংগিক অনুষ্ঠান হিচাপে গোসাঁই উলিওৱা উৎসৱো পালন কৰা হয়। এই উপলক্ষে গাঁৱৰ মুখিয়াল সকলৰ সিদ্ধান্ত অনুসৰি গাঁৱৰ মুকলি ঠাইত এখন পূবা-পশ্চিমকৈ আৰু আন এখন উত্তৰা-দক্ষিণাকৈ ৰভা সজা হয়। এই ৰভাৰ প্ৰথম খনত ৰজা আৰু বিষয়াসকলৰ আৰু আনখনত সাধাৰণ ৰাইজৰ ভগৱানৰ মূৰ্ত্তি ৰখাৰ ব্যৱস্থা কৰা হয়। এই উৎসৱত তিৱা সমাজৰ উপৰি ওচৰ-চুবুৰীয়া কোঁচ, কাৰ্বি, বড়ো আদি লোকেও যোগদান কৰে। এই সংক্ৰান্তত ৰজাই আগদিনা উপবাসে থাকে। উৎসৱত ঢাল, তৰোৱাল আদিকো পূজা কৰা হয়। মুৰ্গী আৰু কণী বলি দি নতুৱা মাহ-প্ৰসাদ নৈবেদ্য হিচাপে আগবঢ়াই পূজা কৰা হয়। উৎসৱত ৰজাক গায়ন-বায়নৰ দ্বাৰা অনুষ্ঠান পৰিৱেশন কৰি ছাতি ধৰি ৰভালৈ আদৰি অনা হয়। ঢাল-তৰোৱাল লৈ ডেকা-গাভৰুৱে খ্ৰামবাৰ বাদ্যৰ ছেৱে ছেৱে গীত গাই নাচে আৰু বিষ্ণু মূৰ্ত্তি অৰ্থাৎ



'খাটমূৰ্ত্তি'ক নামঘৰৰ চাৰিওফালে সাত পাক প্ৰদক্ষিণ কৰোৱাই ৰভাত প্ৰতিষ্ঠা কৰি নামকীৰ্ত্তন পৰিৱেশন কৰা হয়। ডেকা ৰজাৰ অধীনত ডেকা-গাভৰুসকলে যুদ্ধৰ নাচ-নাচি সকলোকে আনন্দিত কৰে। গধূলি পুনৰ মূৰ্ত্তিক নামঘৰলৈ সোমোৱাই উৎসৱৰ ওৰ পেলায়।

ভৈয়ামৰ অন্যান্য জনগোষ্ঠীৰ দৰে তিৱাসকলেও মাঘ বিহু খেতি চপোৱাৰ ভোগৰ বিহু হিচাপে পালন কৰে। এই উপলক্ষে মেজি সজা আৰু ভেলাঘৰ সজাৰ উপৰি ভোজভাত খাই আনন্দ উপভোগ কৰে। তেওঁলোকৰ ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ বাবে সুকীয়াকৈ মেজি সজা হয়। ওৰে ৰাতি ডেকাসকলে ভেলাঘৰত কটাই পুৱা গা পা ধুই মেজি জ্বলায় আৰু ৰজাক বিশেষ সন্মান জনাই বিহুৰ সামৰণি মাৰে।

মাঘ বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান হ'ল 'জোনবিল মেলা'। এই মেলা বজাৰত বছৰেকৰ মূৰত পাহাৰ-ভৈয়াম উভয়ৰে তিৱা সমাজ মিলিত হয় আৰু শাক-পাচলিকে ধৰি আন আন বস্তুবোৰ বিনিময় কৰি লোৱা হয়। পাহাৰৰ তিৱালোকে গোভা ৰজালৈ বুলি উপহাৰ আনে আৰু মান আগবঢ়ায়। মেলাৰ আগদিনা সমূহীয়াকৈ জোনবিলত মাছ মাৰি তাৰে ভোজৰ আয়োজন কৰা হয়। এই সমূহীয়া ভোজ 'নৱান জোৱা' বুলি জনাজাত। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা এই বিহুৰ দিনা গএঁৱা খেতিয়ক ৰাইজে গেৰেলী ধৰা ধাননি পথাৰত বাঁহৰ জেং গুজে, ৰেবাব টেঙা কাটি ছটিয়ায় আৰু গধূলি পৰত পথাৰ, গোহালি, ভঁৰাল, বাৰী, ৰান্ধনিঘৰ আদিত মিঠাতেলৰ চাকি প্ৰজ্বলন কৰে। কোনো লোকে কৃষিৰ সঁজুলি বৰঘৰলৈ নি শিয়াল মাৰি 'বিহকৰমা' দেৱতাক পূজা কৰে। থানঘৰ, বৰ ঘৰলৈ নতুন তামোল উৎসৰ্গ কৰি সেই দিনাৰ পৰা অন্যান্য কাৰ্যত ইয়াক ব্যৱহাৰ কৰিব পৰা হয়।

ছগ্ৰামিছাৱা উৎসৱ ঃ তিৱা সমাজে সাধাৰণতে ফাগুন মাহৰ মধ্য ভাগত ছগ্ৰামিছাৱা নামৰ বসন্ত উৎসৱ পালন কৰে। তেওঁলোকৰ ভাষাত "ছগ্ৰা" মানে সমূহীয়া আৰু "মিছাৱা" মানে নৃত্য। অৰ্থাৎ সকলোৱে মিলি নৃত-গীত বাদ্য বজাই এই উৎসৱ পালন কৰে।

এনে এটা উৎসৱৰ ৰং ৰহইচৰ খলকনি তোলাৰ বাবে গাঁওবাসীৰ মাজত সকলো ধৰণৰ প্ৰস্তুতি চলোৱা হয়। ইয়াৰ বাবে পৰিচালনাৰ গুৰু

দায়িত্ব বহন কৰে পুৰোহিত "লৰ" আৰু তেওঁৰ সহকাৰী 'হাতাৰী'য়ে। তদুপৰি নৃত্য-গীতৰ কাৰণে ওজা খেল, ডেকা সকলৰ ডেকা চাং 'চামাদি', বুঢ়াৰ বুঢ়া চাং, চাংদলৈৰ সহকাৰী চাংমাজী, ভোজৰ ভাণ্ডাৰী খেল, আখৰা আদিৰ পৰ্যবেক্ষক 'হোৰমাধৰ' আৰু জাতীয় পোছাক-পৰিচ্ছদ বোৱাৰ নিৰ্দেশক "পাতৰ"ৰ নিজা নিজা দায়িত্ব থাকে। ডেকাচাং 'চামাদি'ত ওলোমাই থোৱা বাদ্য থুৰাং, পাংচি, দগাৰা বা তুম্বাং, খ্ৰাম, খ্ৰামবাৰ, ঢোল, কালি, গগনা, টকা, যতৰা, টোকাৰী, পেঁপা, আদি সেৱা সৎকাৰ কৰি আনি যাৱতীয় মেৰামতি কৰিলৈ বজাই নৃত্য-গীতৰ আখৰা কৰা হয়।

ছগ্ৰামিছাৱা উৎসৱ দেওবাৰ বা বুধবাৰে আৰম্ভ কৰি এসপ্তাহলৈ উদ্‌যাপন কৰা হয়। প্ৰথমেই নিয়ম অনুসৰি 'পাংচিটানা' কৰি পূজা দি বাঁহৰ বাঁহী তৈয়াৰ কৰিবলৈ উপযুক্ত বাঁহ সংগ্ৰহ কৰা হয়। 'চামাদি'ৰ মাজৰ খুটাটোক 'মিন্দাইনে থুনা' বোলে আৰু ইয়াক মহাদেউ হিচাপে গণ্য কৰি এভাগ পূজা আগবঢ়াই বাঁহী সাজিবলৈ অনুমতি কামনা কৰে। ৰাতিলৈ চাংঘৰৰ তলত একুৰা জুই ধৰি নৃত্য-গীতৰ আখৰা অতি নিষ্ঠাৰে কৰা হয়। ঠাইভেদে মংগল বা বুধবাৰে ইয়াক আৰম্ভ কৰে।

এই উৎসৱৰ আৰম্ভণিতে 'বাৰিখা' বোলা লোকজনে গাঁৱৰ সকলোকে উৎসৱৰ আচাৰ-নীতি একান্তভাৱে পালন কৰিবলৈ সকীয়াই দিয়ে আৰু সেই অনুসৰি গাঁওবাসীয়েও পালন কৰে। উৎসৱত খোৱা-বোৱাৰ সমূহ দায়িত্ব ভাণ্ডাৰী খেলে পালন কৰে। সামাজিক মৰ্যাদা অনুসৰি লাউপানী বিভিন্ন পাত্ৰ যেনে পিতল, কৌপাত, চুঙা আদিত পৰিৱেশন কৰা হয়।

উৎসৱ উপলক্ষে 'চামাদি'ৰ কাষৰ মুকলি ঠাইত কেইবাখনো তোৰণ সাজি ফুল-পাতদি আকৰ্ষণীয়কৈ সজোৱা হয়। চাংদলৈয়ে 'চাৰিভাই চাৰি কৰাক' দেৱতাৰ প্ৰতীক মদাৰ গছৰ ডাল এটা গাঁৱৰ এমুৰত স্থাপন কৰে। সন্ধিয়া পৰত ডেকা দল 'পান্থাই'য়ে চাংদলৈক তামোল-পাণ দি মান যাঁচে আৰু বয়োজ্যেষ্ঠ সকলৰ ওচৰতো ছগ্ৰামিছাৱাত হ'ব পৰা অপৰাধৰ বাবে ক্ষমা ভিক্ষা মাগে।

এই উছৱত ডেকা-গাভৰুসকলে অতি সুন্দৰকৈ নৃত্য-গীত পৰিৱেশন কৰে। তদুপৰি সমাজৰ সন্মানীয় ব্যক্তি ৰজা বা দল�ৈ, চাংদলৈ, চাংমাজি, লৰ', ওজা আদিৰ ঘৰত সমূহীয়াকৈ নৃত্য-গীত পৰিৱেশন কৰে। এই নৃত্য-গীতৰ মাধ্যমেৰে ডেকা-গাভৰুসকলৰ মনৰ বতৰাও ব্যক্ত কৰি কোনো কোনোৱে বিবাহ পাশতো আৱদ্ধ হয়।



ছগ্ৰাৰ নাচনীসকলৰ পৰম্পৰাগত সাজপাৰ আৰু মুখা আদি থাকে। সাধাৰণ নাচনীৰ বাহিৰেও কেইজনমানক বিশেষভাৱে সজাই নৰ্তকৰ ৰূপ দিয়া হয়। সেইসকল হৈছে দুজন 'উমুনী', মহাদেউৰ প্ৰতীক 'ডাওৰীয়া' বা 'তঙৰীয়া', 'বুৰা', পছুৰ প্ৰতীক 'মছ' আদি। বাকী সাধাৰণ নাচনীয়ে পৰম্পৰাগত সাজপাৰ 'টাগলা' পৰিধান কৰে। উৎসৱৰ চতুৰ্থ দিনা ডেকাসকল 'চামাদি'লৈ ঘূৰি আহে আৰু চাৰি ভাই চাৰিকৰাৰ প্ৰতীক 'মিন্দাইফা' চাংদলৈয়ে 'ছগ্ৰা-কৰাছগ্ৰা'ত সাজি এই নৃত্য-গীতৰ সামৰণি মাৰে। আনহাতে কিছুমান ঠাইত পুৰোহিতে 'মিন্দাইফা'ৰ কাষত একুৰা জুই ধৰে আৰু তাতেই বাদ্যবাদকসকলে কৰুণ সুৰ সঞ্চাৰ কৰি উছৱৰ সামৰণি মাৰে। তদুপৰি পুৰোহিতে 'চাৰিভাই চাৰিকৰা' দেৱতাৰ নামত এটা ৰঙা কুকুৰাৰ ঠেং মুচৰি এৰি দিয়ে। শেষত বাঁহী বজাই সকলো বাঁহী মিন্দাইত কোবাই ভাঙি পেলোৱা হয়।

'বৰত' উৎসৱ ঃ 'বৰত' শব্দই প্ৰকৃততে ব্ৰত শব্দকে সূচায়। এই উৎসৱত বিশেষকৈ সৰস্বতীক পূজা কৰা হয়। এই উপলক্ষে কাতি বিহুৰ দিনাৰে পৰা পুহ মাহৰ পূৰ্ণিমা তিথিলৈকে বিভিন্ন কাৰ্যসূচীৰে এই উৎসৱ পালনৰ দিহা কৰিব লাগে। এজনী কুমাৰী ছোৱালীক ব্ৰতেশ্বৰী কুঁৱৰী স্বৰূপে সপ্তাহে সপ্তাহে নোৱাই-ধোৱাই নানা নীতি-নিয়মেৰে পূজা কৰিব লাগে। এই পূজা সেইবাবে কুমাৰী পূজাৰো নামান্তৰ বোলাৰ থল আছে। ব্ৰতেশ্বৰীৰ সৈতে অন্য চাৰি গৰাকী নিৰ্দিষ্ট আয়তীক এই ক্ষেত্ৰত যাৱতীয় সকলো কৰ্ম কৰি যাবৰ বাবে নিৰ্বাচন কৰি লোৱা হয়।

এই উৎসৱ পালন কৰিলে ৰাজ্যৰ পৰা সকলো ধৰণৰ অপায়-অমংগল, বেমাৰ-আজাৰ, বিপদ-আপদ আঁতৰি যায় বুলি বিশ্বাস আছে।

'বৰত' উৎসৱ ৰজাদিনীয়া। ডিমৰীয়া ৰজাৰ পৰা তেতেলীয়া আৰু কুমৈ ৰজাই এই উৎসৱ যৌতুক সূত্ৰে লাভ কৰিছিল। তেতেলীয়া ৰজাৰ উৎসৱক 'ওৱা বৰত' আৰু কুমৈ ৰজাই পালন কৰা উৎসৱক 'ভদীয়া বৰত' বোলা হয়। তেতেলীয়া পাহাৰৰ দাঁতিত অৱস্থিত কালিকা আৰু বংশী বাদন নামৰ দুখন থানত পূজা দিয়াৰ পাছতহে বৰত উৎসৱৰ আৰম্ভ কৰিব পৰা

যায়। বিশেষকৈ কালিকা থানত আৰম্ভণিতে পূজা দিয়াৰ নিয়ম প্ৰচলিত। কাতি বিহুৰ দিনা গধূলি পৰত সৰস্বতী দেৱীলৈ বুলি এথোক পোৱাকল, ফুল, চাউল, তামোল-পাণ, টেঙা আদি উপাচাৰ আগবঢ়াই উপাসনা কৰা হয়। আয়তীসকলে পূজাৰ নাম গায়। আৰম্ভণিৰ দিনা কালিকা থানত কাছ আৰু ছাগলী বলি দি বৰত উৎসৱৰ বাবে প্ৰথম পৰ্যায়ৰ প্ৰস্তুতি সম্পন্ন কৰে। প্ৰতিটো কুলৰপৰা একোখন পুষ্পসজ্জিত দোলা আগবঢ়োৱা হয়। ব্ৰতেশ্বৰীয়ে ব্যৱহাৰ কৰা চাম-কাঠৰ পীৰাখনক 'সুংগৰি' বোলা হয়।

কাতি বিহুৰ দিনাৰ পৰাই ব্ৰতেশ্বৰী আৰু চাৰি গৰাকী আয়তীয়ে ব্ৰত পালন কৰে আৰু নিৰামিষ ভোজন কৰে। প্ৰতি সপ্তাহৰ শেষৰ দিনা নাম-গুণ গাই, নৃত্য-গীত-বাদ্য পৰিৱেশন কৰি সাতটা ঘাটৰ পানী আনি ব্ৰতেশ্বৰীক নোওৱা-ধোওৱা হয়।

আৰম্ভণিৰ দিনৰে পৰা কুঁৱৰীক নোওৱাৰ পানী তোলা, দোলা, ঘট, জাপি আদি সকলো সামগ্ৰী বেইতেই ৰখা হয়। পুহ মাহৰ পূৰ্ণিমাৰ দিনা উৎসৱৰ পয়োভৰ ঘটে। সেইদিনা ৰভা ঘৰত পূব মুৱাকৈ চাৰিকোণীয়া মাটিৰ টিপ এটা সাজি তাৰ ওপৰত এখন চন্দ্ৰতাপ আঁৰা হয়। টিপত 'সুংগৰি' পাৰি তাৰ ওপৰত কুঁৱৰীক উপবিস্থ কৰাই বাকী কাৰ্যসূচীলৈ যোৱা হয়। প্ৰতিটো কুলৰ পৰা দিয়া দোলাৰ কাষে কাষে ৰখীয়া আয়তীসকলে কাষত চাকি জ্বলাই ৰমক জমক কৰি তোলে। এই দোলাত সাধাৰণতে তিনিশ ষাঠিটা বন্তি জ্বলায়।

সমবেত আয়তীসকলে সাত আধ্যা গীত গোৱাৰ পাছত নাচনিয়াৰসকলে জ্বলা জোঁৰ হাতে হাতে লৈ বেছুৱেদি ৰভাৰ চৌপাশে এপাক ঘূৰি আহে। ইয়াকে 'অগ্নিগড়' বোলা হয়। বিভিন্ন ভংগীমাৰে নৰ্ত্তকসকলে বাদ্যৰ ছেৱে ছেৱে আৰু গীতৰ তালে তালে জীৱজন্তু আৰু দেৱ-দেৱীৰ মুখা পিন্ধি আকৰ্ষণীয় নৃত্য পৰিৱেশন কৰে। তদুপৰি বিশেষ কাৰিকৰী প্ৰথাৰে কাঠৰ কপৌ চৰাই এটা সাজি তাক নাচৰ ছেৱে ছেৱে ৰচী টানি নচুওৱা হয়। এই নাচোনক 'জাকৌৱা চৰাই লৌ' বোলা হয়। শেষত আয়তীয়ে মহাদেউৰ গীত পৰিৱেশন কৰাৰ তালে তালে নৰ্ত্তকে মহাদেউৰ মুখা পিন্ধি ৰভাথলীত নৃত্য কৰে।

ইয়াৰ পাছত ব্ৰতেশ্বৰী কুঁৱৰীয়ে মূৰত তুলি 'সুংগৰি'খন আনি ৰভাৰ



মাজত এখন কলপাতৰ ওপৰত থয় আৰু 'সুংগৰি' পূজা দি ৰজাকো সেৱা জনায়। ব্ৰতেশ্বৰী আৰু আয়তীয়ে নাচনিয়াৰ দলৰ সৈতে দোলাৰ পৰা সংগ্ৰহ কৰা চাউল, লোণ, তেল, শাক-পাচলি গ্ৰহণ কৰে আৰু তাৰেই সৰ্বশেষত এটা ভোজৰ আয়োজন কৰে। লগে লগে তেওঁলোকৰ ব্ৰত ভাঙে আৰু বৰঢুলীয়াই ঢোল বাই ভালুক নচুৱায়। ব্ৰত ধৰা চাৰিগৰাকী আয়তীয়ে 'সুংগৰি'খন টনা-আঁজোৰা কৰি নিজৰ দখললৈ নিয়াৰ চেষ্টা কৰে আৰু ই এটা আকৰ্ষণীয় দৃশ্যত পৰিণত হয়। দখললৈ আনিব পৰা আয়তীক ৰজা বা বিষয়াসকলে পুৰস্কিত কৰে। আনহাতে এই সময়তে আন আন আয়তীয়ে তুলসী পানী ছটিয়াই সাত আধ্যা গীত গায়। পিছ দিনা ৰাইজে কৰৈডোৱা বিলত মাছ মাৰি তাৰে সমজুৱা ভোজৰ আয়োজন কৰি এই বাৰলৈ বৰত উৎসৱৰ সামৰণি মাৰে।

জংখং— ছংখং ফুজা ঃ পাহাৰৰ তিৱা সমাজে কোৱা 'ছংখং ফুজা'ক ভৈয়ামত 'জংখং' বুলি উচ্চাৰণ কৰা হয়। এই পূজা উৎসৱ এক প্ৰকাৰ লখিমী উৎসৱ আৰু ইয়াক বহাগ বিহুৰ পিছতেই পালন কৰা হয়। এই পূজা উৎসৱ দুটা পৰ্যায়ত পালিত হয়। প্ৰথমে গাঁওবাসীৰহে ডেকা-বুঢ়া সমন্বিতে 'লৰ', 'হাতাৰী', 'চাংদলৈ', 'চাংমাজি' আদি ব্যক্তিসকল এডোখৰ মুকলি ঠাইত মেল পাতি পূজাৰ আৰম্ভণি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। পুৰোহিত লৰ'ই আয়তক্ষেত্ৰাকাৰ এটা টিপ সাজি দূবৰি বন, তুলসী, কাঁহৰ লোটাত পানী, দুটা মতা আৰু দুজনী মাইকী কুকুৰালৈ পূজা কৰে। এশ দহখিলা তৰাপাতৰ জাপনি এটাৰে পূজাৰ বেদী তৈয়াৰ কৰা হয়। সাতডাল বাঁহৰ লেকেচি শাৰী পাতি পুতি তাৰ গুৰিত লাউপানী আৰু আৰৈ চাউল উছৰ্গ কৰা হয়। তদুপৰি আৰৈ চাউলত এটা কণী আৰু ৰূপৰ আঙঠিও থোৱা হয়। লোটাত নিয়া পানী তুলসীপাত আৰু দূবৰিৰে ছটিয়াই বেদীখন শুচি কৰা হয় আৰু লৰ'ই মংগল চায়। উছৰ্গ কৰা কুকুৰাবোৰ 'জেলা'ই বলি দি তাৰ তেজ বেদীত দিয়া হয় আৰু পেটুবোৰ তাত দীঘলকৈ সজাই মংগল চোৱা হয়। মাংসৰে ভোজখাই প্ৰথম পৰ্যায়ৰ সমাপ্তি ঘোষণা কৰা হয়। সেই দিনাৰ পৰা এসপ্তাহলৈ ঘৰুৱা কোনো ড্ৰাঙৰ কাম হাতত লোৱা নহয়। গাঁও-ঘৰ আদি সকলো চাফ-চিকুণ কৰি গোটেই গাঁওখন উৎসৱৰ বাবে সাজু কৰি তোলা নিয়ম প্ৰচলিত।

মূল পূজাৰ বাবে প্ৰতিঘৰ লোকে পাৰ্যমানে চাউল, লাউপানী, খৰি আদি যোগাৰ দিয়ে। এসপ্তাহৰ মূৰত পূজাৰ থলীত বাঘৰজা, থল দেৱতা, মহাদেউ আৰু চাৰিভাই চাৰিকৰাৰ বাবে চৰিখন বেদী সজা হয়। এলাউ মদ উছৰ্গ কৰি আমপাত আৰু ফুলেৰে মালাদি এডাল বাঁহৰ লেকেচি বেদীখনৰ সন্মুখত পোতা হয়। প্ৰতিখন বেদীতে সুকীয়া সুকীয়াকৈ উপাচাৰ দ্ৰব্যহিচাপে আৰৈ চাউল, তুলসী, দূৰৰি, তামোল-পাণ, লাউপানী, কণী আদি দিয়া হয়। তদুপৰি লৰ'ই মন্ত্ৰ উচ্চাৰণ কৰি কাছ আৰু চৰাই বলি দি তাৰ তেজ বেদীত ছটিয়াই পূজা কৰে। কৃষিৰ প্ৰথমজন কৃষক মহাদেউক মানি তেওঁকেই মূলতঃ পূজা ভাগ দি তিৱাসকলে বছৰৰ কৃষি কৰ্মলৈ অগ্ৰসৰ হয়। তেওঁলোকে এই পূজাৰ দ্বাৰা শস্য উৎপাদন বৃদ্ধি আৰু সকলোৰে শুভ কামনা কৰে।

লাংখুন ফূজা ঃ এটা পূজাৰ বিশেষ উদ্দেশ্য হৈছে বাঁহ কটাৰ আৰম্ভণি কৰা। কাতি মাহৰ শেষত চাৰি দিনীয়াকৈ পালন কৰা এই পূজাৰ অনুমতি বিচাৰি দেউৰীয়ে শনিবাৰ এটাত চাংদলৈ, চাংমাজি, লৰ', হাতাৰী আদি লোক সকলৰ প্ৰতি তামোল-পাণ আৰু লাউপানী আগবঢ়ায়। ডেকাচাং 'চামাদি'ৰ মুখ্য বিষয় 'ববীয়া চাংদলৈ আৰু চাং মাজিয়ে তামোল পাণ আৰু লাউপানীসহ লৰ', 'দেউৰী আৰু হাতাৰীৰ সৈতে হাবিত বিজুলী বাঁহৰ লাংখুন কাটিবলৈ যায়। ভাল চাই এজোপা বিজুলী বাঁহৰ তলিখন পৰিস্কাৰ কৰি তাত আগলি কলপাত পাৰি সাতখন কটা তামোল উছৰ্গ কৰি বাঁহগছৰ প্ৰতিপালক দেৱ-দেৱীৰ উদ্দেশ্যে প্ৰাৰ্থনা জনায় আৰু সকলো দোষ-জগৰ পৰিহৰি আশীৰ্বাদ দিবলৈ আহবান জনায়। তাৰ পাছত তেওঁলোকে ওঠৰডাল বাঁহ সভক্তিৰে কাটি আনি দেও পূজাৰ শালত থয়হি আৰু ওৰে বাট নৃত্য-গীতৰ পৰিৱেশনেৰে মুখৰিত কৰি তোলে। আকৌ দেওবাৰৰ দিনা খেৰ কটাৰ বাবে পূজা দিবলৈ এডোখৰ ঠাই পৰিষ্কাৰ কৰা হয় আৰু তাত আৱশ্যকীয় খৰি, খেৰ, পানী, লাউপানী খোৱা চুঙা আদি যোগাৰ কৰি থয়। সোমবাৰৰ দিনাখন দেওশালৰ পৰা 'লাংখুন'ৰ বাঁহ আৰু বাটৰ পৰা এডাল মদাৰ গছ কাটি আনে। মদাৰ গছ ডালক 'মালবাৰী' বোলা হয়। এই মালবাৰী ডাল চাঁচি তাৰ মূৰত চৰাই কাটি লগোৱা হয় আৰু বিবিধ চিত্ৰ অংকিত কৰি ছাই আৰু হালধিৰে বোলোৱা হয়। ডেকাসকলে দেউৰীৰ



পৰা বাদ্যযন্ত্ৰসমূহ খুজি আনি চামাদিত ৰাখে। পাছদিনা মংগলবাৰে চামাদিৰ কাষত পুতি থোৱা মালবাৰীবোৰলৈ হৈ হৈ বুলি চিঞঁৰি ডেকাসকল গাঁওবাসীৰ ঘৰে ঘৰে গৈ চাল-বেৰ আদিত কোঁবাই কাৰোবাক খেদি নিয়াৰ দৰে নৃত্য-গীত পৰিৱেশন কৰি এডোখৰ ঠাইত সেইবোৰ পেলাই থৈ আহে। আকৌ সুন্দৰকৈ চুঁচ উলিয়াই সজোৱা লাংখুনবোৰৰ পূজা কৰে। পাছদিনা অনুষ্ঠিত হোৱা এই পূজাত লাংখুনবোৰ দীঘল কলপাততথৈ পাঁচটা তামোল, পাঁচখিলা পাণ আৰু আৰৈ চাউল আগবঢ়াই চৰাই বলি দি তেজবোৰ বেদীলৈ বুলি ছটিওৱা হয়। তদুপৰি তাত লাউপানী ঢালি প্ৰাৰ্থনা কৰা হয়। এই পূজাৰ সময়ত খ্ৰাম, খ্ৰামবাৰ আদি বাদ্যৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিতহৈ উঠে। ডেকাসকলে আনন্দত অধীৰহৈ ঘূৰণীয়াকৈ নৃত্য কৰে। পূজাৰ অন্ত পৰাৰ লগে লগে ডেকাসকলক বুঢ়াসকলে সভক্তিৰে লাংখুন বোৰ আনি দিয়েহি। সেইবোৰলৈ তেওঁলোকে অতি উছাহেৰে পুনৰ নৃত্যত মগ্নহৈ পৰে। প্ৰথমতে চামাদিত এনে নৃত্য কৰাৰ পাছত ঘৰে ঘৰে গৈ নৃত্য পৰিৱেশন কৰে আৰু গৃহস্থয়ো তেওঁলোকক যথাসাধ্য আপ্যায়ন কৰে। শেষত মালবাৰীবোৰ পেলোৱা ঠাইত লাংখুনবোৰো পেলোৱা হয়। তেওঁলোকৰ লোকগীতবোৰ এই পূজাতো অতি সুন্দৰভাৱে গোৱা হয়। দেউৰীক শেষৰ দিনা বাদ্যযন্ত্ৰবোৰ ঘূৰাইদি. সেইবাৰলৈ লাংখুন পূজা উৎসৱৰ অন্ত পেলায়।

খাপলাং ৰাৱাণে ফূজা ঃ এই পূজা খেৰ কটা পূজা। কাতি মাহত এই পূজা কৰিহে তিৱাসমাজে খেৰ কাটিবলৈ আৰম্ভ কৰাৰ নিয়ম বান্ধিছে। তেওঁলোকে বন দেৱতাক পূজা দিলেহে খেৰ-বন কটাত সুবিধা হয় বুলি ভাবে।

শনিবাৰে পূজাৰ আৰম্ভণিৰ আলোচনা লৰ'ৰ ঘৰত কৰা হয়। পাছদিনা দেওবাৰে পুৰা গাঁৱৰ সকলো পৱিত্ৰ ভাৱেৰেগৈ থানত পূজা আৰম্ভ কৰে। থানৰ পশ্চিম দিশত চাৰিভাই চাৰিকৰা, মহাদেউ, থল দেৱতা আৰু বাঘ ৰজাৰ বাবে চাৰিখন বেদী সাজি তাত পূজাৰ নৈবেদ্য আগবঢ়োৱা হয়। পৱিত্ৰ মন্ত্ৰপুত কৰি পিঠাগুৰি ছটিয়াই একোটা কণী উছৰ্গ কৰা হয়। তদুপৰি থল দেৱতাৰ বেদীৰ বাদে বাকী কেইখনত একোটাকৈ কুকুৰা কাটি তেজ উছৰ্গ কৰা হয়। প্ৰতি গৰাকী দেৱতাৰ উদ্দেশ্যে বেলেগ বেলেগ মন্ত্ৰ গোৱা

হয়। এই উপলক্ষে নৃত্য-গীতৰো আয়োজন কৰা হয়। শেষত চামাদিলৈ আহি আসনত থোৱা কণী বলি দিয়া হয় আৰু তামৰ আঙঠি বজাই দেৱতাক উছৰ্গ কৰা হয়। পিছদিনাখন পুৰা ভাগত ৰাইজে খেৰ কাটি আনি তাৰে শোটা তৈয়াৰ কৰা হয়।

'ৰান চাৰা' বা 'ৰানজোৰা' উৎসৱ ঃ 'ৰানচাৰা' বা 'ৰানজোৰা' উৎসৱ আচলতে পিঠা-খোন্দা উৎসৱ। এই উপলক্ষে প্ৰায় এসপ্তাহ জুৰি গাঁৱৰ লোকসকলৰ সৈতে ওচৰ-পাজৰৰ গাঁওবোৰৰ পৰাও লোক আহি যোগদান কৰি ভাব বিনিময় কৰাৰ লগতে নৃত্য-গীত আদিতো ভাগ লয়। বিশেষকৈ আহিন-কাতি মাহৰ কোনো মংগল বাৰৰ পৰা চামাদিত এই উৎসৱ পালন কৰা হয়। তেওঁলোকে এই উৎসৱ পালনৰ দ্বাৰা কৃষি-কৰ্মৰ মংগল আৰু শস্যাদিৰ উৎপাদন বৃদ্ধি হয় বুলি বিশ্বাস কৰে।

চামাদিৰ কাষত উৎসৱ থলী সাজি তাত ফা-মহাদেউ আৰু চাৰিভাই চাৰিকৰাৰ পূজাৰ বেদী তৈয়াৰ কৰা হয়। পূৰ্ব পুৰুষে পালন কৰি অহা ৰীতি-নীতিৰে তেওঁলোকেও এই উৎসৱ পালনৰ আয়োজন কৰে।

পৰম্পৰা নীতি-নিয়মেৰে পূজা পাত কৰি উৎসৱৰ কেইদিন ডেকা-গাভৰুসকলে হাতত উৱাল মাৰি লৈ বাদ্যৰ ছেৱে ছেৱে নাচি নাচি উৱালত পিঠাগুৰি খুন্দে। পিঠাগুৰি পানীত গুলি মানুহৰ গালৈ পৰিত্ৰ ভাৱেৰে ছটিয়াই আনন্দ কৰে আৰু মংগল কামনা কৰে। তেওঁলোকে এই উৎসৱত লালি-হিলালী গীত গাই মনৰ ভাবো প্ৰকাশ কৰে। পিঠা খুন্দি তেওঁলোকে লখিমী-দেৱীকো পূজা কৰে। ভোজ ভাতৰ আয়োজন কৰি সকলোৱে খাই সমাজ বান্ধোন অধিক কটকটীয়া কৰা হয়।

মৰণা মৰা নৃত্য-গীতৰ উৎসৱ ঃ তিৱা সমাজে ধানৰ ডাঙৰিবোৰ দ'মাই থয় আৰু গাঁৱৰ ডেকা-গাভৰু সকলৰ সহযোগত সেইবোৰ মৰণা মাৰি জাৰি-জোকাৰি ধান উলিয়াই ভঁৰালত থয়। ধানৰ মেজিক তেওঁলোকে 'মাইকুই' বোলে। কোনো এদিন ডেকাসকল গৃহস্থৰ ঘৰত উপস্থিতহৈ তেওঁলোকৰ বাবে আগবঢ়োৱা লাউপানী 'পহন' সেৱন কৰি 'খুহুংকাৰ' বুলি কণী এটা কাটি লখিমীৰ পূজা কৰা হয়। তদুপৰি 'মাইকুই'ৰ ওচৰত ধূপ-ধূনা জ্বলাই লখিমী দেৱীলৈ পূজা আগবঢ়োৱা হয়। আনহাতে কেইজনমানে ডাঙৰিবোৰ খহাই আনি বান্ধ কাটি মৰণা পেলায়। ঘৰৰেই



হওক বা গঞাঁৱে হওক গাভৰু সকলেও ডেকাসকলক এই ক্ষেত্ৰত সহায় কৰে। বাদ্যৰ ছেৱে ছেৱে নৃত্য কৰি তেওঁলোকে মৰণা মাৰে। এই নৃত্য অতিশয় উপভোগ্য।

আনহাতে "গৃহস্থ শুদ্ধি" কৰণাৰ্থে এটা বাটিত তিয়াই থোৱা পিঠাগুৰি লৈ 'খুমাই লাই' বা খুমাৰ গছৰ পাতেৰে জুবুৰিয়াই মৰণাৰ চৌপাশে, ধান-মেজি, নৃত্য-শিল্পী বৃন্দৰ পিঠি, মদৰ কলহ, দোণ আৰু পাচিত ছটিয়ায় আৰু এজনে ধূনা জ্বলাই পিছে পিছে বিচনীৰে বিচি যায়।"[২] এনেদৰে নৃত্য-গীতৰ মাধ্যমেৰে মৰণা মৰা কাৰ্যই গাঁৱৰ ডেকা-গাভৰুসকলৰ মাজত মিলাপ্ৰীতিৰ এনাজৰীডাল পুনৰ বন্ধা হয়।

ভিতৰ সেৱা ঃ তিৱা সকলে ভিতৰ সেৱা পূজাও কেঁচাইখাতী দেৱীৰ উদ্দেশ্যে কৰে। বছৰত দুৱাৰকৈ পালন কৰা এই সেৱাক 'বৰসেৱা' আৰু 'আঁৰেয়া সেৱা' বোলা হয়। ৰাতিসেৱা কৰা ঘৰটোক 'সচংঘৰ' বুলি অভিহিত কৰে। এই সেৱাৰ ভকতসকল হৈছে বুঢ়াভকত, খুটি পুতীয়া ভকত, গুৱাকটীয়া ভকত, দুৱৰীয়া ভকত, চাকৰি, সাজনী আৰু পাচনী আদিয়েই প্ৰধান। তেওঁলোকে চাকি জ্বলায় আৰু শংকৰৰ নামত বুঢ়া ভকতে তুতি কৰিবলৈ লয়। "আগলি কলপাত জাপত শংকৰৰ নামত এযোৰ, মূলৰ নামত এযোৰ গোৱা পাণ দি আগলি কলপাত এখিলাৰে ঢাকি দিব, তাৰ ওপৰত তামৰ পইচা চাৰিটা চাৰিচুকে দিব। তাৰ পিছত দক্ষিণফালে থালৰ মাননিৰ বাবদ এযোৰ গোৱাপাণ দিব। সেইখিনি কৰাৰ পিছত ভিতৰৰ কোঠাত থকা মাতৃৰ ধ্বজ জ্বলাবলৈ চাকৰি যাব। ইয়াতো ওপৰত উল্লেখ কৰাৰ দৰে চকৰ ওপৰত ধ্বজ, ধ্বজৰ ওপৰত চক্ দি চাকি বহুৱাই তেল শলিতা জ্বলাব।[৩] এই ভিতৰ সেৱা উৎসৱ ৰাতি সেৱা উৎসৱৰেই নামান্তৰ। কেঁচাইখাতী দেৱীৰ উদ্দেশ্যে কৰা এই পূজা তিৱা সংস্কৃতিৰ এটি সাংস্কৃতিক পৰম্পৰাগত উৎসৱ হিচাপে পৰিগণিতহৈ আছে।[৪]

---

২ গগৈ, লোকেশ্বৰ, তিৱা সংস্কৃতিৰ ৰূপৰেখা, প্ৰথম খণ্ড, পৃষ্ঠা ১৮১

৩ দেউৰী, মনেশ্বৰ, তিৱা সমাজ, পৃষ্ঠা ১০০-১০১

৪ দুৱৰা, ধৰ্মেশ্বৰ, "উৎসৱক কেন্দ্ৰ কৰি তিৱা সমাজ জীৱন," আজিৰ অসম, ৯ কাতি, ১৯১৮ শক, ২৬ অক্টোবৰ, ১৯৯৬

## ১০.০০ দশম অধ্যায়

# দেউৰীসকলৰ উছৱৰ ৰংচ'ৰা

অসমৰ দেউৰীচুতীয়াসকল বৃহৎ চুতীয়া জাতিৰ এটা ধৰ্মপ্ৰাণ পুৰোহিত শ্ৰেণীৰ জনগোষ্ঠী। বৃহৎ চুতীয়া জাতিক হিন্দু চুতীয়া, আহোম চুতীয়া, বৰাহী আৰু দেউৰী বুলি চাৰিটা প্ৰধান ভাগত ভাগ কৰিলেও পিছত মিৰিচুতীয়া আৰু বুৰুক চুতীয়া নামেৰে আন দুটা ফৈদো সৃষ্টি কৰা হৈছে। অসমৰ নানা জাতি-উপজাতি আৰু ধৰ্ম-সম্প্ৰদায়ৰ লোকৰ সৈতে বৈবাহিক আৰু সামাজিক সংমিশ্ৰণৰ ফলস্বৰূপে অতীজৰ চুতীয়া জনগোষ্ঠীৰ লোকৰ ফৈদৰো নতুন নতুনকৈ সৃষ্টি হয়। এই ফৈদবোৰৰ কেৱল দেউৰীসকলৰ মাজতহে অতীজৰ ভাষা-সংস্কৃতি, ধৰ্ম-কৰ্ম আৰু সামাজিক ৰীতি-নীতি অক্ষুন্নভাৱে প্ৰচলিতহৈ থাকে।

আহোমসকল অসমলৈ ১২২৪ খ্ৰীষ্টাব্দত অহাৰ আগতেই চুতীয়াসকলে প্ৰধানকৈ শদিয়া অঞ্চলত থাকি ৰাজ্য স্থাপন কৰি আছিল আৰু পিছলৈ দিচাং নৈলৈকে বিস্তৃতহৈ পৰিছিল। অৱশ্যে ১৪শ শতিকা আৰু ১৫২৩ খ্ৰীষ্টাব্দৰ মাজভাগত আহোম সকলে চুতীয়াসকলক যুদ্ধত পৰাজিত কৰি শেষত চন্তাম বা চন্দনগিৰি অধিকাৰ কৰে। আহোমসকলে চুতীয়াসকলক দমন কৰাৰ উদ্দেশ্যেৰে তেওঁলোকৰ কিছুসংখ্যক লোকক অসমৰ বিভিন্ন ঠাইত সংস্থাপন কৰে। শদিয়াৰ আনটো পাৰত দেউৰীসকলৰ প্ৰকৃত বসতিভূমি আছিল আৰু প্ৰায় এক শতিকাৰ আগতে তেওঁলোক বৰ্তমানৰ ঠাইলৈ ধৰ্মীয় সংক্ৰান্তত আহে যদিও শদিয়ালৈ অহা-যোৱা কৰি থাকে।[১] আনহাতে দেউৰীসকল দেৱ-দেৱীৰ পূজাসেৱা কৰা পুৰণি পুৰোহিত সম্প্ৰদায়ৰ লোক। তেওঁলোকে আদিতে কণ্ডিল নৈৰ দাঁতিত বসবাস কৰিছিল। (Sadiya Frontier Tract Gazetteer)

চুতীয়া শব্দটোৰ উৎপত্তি বিষয়ক নানা মত পোৱা যায়। "সাহিত্যিক অৰ্থত 'চুতীয়া' শব্দই গুণী বা উচ্চ জাতৰ মানুহক বুজায়।"[২] "বহুযুগ স্বতী

১ Brown, W. B, An Outline Grammar of the Deori-Chutia Language : Introduction, P. 1.

২ শইকীয়া, পৱন চন্দ্ৰ, দেউৰী চুতীয়া সম্প্ৰদায়, অসম সাহিত্য সভা, পৃষ্ঠা - ২



নৈৰ পাৰত থকা বাবেই তাৰ সৰস্বীয়া পাৰ বাসীৰ নামেই হ'ল চতীয়া। চতীয়াই মানুহৰ মুখ বাগৰি বাগৰি উকা চটোত উকাৰ এটা লাগি চুতীয়া হ'লগৈ।"[৩] পুনৰ— "দেউৰী খেলৰ দেউৰী নামটোৱেই চুতীয়াৰ প্ৰাচীনত্ব সোঁৰৱাই আছে। আমাৰ পূজা-সেৱা, নাম কীৰ্ত্তন আদিত প্ৰসাদ বা ভোগ-মাহ-চাউল বিলাবৰ হ'লেই আমি "দেউৰী বিলনীয়া উঠিবৰ হ'ল" বুলি কথা এযাৰ কওঁ।" আনহাতে "দেউৰী শব্দটো সংস্কৃত দেৱগৃহিক শব্দৰ পৰা উদ্ভৱ হোৱা এটা নৱ-ভাৰতীয় আৰ্য্যভাষাৰ শব্দ।[৪]

প্ৰায় বাৰশ শতিকাৰ আৰম্ভণিতেই অসমত চুতীয়া ৰাজ্য 'বিদৰ্ভ' স্থাপন কৰি পাছলৈ কুণ্ডিল আৰু সৌমাৰপীঠ নামেৰে খ্যাতহৈ দুখন ৰাজ্যত পৰিণত হৈছিল। ৰাজ্যৰ উত্তৰ সীমাত আছিল হিমালয় পৰ্বতমালা, দক্ষিণে দিহিংনৈ, পুবে পাটকাই পৰ্বতমালা আৰু পশ্চিমে ভৰলী নৈ। চুতীয়া সকলৰ প্ৰাচীন ৰাজ্যৰ শিল্প-ভাস্কৰ্য আৰু সভ্যতাৰ নিদৰ্শন হিচাপে ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, তাম্ৰেশ্বৰী মন্দিৰ, মালিনি থান, প্ৰতিমা নগৰ বা পৃথিমিনগৰ, ৰজা মৈদাম, ৰাণী মৈদাম, পদুম পুখুৰী, ৰাজমাও পুখুৰী, ৰাজ আলি, বুঢ়া-বুঢ়ী শাল বা গিৰা গিৰাচী বা কুণ্ডিমামাকু আদি পোৱা হয়।[৫]

দেউৰী চুতীয়া সকলক বাসস্থান অনুসৰি চাৰিটা প্ৰধান ভাগত ভাগ কৰা হয়। সেয়া হৈছে— দিবং নৈৰ পাৰৰ লোক দিৱঙীয়া, লুইত বা বৰনৈৰ পাৰৰ লোক বৰগঞা, টেঙাপানী নৈৰ পাৰৰ লোক টেঙাপনীয়া আৰু পাত শদিয়াত থকা লোক পাতৰ গঞা। উল্লেখনীয় যে এই পাতৰ গঞা খেলৰ লোক বৰ্তমান পৃথকে পোৱা নাযায়। এই সন্দৰ্ভত ৰাজমোহন নাথে 'চুতীয়া জাতিৰ পুৰাতত্ত্ব' নামৰ প্ৰবন্ধত উল্লেখ কৰা মতে ছিলেটত বাস কৰা পাতৰ জনজাতিৰ লোকসকলৰ আচাৰ-নীতি আৰু প্ৰকৃতিলৈ লক্ষ্য কৰিলে তেওঁলোকক দেউৰী চুতীয়াৰ পাতৰ সকলৰ দৰেই অনুমান হয়। আনহাতে কাছাৰ জিলাত কেইবাখনো চুতীয়া গাঁও বৰ্তমানেও বৰ্তি আছে। এই লোকসকলে অসমীয়া ৰীতি-নীতিআৰু ভাষা-সংস্কৃতিক সংৰক্ষণ কৰি ৰখাটো উল্লেখনীয়।

৩ শৰ্মা, বেণুধৰ, "চুতীয়া জাতিৰ সংস্কৃতি" চন্দনগিৰি আলোচনী ১৯৯৩, সৰুপথাৰ, পৃষ্ঠা -১২

৪ Kakati,Banikanta, The Mother Goddess Kamakhya, P. 66

৫ শইকীয়া, পৱন চন্দ্ৰ, প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯

ভাৰতৰ সংবিধানত চুতীয়াসকলৰ কেৱল দেউৰী-চুতীয়া আৰু মিৰিচুতীয়াসকলকহে ভৈয়াম জনজাতিৰ তালিকাভুক্ত কৰা হয় আৰু বাকী হিন্দু চুতীয়া, আহোম চুতীয়া, মৰাণ চুতীয়া আদিক অন্যান্য পিছপৰা আৰু পিছত অতি অন্যান্য পিছপৰা জাতিৰ তালিকাভুক্ত কৰা হয়।

১৯৫১ চনৰ লোকপিয়ল অনুসৰি দেউৰী-চুতীয়াৰ পাহাৰ-ভৈয়াম উভয় ক্ষেত্ৰ মিলাই জনসংখ্যা হয় ১২,৫০৩ জন। ইয়াৰে দেউৰী ভাষা কোৱা লোকৰ সংখ্যা হ'ল ৬,৭১৫ জন। ১৯৬১ চনৰ লোকপিয়ল অনুসৰি জনসংখ্যা হয় ১১,৮২৫ জন। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি তেওঁলোকৰ জনসংখ্যা হয় ২৩,০৮০ জন। ১৯৮৭ চনৰ মাৰ্চৰ প্ৰকল্প সমীক্ষানুসৰি জনসংখ্যা ৩৭,০২৮ জন হয়গৈ। দেউৰীচুতীয়াসকলৰ বৰ্তমান বসতিভূমি হৈছে লক্ষীমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট আৰু শোণিতপুৰ জিলা।

পুৰণি কলা-কৃষ্টি-সংস্কৃতি অটুট ৰখা জনজাতি হিচাপে দেউৰীচুতীয়াসকলে অসমৰ আন আন লোকৰ দৰেই কাতি বিহু, মাঘ বিহু আৰু বহাগ বিহু স্বকীয় আচাৰ-অনুষ্ঠান আৰু বৈশিষ্ট্যৰে পালন কৰে। বিহু আৰু পূজা পাতল একেলগে সাঙুৰি বছৰৰ তিনিওটা বিহু তেওঁলোকে অনুষ্ঠিত কৰে। বিহুত তেওঁলোকৰ ভাষাৰে 'বিচু' অৰ্থাৎ 'বি' মানে অতি আৰু 'চু' মানে ৰং-ধেমালি-আনন্দ। সেইবাবে 'বিচু' শব্দই আনন্দ উৎসৱক সূচায়। কৃষিজীৱী-দেউৰী সকলেও কৃষি ভিত্তিক উৎসৱ হিচাপে বিহুক পালন কৰি আহিছে।

কাতি বিচু ঃ কাতি মাহত সেউজীয়া ধাননি পথাৰত ধান গছ গেৰেলী হয় আৰু থোক ওলাবলৈ ধৰে। আহিন আৰু কাতিৰ সংক্ৰান্তিৰ পৰা অসমৰ আন আন জাতি গোষ্ঠীয়ে কাতি বিহু বা কঙালী বিহু পালন কৰে আৰু এই উপলক্ষে লখিমী পূজা, তুলসী গছ ৰুই বন্তি জ্বলাই সেৱা কৰে। সেইদৰে দেউৰী চুতীয়া সকলেও লখিমী সবাহৰ আয়োজন কৰি গাঁৱৰ সকলোৰে মংগল আৰু উৎপাদন বৃদ্ধি কামনা কৰে। লখিমী পূজা পাতিবলৈ তেওঁলোকে গাঁৱৰ মাজৰ এডোখৰ সুচল আৰু পবিত্ৰ ঠাই নিৰ্বাচন কৰি লক্ষ্মী দেৱীক কল, পিঠা, তামোল-পাণ আদি নৈবেদ্য আগবঢ়াই প্ৰাৰ্থনা কৰে। আনহাতে দিবঙীয়া খেলৰ দেউৰী চুতীয়াই ধাননি



পথাৰ আৰু ভঁৰালত 'মিনুচী' অৰ্থাৎ লক্ষ্মীদেৱীৰ উদ্দেশ্যে কুকুৰা কাটি তেজ আৰু মূৰ উছৰ্গ কৰে। এনে আচাৰ অনুষ্ঠানৰ দ্বাৰা শস্যৰ উৎপাদিকা শক্তি বৃদ্ধি পায় বুলি তেওঁলোকৰ মাজত লোকবিশ্বাস আছে। তদুপৰি পথাৰ-সমাৰ আৰু ভঁৰাল-বাৰী-ঘৰ সকলোতে গধূলি বন্তি জ্বলাই লখিমীক আদৰা হয়। কাতি মাহত সকলোৰে ভঁৰাল উদংহে আহিবলৈ ধৰাৰ বাবে আৰ্থিক অনাটনে দেখা দিয়ে। গতিকে কাতি বিহুক কঙালী বিচু বুলিয়েই এইদৰে অনুষ্টুপীয়াকৈ অনুষ্ঠিত কৰা হয়।

মাঘীয় বিচু ঃ মাঘ মাহৰ প্ৰথম বুধবাৰৰ পৰা আৰম্ভ কৰি মাঘীয় বিচু বা মাঘ বিহু পালন কৰা হয়। দেউৰী সমাজত বুধবাৰটো বিশেষভাৱে শুভদিন বুলি গণ্য কৰা হয়। সেইকাৰণে সকলো শুভকাৰ্যৰ আৰম্ভণি এই দিনটোতেই কৰা হয়। মাঘ মাহৰ প্ৰথম বুধবাৰে দেওশালত মাঘীয় বিচু পূজা কৰাৰ নিয়ম। সেইদিনাৰ পাছৰ দিন বৃহস্পতি বাৰৰ পৰা প্ৰায় এসপ্তাহলৈকে এই বিচু উদ্‌যাপিত হয়। খোৱা-বোৱা আৰু আনন্দ প্ৰকাশ কৰি নৃত্য-গীতৰ পৰিৱেশন কৰাই এই বিচুৰ মুখ্য কাৰ্যসূচী।

মাঘীয় বিচু পূজা উপলক্ষে দেওশালত হাঁহ, ছাগলী, কুকুৰা বলি দি উছৰ্গ কৰাৰ উপৰি বিহু উপলক্ষে গোটোৱা জা-জলপান আৰু পিঠা-পনাও অৰ্পণ কৰা হয়। দেওশালৰ উপাস্য দেৱ-দেৱীক দি লোৱাৰ পাছতহে তেওঁলোকে এইবোৰ খোৱা-বোৱা কৰাৰ নিয়ম। মন কৰিবলগীয়া যে থান ঘৰত পূজা অনুষ্ঠিত কৰাৰ আগতে পুৱাই টেঙাপনীয়া খেলৰ লোকসমাজে ঘৰ দেৱতা 'সুৰচনী'ৰ পূজা কৰিব লাগে। আনহাতে বৰগঞা আৰু টেঙাপনীয়া খেলৰ লোকসমাজে ঘৰ শুচি অৰ্থাৎ 'খিন' পেলায়। আমৰলিয়া হাঁহ আৰু পঠা ছাগলী বলি দিও এই দুই খেলৰ লোকে পূজাৰ নৈবেদ্য আগবঢ়ায়। দেওশালত পূজা-পাত কৰাৰ অন্তত সকলোৱে মিলি ভোজভাত খায় আৰু লাউপানী 'চুঝে' সেৱন কৰি আপ্যায়িত হয়।

মাঘীয় বিচু উপলক্ষে তেওঁলোকে মেজি সাজি অগ্নি প্ৰজ্বলিত কৰি অগ্নি দেৱতাক পূজা কৰাটো পবিত্ৰ কৰ্তব্য বুলি গণ্য কৰে। কাঠ-বাঁহৰ দ্বাৰাই মেজি সজা হয়। বিহুৰ আগৰে পৰা গাঁৱৰ ডেকা সকলে এইবোৰ গোটাই ৰাখে। দেউৰীসকলে মাঘৰ প্ৰথম বুধবাৰে বিহু অনুষ্ঠিত কৰে কাৰণে মংগল বাৰটোত উৰুকাৰ দিন পৰে। সেইদিনাই ৰাতি মেজি সজা হয়।

উল্লেখনীয় যে মেজি সাজিবৰ কাৰণে সমজুৱাই দুগৰাকী বিশেষ গুণসম্পন্ন ব্যক্তিক দায়িত্ব অৰ্পণ কৰে। তেওঁলোকৰ গুণবোৰৰ ভিতৰত মন কৰিবলগীয়াবোৰ হৈছে— দুয়োজনৰে মাক-দেউতাক জীৱিত থাকিব লাগে, সাপে নোখুটা, কুকুৰে নাকামোৰা আৰু শগুণে গাত মলত্যাগ নকৰা হ'ব লাগে। তেওঁলোক দুয়ো গা-পা ধুই তিতা তিয়নি পিন্ধিয়েই মেজি তৈয়াৰ কৰিব লাগে। সাধাৰণতে পুৰুষ আৰু প্ৰকৃতি বুলি ক্ৰমে দুটাকৈ ডাঙৰ-সৰু মেজি সজা হয়। অতীজতে গাভৰুসকলেও সুকীয়াকৈ মেজি সাজি জ্বলাইছিল বুলি জনা যায় যদিও বৰ্তমান সেই পৰম্পৰা আজিকালি নাই। বৃহস্পতিবাৰে পুৱতি নিশা কুকুৰাই ডাক দিয়াৰ পূৰ্বেই মেজিত অগ্নিসংযোগ কৰিব লাগে। মেজি সজা নিৰ্বাচিত লোক দুজনে এইবাৰো পুৱতি নিশাই গা-পা ধুই তিতা তিয়নিৰে হাতত লাগনী খৰিলৈ আনলোকৰ সৈতে মেজিৰ চাৰিওফালে সাতপাক ঘূৰি অগ্নিসংযোগ কৰা হয়। উপস্থিত লোকসকলে হৰিধ্বনি দিয়াৰ উপৰি ঢোল বাই মংগল ধ্বনি কৰাৰো প্ৰথা প্ৰচলিত। সমজুৱাইও গা-পা ধুই অগ্নি সেৱা কৰে। তদুপৰি এজন ডেকাই তামোল-পাণেৰে শৰাই এখনলৈ ৰাইজৰ কুশলাৰ্থে বিশ্বনাথক প্ৰাৰ্থনা কৰাৰ নিয়ম। ৰাইজে হৰিধ্বনিৰে আশীৰ্বাদ বৰ্ষণ কৰে। জুই নুমুৱাৰ পাছত সকলোৱে ঘৰাঘৰি যায়। জুইৰ তাপ লোৱাৰ সময়ত সমবেত সকলোৱে সেই বছৰত উৎপাদিত কাঠ আলু, গৰীয়া আলু, মোৱা আলু, পাণ-তামোল অৰিহণা আদি অগ্নিলৈ অৰ্পণ কৰি সেৱা জনায়। মাঘ বিচুত আলু খাই পৰজনমত গাহৰি হৈ জন্ম লোৱাৰ পৰাও তেওঁলোকে লোকবিশ্বাসমতে হাত সাৰে।

বৃহস্পতিবাৰে পুৱা তেওঁলোকে পূৰ্বপুৰুষৰ পূজা 'মিম হাৰেৰোবা' অনুষ্ঠিত কৰি তেওঁলোকৰ আশীৰ্বাদ ধন্য হয়। মাঘ বিচুৰ উৰুকাৰ দিনা ঘৰে ঘৰে বাৰীৰ লাগনী গছ-গছনিত ধান খেৰেৰে বান্ধ একোটা দি উৎপাদিকা শক্তি বৃদ্ধিৰ বাবে লোকবিশ্বাস অনুসৰি নিয়ম পালন কৰে। মেজি জ্বলোৱাৰ দিনা ৰাতিপুৱা ঘৰে ঘৰে সকলোৱে নিজৰ নিজৰ গোহালিৰ গৰুক আহুধানৰ খেৰ পুৰি তাৰ ছাইৰ সৈতে মিঠাতেল মিহলাই 'তেল-ছাই'ৰে ফোঁট দি সিহঁতৰ কুশল কামনা কৰা হয়।

ডেকা-গাভৰুসকলে এই বিহুত গাঁৱৰ সকলোৱে ঘৰত বিহু নাম গাই



বিহু মাৰে। আনহাতে দিবঙীয়া খেলৰ লোকসকলে ঘৰৰ ভিতৰতহে এই বিচুত নৃত্য-গীত কৰি আনন্দ প্ৰকাশ কৰে। গৃহস্থয়ো তামোল-পাণ আৰু অৰিহণা দি আশীৰ্বাদ গ্ৰহণ কৰে আৰু বিহুৱাদলক পাৰ্যমানে 'চুঝে' আৰু জা-জলপান পৰিৱেশন কৰি আপ্যায়ন কৰে। বিচু উপলক্ষে ৰাইজে ঘিলা, ধূপ আদি খেলো খেলি আনন্দ কৰে। সাত দিন জুৰি পালন কৰা এই মাঘীয় বিচুৰ জৰিয়তে তেওঁলোকৰ মাজত ভোগ-বিলাস, আনন্দ আৰু সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশনৰ লগে লগে ধৰ্মীয় পৰম্পৰাও ৰক্ষা কৰি আহিছে। অৱশ্যে থান ঘৰত বা দেওশালত কেৱল পূজা পাতহে অনুষ্ঠিত হয় আৰু আনুষংগিক আন আন আচাৰ-অনুষ্ঠানৰ লগতে বিহুৰ ৰং-ধেমালি নৃত্য-গীতবোৰ গাঁওঘৰতহে পৰিৱেশিত হয়।

বহাগীয় বিচু ঃ কুণ্ডিমামাই উদ্ভাৱন কৰা বিচু উৎসৱ সকলোৱে আদৰৰ বাপতি সাহোন। বহাগীয় বিচু পালন কৰিবলৈ হ'লে প্ৰথমে বহাগ মাহৰ প্ৰথম বুধবাৰৰ দিনা দেওশালত পুৰোহিতসকলে বহাগীয় বিচু পূজা কৰাটো নিয়মৰ অন্তৰ্ভুক্ত। দেউৰী চুতীয়াসকলৰ চাৰিওটা খেলৰ লোকে নিজা নিজা ৰীতি অনুসৰি দেৱ-দেৱীৰ উদ্দেশ্যে নৈবেদ্য উছৰ্গ কৰি ৰাইজৰ মংগল কামনা কৰে। দিবঙীয়া ফৈদে এই পূজাত চৈধ্যটা কুকুৰা পোৱালি ডিঙিৰ তলত কাটি সিহঁতৰ তেজ আৰু মূৰবোৰ দেৱ-দেৱীৰ উদ্দেশ্যে উছৰ্গ কৰে। বৰগঞাসকলে ছাগলী, হাঁহ, পাৰ আৰু ম'হো বলি দি দেওশালত দেৱ-দেৱীক সন্তুষ্ট কৰে। আকৌ টেঙাপনীয়া ফৈদৰ লোকেও কুকুৰা, হাঁহ, পাৰ, ছাগলী আদি বলি দি দেৱ-দেৱীৰ পৰা আশীৰ্বাদ বিচাৰে। উল্লেখনীয় যে দেউৰীসকলৰ উপৰি তেওঁলোকৰ আশে পাশে বসবাস কৰা আহোম, কছাৰী, চাহমজদুৰৰ লোকেও জীৱ জ[illegible]-দেৱীৰ অৰ্থে বলি দিয়ায় আৰু সকলোৱে শুভ কামনা কৰে। অৱশ্যে পূজাৰ শেষত হোৱা ভোজত দেউৰী চুতীয়াসকলে ভোজভাত খায় আৰু তেওঁলোকৰ লগত আন সম্প্ৰদায়ৰ লোকে একেলগে খোৱা বোৱা নকৰি সুকীয়াকৈ দিয়াৰ নিয়ম। তদুপৰি, নাৰীসমাজক এই ভোজনত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত ৰখা হয়। বলি দিয়া জীৱ-জন্তুবোৰ পাছত নিজা নিজা ঘৰলৈ নি খোৱাৰ ব্যৱস্থাও প্ৰচলিত।

দেউৰীচুতীয়াসকলৰ ডেকা-গাভৰুৱে পৃথকে পৃথকে চ'ত মাহৰ

মাজভাগৰ পৰাই বিচুৰ খোলা অৰ্থাৎ বিহুৰ নৃত্য-গীত বাদ্য পৰিৱেশনৰ ঠাই পাতি আনন্দত মতলীয়াহৈ দলে দলে নাচে, গায়, বজায়। কেতিয়াবা কোনো গৃহস্থৰ চোতালতো বিচুৰ খোলা পতা হয়। এই বিচুৰ খোলাত তেওঁলোকে ৰাতিৰ সাজ ভাত খাই আজৰিহৈ ৰাতি বিহু পাতে।

চ'ত মাহতেই শিপিনীসকলে তাঁতশালত বোৱা গামোচা; চেলেং কাটি হুচৰিদলক দিবলৈ অতি যতনেৰে ৰাখি থয়। তদুপৰি বিধে বিধে জলপান, লাউপানী 'চুঝে' আৰু মিঠাতেল পেৰি থয়। বিহুত খাবলৈ উৰুকাৰ দিনা বিভিন্ন বনৰীয়া শাক-পাচলিও সংগ্ৰহ কৰি থয়। এই বনৰীয়া শাক-পাচলি বিহুৰ দিনা খালে বছেৰেকলৈ বেমাৰ-আজাৰৰ পৰা হাতসাৰি থাকিব পাৰি বুলি লোকবিশ্বাস আছে। সংক্ৰান্তিৰ দিনা প্ৰতিঘৰ লোকেই ঘৰ শুচি 'খিন্' পেলাই কৰে। গৰুক গৰু বিহুৰ দিনা নতুন পঘাৰে বান্ধিবলৈ আৰু তৰাজৰী, তংলতিৰ মালা গাঁথি থোৱা হয়। তদুপৰি বাঁহৰ শলাৰ চাট তৈয়াৰ কৰি হালধি, বেঙেনা, থেকেৰা, তিয়ঁহ, লাউ, কেৰেলা আদি শাক-পাচলি চকলিয়াই তাত সোমোৱাই থয়। গৰুৰ গা ধুৱাওঁতে এইবোৰ গালৈ দলিয়াই সিহঁতৰ শ্ৰীবৃদ্ধি কামনা কৰা হয়।

বহাগৰ প্ৰথম বুধবাৰৰ দিনা গৰু বিচু 'মুচু জিকুৰে' অনুষ্ঠিত কৰে। এই উপলক্ষে কৃষিজীৱী দেউৰী চুতীয়াসমাজে ঘৰৰ গৰুবোৰক অতিশয় সন্মান প্ৰদৰ্শন কৰে। সিহঁতৰ পৰা পোৱা অসীম সহায়ৰ বাবে এই সন্মান যঁচা হয়। সেইদিনা ৰাতিপুৱা গাঁৱৰ সকলোৱে নিজৰ নিজৰ গৰুবোৰ কোনো নৈ-বিল আদিলৈ নি সমূহীয়াভাৱে গা-ধুৱায়। সেইদিনা গৰুক এছাৰিৰে কোবাব নাপায় কাৰণে দীঘলতি আৰু মাখিয়তি গছৰ ডালেৰেহে কোবোৱা হয়। গৰুৰ গালৈ লাউ, বেঙেনা, থেকেৰা, হালধি আদিৰ চকলবোৰ দলিয়াই সিহঁতৰ বংশ বৃদ্ধি আৰু দীৰ্ঘায়ু কামনা কৰি এৰি দিয়া হয়। নদীৰ পানীলৈ দুজন ডেকা নামিগৈ পানী যুঁৰলিত আগলি কলপাত পাৰি বেদী সাজি তামোল-পাণ অৰ্পণ কৰি ৰাইজৰহৈ বিশ্বনাথক প্ৰাৰ্থনা কৰে। ন-বছৰৰ ন-পানীৰে গা-পা ধুই গৰু-গাইকে ধৰি সকলো লোকৰে বিপদ-বিঘিনি আৰু বেমাৰ-আজাৰ নাইকিয়া হোৱাটো বিচৰা হয়।

গৰুৰ গা ধুৱাই অহাৰ পাছত সকলোৱে মাহ-হালধি ঘঁহি গা ধুৱে। সেইদিনা মাহ-হালধি ঘঁহি গা ধুলে চৰ্মৰোগৰ পৰা বছেৰেকলৈ মুক্তহৈ



থাকিব পাৰি বুলি বিশ্বাস কৰা হয়। তাৰ পাছত সকলোৱে হাঁহ আৰু কুকুৰাৰ কণী যুঁজাই বছেৰেকলৈ মূৰ ঘূৰণিৰ পৰা ৰক্ষা পৰে। বিহুৰ দিনা সৰুৱে ডাঙৰক সেৱা কৰি আশীৰ্বাদ গ্ৰহণ কৰে আৰু ডাঙৰ সকলেও সৰু সকলক চেনেহ যাঁচে। সেইদিনা গধূলি গৰুক নতুন ৰচী আৰু তংলতিৰ মালাসহ তৰাজৰী পিন্ধোৱা হয়। সিহঁতক পিঠা-পনাও খুৱাই আদৰ কৰা হয়।

গৰু বিহুৰ পাছদিনা অৰ্থাৎ বৃহস্পতি বাৰে মানুহ বিহু। সেইদিনাৰ পৰা এসপ্তাহলৈ বিহুৰ ৰংৰহইচ চলি থাকে। মানুহ বিহুৰ দিনা ৰাতিপুৱা সকলোৰে ঘৰত মৃতকক জলপান খুউৱা অনুষ্ঠান 'মিম হাৰেৰুৱা' অনুষ্ঠিত কৰিহে বিহুৰ জা-জলপান আৰু পানীয় 'চুঝে' গ্ৰহণ কৰাৰ প্ৰথা প্ৰচলিত। বাৰীৰ পাছফালে এডোখৰ পৰিষ্কাৰ ঠাইত মাটিৰে টিপ সাজি বেদী তৈয়াৰ কৰি তাত কলপাত পাৰি মৃত পূৰ্বপুৰুষসকলৰ অৰ্থে বাওঁহাতেৰে খোৱা বস্তু, জা-জলপান অৰ্পণ কৰিব লাগে। এই অনুষ্ঠান কৰিলে মৃতকে উত্তৰ পুৰুষৰ প্ৰতি সন্তুষ্টহৈ বিপদ মুক্তৰ বাবে আশীষ জনায় বুলি লোকবিশ্বাস আছে।

দেউৰীচুতীয়াসকলৰ মাজত ৰাতি বিহু আৰু দিনৰ বিহু দুয়োবিধেই প্ৰচলিত। চ'ত মাহ সোমোৱাৰ পৰাই ৰাতি বিহু পতা হয়। উৰুকাৰ দিনা ডেকা-গাভৰুসকলে ওৰে ৰাতি বিহু মাৰে। এই বিহুক 'ৰাতি থপা' বুলিও কোৱা হয়। সেইদৰে দিনত দেৱ-মন্দিৰ প্ৰাংগণত ডেকা-গাভৰুকে ধৰি সকলো বয়সৰ লোকে ৰুচি সন্মতভাৱে বিহু পাতে। ইয়েই দিনৰ বিহু। উল্লেখনীয় যে তেওঁলোকৰ টেঙাপানী আৰু বৰগঞা খেলৰ ডেকাগাভৰুসকলে সুকীয়া সুকীয়াকৈ বিহুৰ খোলা পাতি বিহু মাৰে আৰু দিবঙীয়া খেলৰ ডেকা-গাভৰুৱে কেতিয়াবা লগ বিহুও মাৰে।

তেওঁলোকৰ বিহুনামবোৰক অনুষ্ঠান অনুসৰি (১) **দেৱ-মন্দিৰত গোৱা বিহুনাম আৰু** (২) গাঁৱত গোৱা বিহু নাম হিচাপে দুভাগে ভগোৱা হয়। দেৱ মন্দিৰত দেওধনীৰ সন্মুখত গোৱা নামবোৰ কেৱল বিহুৰ দিনা সেই নিৰ্দিষ্ট ঠাইত নিৰ্দিষ্ট উদ্দেশ্যেৰেহে গোৱাটো উচিত। আনহাতে তেওঁলোকৰ মাজত প্ৰচলিত ঐতিহ্যপূৰ্ণ আৰু লোকসাহিত্যৰ চহকী বিহু নাম সমূহক ছটা বিশেষ লক্ষণযুক্ত ভাগত ভাগ কৰিব পৰা যায়। সেইবোৰ হৈছে— (১) দেওধনীৰ উৎসৱত গোৱা বিহুনাম, (২) আৱৰব' বিহু নাম, (৩) হাঁচতি বিহু নাম, (৪) হুচৰি বিহুনাম, (৫) হুৰাই ৰাঙলী বিহুনাম আৰু

(৬) ৰহিলা বিহু নাম। এই বিহুনাম বোৰৰ সাহিত্যিক মূল্যও লেখত ল'বলগীয়া।[৬]

দেৱ-দেৱীয়ে কৃপা দৃষ্টি ৰখাৰ উদ্দেশ্যেৰে দেওশালৰ পূজাৰী বিষয়াৰ অনুমতি সাপেক্ষে গঞাঁলোকে ৰঙালী বিহু উপলক্ষে কোনো কোনো বছৰত হুচৰি গোৱাৰ সিদ্ধান্ত লয়। এই উপলক্ষে ডেকা-গাভৰুসকলে বিহুৰ খোলাৰ পৰা আহি পোন প্ৰথমে দেওশাল প্ৰাংগণত আৰম্ভ কৰি যথাক্ৰমে বৰদেউৰী, বিচুখোলাৰ গৃহস্থৰ ঘৰত গাই গাওঁখনৰ এফালৰ পৰা গৃহস্থৰ ঘৰে ঘৰে হুচৰি গোৱাটো প্ৰচলিত নিয়ম। গৃহস্থই তামোল-পাণ, অৰিহণা, চাউল আৰু গামোচা, চেলেং আদিৰে শৰাই সজাই বিহুৱাদলৰ শৰণাপন্ন হয় আৰু কুশল কামনা কৰি তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰে। হুচৰি দলে পোৱা অৰিহণা ৰাজহুৱা কল্যাণমূলক কাৰ্যত ব্যয় কৰে আৰু ভোজভাত খাই আনন্দ প্ৰকাশ কৰে।

বুৰঞ্জী, ঐতিহ্য পৰম্পৰা, ব্যক্তিগত সুখ-দুখ, ভৌগোলিক, সামাজিক পৰিৱেশ-পৰিস্থিতি, প্ৰেম-বিৰহ, জীৱন দৰ্শন, ধৰ্ম-কৰ্ম, পথাৰ-সমাৰ, ঘৰ-বাৰী, প্ৰাকৃতিক বৰ্ণনাৰে পৰিপুষ্ট বিহুনামবোৰ লোকসাহিত্যৰ অমূল্য সম্পদ। তেওঁলোকে এইবোৰ দেউৰী আৰু অসমীয়া দুয়োটা ভাষাতে গায়। বিশেষকৈ দিবঙীয়া খেলৰ লোকে দেউৰী ভাষাতেই বিহু নামবোৰ গোৱা পৰিলক্ষিত হয়।

(১) দেওধনীৰ উৎসৱত গোৱা বিহুনাম ঃ দেউৰী-চুতীয়া সকলৰ প্ৰতিটো খেলৰে পৃথকে পৃথকে দেৱমন্দিৰ বা থানঘৰ থাকে। বিচুত প্ৰতিটো থানঘৰতে দেওধনী উঠে আৰু তেওঁলোকক নচুৱাবৰ বাবে বিশেষ বিহু নাম গোৱা হয়। দেওধনীয়ে পূজাৰী বিষয়া বা আন লোকৰ পৰা তামোল-পাণৰ মাননি পোৱাৰ পাছত ভূত-ভৱিষ্যতৰ কথা আৰু মংগল-অমংগলৰ বিষয়ে ব্যক্ত কৰে। এই বাণীকেই দেউৰী চুতীয়ালোকে আখৰে আখৰে পালন কৰে। 'বাইয়ক' বোলা দেৱমন্দিৰৰ বিষয়াই শৰাই আগবঢ়াই দেওধনীক 'বাহাৰ' বা 'দেৱমন্দিৰ'লৈ আমন্ত্ৰণ জনোৱাৰ লগে লগে দেওধনীয়েও গা-জোকাৰি নিৰ্দিষ্ট ক্ষেত্ৰলৈ গমন কৰে। ঢুলীয়াই ঢোল বায় আৰু নামতীয়ে নাম গাই

৬ দেউৰী ফণী, "দেৱধৰ্মী দেউৰী জনজাতিৰ বিহু সংস্কৃতি", শিৱসাগৰ কলেজ আলোচনী, ১৯৭৩-৭৪, পৃষ্ঠা ৭৭



দেওধনীক নচুৱায়। দেওধনীক নচুৱাৰ ঢোলৰ ছেৱো সুকীয়া। দেওধনীক আহবান কৰা এটি গীতৰ আৰম্ভণি ফকি হৈছে—

"আহক ঐ আহক ঐ ক'লা খোৱা দেও
আহিছ্না নাই অহা ক'লা খোৱা দেও।"
ঢোলৰ চাপৰ দিবলৈ ঢুলীয়াক কোৱা গীত

এটি হৈছে— "লিকিং কিতাং ইকিতাং লগাই দে ঢোলতাং চোৱা ঐ চহৰীয়া।"

(২) আৱৰব' বিহুনাম ঃ এই বিহুনাম গাই দেৱ-দেৱীক সন্তুষ্ট কৰাৰ লগতে দেওধনীকো দেও উঠিবৰ বাবে উৎসাহ দিয়া হয়। আন্তৰিক শ্ৰদ্ধা সহকাৰে সুৰ লগাই উপস্থিত সকলোৱে এই গীত গোৱাৰ সময়ত এটা ঐশ্বৰিক পৰিৱেশ বিৰাজ কৰে। তেওঁলোকৰ প্ৰবাদ মতে দেৱ-দেৱী গিৰা গিৰাচিয়ে এই বিহু নামৰ উৎপত্তি কৰিছিল। এই নামৰ জৰিয়তে বুৰঞ্জী, সামাজিক জীৱন পদ্ধতি, দেৱ-দেৱীৰ বৰ্ণনা, কাহিনী, নীতিশিক্ষা, প্ৰাকৃতিক পৰিৱেশ, দেৱ-দেৱীৰ বন্দনা, অনাবিল আনন্দৰ স্বৰূপ আদি প্ৰকাশ পায়। আৰম্ভণিতে গোৱা তেনে এটি নাম হৈছে— "আবৰব' নাহাঙা আৱৰ যাচে ৰে।"/মালিতা— "চায় খং নাহাঙা কুণ্ডিয় খঙ/কুণ্ডিয় খঙ নাহাঙা ৰঙ জাৰম/চায় মুৰুঙ নাহাঙা কুণ্ডিয় মুৰুঙ/হাজাৰ দায়না নাহাঙা কুণ্ডিয় কেমি/হাজাৰ দায়না নাহাঙা মামা কেমি/...... ৰৰাই কোছি নাহাঙা লাগো দুপান/শৰাই কোছি নাহাঙা লাগো দুপান।" এনে আবৰব' বিচু নাম একাদিক্ৰমে বিশটালৈকে পোৱা যায়। অৱশ্যে সামৰণি নামষাৰ বিচু উৰুৱাৰ বেলিকাহে গোৱা হয়।

আবৰৱ' বিচু নাম গোৱাৰ সময়ত সকলোলোকে গা-পা ধুই পৱিত্ৰ ভাৱেৰে বৃত্তাকাৰে হাতে হাতে ধৰি সুৰ তালৰ সৈতে খোজ মিলাই, চাপৰি বজাই, কুৰুলিয়াই এই নাম গায়। নামৰ শেষত প্ৰতি বাৰতে সকলোৱে একে সময়তে কঁকাল ভাঙি বৃত্তৰ কেন্দ্ৰৰ ফালে মূৰ দোঁৱাই কুৰ-ব-ৰেই বুলি উৰুলি দিয়াৰ দৰে শব্দ কৰি এটা গুৰু গম্ভীৰ পৰিৱেশ সৃষ্টি কৰে।[৭]

**(৩) হাঁচতি বিহু নাম ঃ এই বিহুনামো এক প্ৰকাৰৰ দেৱ-দেৱী বন্দনাৰ নাম। ইয়াৰ দ্বাৰা অলেখ কাহিনী, মনোৰম ঘটনা, তত্ত্বকথা আৰু প্ৰাকৃতিক মনোমোহা সৌন্দৰ্যৰ বিশদ বৰ্ণনা কৰা হয়। আৱৰব' বিহুনামৰ**

৭ দেউৰী বসন্ত কুমাৰ, "দেউৰী সম্প্ৰদায়ৰ বিহু," ব'হাগ বিহুৰ বাবেবৰণীয়া ছবি, পৃষ্ঠা ৫৫

দৰে এইবিধ নাম গাঁওতেও নামতীয়ে লগাই দিয়ে আৰু আনসকলে কলিটো দোহাৰে। বৃত্তাকাৰে সকলোৱে সুৰৰ তালত খোজ দি ঘূৰে আৰু হাত চাপৰি বজাই তাল ৰক্ষা কৰে। তেনে এটি নাম হৈছে— গুটি ঃ "হাঁচতি যে বৈ আহাই ওমলোগৈ।"

মালিতা ঃ "হাঁচতি লহৰে টেমিটি কাঁহৰে—/হাঁচতি হাঁচতি কৰ ঐ দেওহঁত/বহাগৰ বিহুটি যায়ে চাটিমাৰি/...... ধনে ধনে কৰি ধনকে ঘটিলা/ধনে যাব চলি দেহা যাব পিচলি/লগত যাব দুচলি খৰি শৰীলৰে— আহাই ওমলোগৈ।"

(৪) হুচৰি নাম ঃ অসমৰ আন আন জাতিৰ লোকে বহাগ বিহুত হুচৰি গোৱাৰ দৰে দেউৰী চুতীয়া সকলেও হুচৰি গায় যদিও তেওঁলোকৰ কিছুমান নিজস্ব আচাৰ-নীতি আৰু বৈশিষ্ট্য বিদ্যমান। সাধাৰণতে দেওধনীৰ আশীৰ্বাদ আৰু নিৰ্দেশ অনুসৰি দুই অথবা তিনিবছৰৰ মূৰে মূৰেহে হুচৰি গোৱা হয়। হুচৰি গোৱাৰ বাবে ইয়াৰ সকলো ধৰণৰ প্ৰস্তুতি আৰু পৰিয়ালৰ কাৰণে এখন পৰিচালনা সমিতি নামতী, ধনভঁৰালী, টেকেলা আদি পদবীৰ দ্বাৰা গঠন কৰি লোৱা হয়। পুৰুষ আৰু মহিলাই সুকীয়া সুকীয়াকৈ নিজা জাতীয় সাজপাৰ আৰু অয়-অলংকাৰ পৰিধান কৰি হুচৰি গায়। হুচৰি পোন প্ৰথমে দেৱমন্দিৰত গোৱাৰ পাছত একাদিক্ৰমে মুখ্য পুৰোহিত, বৰদেউৰী, বিহু খোলাৰ গৃহস্থ, সৰু দেউৰী, বৰ ভঁৰালী, সৰু ভঁৰালী আৰু আন আন লোকৰ ঘৰত গাঁওখনৰ এমূৰৰ পৰা গোৱা হয়। হুচৰিৰ দলে গৃহস্থৰ ঘৰৰ চোতাল গৰকিয়েই গৃহস্থৰ কুশল আৰু ঐশ্বৰ্য কামনা কৰি আশীৰ্বাদ এজোলোকা দি ঢোল বাই হুচৰি আৰম্ভ কৰে। বিশেষ মন কৰিবলগীয়া যে কেইডালমান ভাল ঠাইৰ শ্ৰীথকা বাঁহ আনি গৃহস্থৰ পদূলিয়ে পদূলিয়ে খুটি মাৰি বৰ্গক্ষেত্ৰাকাৰে সজাই তাৰ মাজত নামতী সোমাই বিহু নাম গায় আৰু আন সকলে বাঁহৰ মাৰিৰে পাতি থোৱা বাঁহত তালে তালে কোবাই ভৱিৰ গিৰিপনি তুলি নাচি নাচি হুচৰি গায়। অতি আকৰ্ষণীয় এই হুচৰি অনুষ্ঠানে দৰ্শকৰো মনপ্ৰাণ বিহু বলীয়া কৰি তুলে। হুচৰি নামৰ উদাহৰণ হিচাপে এই ফাকি উল্লেখ কৰা হ'ল— "গুটি ঃ হুৰে হুৰে বাই ডালত কাপোৰ ঘূৰে/ মালিতা ঃ হুৰে হুৰে নামকে কোনে সৰজিলে/ আইনো সৰস্বতী সিয়ে সৰজিলে/হুৰে হুৰে নামকে কোনে সৰজিলে/আইনো চাৰি শাল সেয়ে...... সৰজিলে ক'ৰ পৰা আহি ক'ত দিলা ভৰি/চোতালখন ফাটিলে চেৰ চেৰ



কৰি/মৰি টেঙা জিম ঐ চকলা টেঙা জিম/ধৰা ধৰি কৰ ঐ চোতালখন ছিঙ/.... শাকত দিলে শুকতি মাহত দিলে গাজি/ল'ৰা-বুঢ়া চাপি আহ বিহু কৰোঁ আজি/তই কলীয়া মই কলীয়া একে বিলৰ মাছ/তই মৰিলি মই মৰিলোঁ কঁকাল হালি নাচ/"

হুচৰি গোৱাৰ শেষত গৃহস্থই তামোল পাণ অৰিহণা, গামোচা বা চেলেং আদিৰে শৰাই আগবঢ়াই সেৱা লয় আৰু হুচৰি যোৱায়ো হৰিধ্বনি দি আশীৰ্বাদ বৰিষণ কৰে।

(৫) হুৰাই ৰাঙলী বিহুনাম ঃ এই প্ৰকাৰৰ বিহু নামো আৰৱব' আৰু হাঁচতি বিহু নামৰ দৰেই গোৱা হয় আৰু ইয়াক দেৱ মন্দিৰ অথবা গৃহস্থৰ ঘৰতো গাব পৰা যায়। এই বিহু নামৰ বৈশিষ্ট্য অনুসৰি নামৰ একোটা যতি পৰাৰ লগে লগে একোটা নাচ পৰিৱেশিত হয়। সাধাৰণতে এই বিহু নামৰ মাজেদি তেওঁলোকৰ সামাজিক জীৱনৰ আচাৰ-নীতি, গ্ৰাম্য জীৱন, বিভিন্ন কৰ্ম, পথাৰ-সমাৰ, প্ৰেম-বিৰহ, তাঁতশাল, প্ৰকৃতি আদিৰ বৰ্ণনা পৰিস্ফুট হয়। সকলোৱে বৃত্তাকাৰে নাচি-বাগি গোৱা এই বিহু নামৰ উদাহৰণ এনেধৰণৰ "গুটি ঃ হুৰাই ৰাঙলী হেই/মালিতা ঃ হুৰাই ৰাঙলী বান্ধিলোঁ ডাঙৰি, হুৰাই, ৰাঙলী হেই/ডাঙৰি দাঙোতা নায়ে লৌ, হুৰাই ৰাঙলী হেই/ডাঙৰি দাঙোতা আছে বৰে বৌ, হুৰাই ৰাঙলী হেই/ককায়ে নপঠায় বৌৱে লৌ, হুৰাই ৰাঙলী হেই/...... এৰেণা ঐ ভেৰেণা ঐ কাপোৰ চাৰি খুঁটি বমেনা ঐ/এৰেণা ঐ ভেৰেণা ঐচেলেং চাৰি খুঁটি বমেনা ঐ/তই বৈ এলবি চেলেং চাৰিখনি মোলৈ আনিছ কিয়েনা ঐ।"

(৬) ৰহিলা বিহু নাম ঃ অতি নিপুণ ভাৱে অধিক অনুশীলন কৰাৰ অন্ততহে এই বিহু নামৰ সৈতে নাচনীয়ে নিয়াৰিকৈ আকৰ্ষণীয় ৰূপেৰে নাচিবলৈ সক্ষম হয়। ৰহিলা, বিহুনাম বহাগীয় বিচু আৰু মাঘীয় বিচু উভয়তে গোৱা হয়। তদুপৰি দেৱমন্দিৰ আৰু গৃহস্থৰ চোতালতো ইয়াক গাব পাৰি। তেনে এটি বিহু নাম হৈছে— "ৰহিলা অ' ঔতলৰ ঢেকীয়া/ৰহিলা অ' কেকেৰু পতিয়া/ ভৰি দিলে মেছেকাই ভাগেয়ে হেই/চাম চইলা চৰাই মুওৱা য়েহেই ৰহিলা হেই/চাম চইলা কেমতি কইলা কেক্ কওঁৱা হেই/"

অতি উলহ মালহেৰে উদ্‌যাপন কৰা ৰঙালী বিহু বা বহাগীয় বিচুক দেউৰী-চুতীয়াসকলে বিহু উৰুৱা অনুষ্ঠান 'বিচু দাবেৰুৱা' বুলি কয়। এই অনুষ্ঠানৰো অলেখ নীতি-নিয়ম আছে। বহাগ মাহৰ প্ৰথম বৃহস্পতিবাৰে

মানুহ বিহু আৰু তাৰ এসপ্তাহৰ পাছৰ বৃহস্পতিবাৰে বিহু উৰুৱা অনুষ্ঠান পালন কৰা হয়। এই উপলক্ষে নিৰ্দিষ্ট দিনত নিৰ্দ্ধাৰিত সময়ত গাঁৱৰ সকলো লোক দেওশালত উপস্থিতহৈ দেৱ-দেৱীৰ সন্তুষ্টিৰ অৰ্থে 'আবৰব', হুৰাই ৰাঙলী, চিলম চিলম, দন্দাই ইত্যাদি বিহুনাম গাই নাচি ভক্তি আৰু আনন্দ প্ৰকাশ কৰে। তদুপৰি খেলে খেলে বুঢ়া বা বুঢ়ী আৰু আন সকলৰ মাজৰ পৰা দেওধনী উঠে। এই দেওধনীৰ পৰা ভূত-ভৱিষ্যতৰ মংগলামংগলৰ বাণী সকলোৱে শুনে আৰু তাৰ দ্বাৰাই পৰৱৰ্তী কৰ্মজীৱন আৰম্ভ কৰে। অমংগলৰ কথা থাকিলে পৰিত্ৰাণৰ বাবে উচিতভাৱে সকাম পতা হয়। এই অনুষ্ঠানৰ সময়ত অন্য জাতিৰ লোক দেওশালৰ ভিতৰ ভাগলৈ যোৱাটো নিষিদ্ধ। বিহু মাৰি মাৰি সকলোৱে ভটিয়াইগৈ গাঁৱৰ এমূৰত বাদ্যযন্ত্ৰ বিশেষকৈ টকা মাৰি তাত পেলাই থৈ উভতি নোচোৱাকৈ ঘৰমুৱা হয়। বিহু উৰুৱাৰ পাছৰ দিনা বৰ গঞা আৰু টেঙাপনীয়া খেলৰ লোকে গাঁৱৰ নামনিত থকা নৈৰ পাৰত পাছবিহু অথবা ৰাজবন সকামৰ আয়োজন কৰি গৃহস্থ আৰু সমজুৱাৰ মংগল কামনা কৰে।

আনহাতে বিহু উৰুৱাবলৈ ৰাইজে দেৱমন্দিৰত সেৱা জনাই আহে। বিহু উৰুৱাবৰ বাবে বিশেষ চাপৰ মাৰি ঢোল বজোৱা হয় আৰু বিহু নামবোৰো কিছু সুকীয়া সুৰ-তাল লয়েৰে গোৱা হয়। পুৰোহিতে নৈৰ পাৰত বেদী সাজি পূজা কৰে আৰু গৃহস্থ সকলে আগবঢ়োৱা কুকুৰা উছৰ্গ কৰে। এই অনুষ্ঠানত দেওধনী উঠা লোকে উপস্থিত সকলো বিহুৱাৰ মংগলাৰ্থে তামৰ কলচীৰ পৰা ফুলপানী বা শান্তিজল তংলতি পাতেৰে ছটিয়াবলৈ ধৰে। আনহাতে এখন পুষ্প সজ্জিত নাও নদীৰ পানী যুঁৱলিলৈ মেলি পুৰোহিতে নৈবেদ্য আগবঢ়াই দেৱতাক স্মৰণ কৰে। এই নাওখন নিয়াৰ সময়ত বিহুৱাই গায়— "ল' অ' লেচাৰি প্ৰাণৰ বাই/ফুলাম গামোচালৈ নাও মেলি বায়/" ইয়াৰ অন্তত দেওধনী মাটিত নপৰিবৰ বাবে বিষয়াসকলে ধৰি ৰাখে। শেষত সমবেত সকলোৱে সৰ্বমংগলাৰ্থে নৈৰ পানী ছটিয়াই বহাগীয় বিচু উৎসৱৰ সামৰণি মাৰে। অতদিনে ঢোল, তাল, টকা, গগনা, পেঁপাৰ সুৰ আৰু বিহু নামৰ ধ্বনিৰে মুখৰিতহৈ থকা গাঁওখনলৈ নিজমতা আহে। পুনৰ পৰৱৰ্তী বিহুৰ অপেক্ষাত সকলোৱে হিয়াত আশা পোষণ কৰি এইবাৰলৈ মেলানি মাগে।[৮]

৮ দুৱৰা, ধৰ্মেশ্বৰ, "দেউৰী চুতীয়াৰ উছৱৱ বংচ'বা" আজিৰ অসম, ২৩ নবেম্বৰ, ১৯৯৬

## ১১.০০ একাদশ অধ্যায়

# বড়োসমাজৰ পৰম্পৰাগত উৎসৱ

অসমৰ জনজাতীয় জনগোষ্ঠীৰ গাঁঠনিত বড়ো জনজাতিৰ এখন উচ্চ মান বিশিষ্ট আসন আছে। সেইদৰে সমাজ আৰু সাংস্কৃতিক পৰম্পৰা সংৰক্ষিত হৈ থকা এই জনজাতিৰ অসমৰ সাংস্কৃতিক জগতলৈও কম অৰিহণা থকা নাই। বৃহৎ বড়ো জনগোষ্ঠীৰ অন্তৰ্ভুক্ত বড়োকছাৰী ভাষা-সাহিত্য-সংস্কৃতি যথেষ্ট উন্নত আৰু এইবোৰৰ নিজস্বভাৱে তেওঁলোকে সংৰক্ষিত কৰি ৰখাত অহোপুৰুষাৰ্থ কৰি আহিছে। অসম-বাৰ্মা ভাষা-গোষ্ঠীৰ বড়ো কছাৰীসকল ইন্দো-মংগোলীয়ান পৰিয়ালৰ ভিতৰুৱা। এইটো মন কৰিবলগীয়া যে বৃহৎ বড়ো জনজাতিৰ লোকসকলক বসবাসৰ অঞ্চল ভেদে আৰু বিভিন্ন সামাজিক ৰীতি-নীতি ভেদে মেচ, সোণোৱাল, ঠেঙাল, বড়ো-কছাৰী, ডিমাছা, বৰ্মণ, বড়ো আদি নামেৰে নামকৰণ কৰা হৈছে। এই সকলো জনগোষ্ঠীয়েই বৃহৎ অৰ্থত কছাৰী হিচাপে পৰিচয় দিয়ে।

এই জনজাতিৰ সৰ্বমুঠ লোক সংখ্যা ১৯৭১ চনৰ লোক পিয়ল অনুসৰি ৬,১০,৪৫৯ জন। অসমৰ বিশেষকৈ বাক্সা, চিৰাং, কোকৰাঝাৰ, কামৰূপ, দৰং আদি জিলাত সৰহ সংখ্যক বড়ো লোক বসবাস কৰে। আনহাতে গোলাঘাট, কাৰ্বিআংলং, নলবাৰী আদি জিলাতো তেওঁলোকৰ এক বুজন পৰিমাণৰ লোক আছে। এই জনজাতিৰ অৰ্থনৈতিক ভেটি বিশেষকৈ কৃষিৰ ওপৰতেই নিৰ্ভৰশীল।

হিন্দু ধৰ্মাৱলম্বী বড়ো সকলৰ দৰ্শন ক্ষেত্ৰ সাধাৰণতে শিৱক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। মূলতঃ শিৱক তেওঁলোকে 'বাথৌ বাৰাই' বা 'খৰীয়া বাৰাই মহাৰাজা' 'শিৱাৰাই' বুলি অভিহিত কৰি আহিছে। এয়ে হৈছে তেওঁলোকৰ সৰ্বশক্তিৰ উৎস। পৰম্পৰা ৰক্ষা কৰি তেওঁলোকৰ প্ৰতিঘৰ লোকেই ঘৰৰ চোতালৰ উত্তৰ দিশত একোজোপা সিজু, 'জত্ৰাচি' আৰু তুলসী গছ ৰোৱে। এই গৰাকী পূজনীয় দেৱতাৰ উপৰি 'মাইনাও' অৰ্থাৎ 'বুলি-বুঢ়ী'কো সা-সম্পত্তিৰ গৰাকিনী হিচাপে গণ্য কৰা হয়। আনহাতে

কিছুমান দেৱ-দেৱী আৰু অপদেৱতা আদিকো বিভিন্ন কাৰণৰ হেতু পূজা-পাত কৰি অহা হৈছে। সেইবোৰৰ ভিতৰত 'অগ্ৰৱং', 'খয়লা', 'খাজি', 'ৰাজখন্দ্ৰ', 'ৰাজ পুথুৰ', 'বুঢ়া আলি', 'আলি বুঢ়া' 'আচু-মাইনাও', 'শালি মাইনাও' 'বগ্ৰজা', 'বসুমতি' আৰু 'চৌদ্ৰী' আদিয়েই মুখ্য।[১] এই দেৱ-দেৱী সকলৰ পুৰুষক বিশেষকৈ বেমাৰ-আজাৰ আৰু মাৰি-মৰক তথা প্ৰাকৃতিক দুৰ্যোগৰ কাৰক বুলি ধাৰণা কৰা হয়। আনহাতে 'আচু মাইনাও' আৰু 'শালি মাইনাও'ক ধান খেতি আৰু উন্নতিৰ দেৱী হিচাপে গণ্য কৰা হয়। এইটো উল্লেখনীয় যে বড়োসমাজে পৰম্পৰাগতভাৱে পালন কৰি অহা ধৰ্মাচৰণ বিধিত গাহৰি-শিয়াল আদি পশুবধ কৰি লাওপানীও পূজাৰ বাবে নৈবেদ্য আগবঢ়োৱা হয়। আনহাতে 'ব্ৰাহ্মজ' প্ৰথানুসৰি 'সোমযজ্ঞ'ও কৰা হয়। কিন্তু এনে হ'লেও তেওঁলোকৰ লোক সংস্কৃতিৰ কোনো ক্ষতি সাধন হোৱা বা সংঘাত উদ্ভৱ হোৱা দেখা নাযায়।

অসমৰ অন্যান্য জনগোষ্ঠীয়ে তিনিটা প্ৰধান বিহু উৎসৱ পালন কৰাৰ দৰে বড়ো সকলেও ইয়াক পালন কৰে। ব'হাগ বা ৰঙালী বিহুক 'বৈশাগু', মাঘ বিহু বা ভোগালী বিহুক 'দুমাহী' আৰু কাতি বা কঙালী বিহুক 'কাত্ৰিগাছা' বুলি নাম দি উদ্‌যাপন কৰে। এই তিনিওটা বিহু বা 'বিছু' উৎসৱৰ ভিতৰত আটাইতকৈ আনন্দ মুখৰ পৰিৱেশৰ মাজত উদ্‌যাপিত হয় 'বৈশাগু' বিহুটো।

বহাগ বিহু বা 'বৈশাগু' বিহুক নতুন বছৰৰ শুভাৰম্ভণি আৰু বসন্ত কালৰ আগমনৰ বাবে প্ৰকৃতিৰ সৈতে নিজকে বিলাই দি আনন্দ উপভোগ কৰাৰ বাবে আয়োজন কৰা হয়। চ'ত মাহৰ শেষৰ দিনটোক গৰু পূজাৰ দিন গৰু বিহু হিচাপে গণ্য কৰি গৰুক কৃষক জীৱনৰ আটাইতকৈ লাগতীয়াল পোহনীয়া জন্তু বুলি সন্মান প্ৰদৰ্শন তথা সুস্বাস্থ্যবানহৈ বংশ বৃদ্ধিৰ শুভ কামনা কৰা হয়। এই উপলক্ষে সেইদিনা যথা বিহীতভাৱে নৈ-বিল আদিত ঘৰচীয়া গৰুবোৰৰ গা সামূহিকভাৱে ধুৱাই গালৈ লাও, জিকা, থেকেৰা, কেৰেলা, বেঙেনা, হালধি, তিয়ঁহ আদি পাচলিবোৰ চকলিয়াই [illegible] আৰু সিহঁতৰ দীৰ্ঘায়ুৰ লগতে বংশ বৃদ্ধি কামনা কৰা হয়। সেইদিনা [illegible] গৰু[illegible] শিঙত মিঠাতেল আৰু সৰ্বশৰীৰত মাতিমাহ, হালধি বতি সানি

১ Bordoloi, B. N, Sarmah Thakur, G. C and Saikia. M. C, Tribes of Assam, Part 1, [illegible] Assam, Guwahati P. 7-8, 1987



দিয়া হয়। পাচলিৰ চকলবোৰ বাঁহৰ শলাৰে সজা চাটত ভৰাই লোৱা হয়। সেইবোৰ থাকিলে গোহালিত গুজি থোৱা নিয়ম। আনহাতে দীঘলতি আৰু মাখিয়তি গছৰ ঠাৰিৰে গৰুবোৰ সেইদিনা কোবাব লাগে। এইবোৰৰ উপৰি বেত পাতো গোহালিত গুজি থোৱা হয়। পুৱা সকলোৱে ঘৰদুৱাৰ চফা কৰিব লাগে। তদুপৰি চালত, নাদৰ বেৰত, নঙলামুখ আদিত, কেতুৰি, বেতপাত আদি ওলোমাই থোৱা প্ৰথাও আছে। গধূলি গোহালিত তুলসী পাতেৰে পানী ছটিয়াই পৱিত্ৰ কৰি গৰুবোৰক নতুন ৰচীৰে বান্ধিব লাগে। সকলোৱে ঘৰৰ গোহালি মুখত গধূলি 'গোহালি মাদায়' পূজা কৰা দেখা যায়। প্ৰথম বহাগৰ দিনা মানুহ বিহু। সেইদিনা আচাৰ-নীতি অনুসৰি সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ জনাই মহানুভৱতাৰ পৰিচয় দাঙি ধৰে। লগতে উপহাৰো আগবঢ়ায়। এইটো মনকৰিবলগীয়া যে সেইদিনা তেওঁলোকৰ সংস্কৃতিৰ অতিশয় আপোন আৰু আদৰৰ বাদ্য 'খাম', 'চিফুং' আদিক মালা পিন্ধায় আদৰকৰে। আনহাতে ইজনে সিজনৰ কঁপালত আবিৰ সানি চেনেহ-সম্ভাষণ বিনিময় কৰে।

পুৱাৰ ভাগতে সকলোৱে পূজাৰ থলী থানলৈ গৈ আনুষ্ঠানিকতাৰে বিবিধ বাদ্য যেনে— খাম, চিফুং, জথা, খাৰবাং, গগনা আদি বজাই পূজনীয় দেৱতা 'লাংগা' আদিক সেৱা কৰে। সকলো অপৰাধ মৰিষণ কৰি আগন্তুক বৰ্ষত সকলোকে কুশলে ৰখাৰ বাবে সেৱা জনোৱা হয়। সকলোৱে ঘৰে ঘৰে বিহুৰ চিৰা-পিঠা, দৈ আদি খাই আনন্দ কৰে, চেনেহ যাঁচে। আবেলি গাঁৱৰ মুখিয়াল 'হাদুংগাৰা'ৰ ঘৰতো গাঁওবাসীৰ বাবে জলপান পৰিৱেশন কৰা হয়। বিহু উপলক্ষে আলহী ফুৰাৰ প্ৰথা বড়োসকলৰ মাজত প্ৰচলিত। তদুপৰি ছোৱালীবোৰে ডিঙিত ফুলৰ মালা পিন্ধি ডেকাৰ সৈতে খাম, চিফুং, খাৰবাং, গগনা, জথা, থৰখা আদি লোকবাদ্য আৰু 'বৈশাগুনি গীদু'ৰ সুৰে সুৰে নৃত্য-গীত পৰিৱেশন কৰি গোটেই গাঁও আনন্দৰ জোৱাৰেৰে হিল্লোলিত কৰি তোলে।

সমাজৰ ধনী-দুখীয়া আদি ভেদাভেদ পাহৰি সকলোৱেই আনন্দৰ সমভাগী হয়। ঘৰে ঘৰে বহাগ বিহুত হুচৰি গোৱাৰ দৰে বড়োসকলেও দলবান্ধি নৃত্য-গীত পৰিৱেশন কৰি 'মাগন' কৰাৰ প্ৰথা প্ৰচলিত কৰি ৰাখিছে। গৃহস্থয়ো যথাসাধ্য শুশ্ৰূষা কৰে আৰু দান আগবঢ়ায়। এই দানৰ পুঁজিৰে তেওঁলোকে বিহুৰ শেষৰ দিনা ভোজ খায় আৰু বিহুক বিদায় দিয়ে।

আকৌ পৰম্পৰানুসৰি থানত 'গাৰ্জা' পূজা কৰি গাঁওবাসী শুচি হোৱাও লক্ষ্য কৰিব পাৰি। তেওঁলোকে বিহুৰ কেইদিন ভঁৰালত উঠা, ঘৰুৱা বস্তু বিক্ৰী কৰা, ঢেঁকী দিয়া, হাই-কাজিয়া কৰা আদি কামবোৰ কৰিব নালাগে বুলি মানি লয়। বিহুৱা দলব পৰা সন্তানহীন আৰু সন্তানহানি হোৱা লোকে মংগল কামনা কৰি বৰ লোৱা প্ৰথাও বিদ্যমান। বাথৌ বেদীৰ সন্মুখ বা চোতালৰ আগৰ পৱিত্ৰ ঠাইত বিশেষকৈ শিৱ আৰু কামাখ্যাৰ উদ্দেশ্যে আনুষ্ঠানিকভাৱে প্ৰাৰ্থনা জনাই দুৰ্গত লোকক উদ্ধাৰৰ বাবে সেৱা কৰে।

বড়োসকলে বহাগ বিহুৰ দৰে কাতি বিহুক 'কাত্ৰিগাছা' হিচাপে পালন কৰে।

তেওঁলোকে মাঘ বিহুক 'দোমাহী' বা 'মাগু' বুলি কয়। নৈৰ পাৰ বা মুকলি পথাৰত গাঁৱৰ চেঙেলীয়া ল'ৰাই বাঁহ পুতি খেৰেৰে মেজি তৈয়াৰ কৰে। এনে মেজিৰ মূল মেজিক বুঢ়া আৰু তাতকৈ সৰুটোক বুঢ়ী বোলে আৰু তেনেদৰে সৰু সৰু অন্যান্য মেজিও সজা হয়। তেওঁলোকে মেজিক 'ভেলা-কুৰ' বুলি অভিহিত কৰে। সেই মেজিৰ ওচৰতে বাঁহৰ খুটা দি খেৰ-নৰাৰে একোটা ৰভা ঘৰ বা ভেলা ঘৰ সাজি তাত মাঘ বিহুৰ সংক্ৰান্তিৰ দিনা মেজি ভোজ খায়। বিহুৰ দিনা পুৱতি নিশাতে কোৱাই কা ঝিলিয়ে ঝা কৰাৰ আগতে গা-পা ধুঁই মেজিত জুই সংযোগ কৰি মেজিৰ জুই ফুওৱা হয়। সেইদিনা লাগনী গছ-গছনি আৰু ঘৰৰ খুটা আদিত খেৰ মেৰিয়াই বন্ধাৰ নিয়ম। তদুপৰি গৰুক ঘেঁহুৰ ফোঁট আৰু শিঙত মিঠাতেল দিয়া হয়। আকৌ সিহঁতক সেইদিনাৰ পৰাই মুকলিমুৰীয়াকৈ চৰিবলৈ এৰি উদং দিয়া হয়। গধূলি ঘৰলৈ গৰুবোৰ ঘূৰি আহিলে ভক্তিৰে 'গোহালিমাদায়' পূজা গোহালিৰ সন্মুখত কৰা হয়। কোনো কোনোৱে মাঘৰ বিহুৰ পাছত চিকাৰলৈ গৈ খাম, চিফুং, চেৰজা আদি বাদ্য বাই নৃত্য-গীত পৰিৱেশন কৰি আনন্দ উপভোগো কৰে।

পূজা উৎসৱ হিচাপে বড়ো সমাজে অলেখ পূজা কৰে। তাৰ ভিতৰত শিৱ বা শিব্ৰাইৰ নাম উল্লেখনীয়। এই গৰাকীক তেওঁলোকে ছিবুৰিৰ জন্মদাতা আৰু সৃষ্টি কৰ্ত্তা বুলিও বিশ্বাস কৰে। তেওঁলোকৰ বহুতে শিৱ-পাৰ্বতী অৰ্থাৎ লুবা-লুবিনী, খুবা-খুবিনী, দিবা বুঢ়া-দিবা বুঢ়ী, জাংখ্নি দিবা-জাংখ্নিও বুলি কয়। আনহাতে বড়ো ভাষাৰ 'খাংনায় বিমাখা' শব্দৰ পৰা



হেনো কামাখ্যা শব্দৰ উদ্ভৱ হৈছে।[২]

বড়ো সমাজৰ আন এবিধ পূজা হৈছে 'গাৰ্জা' পূজা। ৰাইজ মিলি বৰঙণি আগবঢ়াই 'গাৰ্জা শালি' বা থানত এই পূজা কৰা হয়। বিশেষকৈ তেওঁলোকৰ বছেৰেকীয়া উৎসৱ-পাৰ্বন আদিৰ শেষত এই পূজা কৰি শুচি বা পৱিত্ৰ হোৱা দেখা যায়। এই পূজাত লক্ষ্মী গাৰ্জা, আহু গাৰ্জা, গাঁৱ গাৰ্জা আদি উনৈশ বিধ মান গাৰ্জাক পূজা কৰা হয় আৰু এইবোৰৰ প্ৰতিটো গাৰ্জাৰে একোখন খেল থাকে।

কিংবদন্তিৰে বিখ্যাত আৰু অধিক জনপ্ৰিয় পূজা উৎসৱটো হৈছে 'খেৰায় পূজা'। এই খেৰায় পূজাৰ সৈতে ত্ৰিপুৰীসকলৰ অতীতৰ 'খেৰ' পূজাৰ ওচৰ সম্বন্ধ বিৰাজমান।[৩] খেৰায় পূজা কৰাৰ প্ৰধান উদ্দেশ্যসমূহৰ ভিতৰত আহুধানৰ মংগল কামনা, ৰবিশস্যৰ মংগল কামনা, বেমাৰ-আজাৰৰ পৰা মুক্তি পোৱা আদিয়েই প্ৰধান।

খেৰায় পূজা বেদী পাতি কৰা হয়। ইয়াত সিজুগছ আৰু তুলসী গছ ৰুই বাথৌক জাগৃত কৰি পূজা কৰিব লাগে। এই উপলক্ষে মন্ত্ৰ মতা আৰু খাম চিফুং আদি বাদ্য বজোৱা অতিশয়, গুৰুত্বপূৰ্ণ বিষয়। খেৰায় পূজা উপলক্ষে 'খাঁৰিয়া বাঁৰায় খাঁৰিয়া বুৰি অৰ্থাৎ বাথৌ মহা ৰজা আৰু মাতৃ কামাখ্যা, 'আয়লেং' অৰ্থাৎ গা-ৰক্ষী, 'আগ্ৰাং' অৰ্থাৎ সেনাপতি, 'খাঁইলা' দূত, 'কাজি অৰ্থাৎ মন্ত্ৰী, 'আল্লাখুংগুৰ' অৰ্থাৎ এটা মায়া, 'ৰাজফুথুৰ', অৰ্থাৎ পুত্ৰ, 'ৰাজখান্দ্ৰ' অৰ্থাৎ দুটা নাতি, 'ছংৰজা' অৰ্থাৎ স্বামী-স্ত্ৰী বা মহামায়া আদিক বাথৌৰ লগতে তেওঁৰ সহচৰকো পূজা কৰা হয়।

খেৰায় পূজা উপলক্ষে বাথৌৰ বেদীৰ সন্মুখত দেওধনীয়ে নাচ নাচে। এই নাচৰ বাবে কেৱল দেৱ-দেৱীক আহবান আৰু স্তুতি কৰা গীত-পদহে গোৱা হয়। তদুপৰি চিফুঙত বিভিন্ন দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশক সুৰ বজোৱা হয়। এই সুৰ আৰু গীতৰ তালে তালে দেওধনীয়ে নৃত্য পৰিৱেশন কৰে।[৪] খেৰায় পূজা কৰি বড়ো-কছাৰী সমাজে তেওঁলোকৰ জাতীয় মহা-উৎসৱৰ আয়োজন কৰাৰ লগতে লোকসাহিত্যৰ ভঁৰাললৈ মন্ত্ৰসমূহ আগবঢ়াব পাৰিছে। তদুপৰি খেৰায় নৃত্য-গীতৰ দ্বাৰা সাংস্কৃতিক পৰিৱেশো সৃষ্টি হয়। এৰাতিলৈকে চলা এনে পূজাই তেওঁলোকৰ মাজত ধৰ্মীয়ভাৱে একতাৰ

২ নাৰ্জ্জী, ভবেন, বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃ. ১৬৫
৩ চট্টোপাধ্যায়, সুনীতি কুমাৰ, কিৰাত জন কৃতি, পৃঃ ৭০,১৯৫১
৪ নাৰ্জ্জী, ভবেন, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ১৮০

বান্ধোনো কটকটীয়া হয়।

বড়ো কছাৰী সকলৰ দৰং, কামৰূপ জিলাৰ বিশেষকৈ উত্তৰ অঞ্চলৰ বসতিভূমিত পুতলাৰ বিয়া অৰ্থাৎ 'ফুশ্লিহাবা' নামৰ এবিধ পূজা উৎসৱো পালন কৰা হয়। এই পূজাত গীত গাই নাচি নাচি পূজাৰীসকলে শেষত পূজা উপলক্ষে ৰখা কলৰ ভেলটো কাযৰীয়া নৈ-বিলত পেলাই দিয়েগৈ।

বড়ো কছাৰীসকলৰ মাজত 'আমথিচুৱা' অৰ্থাৎ আমতি বা অম্বুবাচী পৰ্ব পালন কৰা হয়। হিন্দু সমাজে এই অম্বুবাচীৰ সময়ত পৃথিৱী ৰজস্বলা হয় বুলি বিশ্বাস কৰে। সেইকাৰণে কোনেও পৃথিৱী খন্দা বা গছ-গছনি ৰোৱাৰ ব্যৱস্থা হাতত নলয়। তদুপৰি ভঁৰালত উঠা, গোঁসাই ঘৰলৈ সোমোৱা, আদি কাৰ্য্যও নকৰে। এইবোৰো বড়োসমাজে মানি চলে। তেওঁলোকে শস্যৰ গুটি আমতিৰ দিনত মাটিত নমাই থয়। অম্বুবাচী বা হাতলগাৰ দিনাৰে পৰা তেওঁলোকে ঘৰে ঘৰে ফলমূল খাই ফুৰাও দেখা যায়। শেষৰ দিনা কাপোৰ কানি ধুই ঘৰদুৱাৰ চাফা কৰি, চৰু-হাড়ী ধুই পখালি সকলোৰে শুচি হয়।

বড়ো কছাৰীসকলৰ মাজত নৃত্য-গীত বাদ্যৰ আদৰ অতিশয় প্ৰয়োজনীয়। তেওঁলোকে বাদ্যক সাংস্কৃতি জীৱনৰ লগৰীয়া হিচাপে গণ্য কৰে। বিভিন্ন পূজা-পাৰ্বণ আৰু উৎসৱৰ সময়ত অলেখ আকৰ্ষণীয় নৃত্য-গীত পৰিৱেশন কৰা হয়। ইয়াৰ জৰিয়তে তেওঁলোকৰ সাংস্কৃতিক পৰম্পৰা পৰিস্ফুট হোৱা লক্ষ্যণীয়। খেৰাই, বাগৰুম্বা, বৈশাখী, দেওধনী, বুঢ়া-বুঢ়ী নৃত্য, বৰদৈছিখলা আদি নৃত্যবোৰে দৰ্শকৰ মনপ্ৰাণ হৰি নিয়া দেখা যায়। তেওঁলোকৰ জাতীয় সাজপাৰ আৰু লোকবাদ্যৰ সংযোজনৰ দ্বাৰা নৃত্যৰ পৰিৱেশ যথেষ্ট গাম্ভীৰ্যপূৰ্ণ আৰু উৎসৱমুখৰহৈ উঠে। কেৱল তেওঁলোকৰ মাজতেই এই নৃত্য-গীত বাদ্য সীমাবদ্ধহৈ আছে যদিও বৰ্তমান তেওঁলোকৰ পৰা আগ্ৰহীসকলে শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহাও দেখা গৈছে। ইয়াৰ দ্বাৰা সাংস্কৃতিক বিনিময় হৈছে আৰু জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰো সৃষ্টি হৈ আদৰ্শনীয় ৰূপ লৈছে। অসমৰ বড়ো সমাজে সেয়েহে বৃহৎ অসমীয়া সমাজ-সংস্কৃতিৰ পথাৰখনত সোণগুটিৰ শইচ সিঁচিবলৈ সক্ষম হ'ব পাৰিছে।[৫]

৫ দুৱৰা, ধৰ্মেশ্বৰ, "নৃত্য-গীতেৰে প্ৰাণোচ্ছল বড়োসকল", আজিৰ অসম, ১ চ'ত, ১৯১৮ শক, ১৫ মাৰ্চ, ১৯৯৭

## ১২.০০ দ্বাদশ অধ্যায়

# বেইটেসকলৰ উৎসৱ-অনুষ্ঠান

অসমৰ অন্যান্য জনজাতীয়লোকৰ জনসংখ্যাৰ তুলনাত উত্তৰ কাছাৰ পাহাৰ জিলাৰ ফিয়াংপুই; চাংবাৰ আদি গাঁৱত বসবাস কৰা বেইটে জনজাতিৰ লোকসংখ্যা কম হ'লেও তেওঁলোকৰো স্বকীয় ভাষা-সংস্কৃতি বিদ্যমান। কৃষিজীৱী এই লোকসকলে ওৰেদিন ঘৰুৱা আৰু ঝুমতলীৰ কৰ্মত ব্যস্তহৈ থাকে। প্ৰকৃতিৰ সৈতে আজন্ম পৰিচিত হোৱাৰ বাবে অপূৰ্ব সৌন্দৰ্যৰ পৰিৱেশে তেওঁলোকৰ কৰ্মৰত জীৱনলৈও আনন্দৰ হিল্লোল বোৱাই আনে। ভাগৰুৱা দেহ-মনে তেতিয়াই লোক-গীতমাত, লোক নৃত্য আৰু লোক উৎসৱ আদিৰ এচাটি সাংস্কৃতিক মলয়া বতাহত জুৰ ল'বলৈ প্ৰয়াস কৰে। বছৰৰ বিভিন্ন সময়ত ঝুমতলীৰ কৃষি কৰ্মৰ সৈতে ৰজিতা খুৱাই উৎসৱ বিলাক পালন কৰিবলৈ সমূহীয়াভাৱে আয়োজন চলায়। তদুপৰি মাছমৰা আৰু বনৰীয়া জীৱজন্তু চিকাৰ কৰাৰ আনন্দোল্লাসত অধীৰহৈ আনন্দোৎসৱ কৰে। কৃষি ভিত্তিক আৰু বিজয় প্ৰদৰ্শক দুয়ো প্ৰকাৰৰ উৎসৱত সুকীয়া সুকীয়া আচাৰ অনুষ্ঠান, নৃত্য-গীত-বাদ্য, পূজা-পাতল আৰু খোৱা-বোৱা আয়োজিত হয়।[১]

(১) চেমচই কুট উৎসৱ ঃ কৃষিজীৱী বেইটেসকলে পাহাৰীয়া ঠাইবিলাকত ঝুমিং পদ্ধতিৰে খেতিবাতি কৰি জীৱিকা নিৰ্বাহ কৰে। তেওঁলোকে ধান, গোমধান, আদা, হালধি, জলকীয়া আদি সকলোৰে খেতি এই পদ্ধতিৰেই কৰে। ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ খৰালি দিনত ঝুমতলীৰ হাবি কটাৰ আগতে 'চেমচইকুট' উৎসৱ গাঁৱৰ বাহিৰৰ পাহাৰীয়া মুকলি ঠাইত পালন কৰা হয়। উৎসৱৰ দিনা গাঁৱলৈ কোনো বাহিৰা লোকক প্ৰৱেশ কৰিবলৈ দিয়া নহয়। সেইবাবে গাঁৱলৈ সোমোৱা পথবিলাকত সূতাৰে গছৰ পাত বান্ধি আঁৰি দিয়ে। অন্যহাতে কলপাতত মাংস, ধান আদি টোপোলা

১ দুৱৰা, ধৰ্মেশ্বৰ, "নৃত-গীতেৰে প্ৰাণোচ্ছল অসমৰ বেইটেসকল," দি চেন্টিনেল এণ্ড আজিৰ অসম, হ'মলিংক, গুৱাহাটী, ১২ আগষ্ট, ১৯৯৫

কৰি বান্ধি গাঁৱলৈ সোমোৱা পথৰ মুখত ৰখা হয়। কোনোবাই এই নীতি উলংঘা কৰিলে নিয়ম মতে শাস্তি ভোগ কৰিবলগীয়া হয়। সকলো ধৰণৰ নীতি-নিয়ম নিৰ্দ্ধাৰণ কৰে 'চিয়েৰ কালিমে' আৰু তেওঁক সহায় কৰে 'চৰ' বোলা সামাজিক পদবীধাৰী লোকজনে। মানুহৰ দৰে জন্তু আদি নোসোমাবৰ বাবেও বাটৰ মুখত জেওৰা দিয়ে। সকলো ধৰণৰ প্ৰচাৰ কাৰ্য সম্পাদন কৰে প্ৰচাৰক 'চাংবা'ই। ঝুমতলী 'লই'ৰ হাবি-বন কটাৰ সময়ত যাতে গাঁওবাসীৰ কাৰোৰে অসুখ-বিসুখ নতুবা অঘটন নঘটে তাৰ বাবে উপাস্য দেৱতা 'চমচুই পাথিয়ান'ৰ বাবে কুকুৰা, ছাগলী আদি ৱলি দিয়ে। তেওঁলোকৰ পূজাৰী 'থিয়ামপু'ৱে উৎসৱৰ দিনা ৰাতিপুৱা এই ধৰ্মীয় অনুষ্ঠানৰ সমাপনৰ দ্বাৰা সকলোৰে শুভ কামনা কৰি 'চেম চইকূট পাথিয়ান'ৰ আশীৰ্বাদ প্ৰাৰ্থনা কৰে। উৎসৱৰ দিনা সকলোৱে ঘৰৰ চৰু-হাড়ী ধুই নিকা কৰি পৱিত্ৰ ভাৱ মনলৈ আনে। পুৱাৰ পূজা-পাৰ্বণ সমাপন হোৱাৰ পাছত ভোজভাত খোৱা-বোৱা আৰু দিন জুৰি 'ডাৰলাম', 'পাৰটন লাম', 'মেবুৰলাম' আদি লোকনৃত্য-গীতত ডেকা-গাভৰুসকলে মনপ্ৰাণ ঢালি দিয়ে।

(২) পামচাৰকূট উৎসৱ ঃ ঝুমতলীত কাটি থোৱা বনবাট, গছ-গছনিবিলাক শুকাই গ'লে তাত জুই জ্বলাই দিয়া হয়। তাৰ ছাই পৰি সাৰুৱা হোৱা মাটিত নানাবিধ শস্যৰ গুটি খুৰ্পিৰে মাটি খুচৰি সিঁচি দিয়ে আৰু বাৰিষাৰ প্ৰথমজাক বৰষুণত সি অংকুৰিত হয়। ঝুমতলীত জুই জ্বলোৱাৰ আগতে বেইটেসকলে 'পামচাৰ পাথিয়ান' দেৱতাৰ আশীৰ্বাদ লাভৰ বাবে এই উৎসৱ গাঁৰৰ ভিতৰত সমূহীয়াভাৱে পালন কৰে যাতে ঝুমতলীত কাটি থোৱা গছ-গছনিবোৰ সুন্দৰভাৱে জ্বলি উঠে। দুদিনৰ বাবে পালিত হোৱা এই উৎসৱ উপলক্ষে ছাগলী, গাহৰি, কুকুৰা আদি বলি দিয়া হয় আৰু চাউলৰ পৰা তৈয়াৰ কৰা লাওপানী 'জু' সকলোৰে মাজত পৰিৱেশন কৰা হয়। ডেকা-গাভৰুসকলে এই উৎসৱৰ বাবে নৃত্য-গীতৰো আয়োজন কৰে।

(৩) লাবাংকূট উৎসৱ ঃ গাঁওবাসীৰ সকলোৰে ঝুমতলীত গুটি সিঁচি শেষ হ'লে শস্যৰ গজালি লহপহকৈ উঠি পথাৰবোৰ শস্যৰে নদন-বদন হোৱাৰ কামনা কৰি 'লাবাংকূট' উৎসৱ পালন কৰে। পুৱাতে 'থিয়ামপু' পূজাৰীয়ে কুকুৰা, ছাগলী আদি বলি দি 'লাবাংকূট পাথিয়ান'ৰ আশীৰ্বাদ প্ৰাৰ্থনা কৰে। দুই বা তিনি দিনলৈ এই উৎসৱ নৃত্য-গীত, খোৱা-বোৱাৰ মাজেৰে গাঁৱৰ ভিতৰৰ মুকলি ঠাইত পালিত হয়।



(৪) ফাবাংকূট উৎসৱ ঃ বেইটেসকলৰ আটাইতকৈ পয়োভৰপূৰ্ণ উৎসৱটি হ'ল 'ফাবাংকূট' উৎসৱ। ঝুমতলীত কৰা সকলো খেতি-বাতিৰ শস্য চপাই ভঁৰাল ভৰাই কৃষিজীৱী লোকসকলৰ মন আনন্দ উল্লাসেৰে ভৰি পৰে। সেয়েহে তেওঁলোকে ইয়াক প্ৰকাশৰ হেতু আয়োজন কৰে ভোগ আৰু আনন্দৰ উৎসৱ 'ফাবাংকূট'। গাঁৱৰ মাজত আয়োজিত এই উৎসৱৰ উপাস্য দেৱতা 'ফাবাংকূট পাথিয়ান'ৰ উদ্দেশ্যে উপাচাৰ হিচাপে ছাগলী, কুকুৰা, ম'হ, গাহৰি আদি বলি দিয়ে পূজাৰী 'থিয়ামপু'ৱে। ভোজভাত আৰু লাওপানী আদি খোৱা-বোৱাৰো আয়োজন কৰা হয়। তদুপৰি ডেকা-গাভৰুসকলে উৎসৱ উপলক্ষে খেল-ধেমালি আৰু নৃত্য-গীতমাতৰ দ্বাৰা আনন্দৰ জোৱাৰ তোলে আৰু গীতৰ দ্বাৰা মনৰ ভাব প্ৰকাশ কৰি গীত জুৰে। তলত উল্লিখিত তেনে এটি গীতত এগৰাকী গাভৰুৱে তেওঁৰ মৃত ভালপোৱাজনক সুঁৱৰি দুখ প্ৰকাশ কৰিছে। যুদ্ধত শত্ৰুক জিনিবৰ জোখাৰে তেওঁৰ প্ৰিয়তম শক্তিমন্ত নহয়। সেয়েহে শত্ৰুৱে তেওঁক মৃত্যুৰ মুখলৈ ঠেলি দিলে। কিন্তু তেওঁৰ মিঠা সান্নিধ্যৰ মধুৰ স্মৃতিয়ে আজিও গাভৰুগৰাকীৰ হৃদয়ৰ গোপন অংশ হেঁচুকি যায়। দুগালেদি বাগৰি অহা দুধাৰি চকুলো তাইৰ শ্ৰম কঠিন হাতৰ তলুৱাৰে আলফুলে মোহাৰি পেলায়।

"পাচাল তাকা বু উম্নি এলেং ৰোত্ৰইলে খামলু ই
হিংকা তাকাম চেইচিয়া লুট ৰেং
পাচাল চাং দাং এৱ এই আজং ই,
দি দং অজুৰং লেই চাকচিয়া এভই।
ৰুণথলিং এপুই নুৱামনা হান ই,
চুংতুই খুৰ খামা কা লুং এন জিং,
খট এইআ কা ৰিয়েল দন ম'
থ্লাং টিয়া কি এন ক'ৰচেই কিয়াং অভুই ই
চাক টিয়েং কি এন জ'ৰ চিং এৰই ই চই।
থ্লিৰ টু খাম এ চুংচিত্ৰং,
কেন থ্লান চুং চি এৰ অলাভালেং ৰং অই—ই,
এই চাম চই থ্লা নি অথ্লাক।

চুৰা চাবেই লাং ৰুএকা এনিং
থ্লান থ্লা দই ই লুং ৰুকা,
এই নি চা চম চিয়েল লা ভাৱৰ কাই ভে ৰেই—ই।
ফাভাং থ্লানগা ৰিক্ ভা কি ৰুংগে,
পল অই হং লেং কা চিত্র লুং এচিয়া,
বুআং ভা লং লেই অচুক ৰুএই এচে খুৱ'।"

(৫) জলচুৱক উৎসৱ : বেইটে সমাজৰ পালিত অন্য এটি উৎসৱ হৈছে 'জলচুৱক' উৎসৱ। আৰ্থিক সামৰ্থ থকা লোকসকলে এই উৎসৱ পালনৰ সকলো যা-যোগাৰ কৰে। তেওঁৰ ঘৰৰ চোতালত গাঁৱৰ সকলো লোকক এই উৎসৱ পালন কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়। খোৱা-বোৱা আৰু নৃত্য-গীতৰ পয়োভৰেৰে প্ৰায় সাতদিনলৈ গাঁওখন উৎসৱমুখৰ পৰিৱেশেৰে দলদোপ-হেন্দোলদোপ হৈ পৰে। ধনী-দুখীয়া ভেদভাৱ পৰিহৰি সকলোৱে এই উৎসৱত যোগদান কৰি ইজনে সিজনৰ প্ৰতি সম্ভাৱ প্ৰকাশ কৰে।

(৬) চিলুলাম : কৃষি ভিত্তিক আৰু সামাজিক সমতা ৰক্ষাৰ উৎসৱ সমূহৰ উপৰি বেইটেসকলে পালন কৰা অন্য এক প্ৰকাৰৰ উৎসৱ হৈছে ভয়ংকৰ বনৰীয়া জীৱজন্তু চিকাৰ কৰি অনাৰ বাবে বিজয়ী চিকাৰীজনক সন্মান প্ৰদৰ্শনৰ উৎসৱ 'চিলুলাম'। গুণীজনৰ গুণগান গোৱা আৰু তেওঁৰ আদৰ্শ অনুসৰণ কৰাৰ বাবে এই উৎসৱ পালিত হয়। চিকাৰ কৰি অনা জীৱজন্তুৰ মূৰবিলাক কাটি ওলোমাইলৈ গীত গাই নাচি নাচি তেওঁলোকে শক্তি সামৰ্থৰ পৰিচয় দাঙি ধৰে আৰু আনন্দ উল্লাস প্ৰদৰ্শন কৰে। তেনে উৎসৱত গোৱা তলত উল্লিখিত গীত এটিত বৰ্ণিত হৈছে—

"শেন চৰায়ে চকুৰ পলকতে অন্য চৰাই নতুবা জীৱজন্তুৰ পোৱালি থাপ মাৰি নিয়াৰ দৰে চতুৰ চিকাৰীয়েও ভয়ংকৰ জন্তু চিকাৰ কৰি আনিব পাৰে। আমি সেই জন্তুৰ কটা মূৰ ওলোমাই নাচো আৰু গাওঁ বিজয়ৰ গান। চিকাৰী, তোমালৈ আমাৰ আন্তৰিক অভিনন্দন।"

"মু ভান লাইপা থাংভান জলএলেং দ'ৰা অ',
অৰাই ফামফা জংলাম মা কুল থিং এবুন
কুল থিং এবুন হই চুং নুংগা ৰ'



এভান কুল থিং এবুন হই চুং নুংগা ৰ'।
চন লেন লেন চিং দ'ভান চং কুল থিং এবুন।
এ নিং লামচিং ৰিলিম দৰং কি চই আ,
এচই গ্ৰীৰিণ ৰিমিং কেন থং গ্লুল লং কে থ্লুক;
পুই চই একনা থং এৰুণা কে থ্লন জই টুৰ নুত্ৰই অমা,
পুই চন এদেন নিং কে থ্লুন।"

উৎসৱসমূহ গাঁৱৰ গাঁওবুঢ়া 'খুৱপু' আৰু সমাজৰ মুখিয়াল 'কালিম' 'কাবোৰ' আদিৰ উপদেশক্ৰমে গাঁওবাসী 'মিৰিয়াম'সকলে ডেকা আৰু গাভৰুসকলৰ উমৈহতীয়া সংগঠন 'বাংলাই পৰল'ৰ উদ্যোগত আৰু ডেকা নেতা 'ৰইটু'ৰ পৰিচালনাত আয়োজন কৰে। উৎসৱ উপলক্ষে বিভিন্ন পূজাৰ কাম সম্পাদন কৰে পূজাৰী 'থিয়েমপু' জনে।

নৃত্য : উৎসৱবিলাকৰ সময়ত মনৰ উলাহ প্ৰকাশ কৰিবৰ বাবে ডেকা নৰ্ত্তকৰ নেতা 'লাম্‌পু' আৰু গাভৰু নৰ্ত্তকীৰ নেত্ৰী 'লামপিত'ৰ পৰিচালনাত ভিন্ ভিন্ নৃত্য, গীতমাত আৰু বাদ্য যন্ত্ৰৰ সুৰ সমলয় পৰিৱেশিত হয়। পুৰুষ আৰু মহিলা উভয়ৰে কিছুমান সুকীয়া নৃত্যও দেখা যায়। কৃষি চপোৱা উৎসৱ 'ফাবাংকুট'ৰ সময়ত গাভৰুসকলে কৃষি কৰ্ম সামৰি পোৱা সন্তোষ প্ৰকাশৰ বাবে 'পাৰটন লাম', 'চুলৰিবাম' আৰু ডেকাসকলে 'লাম পালাক' নৃত্য পৰিৱেশন কৰে। ধানবোৰ ভঁৰাল 'পাৰগ'ত ভৰাই মৰণামৰা চোতাল 'ৰিজল'ত গাভৰুসকলে মূৰত ধান ভৰা টুকুৰীলৈ 'ফাইদাটিয়াংলাম' নৃত্য কৰে। 'লাবাংকূট' উৎসৱৰ সময়ত পুৰুষসকলে আনন্দৰ নৃত্য 'দাৰলাম' পৰিৱেশন কৰে। মহিলাসকলে তেওঁলোকৰ ভৰিৰ শক্তি প্ৰদৰ্শন কৰিবৰ কাৰণে কুকুৰাই মাটি খুচৰাৰ ভংগীমা কৰি 'পামচাৰ কূট' উৎসৱৰ সময়ত 'আৰেক নোৱমি' নাচ নাচে। ঝুমতলীত গুটি সিঁচাৰ দিনা গাভৰুসকলে 'বুপাথিয়ান' নামৰ শস্যৰ গৰাকী উপাস্য দেৱতাৰ সন্তোষৰ অৰ্থে দুটা বাঁহৰ চুঙা দুহাতেলৈ ইজনে সিজনৰ চুঙাত কলা সুলভভাৱে আঘাত কৰি 'মেবুৰলাম' নৃত্যৰ আয়োজন কৰে। শীত কালত নৈৰ পাৰত তিৰোতাসকলে জলকুঁৱৰীৰ গুণগান গাই 'টুই পুইলেনথ্লুক' নামৰ এবিধ দলগত নৃত্য পৰিৱেশন কৰে। বাঁহী 'থেইলা'ৰ সুৰৰ তালত পানীৰ ঢৌৰ দৰেঁ দেহ ভংগীমাৰে নচা এই নাচ অতি আকৰ্ষণীয়। গীত আৰু বাদ্যৰ সুৰৰ তালে তালে দিনৰ ভাগৰ পলুৱাবলৈ গধূলি গাঁৱৰ মহিলা সকল গোটখাই প্ৰায়েই

চুৰা চাবেই লাং ৰুএকা এনিং
থ্লান থ্লা দই ই লুং ৰুকা,
এই নি চা চম চিয়েল লা ভাৰৰ কাই ভে ৰেই—ই।
ফাভাং থ্লানগা ৰিক্ ভা কি ৰুংগে,
পল অই হং লেং কা চিত্ৰ লুং এচিয়া,
বুআং ভা লং লেই অচুক ৰুএই এচে খুৰ'।"

(৫) জলচুৰক উৎসৱ ঃ বেইটে সমাজৰ পালিত অন্য এটি উৎসৱ হৈছে 'জলচুৰক' উৎসৱ। আৰ্থিক সামৰ্থ থকা লোকসকলে এই উৎসৱ পালনৰ সকলো যা-যোগাৰ কৰে। তেওঁৰ ঘৰৰ চোতালত গাঁৱৰ সকলো লোককে এই উৎসৱ পালন কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়। খোৱা-বোৱা আৰু নৃত্য-গীতৰ পয়োভৰেৰে প্ৰায় সাতদিনলৈ গাঁওখন উৎসৱমুখৰ পৰিৱেশেৰে দলদোপ-হেন্দোলদোপহৈ পৰে। ধনী-দুখীয়া ভেদভাৱ পৰিহৰি সকলোৱে এই উৎসৱত যোগদান কৰি ইজনে সিজনৰ প্ৰতি সদ্ভাৱ প্ৰকাশ কৰে।

(৬) চিলুলাম ঃ কৃষি ভিত্তিক আৰু সামাজিক সমতা ৰক্ষাৰ উৎসৱ সমূহৰ উপৰি বেইটেসকলে পালন কৰা অন্য এক প্ৰকাৰৰ উৎসৱ হৈছে ভয়ংকৰ বনৰীয়া জীৱজন্তু চিকাৰ কৰি অনাৰ বাবে বিজয়ী চিকাৰীজনক সন্মান প্ৰদৰ্শনৰ উৎসৱ 'চিলুলাম'। গুণীজনৰ গুণগান গোৱা আৰু তেওঁৰ আদৰ্শ অনুসৰণ কৰাৰ বাবে এই উৎসৱ পালিত হয়। চিকাৰ কৰি অনা জীৱজন্তুৰ মূৰবিলাক কাটি ওলোমাইলৈ গীত গাই নাচি নাচি তেওঁলোকে শক্তি সামৰ্থৰ পৰিচয় দাঙি ধৰে আৰু আনন্দ উল্লাস প্ৰদৰ্শন কৰে। তেনে উৎসৱত গোৱা তলত উল্লিখিত গীত এটিত বৰ্ণিত হৈছে—

"শেন চৰায়ে চকুৰ পলকতে অন্য চৰাই নতুবা জীৱজন্তুৰ পোৱালি থাপ মাৰি নিয়াৰ দৰে চতুৰ চিকাৰীয়েও ভয়ংকৰ জন্তু চিকাৰ কৰি আনিব পাৰে। আমি সেই জন্তুৰ কটা মূৰ ওলোমাই নাচো আৰু গাওঁ বিজয়ৰ গান। চিকাৰী, তোমালৈ আমাৰ আন্তৰিক অভিনন্দন।"

"মু ভান লাইপা থাংভান জলএলেং দ'ৰা অ',
অৰাই ফামফা জংলাম মা কুল থিং এবুন
কুল থিং এবুন হই চুং নুংগা ৰ'



এভান কুল থিং এবুন হই চুং নুংগা ৰ'।
চন লেন লেন চিং দ'ভান চং কুল থিং এবুন।
এ নিং লামচিং ৰিলিম দৰং কি চই আ,
এচই গ্ৰীৰিণ ৰিমিং কেন থং গ্লুল লং কে থ্লুক;
পুই চই একনা থং এৰুণা কে থ্লন জই টুৰ নুত্ৰই অমা,
পুই চন এদেন নিং কে থ্লুন।"

উৎসৱসমূহ গাঁৱৰ গাঁওবুঢ়া 'খুৰপু' আৰু সমাজৰ মুখিয়াল 'কালিম' 'কাবোৰ' আদিৰ উপদেশক্ৰমে গাঁওবাসী 'মিৰিয়াম'সকলে ডেকা আৰু গাভৰুসকলৰ উমৈহতীয়া সংগঠন 'বাংলাই পৱল'ৰ উদ্যোগত আৰু ডেকা নেতা 'ৰইটু'ৰ পৰিচালনাত আয়োজন কৰে। উৎসৱ উপলক্ষে বিভিন্ন পূজাৰ কাম সম্পাদন কৰে পূজাৰী 'থিয়েমপু' জনে।

নৃত্য ঃ উৎসৱবিলাকৰ সময়ত মনৰ উলাহ প্ৰকাশ কৰিবৰ বাবে ডেকা নৰ্তকৰ নেতা 'লাম্‌পু' আৰু গাভৰু নৰ্তকীৰ নেত্ৰী 'লামপিত'ৰ পৰিচালনাত ভিন্ ভিন্ নৃত্য, গীতমাত আৰু বাদ্য যন্ত্ৰৰ সুৰ সমলয় পৰিৱেশিত হয়। পুৰুষ আৰু মহিলা উভয়ৰে কিছুমান সুকীয়া নৃত্যও দেখা যায়। কৃষি চপোৱা উৎসৱ 'ফাবাংকুট'ৰ সময়ত গাভৰুসকলে কৃষি কৰ্ম সামৰি পোৱা সন্তোষ প্ৰকাশৰ বাবে 'পাৰটন লাম', 'চুলৰিবাম' আৰু ডেকাসকলে 'লাম পালাক' নৃত্য পৰিৱেশন কৰে। ধানবোৰ ভঁৰাল 'পাৰগ'ত ভৰাই মৰণামৰা চোতাল 'ৰিজল'ত গাভৰুসকলে মূৰত ধান ভৰা টুকুৰীলৈ 'ফাইদাটিয়াংলাম' নৃত্য কৰে। 'লাবাংকুট' উৎসৱৰ সময়ত পুৰুষসকলে আনন্দৰ নৃত্য 'দাৰলাম' পৰিৱেশন কৰে। মহিলাসকলে তেওঁলোকৰ ভৰিৰ শক্তি প্ৰদৰ্শন কৰিবৰ কাৰণে কুকুৰাই মাটি খুচৰাৰ ভংগীমা কৰি 'পামচাৰ কূট' উৎসৱৰ সময়ত 'আৰেক নোৱমি' নাচ নাচে। ঝুমতলীত গুটি সিঁচাৰ দিনা গাভৰুসকলে 'বুপাথিয়ান' নামৰ শস্যৰ গৰাকী উপাস্য দেৱতাৰ সন্তোষৰ অৰ্থে দুটা বাঁহৰ চুঙা দুহাতেলৈ ইজনে সিজনৰ চুঙাত কলা সুলভভাৱে আঘাত কৰি 'মেবুৰলাম' নৃত্যৰ আয়োজন কৰে। শীত কালত নৈৰ পাৰত তিৰোতাসকলে জলকুঁৱৰীৰ গুণগান গাই 'টুই পুইলেনথ্লুক' নামৰ এবিধ দলগত নৃত্য পৰিৱেশন কৰে। বাঁহী 'থেইলা'ৰ সুৰৰ তালত পানীৰ ঢৌৰ দৰে দেহ ভংগীমাৰে নচা এই নাচ অতি আকৰ্ষণীয়। গীত আৰু বাদ্যৰ সুৰৰ তালে তালে দিনৰ ভাগৰ পলুৱাবলৈ গধূলি গাঁৱৰ মহিলা সকল গোটখাই প্ৰায়েই

ঘূৰি ঘূৰি মূৰ দোঁ খুৱাই পুনৰ ওপৰলৈ তুলি ভাটৌ চৰায়ে ধানৰ চেঁই ঠোঁটেৰে চোঁ মাৰি নিয়াৰ দৰে ভংগীমা কৰি নাচে 'ৰিকিফেচই' নাচ। ঝুমতলীৰ হাবি কটাৰ পাছত 'চিচই পাথিয়ান' বা 'লইভাত পাথিয়ান' নামৰ দেৱতাৰ সন্তুষ্টিৰ উদ্দেশ্যে হাতত বাঁহৰ লাখুটি 'পুৱৌ' লৈ 'কলৰিখেক্' বোলা নৃত্যটি পুৰুষসকলে পৰিৱেশন কৰে।

বাদ্যযন্ত্ৰ ঃ নৃত্যবিলাক পৰিৱেশনৰ সময়ত গীত-মাতৰ উপৰি বিভিন্ন বাদ্যযন্ত্ৰ বজাই সুৰাৰোপিত কৰা হয়। এনে বাদ্যযন্ত্ৰৰ ভিতৰত 'চেৰেঙ্গা', 'ডাৰৰিবো' (কাঁহ), 'ডাৰপুই' (বৰকাঁহ), 'খুৱং' (ঢোল),'ৰচেম' (তিতালাওৰ খোলা আৰু বাঁহীৰ দ্বাৰা তৈয়াৰী বাদ্য), 'চং প্ৰেং (বাঁহ এপাবত দুডাল চেঁচুৰে সজা বাদ্য), 'থেইলে' (বাঁহী), 'টংৰেপ' (তাল), 'টুই মেই খুৱং' (বাঁহৰ চুঙাৰ বাদ্য), 'মেবুৰ' (ৰাঁহৰ চুঙাৰ গিলাচৰ আকৃতিৰ বাদ্য) ইত্যাদি উল্লেখযোগ্য।

সাজপাৰ ঃ অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বেইটেসকলৰ মহিলাসকলো কাপোৰ বোৱাত অতি পাকৈত। পুৰুষ-মহিলা সকলোৰে আৱশ্যকীয় কাপোৰ-কানি কঁকালত বান্ধি লোৱা পৰম্পৰাগত তাঁতশাল 'প'ৱন ৰিকল'ত বৈ কাটি লয়। উৎসৱ উপলক্ষে পুৰুষ-মহিলা উভয়েই তেওঁলোকৰ পৰম্পৰাগত সাজপাৰ পৰিধান কৰি নৃত্য-গীতত আত্মনিয়োগ কৰে। মহিলাসকলে আঁঠুৰ ওপৰত কঁকালত পিন্ধা কাপোৰ 'পৰনবম' বা 'থেতিঙই', মেথনি 'চইপৰন', হাত দীঘল চেলা 'নোপাং জাকোৱা', বেতৰ দ্বাৰা তৈয়াৰী মূৰত পিন্ধা ৰিবন 'তাইচেন' আদি কাপোৰ আৰু অলংকাৰৰ ভিতৰত কাণফুল 'কৰবেত', আঙঠি 'কোচাবিত', খাৰু 'হাৰবোন', ৰূপৰ টকাৰ মালা 'চুমৰিথেই', মণিৰ মালা 'ৰিথেই' আদি উল্লেখযোগ্য। আকৌ পুৰুষসকলে পিন্ধে আঁঠুৰ মূৰত ধুতি 'কাইপ্ৰেং', চোলা 'ই পাজাকোৱা', পাগুৰি 'লোকম', পাগুৰিত লগোৱা চৰাইৰ পাখি 'পোৱলবেচোং' আদি।

খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ পাছত বেইটে জনজাতিৰ লোকসকলে পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ প্ৰতি আওকাণ কৰিছিল যদিও শিক্ষা সম্প্ৰসাৰণৰ লগে লগে জাতীয় চেতনাত উদ্বুদ্ধহৈ পৰম্পৰাগত ৰীতি-নীতি সমূহ পুনৰুদ্ধাৰৰ হেতু অহোপুৰুষাৰ্থ কৰা পৰিলক্ষিত হৈছে।[২]

২ Duarah, Dharmeswar, "The Folk Festivals of the Biates," The Sentinel, Guwahati, 7th October, 1984.

## ১৩.০০ ত্ৰয়োদশ অধ্যায়

# ভাইফে জনজাতিৰ উৎসৱ-অনুষ্ঠান

কুকিচীন গোষ্ঠীয় পাহাৰী জনজাতিৰ অন্যতম জনজাতি আৰু তিব্বতো-বৰ্মণ বা ইন্দো-চীন ভাষা গোষ্ঠীৰ ভাইফে জনজাতিৰ লোকসকলে অসম আৰু মণিপুৰত বসবাস কৰে। মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্ভুক্ত এই জনজাতিৰ একাংশ উত্তৰ কাছাৰ পাৰ্বত্য জিলাতো বসবাস কৰি আছে। এওঁলোকৰ আদি বাসস্থান চীন আৰু ব্ৰহ্মদেশ আছিল। কালক্ৰমত বিভিন্ন ঠাইলৈ প্ৰব্ৰজনহৈ মণিপুৰ, মিজোৰাম ৰাজ্যৰ উপৰিও অসমৰ কাছাৰ আৰু উত্তৰ কাছাৰ জিলাতো নিগাজিকৈ বসবাস কৰিবলৈ লয়। ব্ৰহ্মদেশৰ পৰা সম্ভৱতঃ ১৮৩০ ৰ পৰা ১৮৫০ চনৰ ভিতৰত তেওঁলোক মণিপুৰ আৰু অসমলৈ আহে। কুকি-চীন জনজাতিৰ অন্যতম জাতি হিচাপে ভাইফে সকলৰ পৰিচয় পোৱা যায়। ১৯৫৬ চনৰ অনুসূচিত জনজাতি সংক্ৰান্তীয় জাননী অনুসৰি ভাৰত চৰকাৰে মণিপুৰত থকা ২৯ টা সুকীয়া সুকীয়া জনজাতিৰ ভিতৰত ভাইফেকো এটা সুকীয়া বৈশিষ্ট্য সম্পন্ন জনজাতি হিচাপে স্বীকৃতি প্ৰদান কৰে।[১]

ভাইফে সকলৰো বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰা বিদ্যমান। তেওঁলোকৰ সৰলতা আৰু সুকীয়া সাংস্কৃতিক বৈশিষ্ট্যই কুকিচীন জাতিৰ অন্তৰ্গত থকা অন্য জাতি সমূহৰ পৰা পৃথক কৰি ৰাখিছে। অৱশ্যে এই গোষ্ঠীয় জাতিসমূহ অতীজৰে পৰা একেলগে বসবাস কৰা বাবে ভাষা আৰু সাংস্কৃতিক পৰম্পৰাত অনেক সাদৃশ্য পৰিলক্ষিত হয়।

একোটা জাতিৰ সাংস্কৃতিক জীৱনৰ প্ৰতিফলন উৎসৱ-পাৰ্বন আদিৰ আনন্দ উল্লাসৰ মাজেদি প্ৰকাশিত হয়। ভাইফে সমাজৰো তেনে বাৰেৰহণীয়া সাংস্কৃতিক সৌন্দৰ্য উৎসৱ বোৰৰ মাজেদি বিকশিত হৈ উঠে। অন্য হাতে সমাজ জীৱনৰ গতি ধাৰাৰো ইয়াৰ পৰাই উমান ল'ব পাৰি। সাধাৰণতে

১ দুৱৰা, ধৰ্মেশ্বৰ, "ভাইফে জনজাতিৰ সাংস্কৃতিক জীৱন", আজিৰ অসম, ৮ আঘোণ, ১৯১৭ শক, ২৫ নৱেম্বৰ, ১৯৯৫

ভাইফে সকলৰ ধৰ্মভিত্তিক কোনো উৎসৱ নাই। তেওঁলোকৰ উৎসৱবোৰ কৃষিভিত্তিক, চিকাৰ সম্বন্ধীয়, নৱবৰ্ষৰ আদৰণি, ডেকা সংগঠনৰ বছেৰেকীয়া আনন্দ প্ৰকাশ, ভোজ খোৱা আদিৰ ভিত্তিত পালিত হয়। উৎসৱৰ সময়ত গাঁওবাসীৰ বিশেষকৈ ডেকা-গাভৰু সকলৰ উদ্যমত সকলো কামকাজ সম্পন্ন হয়। লাউপানী 'জু' তৈয়াৰ কৰা, পানী-খৰি-পাত আদি সংগ্ৰহ কৰাত তেওঁলোক ব্যস্তহৈ পৰে। তদুপৰি চিকাৰ আৰু মেঠোন আদি সংগ্ৰহ কৰি ভোজভাত ৰন্ধা কামতো নিয়োজিত হয়। আনন্দ প্ৰকাশৰ বাবে নৃত্য-গীত পৰিৱেশন কৰি সকলোৱেই সম্প্ৰীতিৰ বান্ধোনেৰে বান্ধ খায়। তেওঁলোকে পালন কৰা বিভিন্ন উৎসৱৰ ভিতৰত (১) 'চা-আই', (২) 'চাউন', (৩) 'থাজিংলাপ' আদিয়েই প্ৰধান। তদুপৰি সমূহীয়া ভাৱে খোৱা-বোৱাৰ উৎসৱ 'লাখিয়াংলা', চিকাৰৰ উৎসৱ 'চুৱাংবেমলা', সমাজৰ গণ্য মান্য ব্যক্তিৰ মৃত্যু তিথি আৰু ডাঙৰ সভা সমিতিৰ উৎসৱ 'ফেইফিটলা', শস্যতলী নিৰণি কৰা উৎসৱ 'চিয়াম খুৱাংলা' আদি উৎসৱ সমূহ পালিতহৈ আহিছে। পয়োভৰ কম হ'লেও এইবোৰ পালন কৰি জাতীয় কৃষ্টিৰ বিকাশ সাধন কৰাত যথেষ্ট গুৰুত্ব আছে।

(১) চা-আই উৎসৱ ঃ চা-আই উৎসৱক চিকাৰ বা যুদ্ধ জয়ৰ উৎসৱ হিচাপে পালন কৰা হয়। কোনো বিখ্যাত আৰু সম্ভ্ৰান্ত চিকাৰী আৰু যুদ্ধাৰুৱে তেওঁৰ অভিযানত হত্যা কৰা জীৱজন্তু বা মানুহৰ আত্মাৰ বাবে এনেদৰে উৎসৱৰ আয়োজন কৰি গাঁওবাসীক ভোজভাত খুৱাই আপ্যায়ন কৰে। চিকাৰত বধ কৰা সৰু-ডাঙৰ জীৱজন্তুবোৰৰ আত্মাই শত্ৰুৰ দৰে অহৰ্নিশে চিকাৰীজনক খেদি ফুৰে বুলি এটা জন বিশ্বাস আছে। সেয়েহে এই অদেহী আত্মাবোৰৰ আক্ৰমণৰ পৰা ত্ৰাণ পাবলৈ চা-আই উৎসৱ পালন কৰা হয়। গঞাঁ ৰাইজৰ সহায় সহযোগত এই উৎসৱ তিনি দিনলৈ পালন কৰা হয়। চিকাৰীজনে সময়ত মৃত্যুবৰণ কৰিলে অদেহী আত্মাবোৰো তেওঁৰ সৈতে সহযাত্ৰী হয়। কিন্তু চা-আই উৎসৱ পালন নকৰা সকলে এই সুবিধাৰ পৰা বঞ্চিত হ'ব লগীয়া হয়। সেইবাবে চিকাৰীসকলে পৰাপক্ষতএই উৎসৱ পালন কৰিবলৈ চেষ্টা কৰে। তিনি দিনলৈ ধুমধামেৰে খোৱা-বোৱা, নৃত্য-গীতৰ আয়োজন কৰি চিকাৰীজনৰ চোতাল-ঘৰ উদুলি-মুদুলি কৰি তোলে। প্ৰথম দিনাৰ নিশা চিকাৰীজন শুৱা নিষেধ। কোনোৱে শুলে তেওঁ পাছৰ



জীৱনত ডাঙৰ চিকাৰ কৰিবলৈ সক্ষম হ'ব নোৱাৰে। এনেদৰে বিনিদ্ৰ ৰজনী কটোৱাকে 'চজানহা' বোলা হয়। ওৰে নিশা নৃত্য-গীতৰ আয়োজন কৰি ডেকা-গাভৰু সকলে আনন্দমুখৰ পৰিৱেশ ৰচনা কৰে। অন্যহাতে চিকাৰীজনে জীৱনত বধ কৰা ডাঙৰ-সৰু জীৱজন্তুৰ পৰিমাণ অনুসৰি কিছুমান লাখুটি সাজি একমুঠ কৰি বান্ধি ঘৰৰ সন্মুখৰ কোঠাৰ মুজিয়াত সজাই-পৰাই সকলোৱে দেখাকৈ ৰখা হয়। এই লাখুটি মোঠাক 'চাউল বেম' বুলি অভিহিত কৰে। দ্বিতীয় দুদিনো খোৱা-বোৱা আৰু হাঁহি-ধেমালিৰ অন্ত নপৰে। ভোজৰ বাবে মেঠোন আৰু গাহৰি বধ কৰা হয়। গৃহস্থৰ ঘৰৰ সন্মুখত ভোজলৈ আগবঢ়োৱা মেঠোনটো বান্ধি তাৰ চাৰিওফালে এটা নৃত্য 'শিলটুৱলনিম' কৰি ডেকাসকলে আনন্দ প্ৰকাশ কৰে। তদুপৰি মেঠোনটোৰ গাৰ ওপৰেদি জপিয়াই পাৰহৈ তেওঁলোকে ধেমালি কৰে। গঞাঁ ৰাইজে এইবোৰ চাই উপভোগ কৰি হাঁহিৰে উৎসৱথলীত খলকনি তোলে। বৃদ্ধসকলে ঘৰৰ ভিতৰত বহি গীতগাই আনন্দ প্ৰকাশ কৰে। উৎসৱৰ শেষৰ দিনা ডেকা সকলে ঘৰৰ ভিতৰৰ সোঁ মাজৰ খুটাৰ চাৰিওফালে ঘূৰি 'চুটলাইভেল' নামৰ নৃত্য এটা পৰিৱেশন কৰে। তেওঁলোকৰ পৰম্পৰা প্ৰথা অনুসৰি চিকাৰীজনৰ ফৈদৰ লোক সকলে ডাঙৰৰ পৰা সৰুলৈ যথাক্ৰমে একোডাল জৰী 'চা-আও' ডিঙিত বান্ধি ল'ব লাগে। উৎসৱ উপলক্ষে চিকাৰী জনৰ মোমায়েকেও ভোজৰ বাবে গাহৰি আগবঢ়ায়। জীৱজন্তু বধ কৰাৰ উপৰি অধিক পৰিমাণৰ কৃষি উৎপাদন হোৱাৰ উপলক্ষে গৃহস্থনী গৰাকীৰ নামত 'বু-আই' বোলা এটা ভোজৰ আয়োজন কৰে। আকৌ শত্ৰু নিধনৰ বাবে অন্য এটা ভোজ 'গালো-আই'ৰ আয়োজন কৰাও দেখা যায়। উৎসৱবোৰত সাধাৰণতে ভোজ আৰু নৃত্য-গীতৰ পয়োভৰেই অধিক। সমূহীয়াভাৱে আনন্দ কৰি সম্প্ৰীতিৰ বান্ধোনেৰে পুনৰ বান্ধ খোৱা লক্ষ্যণীয়।

(২) 'চউন' উৎসৱ ঃ ভাইফে সকলে মৃত্যুৰ পাছত মানুহৰ আত্মা কোনো এখন 'মিথিখাৱ' নামৰ অজানা ৰাজ্যত বিচৰণ কৰে বুলি বিশ্বাস কৰে। তেওঁলোকে মৃত্যুৰ পাছত 'মিথিখাৱ'ত এখন বিশিষ্ট আসনৰ অধিকাৰী হোৱাৰ পৰম আশাৰে জীৱন কালত 'চউন' নামৰ উৎসৱ এটা পালন কৰিবলৈ মনস্থ কৰে। যি সকল লোকে তিনিবাৰকৈ 'চা-আই' উৎসৱ

পালন কৰে তেনেলোকেহে এই 'চউন' উৎসৱৰ আয়োজন কৰাৰ যোগ্যতা অৰ্জন কৰে। এই উৎসৱ বৰ খৰছী। ধনধান থকা লোকেহে ইয়াক আয়োজন কৰিব পাৰে। মেঠোন বা গাহৰি চাৰি যোৰ বা সাতটাকৈ বধ কৰি ভোজৰ আয়োজন কৰিব লাগে। নিজৰ গাঁৱৰ লোকৰ বাহিৰেও ওচৰ-পাজৰৰ গাঁওবোৰৰো ৰাইজ আহি উৎসৱৰ সকলো কাম কাজত অংশ গ্ৰহণ কৰি আনন্দ উপভোগ কৰে। এই উৎসৱ উপলক্ষে আগবঢ়োৱা ভোজক 'চউন খিমনা' বুলি কোৱা হয়। উৎসৱ অনুষ্ঠিত কৰা গৃহস্থৰ ফৈদৰ মুখিয়াল লোক 'উপা'ই এডাল লোৰ যাঁঠী 'চউনটুল'ৰ দ্বাৰা খুচি মেঠোন বধ কৰা প্ৰথা প্ৰচলিত। 'চউন' উৎসৱ খুব কম পৰিমাণেহে পালিত হোৱা দেখা যায়। অত্যাধিক খৰছৰ বাবেই এনে উৎসৱ পালনৰ বাবে অসুবিধা হয়।

(৩) 'থজিংলাপ' উৎসৱ ঃ পুৱাৰ পৰা ৰাতিলৈকে গাঁৱৰ সকলোৱে খেতি-বাতিৰ দিনত পাহাৰৰ ঝুমিংপথাৰত কৰ্মব্যস্তহৈ পৰে। কৰ্মৰ মাজেদিয়েই দিনৰ সকলো দুখ-ভাগৰ, সুখ-শান্তি প্ৰকাশ কৰিবলৈ গীতগোৱা প্ৰথাৰ প্ৰচলন লক্ষ্যণীয়। ভাইফে সমাজে কৰ্মৰ ক্লান্তি দূৰ কৰাৰ মানসেৰে কামৰ মাজতো দলগত ভাৱে গীত গাই কৰ্মত অগ্ৰসৰ হয়। প্ৰত্যেক বছৰে 'থজিংলাপ' উৎসৱ পালন কৰা নহয়। পালন কৰিবলৈ মনস্থ কৰা বছৰত তেওঁলোক ঝুমতলীলৈ ঢোললৈ যায় আৰু কামৰ মাজতো ঢোল 'খুৱাংপি' বজাই গান গাই কামত আত্মনিয়োগ কৰে। পুৱা, দুপৰীয়া, আবেলি আৰু গধূলিৰ কৰ্মৰ বৰ্ণনা দি এই গীতসমূহ গোৱা হয়। পথাৰত ঢোল বজাই এইদৰে গীত গোৱা প্ৰথাক 'চিয়াম খুৱানংপুৰ' বোলা হয়। খেতি চপোৱাৰ অন্তত শুভ দিনবাৰ ধাৰ্য কৰি এই উৎসৱৰ আৰম্ভ কৰে। সাতদিনলৈ ভোজভাত খোৱা আৰু নৃত্যগীতত তেওঁলোক আত্মবিভোৰহৈ পৰে। নৃত্য পৰিৱেশন কৰিবলৈ গাভৰুসকলে মূৰত এবিধ বাঁহৰ টুপী পৰিধান কৰে। ইয়াক কুকুৰাৰ পাখিৰ দ্বাৰা সুন্দৰকৈ সজাই লোৱা হয়। সেইদৰে চিলনীৰ পাখি কপাহত গুজি টুপী সাজি ডেকাসকলেও পিন্ধি লয়। এনেকৈ পিন্ধি নৃত্য পৰিৱেশন কৰিলে এক অপূৰ্ব দৃশ্য হোৱা স্বাভাৱিক।

(৪) 'লাউমজুনেইক' উৎসৱ ঃ যুৱ উৎসৱ হিচাপে 'লাউমজুনেইক' জনাজাত। এই উৎসৱ উপলক্ষে গাভৰু থকা প্ৰতিঘৰতে লাউপানী 'জু' তৈয়াৰ কৰা হয়। ডেকাসকলে প্ৰত্যেকে একোগৰাকী গাভৰুৰ ঘৰলৈ গৈ



'জু'ৰ জুটি লয় আৰু বিশেষভাৱে ৰন্ধা আহাৰ গ্ৰহণ কৰে। শেষত সকলোৱে ঘৰৰ পৰা 'জু' আনি সমূহীয়াভাৱে পান কৰে। আকৌ মেঠোন বধ কৰি ভোজভাত ৰন্ধা-বঢ়াত তেওঁলোক ব্যস্তহৈ পৰে। সোৱাদ লগাকৈ বনোৱা 'জু'ৰ বাবে গাভৰু সকলে মেঠোনৰ মাংস উপহাৰ হিচাপে পায়। ৰাতি সকলোৱে গীত গাই নাচি নাচি আনন্দ উপভোগ কৰি কটায়। সমূহীয়াভাৱে নৃত্য-গীতত অংশ গ্ৰহণ কৰা ডেকা-গাভৰুসকলৰ মনৰ উল্লাসেৰে চৌদিশে আনন্দৰ হিল্লোল বাগৰি পৰে।

নৃত্য ঃ উৎসৱবোৰৰ আনন্দ মুখৰ পৰিৱেশত ডেকা-গাভৰুসকলে জাতীয় সাজপাৰ আৰু আ-অলংকাৰ পৰিধান কৰি আনন্দ প্ৰকাশক বিভিন্ন নৃত্য-গীত পৰিৱেশন কৰে। নৃত্যবোৰ সাধাৰণতে গীতৰ সুৰ আৰু বাদ্য বাজনাৰ দ্বাৰা পৰিচালিত হয়। তেওঁলোকৰ নৃত্যবোৰ ধীৰ গতিৰ পদচালনা আৰু হাতৰ লয়লাসেৰে গীত বাদ্যৰ সুৰ লয়তাল অনুসৰণকৰা নিৰ্দিষ্ট ভাৱ-ভংগীমাৰ নৃত্যত মনৰ উদ্দেশ্য প্ৰকাশ পায়। তেওঁলোকৰ জনপ্ৰিয় নৃত্যৰ ভিতৰত 'চেলুলাম' উল্লেখনীয়। এই নৃত্য চিকাৰত বধ কৰা জীৱজন্তুৰ উপলক্ষে আয়োজন কৰা উৎসৱত ভোজৰ বাবে বধ কৰিবলৈ লোৱা মেঠোনৰ চাৰিওফালে ঘূৰণীয়াকৈ থিয় হৈ ডেকা-গাভৰু সকলে নৃত্য আৰম্ভ কৰে। হাতত সৰু বাঁহৰ বিভিন্ন আকাৰেৰে কাটি লোৱা চুঙা লৈ মুখেৰে এজন এজনকৈ সকলোৱে ফু দি হাৰমণিয়ামৰ দৰে বাঁহী বজাই এই নৃত্য পৰিৱেশন কৰা হয়। সকলোৱে বাঁহৰ চুঙাৰ বাঁহী অৰ্থাৎ 'ফেইফিট' বজোৱাৰ সময়ত এক অপূৰ্ব সুৰৰ সঞ্চাৰ হয়। তেওঁলোকৰ অন্য এটা নৃত্য হৈছে 'চুক-টা-লাম'। মিজো সকলে এই নৃত্যক 'চেৰেউ' বোলে। অৱশ্যে জাতি ভেদে এই নৃত্যৰ গীত আৰু সুৰতাল পৃথক পৃথক। চাৰিডাল বাঁহৰ ওপৰত জপিয়াই জপিয়াই বিভিন্ন ভংগীমাৰে এই নৃত্য পৰিৱেশন কৰা হয়। উল্লিখিত নৃত্যবোৰৰ উপৰি তেওঁলোকৰ মাজত 'লাম পাক্ লাম', 'লখিয়াংলাম', 'চইপি-খুপচুখ', 'ফেইফিটলাম', 'লামকুৱল', 'চাখ-লুৱন-লাম', 'চউন-টাও-লাম', 'থিংলনৱ' আদি নৃত্যসমূহো পৰিৱেশিত হৈ আহিছে।

বাদ্যযন্ত্ৰ ঃ ভাইফেসকলে নৃত্যৰ বাহিৰেও জাননী দিয়া আৰু কৃষি কৰ্ম আদিৰ শুভাৰম্ভণ কৰাৰ সময়ত তেওঁলোকৰ বিবিধ পৰম্পৰাগত বাদ্যযন্ত্ৰ

বজোৱা দেখা যায়। এইবোৰ তেওঁলোকে নিজেই তৈয়াৰ কৰি লয়। তেওঁলোকৰ মাজত ব্যৱহৃত বাদ্যযন্ত্ৰবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে— সাতডাল বাঁহৰ বাঁহী একগোট কৰি তিতালাওৰ খোলতে ভৰাই বজোৱা বাঁহী 'গৰচেম', কাঁহীৰ দৰে কাঠৰ দ্বাৰা তৈয়াৰী বাদ্য 'দিং-দুং', কাঁহী-'লিলু' বা 'হেইলে', জাপি আকৃতিৰ বৰকাঁহ বাদ্য 'দাকৃপি', জাপি আকৃতিৰ সৰু কাঁহ বাদ্য 'দাক্-চল', একেলগে বজোৱা তিনিখন কাঁহীৰ আকৃতিৰ কাঁহৰ বাদ্য 'দাকৃবু', ডাঙৰ আকৃতিৰ ঢোল 'খুৱাংপি', সৰু ঢোল 'খুৱাংনেই', তিনি বা চাৰিটাকৈ একেলগে বজোৱা সৰু বাঁহৰ চুঙাৰ বাঁহী 'ফেইফিট', মেঠোনৰ শিঙা বাদ্য 'শিল্‌কি-খেত' ইত্যাদি।

ভাইফেসকলৰ ঐতিহ্যপূৰ্ণ উৎসৱপাৰ্বণ, নৃত্যগীত আৰু বাদ্যযন্ত্ৰৰ দ্বাৰা তেওঁলোকে চহকী সাংস্কৃতিক পৰম্পৰাক সজীৱ কৰি তুলিছে।[২]

২ দুৱৰা, ধৰ্মেশ্বৰ, "ভাইফে পাহাৰী জনজাতিৰ উৎসৱ, নৃত্য-গীত আৰু বাদ্যযন্ত্ৰ," দৈনিক জনমভূমি, যোৰহাট, ১৬ ফাগুন, ১৯১৪ শক, ২৮ ফেব্ৰুৱাৰী, ১৯৯৩

## ১৪.০০ চতুৰ্দশ অধ্যায়

# মাৰ জনজাতিৰ উৎসৱ-অনুষ্ঠান

মাৰ শব্দৰ অৰ্থ হৈছে উত্তৰ দিশ। এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে ক'ব পৰা যায় যে মাৰজনজাতীয় লোকসকল মিজোপাহাৰৰ উত্তৰ খণ্ডত বসবাস কৰিছিল। তেওঁলোক প্ৰকৃততে কোন জনজাতীয় গোষ্ঠীৰ অন্তৰ্গত এই লৈ ভিন্ন জনৰ ভিন্ন মতামত পোৱা যায়। ইয়াৰ ভিতৰত তেওঁলোক কুকি-লুচাই আৰু কুকি, মিজো আদি তিনিটা জাতিৰ অন্তৰ্গত বুলি তিনিদললোকে অভিহিত কৰে। আকৌ অন্য এদল লোকে তেওঁলোকক কুকি বা মিজো কোনো জনজাতিৰে অন্তৰ্ভুক্ত নকৰি এটা পৃথক জাতি হিচাপে গণ্য কৰিছে।

সত্যেন বৰকটকীয়ে সম্পাদনা কৰা "The Tribes of Assam" পুথিত শ্ৰী আৰ, থানহ্লিৰাই মিজো সম্পৰ্কে লিখিবলৈ গৈ কৈছে যে মাৰসকল মিজো জাতিৰ অন্তৰ্ভুক্ত অন্যতম উপজনজাতি।[১]

"১৯৬১ চনত ৩৭ টা উপজাতি লগহৈ কুকিৰ জনসংখ্যা আছিল ১৯,০৩৭ জন। তেতিয়াৰে পৰা এক বৃহৎ জনসংখ্যাৰে মাৰসকল (৮,৭৪১ জন) এটা জাতি হিচাপে পৰিগণিত। এই সকলো জনজাতিয়েই লুচাই (মিজো) জাতিৰ সৈতে মিলি গৈছে।"[২]

ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে ইয়াৰ শুধৰণী অধিসূচনা নং এচ, আৰ, অ' ২৪৭৭ এ তাং নতুন দিল্লী ২৯ অক্টোবৰ, ১৯৫৬ চনত জাৰি কৰা অনুসূচীত জাতি আৰু অনসূচিত জনজাতিৰ তালিকা মতে মাৰ জনজাতিক কুকি বা লুচাইৰ পৰা এটা স্বতন্ত্ৰীয়া জাতি হিচাপে গণ্য কৰা হৈছে।

১৯৭৬ চনৰ অনুসূচিত জাতি আৰু অনুসূচীত জনজাতিৰ সংশোধনী আইন অনুসৰি মাৰ জনজাতিক অসমৰ স্বায়ত্বশাসিত উত্তৰ কাছাৰ পাৰ্বত্য

১ Thanhlirah, R. "The Mizos", article in The Tribes of Assam, edited by Barkakati, S., New Delhi, 1969, P. 82.

২ Funchs. Stephen, The Aboriginal Tribes of India, Mac Milan, 1973, P. 207

জিলাৰ এটা স্বতন্ত্ৰীয়া জনজাতি হিচাপে স্বীকৃতি দিয়া হৈছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি উত্তৰ কাছাৰ পাৰ্বত্য জিলাত মাৰ জনজাতিৰ জনসংখ্যা ৪,৭০৮ জন।[৩]

শতিকা জুৰি মাৰসকলৰ জাতীয় সংস্কৃতিত বহু পৰিমাণে অন্যান্য জাতি-উপজাতিৰ প্ৰভাৱ পৰা লক্ষ্য কৰা যায়। তথাপি তেওঁলোকৰ কিছুমান পৰম্পৰাগত আচাৰ-ব্যৱহাৰ বৰ্তি আছে। জীৱিকাৰ সন্ধানত এঠাইৰ পৰা আন এঠাইলৈ সঘনাই গমন কৰি থাকোতে বিভিন্ন জাতি-উপজাতিৰ সাংস্কৃতিক জীৱনৰ লগত পৰিচিত হোৱাৰ লগে লগে মাৰসকলৰ জাতীয় পৰম্পৰা আৰু সামাজিক গঠন প্ৰণালীত অনেক পৰিৱৰ্তনে গা কৰি উঠিছে। বৃটিছৰ শাসন কালত মাৰ জাতিৰ ওপৰত পৰা মিছনেৰীসকলৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। তেওঁলোক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ পাছত নতুন প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে যদিও জাতীয় সত্বাক জীয়াই ৰাখিবলৈ তেওঁলোকে কিছুমান পৰম্পৰাগত সামাজিক ৰীতি-নীতিক জীপাল কৰি ৰাখিছে।

বছৰৰ বিভিন্ন সময়ত কৃষি, চিকাৰ, ধৰ্ম আদিৰ ভিত্তিত বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰি তেওঁলোকে জাতীয় পৰম্পৰা ৰক্ষা কৰি আহিছে। পুৱাৰ পৰা গধূলিলৈকে পাহাৰীয়া ঝুমতলীত কৃষি কৰ্ম কৰি পোৱা ভাগৰ দূৰ কৰিবলৈ তেওঁলোকে লোকগীত-নৃত্যৰ আশ্ৰয় লয়। পাহাৰীয়া অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্যই তেওঁলোকৰ সাংস্কৃতিক জীৱনলৈ বিশেষ অৰিহণা আগবঢ়াইছে।

তেওঁলোকৰ উৎসৱবিলাকক দুটা বিশেষ ভাগত ভাগ কৰিব পাৰি। সেয়া হ'ল ব্যক্তিগত আৰু সমূহীয়া। যিবিলাক উৎসৱ কোনো ব্যক্তি বা একোটা পৰিয়ালে আয়োজন কৰে তেনে উৎসৱক 'ইনচাৰং' (Inchawng) বুলি কোৱা হয়। আনহাতে যিবিলাক উৎসৱ কেইবাটাও পৰিয়াল লগ লাগি পালন কৰে তেনে উৎসৱক সামূহিক উৎসৱ বোলা হয়।

ইনচাৰং (ব্যক্তিগত উৎসৱ) ঃ পৰিয়াল একোটাৰ লোকসকলে বছৰৰ সকলো সময়তে সুখে শান্তিৰে থাকিবৰ বাবে পূজা কৰে। এই উপলক্ষে তেওঁলোকে এটা পূজা উৎসৱৰ আয়োজন কৰে আৰু নৃত্য-গীতৰ উপৰি

৩ দুৱৰা, ধৰ্মেশ্বৰ, উত্তৰ কাছাৰ পাহাৰৰ লোকসংস্কৃতি, সাংস্কৃতিক সঞ্চালকালয়, অসম ১৯৮৮, পৃঃ ২০২



খেল-ধেমালিৰ আয়োজন কৰে। 'চাৰং' শব্দৰ অৰ্থ হৈছে সম্পদ। সুখ বৃদ্ধিৰ হেতু এনে পূজা উৎসৱ পালন কৰা হয়। ইন-চাৰং উৎসৱৰ অন্যতম আকৰ্ষণীয় অনুষ্ঠান হৈছে 'শিলচুন' (Sealsun) অৰ্থাৎ মেঠোন মৰা উৎসৱ। এই উৎসৱত আনন্দ উপভোগ আৰু খোৱা-বোৱাৰ আয়োজন অতি উলহ-মালহেৰে কৰা হয়। শিলচুন উৎসৱক আকৌ দুটা ভাগত ভাগ কৰা হয়। এটা মেঠোন কাটি উৎসৱ পাতিলে তাক 'চুনফাং' (Sunfang) আৰু মতা-মাইকী এহাল মেঠোন কাটি উৎসৱ পাতিলে তাক 'চেহমেই টোৱেক চুন' (Sehmaituok-Sun) বোলে। এই দুবিধ উৎসৱৰ বাহিৰেও এনে ধৰণৰ ডাঙৰ উৎসৱত দুটাতকৈ অধিক মেঠোন মৰাৰ ব্যৱস্থা আছে। অৱশ্যে অতি ধনী পৰিয়ালেহে তেনে উৎসৱৰ আয়োজন কৰিবলৈ সমৰ্থ হয়।

ইনচাৰং উৎসৱৰ আগন্তুক হোৱাৰ লগে লগে গাঁৱৰ ডেকা-গাভৰুসকলে গৃহস্থক সকলো কাম কাজত সহায় কৰি দিয়ে। তেওঁলোকে গৃহস্থৰ ঘৰৰ ধান খুন্দি চাউল উলিয়াই দিয়েহি। সেই চাউলৰ পৰা লাউপানী 'জু' তৈয়াৰ কৰি পূজাৰ সময়ত সকলোৰে আগত পৰিৱেশন কৰে। সমূহীয়াভাৱে ধান খুন্দাক তেওঁলোকে 'চাৰং-বাচাক' বোলে।[৪] উৎসৱৰ বাবে পানী কঢ়িওৱা, খৰি আদি সংগ্ৰহ কৰাতো তেওঁলোকে গৃহস্থক সহায় কৰি দিয়ে। ডেকা-গাভৰুসকলে উৎসৱৰ আগে আগে কাটিবলগীয়া মেঠোনৰ সৈতে খেলা কৰাটো লক্ষ্যণীয়। গৃহস্থই তেওঁৰ আত্মীয় স্বজনৰ সৈতে উৎসৱৰ ঠাই ডোখৰ নিৰ্বাচন কৰে আৰু এটা ফেৰেঙণি থকা কাঠৰ খুটা সংগ্ৰহ কৰে। এই খুটাটোক 'চেপাৰ' বুলি কোৱা হয়। ডেকাসকলে গছৰ ডাল সংগ্ৰহ কৰি উৎসৱৰ ঠাইডোখৰৰ চাৰিওফালে বেৰা দি লয়। উৎসৱৰ দিনা ৰাতিপুৱা মেঠোনটোক সেই 'চেপাৰ' (Separ) নামৰ খুটাটোত বন্ধা হয়। তাৰ পাছত তাৰ ঠেং আৰু মুখ খনো বান্ধি পেলোৱা হয়। পুৰোহিতে নিৰ্দিষ্ট আৱশ্যকীয় নীতি-নিয়মবোৰ সমাধা কৰাৰ পাছত গৃহস্থৰ মোমায়েক নতুবা মুখিয়াল লোক 'পু'ৰে মৰিয়াই মাৰিব লাগে। অৱশ্যে এই নিয়ম অঞ্চলভেদে পৃথক হোৱা দেখা যায়। কেতিয়াবা গৃহস্থজন সূৰ্যোদয়ৰ আগতেই 'থাং চুব পুৱন' (Thangsuopuon) কাপোৰ পৰিধান কৰি 'টাৰবন' মাৰি উৎসৱৰ নিৰ্দিষ্ট ঠাইলৈ ওলাই আহে।

৪ (—) "মাৰ জাতিৰ উৎসৱ", প্ৰান্তিক, ২য় বছৰ অষ্টম সংখ্যা, গুৱাহাটী, ১৬ মাৰ্চ, ১৯৮৩

জিলাৰ এটা স্বতন্ত্ৰীয়া জনজাতি হিচাপে স্বীকৃতি দিয়া হৈছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি উত্তৰ কাছাৰ পাৰ্বত্য জিলাত মাৰ জনজাতিৰ জনসংখ্যা ৪,৭০৮ জন।[৩]

শতিকা জুৰি মাৰসকলৰ জাতীয় সংস্কৃতিত বহু পৰিমাণে অন্যান্য জাতি-উপজাতিৰ প্ৰভাৱ পৰা লক্ষ্য কৰা যায়। তথাপি তেওঁলোকৰ কিছুমান পৰম্পৰাগত আচাৰ-ব্যৱহাৰ বৰ্তি আছে। জীৱিকাৰ সন্ধানত এঠাইৰ পৰা আন এঠাইলৈ সঘনাই গমন কৰি থাকোতে বিভিন্ন জাতি-উপজাতিৰ সাংস্কৃতিক জীৱনৰ লগত পৰিচিত হোৱাৰ লগে লগে মাৰসকলৰ জাতীয় পৰম্পৰা আৰু সামাজিক গঠন প্ৰণালীত অনেক পৰিৱৰ্তনে গা কৰি উঠিছে। বৃটিছৰ শাসন কালত মাৰ জাতিৰ ওপৰত পৰা মিছনেৰীসকলৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। তেওঁলোক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ পাছত নতুন প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে যদিও জাতীয় সত্বাক জীয়াই ৰাখিবলৈ তেওঁলোকে কিছুমান পৰম্পৰাগত সামাজিক ৰীতি-নীতিক জীপাল কৰি ৰাখিছে।

বছৰৰ বিভিন্ন সময়ত কৃষি, চিকাৰ, ধৰ্ম আদিৰ ভিত্তিত বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰি তেওঁলোকে জাতীয় পৰম্পৰা ৰক্ষা কৰি আহিছে। পুৱাৰ পৰা গধূলিলৈকে পাহাৰীয়া ঝুমতলীত কৃষি কৰ্ম কৰি পোৱা ভাগৰ দূৰ কৰিবলৈ তেওঁলোকে লোকগীত-নৃত্যৰ আশ্ৰয় লয়। পাহাৰীয়া অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্যই তেওঁলোকৰ সাংস্কৃতিক জীৱনলৈ বিশেষ অৰিহণা আগবঢ়াইছে।

তেওঁলোকৰ উৎসৱবিলাকক দুটা বিশেষ ভাগত ভাগ কৰিব পাৰি। সেয়া হ'ল ব্যক্তিগত আৰু সমূহীয়া। যিবিলাক উৎসৱ কোনো ব্যক্তি বা একোটা পৰিয়ালে আয়োজন কৰে তেনে উৎসৱক 'ইনচাৰং' (Inchawng) বুলি কোৱা হয়। আনহাতে যিবিলাক উৎসৱ কেইবাটাও পৰিয়াল লগ লাগি পালন কৰে তেনে উৎসৱক সামূহিক উৎসৱ বোলা হয়।

ইনচাৰং (ব্যক্তিগত উৎসৱ) ঃ পৰিয়াল একোটাৰ লোকসকলে বছৰৰ সকলো সময়তে সুখে শান্তিৰে থাকিবৰ বাবে পূজা কৰে। এই উপলক্ষে তেওঁলোকে এটা পূজা উৎসৱৰ আয়োজন কৰে আৰু নৃত্য-গীতৰ উপৰি

৩ দুৱৰা, ধৰ্মেশ্বৰ, উত্তৰ কাছাৰ পাহাৰৰ লোকসংস্কৃতি, সাংস্কৃতিক সঞ্চালকালয়, অসম ১৯৮৮, পৃঃ ২০২



খেল-ধেমালিৰ আয়োজন কৰে। 'চাৰং' শব্দৰ অৰ্থ হৈছে সম্পদ। সুখ বৃদ্ধিৰ হেতু এনে পূজা উৎসৱ পালন কৰা হয়। ইন-চাৰং উৎসৱৰ অন্যতম আকৰ্ষণীয় অনুষ্ঠান হৈছে 'শিলচুন' (Sealsun) অৰ্থাৎ মেঠোন মৰা উৎসৱ। এই উৎসৱত আনন্দ উপভোগ আৰু খোৱা-বোৱাৰ আয়োজন অতি উলহ-মালহেৰে কৰা হয়। শিলচুন উৎসৱক আকৌ দুটা ভাগত ভাগ কৰা হয়। এটা মেঠোন কাটি উৎসৱ পাতিলে তাক 'চুনফাং' (Sunfang) আৰু মতা-মাইকী এহাল মেঠোন কাটি উৎসৱ পাতিলে তাক 'চেহমেই টোৱেক চুন' (Sehmaituok-Sun) বোলে। এই দুবিধ উৎসৱৰ বাহিৰেও এনে ধৰণৰ ডাঙৰ উৎসৱত দুটাতকৈ অধিক মেঠোন মৰাৰ ব্যৱস্থা আছে। অৱশ্যে অতি ধনী পৰিয়ালেহে তেনে উৎসৱৰ আয়োজন কৰিবলৈ সমৰ্থ হয়।

ইনচাৰং উৎসৱৰ আগন্তুক হোৱাৰ লগে লগে গাঁৱৰ ডেকা-গাভৰুসকলে গৃহস্থক সকলো কাম কাজত সহায় কৰি দিয়ে। তেওঁলোকে গৃহস্থৰ ঘৰৰ ধান খুন্দি চাউল উলিয়াই দিয়েহি। সেই চাউলৰ পৰা লাউপানী 'জু' তৈয়াৰ কৰি পূজাৰ সময়ত সকলোৰে আগত পৰিৱেশন কৰে। সমূহীয়াভাৱে ধান খুন্দাক তেওঁলোকে 'চাৰং-বাচাক' বোলে।[৪] উৎসৱৰ বাবে পানী কঢ়িওৱা, খৰি আদি সংগ্ৰহ কৰাতো তেওঁলোকে গৃহস্থক সহায় কৰি দিয়ে। ডেকা-গাভৰুসকলে উৎসৱৰ আগে আগে কাটিবলগীয়া মেঠোনৰ সৈতে খেলা কৰাটো লক্ষ্যণীয়। গৃহস্থই তেওঁৰ আত্মীয় স্বজনৰ সৈতে উৎসৱৰ ঠাই ডোখৰ নিৰ্বাচন কৰে আৰু এটা ফেৰেঙণি থকা কাঠৰ খুটা সংগ্ৰহ কৰে। এই খুটাটোক 'চেপাৰ' বুলি কোৱা হয়। ডেকাসকলে গছৰ ডাল সংগ্ৰহ কৰি উৎসৱৰ ঠাইডোখৰৰ চাৰিওফালে বেৰা দি লয়। উৎসৱৰ দিনা ৰাতিপুৱা মেঠোনটোক সেই 'চেপাৰ' (Separ) নামৰ খুটাটোত বন্ধা হয়। তাৰ পাছত তাৰ ঠেং আৰু মুখ খনো বান্ধি পেলোৱা হয়। পুৰোহিতে নিৰ্দিষ্ট আৱশ্যকীয় নীতি-নিয়মবোৰ সমাধা কৰাৰ পাছত গৃহস্থৰ মোমায়েক নতুবা মুখিয়াল লোক 'পু'ৰে মৰিয়াই মাৰিব লাগে। অৱশ্যে এই নিয়ম অঞ্চলভেদে পৃথক হোৱা দেখা যায়। কেতিয়াবা গৃহস্থজন সূৰ্যোদয়ৰ আগতেই 'থাংচুব পুৱন' (Thangsuopuon) কাপোৰ পৰিধান কৰি 'টাৰবন' মাৰি উৎসৱৰ নিৰ্দিষ্ট ঠাইলৈ ওলাই আহে।

৪ (—) "মাৰ জাতিৰ উৎসৱ", প্ৰান্তিক, ২য় বছৰ অষ্টম সংখ্যা, গুৱাহাটী, ১৬ মাৰ্চ, ১৯৮৩

তেওঁক অনুসৰণ কৰি পৰিয়ালৰ অন্যলোকো সেই ঠাই পায়হি। গৃহস্থই মেঠোনৰ আগ ঠেং কাটি পাছলৈ উভতি নোচোৱাকৈ তাৰ পৰা ঘৰলৈ ঘূৰি যায়। পাছত পৰিয়ালৰ অন্য পুৰুষ মানুহবোৰেও মেঠোনটো টুকুৰা-টুকুৰ কৰি কাটিবলৈ আৰম্ভ কৰে। এই উৎসৱত দুই বা তিনি দিনলৈ অতি উলহ-মালহ পৰিৱেশত খোৱা-বোৱা আৰু পানীয় সেৱন কৰি সকলোৱে আনন্দ উপভোগ কৰে। ডেকা-গাভৰুসকলে বিশেষকৈ লাউপানী 'জু' আৰু মাংস, সৰু ল'ৰা-ছোৱালীবোৰে কেৱল মাংসৰ ভাগহে লাভ কৰে। ডেকা-গাভৰু বিলাকে কেৱল উপযুক্ত পৰিমাণৰ মাংস আৰু লাউপানী খুজি গীত গাই গাই নৃত্য পৰিৱেশন কৰে। তেনে গীত এটি হ'ল—

"জু গেন ই, জু গেন ই,
ইন চাৰং চাং ইন জু এ নেই ল'ভা
খুৰই ভাটে পাইন জু নেই ই।"

অসমীয়া ভাবাৰ্থ ঃ

"লাউপানীৰ বাবে প্ৰাৰ্থনা জনাইছোঁ। লাউপানী নহ'লে সম্পদৰ উৎসৱ কেনেকৈনো হয়। সম্পদ নহ'লেও মৌৰ দৰে সোৱাদ লাউপানী আছে নিশ্চয়।"

আকৌ সৰু ল'ৰা-ছোৱালীবোৰৰ বাবে মাংস খুজি গায়—

"চা গেন ই, চা গেন ই,
ইন চাৰং চাৰং ইন চা নেই ল'ভা
চাৰাটং পাইন চা নেই ই।"

অসমীয়া ভাবাৰ্থ ঃ

"মাংসৰ বাবে প্ৰাৰ্থনা জনাইছোঁ। মাংস নহ'লে সম্পদৰ উৎসৱ কেনেকৈনো হয়? সম্পদ নহ'লেও মাংস আছে নিশ্চয়"

ডেকা-গাভৰু আৰু ল'ৰা-ছোৱালীহঁতে এনেদৰে গীত গাই নাচি নাচি সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ উপৰি গৃহস্থক সজাগ কৰি তোলে। তেওঁ অৱশেষত লাউপানী, মাংস আদিৰে সকলোকে আপ্যায়িত কৰে। ডেকা-গাভৰুহঁতে গৃহস্থক দীৰ্ঘায়ু হ'বলৈ আশীৰ্বাদ দিয়া কাৰ্যই নিশ্চয় আমাক অসমৰ ভৈয়ামবাসীয়ে পালনকৰা ৰঙালী বিহু আৰু হুচৰি গোৱা প্ৰথালৈ



মনত পেলাই দিয়ে।[৫]

এনেধৰণৰ আন এটা উৎসৱ হৈছে 'খুৱংচউই' (Khuongchawɨ)। এই উৎসৱত খোৱা-বোৱা আৰু পানীয় সেৱন কৰাৰ উপৰি নৃত্য-গীতৰ আয়োজন কৰা হয়। আনহাতে উৎসৱৰ শোভাযাত্ৰা এটা আকৰ্ষণীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। গাঁওবুঢ়াৰ লোকসকলে এখন দোলা সাজি তাত এটা ডাঙৰ ঢোল আৰু গৃহস্থ বা তেওঁৰ কণিষ্ঠ পুত্ৰ বা ভতিজাকক তুলি গাঁৱৰ নামনিৰ পৰা উজনিলৈ কঢ়িয়াই নিয়ে। ইয়াকে অনুসৰণ কৰি এটা বিৰাট সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হয়। গৃহস্থই শোভা-যাত্ৰাৰ সময়ত মণি আদি বস্তু ল'ৰা-ছোৱালীৰ বাবে উপহাৰ স্বৰূপে দি যায়।

শিলচুন উৎসৱৰ অন্য এটা প্ৰথা অনুযায়ী ধনী চিকাৰী আৰু যুঁজাৰুসকলেও ইয়াক পালন কৰে। এনেধৰণৰ উৎসৱক 'চাহলাংডাউন' (Sahlang-dawn) বুলি কোৱা হয়। এই উৎসৱৰ বাবেও গাঁওবুঢ়া লোকসকলে এখন দোলা তৈয়াৰ কৰি তাত গৃহস্থক বহুৱাই শোভাযাত্ৰা কৰে। গৃহস্থৰ লগতে তেওঁ বধ কৰা মানুহৰ লাওখোলা বিলাক আৰু বনৰীয়া জীৱজন্তু বিলাকৰ লাওখোলাও কঢ়িয়াই নিয়ে। এনে শোভাযাত্ৰাই গাঁওখনত উলহ-মালহ আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। বীৰত্বৰ চিন প্ৰকাশ কৰা আৰু সেই বীৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাই এই উৎসৱৰ মূল লক্ষ্য।

সাধাৰণ উৎসৱ ঃ মাৰ জাতিৰ লোকসকলৰ মাজত পৰম্পৰাগতভাৱে সমূহীয়া উৎসৱ-পাৰ্বণ পালিতহৈ আহিছে। তেওঁলোকে এনে উৎসৱ বিলাকত খোৱা-বোৱা আৰু নৃত্য-গীতৰ আয়োজন কৰি জাতীয় সম্প্ৰীতি ৰক্ষা কৰি সংস্কৃতিবান হোৱাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। সাধাৰণ উৎসৱবিলাকক দুটা মূল ভাগত ভাগ কৰিব পৰা যায়। এটা ঋতু বা কৃষি ভিত্তিক উৎসৱ আৰু আনটো বীৰত্বৰ সন্মান প্ৰদৰ্শনৰ উৎসৱ।

ঋতু বা কৃষিভিত্তিক উৎসৱ ঃ ঋতু বা কৃষিভিত্তিক উৎসৱবিলাকক 'লাম' (Lam) বুলি কোৱা হয়। এনেধৰণৰ উৎসৱবিলাকৰ ভিতৰত উল্লেখযোগ্য উৎসৱ হৈছে 'চিকপুই লাম, (Sikpui-lam)। এই উৎসৱ কৃষিৰ শস্য চপাই অঁতোৱাৰ সময়ত বিশেষ জাকজমকপূৰ্ণভাৱে পালন কৰা হয়।

---

৫ Duarah, Dharmeswar, "Folk Festival of the Hmars," The Sentinel, Vol III No. 9. Guwahati, 16th May, 1985.

উৎসৱ উপলক্ষে আকৰ্ষণীয় নৃত্য-গীতৰো আয়োজন কৰা হয়। শান্তি-সম্প্ৰীতিৰ মাজেৰে আনন্দ প্ৰকাশ কৰি এই উৎসৱ প্ৰায় পোন্ধৰ দিনলৈ পালন কৰা হয়। এই সময়ছোৱাত হাই-উৰুমি বা কাজিয়া আদিৰে শান্তি ভংগ কৰা নিষেধ। বৰ জাকজমকৈ পালন কৰিবলগীয়া হোৱা বাবে এই উৎসৱত যথেষ্ট খৰছ হয়। ইয়াক প্ৰত্যেক বছৰে পালন কৰা কষ্টকৰ। সেয়েহে দুই-তিনি বছৰৰ অন্তৰে অন্তৰে ইয়াক পালন কৰিব পৰা যায়। নিয়ম ৰক্ষাৰ বাবে অৱশ্যে প্ৰত্যেক বছৰে অনুষ্টুপীয়াকৈ এই উৎসৱ পালনৰ যো-জা কৰা হয়। উৎসৱৰ সময়ত সকলো লোকৰে মন পবিত্ৰ আৰু উল্লাসপূৰ্ণহৈ থকাটো অতি প্ৰয়োজনীয়। গাঁৱত কোনো অপায়-অমংগল বা বেমাৰ আজাৰে দেখা দিলে এই উৎসৱ সেই বছৰলৈ পালন কৰা নহয়। উৎসৱত সকলোৱেই চিকপুৰয় গীত গাই নৃত্য পৰিৱেশন কৰি আনন্দ উপভোগ কৰে। সকলোৰে মাজত মিলা-প্ৰীতিৰ বান্ধোন কটকটীয়া কৰি এই উৎসৱৰ সামৰণি পেলোৱা হয়। তেওঁলোকৰ অন্য এটা উৎসৱৰ নাম হৈছে 'বুটুখুলৰং'। ই শস্যৰ গুটি সিঁচা উৎসৱ হিচাপে পৰিগণিত। এই উৎসৱ সম্প্ৰীতি ৰক্ষা কৰাৰ ক্ষেত্ৰতো সহায়ক হয়।

ইন-এই' উৎসৱ ঃ ইন-এই' (In-ei) উৎসৱ কৃতকাৰ্যতা, জয় আৰু বীৰত্বৰ আনন্দ প্ৰকাশ কৰিবৰ কাৰণে পালন কৰা হয়। উদাহৰণ স্বৰূপে, অতি বেছিকৈ খেতি চপোৱাৰ অন্তত ভঁৰাল পৰিপূৰ্ণ হোৱাৰ আনন্দ প্ৰকাশ কৰিবলৈ, কোনো ডাঙৰ জন্তু নিধন কৰাৰ উল্লাসৰ কাৰণে নতুবা যুদ্ধ জয়ৰ আনন্দ প্ৰকাশ কৰাৰ মানসেৰে এই উৎসৱৰ আয়োজন কৰা হয়। কোনো ডাঙৰ জন্তু নিধন কৰাৰ বাবে এই উৎসৱ পাতিলে তাক 'চা-ইন-এই' বুলি কোৱা হয়। পৰ্যাপ্ত পৰিমাণৰ খেতিৰ ফচল পোৱাৰ আনন্দত পতা উৎসৱক 'বু-ইন-এই' বোলা হয়। আকৌ যুদ্ধত শত্ৰু পক্ষক ঘটুৱাই বিজয়ৰ চিন স্বৰূপে এই উৎসৱ পালিত হ'লে তাক 'ৰাল' বা 'ৰালু-ইন-এই' (Rallu-in-ei) বোলা হয়। এই উৎসৱ উপলক্ষে নানাবিধ বিজয়সূচক নৃত্য-গীতৰ আয়োজন কৰা হয়। সেইবিলাকৰ ভিতৰত যুদ্ধ বা চিকাৰীৰ কৃতিত্বক স্বীকাৰ কৰি সন্মান প্ৰদৰ্শনৰ নৃত্য 'হৰাং-লাম' (Hrang-lam) বাঁহৰ বাঁহী বজাই বীৰত্বক স্বীকাৰ কৰা নৃত্য 'ফেই ফিট লাম' (Pheiphit lam), ঢোল বজাই কৰা নৃত্য 'দাৰলাম' (Darlam), ফুলৰ আকৃতি গঠন কৰা নৃত্য



'পাৰলাম' (Parlam), বাঁহ কেইডালমানৰ ওপৰত জপিয়াই কৰা নৃত্য বাঁহ নৃত্য বা 'চাৰাও নৃত্য' 'ফেহ-ৰেল টৱকলাম' নৃত্য আদিয়েই উল্লেখযোগ্য আৰু বিশেষ আকৰ্ষণীয়। এই নৃত্যসমূহ তেওঁলোকৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ খৰং বা ঢোল, জামলুং বা বৰকাঁহ, ফেইফিট বা বাঁহৰ চুঙাৰ বাঁহী, দাৰটে বা কাঁহ আদিৰ সুৰত পৰিচালিত হয়।

সময়ৰ বোৱতি সুঁতিত বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণলৈ অহাৰ লগে লগে মাৰ জাতিৰ পৰম্পৰাগত উৎসৱ-পাৰ্বনবিলাক লুপ্তহৈ অহা দেখা গৈছে। এই ক্ষেত্ৰত মিছনেৰীসকলে তেওঁলোকৰ সমাজত খৃষ্টান ধৰ্ম প্ৰচাৰ কৰাৰ প্ৰভাৱ সুস্পষ্ট। তেওঁলোকৰ মাজত মৌখিকভাৱে প্ৰচলিত লোককথা বা সাধুকথা বিলাকৰ মাজত উৎসৱ-পাৰ্বণ বিলাকৰ কথা বৰ্ণিত হৈ আছে। জাতীয় পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত বৰ্তমান মাৰ জাতিৰ নতুন পুৰুষৰ মাজত উন্মেষ হোৱা সচেতনতা শলাগিবলগীয়া। তেওঁলোকে জাতীয় জীৱনৰ সাংস্কৃতিক ধাৰাটো বোৱাই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰা অতি গুৰুত্বপূৰ্ণ আৰু আৱশ্যকীয় হৈ পৰিছে।[৬]

৬ দুৱৰা, ধৰ্মেশ্বৰ, "মাৰ জনগোষ্ঠীৰ সংস্কৃতি" আজিৰ অসম, ১৭ কাতি, ১৯১৭ শক, ৪ নবেম্বৰ, ১৯৯৫

## ১৫.০০ পঞ্চদশ অধ্যায়

# মিচিংসমাজৰ উৎসৱ-অনুষ্ঠান

মংগোলীয় গোষ্ঠীৰ মান-তিব্বতী শাখাৰ অন্তৰ্ভুক্ত মিচিং ভৈয়াম জনজাতিৰ লোকসকলে অসমৰ ভৈয়াম অনুসূচিত জনজাতিৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰি আছে। পৰিৱৰ্তনৰ মাজেদি বহু শতিকাজুৰি অসমৰ অন্যান্য জনগোষ্ঠীৰ সংস্পৰ্শত বসবাস কৰি আহিলেও মিচিংসকলে তেওঁলোকৰ স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰাক অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। মিচিং সমাজক অতীজতে অন্যান্য জনগোষ্ঠীৰ লোকে 'মিৰি' বুলি অভিহিত কৰিছিল। বিশেষকৈ 'মিৰি' অথবা 'মিৰু' অৰ্থাৎ পুৰোহিত শব্দটোৰ পৰাই ক্ৰমান্বয়ে জাতিটোৰো নাম মিৰি হ'ল বুলি ধাৰণা কৰিব পাৰি। মন কৰিবলগীয়া যে অৰুণাচলত বসবাস কৰা পাহাৰীয়া মিৰি সকলৰ লগত ভৈয়ামৰ মিৰি কোনো পোনপটীয়া সম্পৰ্ক ৰক্ষা হোৱা নাই কাৰণে তেওঁলোকক একে বংশোৎভূত বুলিব নোৱাৰি। আনহাতে ভৈয়ামৰ মিৰি বা মিচিংসকলৰ সৈতে অৰুণাচলৰ আদি বা আবৰ জনজাতিৰহে সাংস্কৃতিক আৰু নৃতাত্ত্বিক দিশত যথেষ্ট সাদৃশ্য বিদ্যমান। আদিতে মিচিং সকল পাৰ্বত্য অঞ্চলত আছিল যদিও আহোম যুগতেই তেওঁলোক ভৈয়ামলৈ নামি আহে। অতীজতে তেওঁলোক পাৰ্বত্য অঞ্চলৰ পাঃদাম্, মিঞং, আদি জনজাতিৰ ভ্ৰাতৃস্বৰূপ আছিল। ভৈয়ামলৈ অহাৰ কোনো দিনবাৰৰ সঠিক তথ্য পোৱা নগলেও তেওঁলোক যে পুৰণি অসমৰ উত্তৰ পূব পাৰ্বত্য অঞ্চলত বসবাস কৰি আছিল সেইটো নিশ্চিত। ভৈয়ামলৈ অহাৰ পাছত তেওঁলোকে নিজকে মিচিং হিচাপে পৰিচয় দিয়ে। 'মিচিং' শব্দৰ 'মি'ৰ অৰ্থ মানুহ আৰু 'চিং' মানে পানী বা নৈ। অৰ্থাৎ নৈপৰীয়ালোক। নৈৰ পাৰত বসবাস কৰি ভাল পোৱা এই জনগোষ্ঠীৰ লোকসকলে বিশেষকৈ ব্ৰহ্মপুত্ৰ, শোৱণশিৰি, ধনশিৰি আদি নৈৰ পাৰত বসবাস কৰে। বৰ্তমান অসমৰ উত্তৰ লক্ষীমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট, শোণিতপুৰ আদি জিলাৰ বিশেষকৈ নৈপৰীয়া



অঞ্চল সমূহত মিচিং সকলে বসবাস কৰি আছে।

১৯৭১ চনৰ লোকপিয়ল অনুসৰি তেওঁলোকৰ জনসংখ্যা ২৫৯৫৫১ জন। আকৌ ১৯৮৭ চনৰ মাৰ্চ মাহৰ প্ৰকল্প হিছাপ অনুসৰি তেওঁলোকৰ জনসংখ্যা হয় ৪১৬৪৯৩ জন।

অসমৰ প্ৰাকৃতিক শোভাৰ মাজত লালিত-পালিত আৰু বিশেষকৈ কৃষিৰ ওপৰতেই জীৱন নিৰ্বাহৰ উৎস নিৰ্ভৰশীল মিচিংসকলে বছৰৰ বিভিন্ন সময়ত অলেখক পূজা আৰু উৎসৱ পালন কৰি সাংস্কৃতিক চহকী দিশটো উজ্জ্বলাই ৰাখিবলৈ সক্ষম হৈছে। তেওঁলোকৰ উৎসৱবোৰ সাধাৰণতে কৃষিভিত্তিক। কৃষিৰ আৰম্ভণিতে 'আলিয়াই-লৃগাং', শস্য চপোৱাৰ পাছত 'পঃৰাগ্' আৰু 'আমৰক্' উৎসৱবোৰ অতি উলহ-মালহেৰে পূজা, ভোজভাত, নৃত্য-গীত-বাদ্য বাদন পৰিৱেশনৰ দ্বাৰা যথাবিহিত কাৰ্যসূচীৰে পালন কৰে। পৰম্পৰাগত এই উৎসৱসমূহৰ উপৰি তেওঁলোকে অসমৰ আন আন জনগোষ্ঠীয়ে পালন কৰি থকা মাঘবিহু আৰু ব'হাগ বিহুও আড়ম্বৰপূৰ্ণভাৱে পালন কৰে।

পঃৰাগ উৎসৱ ঃ এই উৎসৱ মিচিং সকলৰ শস্য চপোৱাৰ আনন্দত পালন কৰা এটি কৃষিভিত্তিক উৎসৱ। আনহাতে বিশেষকৈ গাঁৱৰ ডেকা-গাভৰুসকলে সকলোধৰণৰ আয়োজনেৰে পালন কৰা হেতুকে এই উৎসৱক "মুম্বৃৰ-য়াঃমে" বুলিও অভিহিত কৰা হয়। কৃষি ভূমিৰ শস্য চপাই শেষ কৰাৰ পাছত পথাৰৰ ধানৰ নৰা ছিগাৰ সময়ত এই উৎসৱ পালন কৰা কাৰণে অন্যান্য জাতিৰ লোকে ইয়াক 'নৰা ছিগা বিহু' বুলি অভিহিত কৰে।

পঃৰাগ উৎসৱৰ বাবে যথেষ্ট পৰিমাণে অৰ্থৰ প্ৰয়োজন হয়। এই অৰ্থ সংগ্ৰহৰ বাবে তেওঁলোকে এটা পুঁজি সংগ্ৰহৰ সংগঠন 'দাগলৃক" গঠন কৰি লয়। সমূহীয়াভাৱে সংগঠিত হোৱা প্ৰচেষ্টাকেই "দাগ্‌লৃক" বোলা হয়। গাঁওখনৰ প্ৰতিঘৰৰ পৰা অন্ততঃ একোজনকৈ লোক আহি 'দাগ্‌লৃক'ৰ জৰিয়তে বিভিন্ন শ্ৰম কৰি পুঁজি সংগ্ৰহৰ বাবে উঠি পৰি লাগে। বিভিন্ন লোকৰ ঘৰত শ্ৰমদান কৰি অৰ্থ, শস্য আদি সংগ্ৰহ কৰাৰ উপৰি বিহু মাৰি পোৱা অৰিহণাৰে উৎসৱৰ যাৱতীয় খৰছ বহন কৰা হয়। এনে সামূহিক কৰ্ম প্ৰচেষ্টাই তেওঁলোকৰ মাজত সমবায় প্ৰথা আৰু মিলা-প্ৰীতিৰ বান্ধোন শক্তিশালী কৰি ৰখাত সহায়ক হৈছে। পঃৰাগ্ উৎসৱ পালন কৰিবলৈ

লোৱা বছৰত গাঁৱৰ গাভৰুসকলে আৱশ্যকীয় পৰিমাণৰ গাহৰি পোৱালি অৱস্থাৰে পৰা পুহি ডাঙৰ কৰি সেইবোৰ উৎসৱ উপলক্ষে আয়োজন কৰা ভোজত দিয়ে।

পঃৰাগ উৎসৱৰ আটাইতকৈ প্ৰয়োজনীয় আৰু আকৰ্ষণীয় কেন্দ্ৰ স্থল হৈছে মুৰংঘৰ। মুৰংঘৰ মিচিং সমাজৰ গাঁৱৰ সাংগঠনিক আৰু সাংস্কৃতিক পৰম্পৰাৰ মুখ্য কাৰ্যালয় আৰু প্ৰাণ কেন্দ্ৰ। অৰুণাচলৰ গালং আৰু মিঞংসকলৰ 'দোঃ ৰী', পাঃদাম্‌সকলৰ "মুচুপ", মিলাল্‌সকলৰ 'ঙপ্তীগ', বৰি সকলৰ "ব্যাংগ"ৰ দৰে মিচিংসকলৰো মুৰং সম-পৰ্যায়ৰ। অতীজতে এই অনুষ্ঠানে গাঁৱৰ সামূহিক সকলো দিশৰ উন্নয়নৰ কামত আগভাগ লোৱাৰ উপৰি শান্তি-শৃংখলা বজাই নিৰাপত্তাৰো দায়িত্ব বহন কৰিছিল। অবিবাহিত ডেকাসকলৰ সমূহীয়া শয়নঘৰ হিচাপে মুৰঙৰ গুৰুত্ব যথেষ্ট আছিল যদিও বৰ্তমান সেই প্ৰথা বহুখিনি সীমিতহে পৰিছে। নৃত্য-গীত-বাদ্য বাদন আদিৰ প্ৰশিক্ষণ কেন্দ্ৰৰ উপৰি নানা প্ৰকাৰৰ শিল্প কৰ্মৰো প্ৰশিক্ষণ থলী হিচাপে মুৰংঘৰৰ প্ৰয়োজনীয় দিশ লক্ষ্য কৰা যায়। গাঁও একোখনৰ সন্মুখত আহল-বহল ঠাইত নৈৰ সমান্তৰালতভাৱে মুৰংঘৰটো সজা হয়। দীঘল-বহলকৈ সজা এই চাংঘৰটোৰ ওপৰতেই পঃৰাগ্ উৎসৱৰ সকলো কৰ্ম পৰিচালিত হয়। ঘৰটোৰ সকলোতে শিল্প কৰ্মৰো নিদৰ্শন প্ৰকাশ পায়। উৎসৱ উপলক্ষে ডেকাসকলে মুৰংঘৰ সজাৰ বিপৰীতে গাভৰুসকলেও ধানৰ মৰণা মৰা, ধানখুন্দা, লাউপানী অৰ্থাৎ আপং তৈয়াৰ কৰাত উঠি পৰি লাগে। নৈপৰীয়া মিচিং গাঁওবোৰত পূবা-পশ্চিমাকৈ সজা বৃহৎ মুকলি চাংঘৰ অৰ্থাৎ মুৰং ঘৰৰ গুৰুত্বপূৰ্ণ ভূমিকা পঃৰাগ্ উৎসৱ ক্ষেত্ৰত অতি বিশাল। "বৰ্তমান বহুতো গাঁৱৰ মাজত ক'ৰবাতহে একোটা মুৰংঘৰ দেখিবলৈ পোৱা যায়। অনেক ঠাইত মুৰং ঘৰৰ ঠাই নামঘৰে অধিকাৰ কৰিছে। কালৰ গতিত এনে হ'লেও মিচিং সকলে এতিয়াও পঃৰাগ উৎসৱ পাতে। কিন্তু নামঘৰত নহয়— মুৰংঘৰৰ আৰ্হিৰে বাহিৰাকৈ ঘৰ সাজি নাইবা তেনে কোনো সুবিধা ঠাইত ৰভা সাজিহে।"[১]

পঃৰাগ উৎসৱৰ সকলো দিশ সুচাৰুৰূপে পৰিচালনা কৰিবৰ কাৰণে এখন কাৰ্যকৰী পৰিচালনা সমিতি গঠন কৰা হয়। এই সমিতিত বিভিন্ন

১ পামেগাম, তৰুণচন্দ্ৰ, "মুৰংঘৰ", মিচিং সংস্কৃতিৰ আলেখ্য, পৃষ্ঠা-৯৮



বিষয় বাব ধাৰী লোক থাকে। আদিসমাজত ৰজাৰ দৰে সৃষ্টি কৰা 'মিগম্'ৰ ভূমিকা মিচিং সমাজত মিগম্ বৰাই পালন কৰে। পঃৰাগ্ উৎসৱৰ কাৰ্যপৰিচালনাত মিগম্ বৰা আৰু বৰ পুৱাৰীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰে। তেওঁলোক দুজনক সহায় কৰিবলৈ মিগম্ বৰা আৰু বৰবৰাণী নিৰ্বাচন কৰি লোৱা হয়। পুৰুষৰ পৰা মিগম্ বৰা আৰু নাৰীৰ পৰা বৰ পুৱাৰী বাছি লোৱা হয়। আনহাতে ডেকাসকলক পৰিচালনা কৰিবলৈ 'ডেকা বৰা' আৰু গাভৰুসকলক পৰিচালনা কৰিবলৈ 'তিৰীবৰা'ক নিৰ্বাচন কৰা হয়। তদুপৰি ডেকা বৰা আৰু তিৰী বৰাক সহায় কৰিবলৈ যথাক্ৰমে 'চট বৰা' আৰু 'বৰাণী' লোৱা হয়। এই পদাধিকাৰীসকলৰ অধীনত ডেকা-গাভৰুৰ মাজত কৰ্ম বিভাজন কৰি বিভিন্ন দায়িত্ব বাহক হিচাপে তেনে পদৰো সৃষ্টি কৰা হয়। আনহাতে ডেকা-গাভৰুৰ মাজত কেতিয়াবা কিবা কাৰণে হোৱা মনোমালিন্যৰ জেঙা ভাঙিবলৈ 'উদাৰু'— 'সোধাৰু' বা সোধানী আৰু 'উদানী' বোলা দুগৰাকী যথাক্ৰমে ডেকা-গাভৰু থাকে। উৎসৱলৈ আমন্ত্ৰিত অতিথিসকলক যথাবিহিতভাৱে শুশ্ৰূষা কৰিবৰ বাবে একোজন 'মিনম বৰা' ৰখা হয়। সকলো আলোচনা কৰিবলৈ মুৰং ঘৰত আলোচনা সভা পতা হয় আৰু সকলোকে খবৰ দিবলৈ একোজন 'বাৰিক' নিযুক্ত কৰা হয়। কোনো লোক নাহিলে বা অহাত বিলম্ব কৰিলে 'টেকেলা' পদবীধাৰীলোক এজনে তেনে লোকক সভাত উপস্থিত কৰায়। আনহাতে কোনো কোনো ঠাইত গাভৰু সকলৰ টেকেলাৰ কাম কৰিবলৈ এগৰাকী 'অৃৰ্গৃং' ৰখা হয়।

সাধাৰণতে পঃৰাগ উৎসৱ বুধবাৰে আৰম্ভ কৰি শুক্ৰবাৰে সামৰণি মাৰে। অৱশ্যে ডাঙৰ গাঁওবোৰত পাঁচ দিনলৈকে পালন কৰে।

উৎসৱৰ আৰম্ভণিৰ দিনা ডেকা বৰা আৰু তিৰীবৰাক মুৰংঘৰলৈ আদৰি আনি উৎসৱৰ শুভাৰম্ভ কৰা হয়। এই দুগৰাকী বিষয় ববীয়াই সমজুৱাক আপং দিয়ে আৰু তাৰেই 'উই ৰাঙাম" বোলা দেৱতাসকলক প্ৰাৰ্থনা কৰা হয়। দ্বিতীয় দিনা সন্মান সহকাৰে অতিথিসকলক মুৰংঘৰত আপ্যায়ন কৰা হয়। তৃতীয় দিনা ৰাইজে ভোজ খায় আৰু আনন্দ উৎসৱ অনুষ্ঠিত কৰে। তদুপৰি সেই গাঁৱৰ পৰা বিয়া দিয়া ছোৱালীসকল ঘৰ-ঘৰোৱাহীৰে সৈতে তাত উপস্থিত হয় আৰু লগত লৈ অনা আপং পৰিৱেশন কৰা হয়। এইটো মন কৰিবলগীয়া যে এই উৎসৱ পালন

কৰিবলৈ লোৱা বছৰত গাঁৱৰ ছোৱালীক বিয়া দিয়া নহয় আৰু কিবা স্বৰূপত বিয়া দিবলগীয়া হ'লেও "মৃমুবৃৰ য়াঃমেৰ" পৰামৰ্শ গ্ৰহণ কৰিহে এই ক্ষেত্ৰত আগবাঢ়িব পাৰে।

উৎসৱৰ বিষয়ববীয়াসকলক কোনো মজুৰি দিয়া নহয় আৰু তেওঁলোকে সামাজিক দায়িত্ব স্বৰূপেহে নিজৰ সেৱা আগবঢ়ায়। অৱশ্যে ডেকা বৰাক তেওঁৰ পদবীৰ সন্মানাৰ্থে আপং আৰু মাংস উপহাৰ দিয়া হয়। দান-বৰঙণিৰ বেলিকা গাঁৱৰ গাম বা গাঁওবুঢ়াই ডেকা বৰা বা গাভৰুবৰাৰ দৰে এই উৎসৱলৈ বৰঙণি আগবঢ়ায়।

এই উৎসৱ উপলক্ষে দেওধাই 'মিবু'ৰ দ্বাৰা পৰিচালনাৰে পূজাপাতল আৰু আনুষঙ্গিক আচাৰ-অনুষ্ঠান অনুষ্ঠিত হয়। দিনটো ডেকা-গাভৰুৱে নৃত্য-গীত-বাদ্য পৰিৱেশন কৰি আনন্দ প্ৰকাশ কৰে। আকৌ পুৰোহিত 'মিবু আঃ বাঙ'ৰ দ্বাৰা সমবেত সকলোকে সৃষ্টি পাতনিৰ আখ্যান বিশ্বাসৰ কথা ব্যাখ্যা কৰি শুনোৱায়। ৰাতি দেওধাই 'মিবু'ৰ পৰিচালনাত ডেকা-গাভৰুৰ লগতে অতিথিৰে সৈতে গাঁওবাসীয়ে হাতে হাতে ধৰি শাৰী পাতি গীত গায়। কৃষিজীৱী মিচিং সমাজৰ কৰ্মক্লান্ত জীৱনলৈ এই উৎসৱে অৱসৰ বিনোদনৰ বাবে বিমল আনন্দৰ জোৱাৰ বোৱাই আনে। আনন্দত মতলীয়াহৈ তেওঁলোকে সম্প্ৰীতিৰ মালা গুথে।

উৎসৱৰ আনন্দ প্ৰকাশক নৃত্য-গীত-বাদ্যৰ পৰিৱেশন অতি মনোমুগ্ধকৰ হৈ পৰে। গাঁওখনৰ ডেকা-গাভৰুসকলৰ সৈতে সাংস্কৃতিক অনুষ্ঠানত দূৰ-দূৰণিৰ গাঁওবোৰৰ পৰাও লোকসকল আহি যোগদান কৰেহি। মুৰংঘৰৰ বাকৰিত নানা ঠাইৰ নৃত্য শিল্পী গায়ক-গায়িকা আৰু নাচনী-নাচনিয়াৰৰ সমাগম ঘটে। লগে লগে তেওঁলোকৰ মাজত সম্ভাৱ জাগে আৰু সাংস্কৃতিক বিনিময় হয়।

অতীজতে এই উৎসৱ প্ৰতি বছৰে পালিতহে আছিল যদিও বৰ্তমান দুই-তিনি বছৰৰ ব্যৱধানত এই উৎসৱ পালন কৰা হয়। যিবোৰ গাঁৱৰ আৰ্থিক দিশ টনকিয়াল আৰু বছৰটোত কোনো অপায় অমংগল নহয় তেনে গাঁৱত প্ৰতিবছৰে এই উৎসৱ পালন কৰিব পৰা যায়।

"এই উৎসৱত সাংস্কৃতিক নৃত্য-গীতৰ পৰিৱেশ বেছিকৈ পৰিলক্ষিত হয়। কৃষিজীৱী মিচিং জাতিৰ একালত কৃষিয়েই আছিল প্ৰাণ। পথাৰৰ পকা



ধান মুঠি ভঁৰালত জমা ৰখাৰ অন্তত কৰ্মক্লান্ত শাৰীৰিক অৱকাশ দিবলৈ কৰা চেষ্টাৰ ফল স্বৰূপেই পঃৰাগৰ সৃষ্টি বুলিব পাৰি। মিচিঙৰ এই উৎসৱ কিমান আনন্দৰ, কিমান আপোন হ'ব পাৰে। এই কাৰণেই পঃৰাগৰ তাৎপৰ্য বৰ গভীৰ।"[২]

বিশেষকৈ আহুধান আৰু শালিধান চপোৱাৰ অন্তত আঘোণ আৰু ফাগুন মাহত এই উৎসৱ পালন কৰা হয়। প্ৰথম দিনা প্ৰতিষ্ঠা অৰ্থাৎ 'ইচাং'— উৎসৱৰ সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পন্ন কৰা হয়। 'বৰপুৱাৰী' আৰু 'নিগম্‌বৰা'ক ডেকা-গাভৰুসকলে 'গুম্‌ৰাগ্' নৃত্যৰ জৰিয়তে আদৰি আনি "দঃঞিপঃলক" অৰ্থাৎ সূৰ্য-চন্দ্ৰক সাক্ষী কৰি প্ৰস্তুতিৰ সামৰণি মৰা হয় আৰু আন আন গাঁৱৰ পৰা আমন্ত্ৰিত অতিথিবৃন্দক "মিনম্‌য়াম্‌নাম" কৰি উৎসৱত অংশ গ্ৰহণ কৰাৰ বাবে আহবান জনোৱা হয়। উৎসৱত অংশ গ্ৰহণ কৰা পাকৈত গায়ক-গায়িকা, নৰ্ত্তক-নৰ্ত্তকী আৰু বাদ্য বাদকক উচ্চ মৰ্যাদাৰে সন্মান যঁচা হয়। উৎসৱত পৰ্যাপ্ত পৰিমাণে আপং পৰিৱেশন কৰা হয়। ইয়াৰ প্ৰস্তুতিৰ বাবে বৃহৎ আকাৰৰ বাঁহৰ সজাৰ ছেকনিত দৰৱ মিহলোৱা ভাত ঢালি আপং উলিওৱা হয়। আকৌ তাত পানী ঢালি ডেকা-গাভৰুৱে পাঁচবাৰ গুম্‌ৰাগ নৃত্যৰে প্ৰদক্ষিণ কৰে আৰু নিগম্‌বৰা আৰু বৰপুৱাৰীয়ে সেইদৰে "আচি কান্নাম্" অৰ্থাৎ পানী ঢলা কাৰ্যৰে সমাপন ঘটায়। পানী ঢলা কাৰ্যৰ সময়ত গাঁৱৰ ৰাইজৰ শুভ কামনা কৰি সমস্বৰে উপস্থিত সকলোৱে 'দঃঞি,' 'পঃল', 'কাৰ্চিং কাৰ্তাং, 'গুঃমৃন চঃয়িন' আদি দেৱ-দেৱীৰ প্ৰতি "ৰীঃবাদ্‌লা পেনাম্" অৰ্থাৎ প্ৰাৰ্থনা জনায়। আপং সৰকি তলত থোৱা পাত্ৰত পৰাৰ পাছত উপাস্য দেৱ-দেৱীৰ বাবে 'এঃগ্‌মান্নাম" হিচাপে এজনী চেঁউৰী গাহৰি বধ কৰা হয়। এইদৰে তিনিদিন অতিবাহিত কৰাৰ অন্তত পিছৰ দুদিন সকলোৱে ভোজভাত আৰু পানীয় সেৱন কৰি আনন্দ উপভোগ কৰে আৰু গুম্‌ৰাগ নৃত্যানুষ্ঠানেৰে গাঁওখন মুখৰিত কৰি তোলে। শেষত এই নাচৰ যোগেদি নিগম্‌বৰা আৰু বৰপুৱাৰীক ঘৰলৈ ওভোতাই নিয়া হয়। তেওঁলোকেও গাহৰি মাৰি ভোজভাত খুৱাই ৰাইজক আপ্যায়িত কৰাৰ লগতে পঃৰাগ্ উৎসৱৰ কাৰ্যসূচী পৰিচালনাত হোৱা ত্ৰুটীৰ বাবে মাৰ্জনা মাগে।

২ পামেগাম, নন্দেশ্বৰ, "পঃৰাগ্", মিচিং সংস্কৃতিৰ আলেখ্য, পৃষ্ঠা-১১৮

"পঃৰাগ্ উৎসৱ মিচিং সংস্কৃতিৰ ঘাই বাহন।.........সেইবাবে পঃৰাগত গাঁওবোৰ প্ৰাণময় হয়, কৰ্মক্লান্ত মানুহক পঃৰাগে দিয়ে অফুৰন্ত প্ৰাচুৰ্য্য আৰু শিল্পীক দিয়ে সৃষ্টি প্ৰেৰণাৰ উন্মাদনা।"[৩]

'আমৰক' উৎসৱ ঃ মিচিং জনজাতিৰ মাজত পালিত হোৱা আন এটা উৎসৱ হৈছে 'আম্ৰক'। সাধাৰণতে ভাদ বা আহিন মাহত আয়োজিত এই উৎসৱ ঘৰুৱা আৰু বংশগত হিচাপেহে পালন কৰা হয়। প্ৰতিঘৰ লোকে উৎসৱ উপলক্ষে খেতি-বাতি চপাই উপৰি পুৰুষক শ্ৰদ্ধাৰে সুঁৱৰি ৰাইজক নিমন্ত্ৰণ কৰি ভোজভাত আৰু আপং পৰিৱেশন কৰে। এই ভোজৰ সৈতে 'অপিন্ আপং' লাউপানী, গাহৰি আৰু কুকুৰাৰ মাংসও দিয়া হয়। ডেকা-গাভৰুসকলে ভোজভাত খাই আনন্দৰ মাজেৰে ঐনিতম্ গাই 'পাকচো মনাম' নৃত্য পৰিৱেশন কৰি উছৱৰ ৰহণ চৰায়। এই উৎসৱত 'উৰম কুচাং' দেৱতাৰ উদ্দেশ্যে পূজা এভাগো আগবঢ়োৱা হয়।[৪]

"আলিয়াই লৃগাং' উৎসৱ ঃ মিচিং সমাজে প্ৰতি বছৰে পালন কৰি অহা এই উৎসৱ হৈছে শস্যৰ গুটি সিঁচাৰ আৰম্ভণি উৎসৱ। সাংস্কৃতিক দিশত চহকী এই জনগোষ্ঠীৰ লোকে পৃথিৱীৰ সৃষ্টি আৰু উৎপাদিকা শক্তিক শ্ৰদ্ধা জনাই এই উৎসৱৰ আয়োজন কৰে। বছৰৰ ফাগুন মাহৰ পৱিত্ৰ বুধবাৰৰ দিনাই এই উৎসৱৰ পাতনি মেলা হয়। উৎসৱ উপলক্ষে পূজা-পাতল, খোৱা-বোৱা, নৃত্য-গীত আৰু বিভিন্ন আচাৰ-অনুষ্ঠানৰো আয়োজন কৰা হয়। 'আলিয়াই লৃগাঙ'ৰ অৰ্থ হৈছে 'আলি' মানে শস্য বা কঠীয়া, 'আঃয়ে' মানে ফল আৰু 'লৃগাং' মানে কঠীয়া সিঁচাৰ প্ৰথম দিন। সেইদৰে সম্পূৰ্ণ অৰ্থটো হ'ল গুটি সিঁচাৰ প্ৰথম দিন। এই উৎসৱৰ দ্বাৰা উৎপাদন বৃদ্ধি, পোক-পৰুৱা আদিৰ পৰা শস্য ৰক্ষা আৰু পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। মিচিং জনজাতিৰ লোকে পূৰ্বতে পাৰ্বত্য অঞ্চলত ঝুম পদ্ধতিৰে খেতি কৰিছিল যদিও ভৈয়ামত সেই প্ৰথা সীমিতহৈ পৰে। আনহাতে তেওঁলোকে আহু ধানৰ খেতি ব্যাপক ৰূপত কৰে। এনে খেতিৰ সৈতে আগ বতৰতে কোমোৰা 'তাপা', জলকীয়া 'মৃৰচি', আদা 'তাকে', কাঠ আলু 'ঔঙন্' বা 'আলি', কচু 'এঙে' আদিৰো খেতি কৰে।

৩ পেগু, ইন্দ্ৰেশ্বৰ, "মুবং আৰু পঃৰাগ" মিচিং সংস্কৃতিৰ আলেখ্য, পৃষ্ঠা ১০৮

৪ Bordoloi, B.N., Sharmah Thakur G.C. and Saikia M.C., 'The Miris (Mishings)', Tribes of Assam Part-1, Tribal Research Institute, Assam, Page-117



পৰম্পৰাগত ৰীতি অনুসৰি গাঁৱৰ ডেকা-গাভৰুৱে সিদ্ধান্ত লৈ খেতি বাতি ভাল হোৱা কোনো আঢ্যৱন্ত লোকৰ ঘৰৰ দুৱাৰ মুখত এটা টোমত শিলগুটি এটা ভৰাই ওলোমাই থৈ আহে। সেই টোমটো দেখি গৃহস্থই সেই বছৰৰ বাবে তেওঁৰ "আলিয়াই লৃগাঙ'ৰ বৰকাঁহৰ খুটি পুতি উৎসৱৰ বাবে সকলো প্ৰস্তুতি তেওঁৰ ঘৰৰ পৰাই পৰিচালিত হ'ব বুলি 'জগৰ'ৰ বাৰ্ত্তা পায়। গৃহস্থয়ো যথাবিহিত ভাৱে সকলো কৰ্ম কৰি ৰাইজৰ আজ্ঞা পালন কৰে। ৰাইজৰ সহযোগত তেওঁ ছাইমদ, ভোজভাত, কুকুৰা আৰু গাহৰিৰ মাংসৰ যোগান ধৰে। আনহাতে এই উৎসৱ উপলক্ষে ৰাইজে সমূহীয়াকৈ চিকাৰ 'কিঃৰুগ' আৰু 'ৰুগবাদ্' কৰি পোৱা পহু আদিৰ মাংস যোগাৰ কৰে। সেইদৰে সমূহীয়াকৈ মাছো মাৰি সংগ্ৰহ কৰে। গোটেই গাঁওখনৰ ঘৰে ঘৰে আপং তৈয়াৰ কৰি, মাছ-মাংস যোগাৰ কৰি নিজেও খায় আৰু অতিথিকো পৰিৱেশন কৰে। বৰা চাউলৰ ভাত কৌপাতত বান্ধি 'পুৰাং' ৰান্ধি খাই বিশেষ তৃপ্তি পোৱা হয়। "আগন্তুক বছৰটো যাতে খাদ্য সামগ্ৰী প্ৰাচুৰ্যৰে ভৰপূৰহৈ পৰে তাৰ কাৰণে আপং, মাছ, মাংস প্ৰস্তুত কৰি ইষ্ট দেৱতা দঞিঃ পঃল (সূৰ্য চন্দ্ৰ) আৰু পূৰ্বপুৰুষসকলক স্মৰণ কৰে।"[৫]

এই উৎসৱৰ প্ৰথম দিনা পুৱাতে গৃহস্থনীয়ে পথাৰৰ একোণত কোৰ মাৰি ন শস্য সিঁচি কৃষিৰ শুভাৰম্ভণি কৰে। এই নীতি পালন কৰি তেওঁ দুফাকি বচন 'পেনাম' উচ্চাৰণ কৰে।

(১) "উপীকা, গুঃচিন্ গাম্মাঙী তল বল লাংকা। চিল তাগ্য়িং তাংঙক দপী তৃঃপীনামীম্ চিদ্দুং। অপান্ আঃৰেনীম্ কগঃমাংগম্ বিচুয়েকু।"

(২) "কুম্দাং ৰৃংঙঙা কাঃত তাত্তলাংকা চিনী য়গ্নী তাঃত যাঃম নলুতী কাঃলা-তাদলাংকা"।

ইয়াৰ ভাবাৰ্থ হৈছে— দুখ-আপদ, বিফলতা আৰু বাধা-বিঘিনিবোৰ ইয়াৰ পৰা চাৰিওফালে আঁতৰহৈ যা। আজি পাঁচ-দহবছৰৰ খাবলগীয়া শস্য সিঁচিবলৈ আৰম্ভ কৰিছোঁ— নিছলা, দুখীয়া, খোজনিয়াৰ, মগনিয়াৰক দান দিম। ঘৰৰ লক্ষ্মীদেৱী বা মংগল ৰাখোতাই দৃষ্টি ৰাখক, মৃত আতা-মাতা, পূৰ্বপুৰুষসকলে শস্যবোৰ ৰখি দিয়ে যেন।[৬]

৫ পাদুন, নাহেন্দ্ৰ, 'আলিয়াই লৃগাং' প্ৰবন্ধ, মিচিং সংস্কৃতিৰ আলেখ্য, পৃষ্ঠা-১৩১

৬ বেগন, দুৰ্গা "আলিয়াই লৃগাং ঃ ইয়াৰ বৈশিষ্ট্য", মিচিং সংস্কৃতিৰ আলেখ্য, পৃষ্ঠা-১২১

উৎসৱৰ বাবে ছাই মদ 'পঃৰ আপং', চিকাৰ কৰি অনা খাদ্য জন্তুৰ শুকান মাংস 'দৃন চান', শুকান মাছ 'ঙচান' অতি আৱশ্যক। সেইবোৰ যথাসময়ত তেওঁলোকে যোগাৰ কৰি ৰাখে।

'লৃগাঙ'ৰ দিনা দুপৰীয়া গৃহস্থসকলে বাৰীৰ এডোখৰ ঠাই চফা কৰি এটা দীঘল টিপ তৈয়াৰ কৰি তাৰ ওপৰত মৃত পুৰুষ অনুসৰি কিছুমান কলপাতেৰে সজা বাটিত খাদ্য সামগ্ৰী উছৰ্গ কৰি প্ৰেতাত্মালৈ জলপিণ্ড 'উৰম্ আপিন্' আগবঢ়োৱা হয়।

সেইদিনা আবেলি 'গাম'ৰ ঘৰৰ পৰা নিৰ্দেশক হিচাপে বৰকাঁহ 'বাৰ্বাঙ'ৰ ধ্বনি দিয়াৰ পাছত গাঁৱৰ সকলোৱে খোৱা বোৱা কৰি আনন্দৰ বাবে নৃত্য-গীত পৰিৱেশন কৰিবলৈ আৰম্ভ কৰে। প্ৰতিঘৰৰ মুৰব্বী জনক আপং পৰিৱেশন প্ৰথমেই কৰাৰ নিয়ম। আনহাতে বুঢ়াসকলৰ বাৰ্ষিক 'মৃজিংবাৰ্ক'ৰ আহবানত সকলো বুঢ়াই গাঁৱৰ এমূৰৰ পৰা ঘৰে ঘৰে আতিথ্য গ্ৰহণ কৰে।

পৰম্পৰাগত বাদ্যযন্ত্ৰ দুম্পে, ঔজুক তাপুং গন্ গনাং বা গুং গাং, কুৰুলি, পেম্পা, তুঃলু, পিঃলি, লীঃনং, বাৰ্বাং বা মাৰবাং, দেওঘন্টা, 'য়ক্চা', দুমদুম, কেঃকুং, দোতাৰা, বীণ, লুঃপি, কক্তেৰ টকা, পুলি, ৰামতাল, ঢোলোকী আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। তেওঁলোকে উৎসৱ উপলক্ষে জাতীয় সাজপাৰ পৰিধান কৰি গুমৰাগ্ নৃত্য পৰিৱেশন কৰে আৰু অইনিঃতম্ গীত গাই মনৰ উলাহ প্ৰকাশ কৰে। বয়সৰ ভেদাভেদ পৰিহৰি সকলোৱে নৃত্য-গীতত আত্মবিভোৰহৈ পৰে। বসন্তৰ আগমন আৰু কৃষিৰ শুভাৰম্ভৰ আনন্দত তেওঁলোকে চহকী সাংস্কৃতিক পৰম্পৰাৰে নৃত্য-গীত কৰি কৃষ্টি সংস্কৃতিক জীয়াই ৰখাৰ প্ৰচেষ্টা কৰে। লৃগাং উৎসৱৰ বাবে আয়োজন কৰা নৃত্য-গীতৰ অনুষ্ঠান গাঁৱৰ মুৰব্বী 'গাম' বা গাঁওবুঢ়াৰ ঘৰতেই আৰম্ভ কৰি সকলোৱে ঘৰত পৰিৱেশন কৰা হয়। মিবু বা মিৰ্ গবাকীয়ে ডেকা-গাভৰুৰ মধ্যস্থলতৰৈ গীত গাই নৃত্য পৰিচালনা কৰে আৰু [illegible] ৰুৱে তাকেই দোহাৰি যায়। এই গুম্ৰাগ বা চঃমান'ৰ বাবে পৰিৱেশন কৰা নৃত্যৰ ভৰিৰ তালক "দাকেঃ কেঃলা চঃনাম" বোলা হয়।

আনহাতে তেওঁলোকৰ এই নৃত্যক ইয়াত প্ৰকাশ পোৱা ভংগীমা [illegible] াক, কৃষি উৎসৱ মূলক, বিশ্ৰামমূলক আদি তিনিটা বিশেষ



ভাগত ভাগ কৰিব পাৰি। বিহুঁৰ অন্যৰূপ হিচাপে মনৰ উলাহ প্ৰকাশ কৰিবলৈকে এই নৃত্য-গীত পৰিৱেশন কৰা হয়।

এইদৰে সকলোৱে মাজত সম্প্ৰীতিৰ কঠীয়া সিঁচি বছৰলৈ উৎসৱৰ স্মৃতি সজীৱহৈ ৰয়। আগন্তুক বছৰৰ অপেক্ষাত সকলোৱেই উৎসুকেৰে থাকে।[৭]

৭ দুৱৰা, ধৰ্মেশ্বৰ, "সাংস্কৃতিক কেন্দ্ৰ মুবং ঘৰৰ বিলুপ্তি," আজিৰ অসম, ২৩ কাতি ১৯১৮ শক, ৯ নৱেম্বৰ ১৯৯৬চন

## ১৬.০০ ষষ্ঠদশ অধ্যায়

# ৰাভাসমাজৰ লোক উৎসৱ-অনুষ্ঠান

স্বকীয় কলা-সংস্কৃতিৰে মহীয়ান অসমৰ ভৈয়াম অঞ্চলৰ জনজাতি ৰাভাসকলৰ লোকসংস্কৃতিয়ে অসমৰ সাংস্কৃতিক জগতখনতো এখন বিশিষ্ট আসন অধিকাৰ কৰি আছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি এই জনগোষ্ঠীৰ লোকসংখ্যা অসমৰ জনজাতীয় লোকসংখ্যাৰ ৮.৬৩ শতাংশ আৰু মুঠ জনসংখ্যাৰ ০.৬৩ শতাংশ। জনজাতিৰ চতুৰ্থ বৃহৎ জনসংখ্যাৰে এই লোকসকলে অতীজৰ পৰা বৰ্ণাঢ্য লোকসংস্কৃতিৰ সুৱাসেৰে অসমৰ সাংস্কৃতিক ফুলনি ডৰাও আমোল-মোলাই তুলিবলৈ সক্ষম হৈছে।

ৰাভা সমাজত বিশেষকৈ ৰংদানী, পাতি, মাইটোৰী, বিটলীয়া, হানা, চুঙা, টোটলা, দাহুৰি, মদাহী আদি কেইবাটাও ভাগ থকা বুলি জানিলেও বৰ্তমান ৰংদানী, পাতি আৰু মাইটোৰী ভাগ তিনিটাৰহে লোক যথেষ্ট পৰিমাণে দেখা পোৱা যায়। এই সকলৰো মাইটোৰী সকলেহে ঐতিহ্য পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, কলা-কৃষ্টি আদি জীয়াই ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। আনহাতে পাতিসকলেও কিছু পৰম্পৰা ৰক্ষা কৰিছে। অৱশ্যে ৰংদানীসকলে মাইটোৰীসকলৰ পাছতেই তেওঁলোকৰ পৰম্পৰা ৰক্ষাত সচেষ্ট হোৱা পৰিলক্ষিত হয়। এইটো প্ৰণিধানযোগ্য যে স্বকীয় বৈশিষ্ট্য সম্পন্ন ঐতিহ্য পৰম্পৰা, কৃষ্টি-সংস্কৃতি, লোকবিশ্বাস, ধৰ্ম, আচাৰ-অনুষ্ঠান, ৰীতি নীতি, সাজপাৰ, খোৱা-বোৱা, ভাষা-লোকসাহিত্যৰে ভৰপূৰ জনজাতি হিচাপে ৰাভাসকলৰ স্থান যথেষ্ট উচ্চ স্তৰত ৰাখিবলগীয়া।

তেওঁলোকৰ লোক উৎসৱ অনুষ্ঠান, লোক নৃত্য-গীত-বাদ্য পৰম্পৰাও নিজস্ব বৈশিষ্ট্যপূৰ্ণ। এইটো মন কৰিবলগীয়া যে ৰাভাসকলৰ মাজত পালিত কোনো সাৰ্বজনীন উৎসৱ তেওঁলোকৰ জাতীয় উৎসৱৰূপে পৰিগণিত হোৱা নাই। তথাপি বায়খো উৎসৱক এই শ্ৰেণীৰ শাৰীত ৰাখিব পাৰি। বিভিন্ন সম্প্ৰদায়ে তেওঁলোকৰ নিজস্ব কিছুমান আচাৰ-অনুষ্ঠান, পূজা-পাত উৎসৱ মুখৰ পৰিৱেশেৰে বিভিন্ন উদ্দেশ্যেৰে পালন কৰি থাকে।



এই সমূহৰ জৰিয়তে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস আৰু কৃষ্টি জীয়াই আছে। বসন্তৰ ৰঙালী বিহু, মাঘৰ ভোগালী বিহু বা খেতি চপোৱা বিহু বিশেষকৈ পাতি ৰাভা সকলেহে ভৈয়ামৰ আন আন জাতি-গোষ্ঠীৰ দৰে পালন কৰে। আনহাতে ৰংদানী আৰু মাইটোৰী ফৈদৰ লোকসকলে বায়খো বা খোক্‌চি পূজা উৎসৱটি যথেষ্ট আন্তৰিকতাৰে পালন কৰে।[১]

'খোক্‌চি' বা 'বায়খো' পূজা উৎসৱ ঃ সমজুৱাকৈ পালন কৰা পূজা উৎসৱৰ ভিতৰত 'খোকচি' বা 'বায়খো' উৎসৱেই লেখতল'বলগীয়া। কৃষি কৰ্মৰ প্ৰধান আৰাধ্যা দেৱী হিচাপে 'খোক্‌চি' বা 'বায়খো'ক পূজাভাগ দিয়া হয়। সাধাৰণতে বহাগ-জেঠ নতুবা শাওণ-ভাদ মহীয়া আয়োজন কৰা এই পূজা উৎসৱ পৰম্পৰা অনুসৰি সাতদিন সাতৰাতিলৈ বৰ্তি থাকে যদিও আৰ্থিক দিশলৈ লক্ষ্য ৰাখি বৰ্তমান তিনি দিন তিনি ৰাতিলৈকেহে পালন কৰিব পৰা হৈছে। এই উৎসৱত সমজুৱা ভোজ খোৱা আৰু পানীয় সেৱন কৰাই সকলোৱে মনত আনন্দৰ জোৱাৰ তোলে।

আৰাধ্যা দেৱীৰ বাবে স্বাস্থ্যবান গাহৰি বলি দিয়াটো নিয়ম। অতিবৃষ্টি, অনাবৃষ্টি ৰোধ কৰা, ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সৰা, গাঁওবাসীৰ মাজত অপায়-অমংগল, মাৰি-মৰক নোহোৱা আৰু সুন্দৰভাৱে খেতিবাতিহে শস্যে, মৎস্যে উভৈনদী হোৱাৰ কামনা কৰি এই পূজা উৎসৱ বছৰেকীয়াকৈ কৰাটো মুখ্য উদ্দেশ্য।

পৰম্পৰা অনুসৰি পূজাত আগভাগ ল'বৰ বাবে কৰ্ম অনুযায়ী চাৰি প্ৰকাৰৰ লোক নিয়োজিত হয়। সেইসকলৰ পূজা কৰিবলৈ 'চুৰচং', পূজাৰ দ্ৰব্য যোগাওঁতা 'পাম বাৰায়', লাউপানী আৰু ভোগ যোগাওঁতা 'ৰুংদুং' কাঁহ বাদ্য বাদনত নিয়োজিত 'দাইদী' বাদক 'টেংটং'ক দায়িত্ব অৰ্পণ কৰা হয়। যোনি পূজা বুলি গণ্য কৰি কিছুলোকে যোনি আকৃতিৰ শিল স্থাপন কৰিও এই পূজা কৰে।[২]

"বায়খো' উৎসৱৰ উপলক্ষত ৰাভা ডেকা-গাভৰু সকলে নৃত্য-গীতমাত পৰিৱেশন কৰি মনৰ ভাৱ প্ৰকাশ কৰি যৌৱনৰ বতৰা বিলোৱাৰ এটা সোণালী সুযোগ গ্ৰহণ কৰে। "মূল ধৰ্মীয় অনুষ্ঠানতেই দেউৰীৰ

১ Bordoloi, B. N. Sharma Thakur, G. C. and Saikia, M. C. Tribes of Assam, Part I, Tribal Research Institute, Assam, Guwahati, March, 1987, P. 128

২ ৰাভা, বাজেন, ৰাভা জনজাতি, বীণা লাইব্ৰেৰী, ২য় প্ৰকাশ, ২০০২, পৃ. ৮৭-৯২

চোতালত অনুষ্ঠিত ডেকা-গাভৰুৰ প্ৰণয় আৰু মিলনৰ সুচল থকা "ছাখাব এককায়" গীত-নৃত্যৰ মাদকতাহে অংশ গ্ৰহণকাৰী ডেকা-গাভৰুৰ লগতে দৰ্শনাৰ্থী বুঢ়া-বুঢ়ী, জীয়ৰী-বোৱাৰীৰ বাবে ঘাই আকৰ্ষণৰ বিষয়। ডেকা-গাভৰুৱে দলবদ্ধভাৱে ইপক্ষই সিপক্ষক গীতেৰে প্ৰশ্নবান নিক্ষেপ কৰে আৰু তাৰ প্ৰত্যুত্তৰো গীতেৰেই দিব লাগে। ..... এইদৰে বাইখো তলীয়ে চাৰি চকুৰ মিলনৰ পৰা সকলো পাৰিবাৰিক আৰু চাৰিত্ৰিক শুংসূত্ৰ আহৰণলৈ ৰাভা ডেকা-গাভৰুক সুবিধা দি আহিছে। ইয়াত নাই কোনো প্ৰলোভন, প্ৰৱঞ্চনা নতুবা যৌতুকৰ তিক্ত অভিজ্ঞতা। পৰস্পৰৰ প্ৰতি বিশ্বাস আৰু আস্থাই এওঁলোকৰ দাম্পত্য প্ৰেম মহান কৰি তোলে।"[৩]

হাছং ঃ মাইটোৰি ৰাভাসকলে বিস্তৃতভাৱে পালন কৰা 'খোক্চি' বা 'বায়খো' পূজা উৎসৱৰ অন্যতম সংস্কৰণ হিচাপে ৰংদানী ৰাভাসকলে হাছং বা বাস্তু দেৱতাক উপাসনা কৰে। হাছং দেৱতাৰ নামত স্থাপিত থানবোৰত এই পূজা উৎসৱ সাধাৰণতে জেঠমাহত পালন কৰা হয়।

বাৰ গৰাকী দেৱতাৰ সমষ্টিকেই হাছং পূজাৰ আৰাধ্য দেৱতা বুলি গণ্য কৰা হয়। এইটো মন কৰিবলগীয়া যে দাৰমাং দেৱতাক মাজত স্থাপন কৰি সোঁদিশে যথাক্ৰমে কন্‌চো, ফেদৰ, লাংগাচাৰা, আৰু বুঢ়াবাদিক স্থাপন কৰা হয়। আনহাতে বাওঁদিশে ক্ৰমে চাৰি, কয়নাং, ত্ৰয়নাং, তুৰা, পাজাম্বা আৰু খুছুৰি নামৰ দেৱতাক স্থাপন কৰা হয়। পূজাৰ বাবে বলি নৈবেদ্য হিচাপে ভাগে ভাগে হাঁহ, কুকুৰা, পঠা, গাহৰি আদি উৎসৰ্গ কৰিব লাগে। পূজাৰ প্ৰধান পুৰোহিতক 'ওজা' আৰু সহকাৰীক 'তাকব্ৰাই' বোলা হয়। বলি নৈবেদ্যৰ বাহিৰেও লাউপানীও উছৰ্গ কৰা হয়। অঞ্চল ভেদে পূজাৰ আচাৰ-অনুষ্ঠান পৃথক হ'লেও সমজুৱাকৈ ভোজভাত খোৱা, গাত আৰু মুখত পিঠাগুৰি সানি নৃত্য-গীত পৰিৱেশন কৰি আনন্দ উপভোগ কৰাৰ ক্ষেত্ৰত সাদৃশ্য লক্ষ্য কৰিবলগীয়া। বিশেষকৈ পথাৰে-বাৰীয়ে শস্য নদন-বদন হোৱাকেই কামনা কৰি এই হাছং পূজা উৎসৱ অনুষ্ঠিত কৰা হয়।

ৰোণ্ডাক বা ৰুন্তুক ঃ ঘৰ গোঁসানীক পূজিবলৈ এই পূজাভাগ আয়োজন কৰা হয়। ৰাভাসকলৰ সকলো ফৈদেই এই পূজা কৰে। বন্ধনশালত বাঁহৰ চাং সাজি দুটা হাড়ী অৰ্থাৎ ৰোন্তাক চাউলেৰে পূৰ্ণ কৰি

৩ বাভা হাকাচাম, উপেন, "জেঠমহীয়া পূৰ্ণিমা ৰাতিৰ বায়খো তলি", আজিৰ অসম, ৮ মে', ১৯৯৬



তাৰ দাঁতিত ঢাল, তৰোৱাল, খাপৰ আদি অস্ত্ৰ-শস্ত্ৰথৈ কাল, বুংছি, হেম, মঞ্জৰী আদি বাদ্য সংগতেৰে স্তোত্ৰ গীত গাই এই পূজা কৰা হয়। দেউৰীয়ে ভক্তসকললৈ পিঠাগুৰি ছটিয়াই পৱিত্ৰ কৰে। পূজাৰ বাবে গাহৰি আৰু কুকুৰা বলি দি 'হাদাতাৰ', 'বিদাতাৰ', 'হুলী', 'গৌলাক' আদি চয়তানক সন্তুষ্ট কৰা হয়। সমজুৱাই ভোজভাত খাই আনন্দ উপভোগ কৰে।

'ছোংবায় তাংঙি' ঃ বছৰেকীয়াকৈ কোচা ৰাভাসকলে এই 'ছোংবায় তাংঙি' পূজা কৰে। বিশেষকৈ 'ছোংকোন বাকাইংঙি' অৰ্থাৎ শনি গ্ৰহকে মুখ্য কৰি গ্ৰহৰ ৰোষৰ পৰা মুক্ত হ'বলৈ এই পূজা উৎসৱ আয়োজিত কৰে। নাৰী বিবৰ্জিত এই পূজা ঘৰৰ পৰা আঁতৰৰ আছুতীয়া ঠাইত আয়োজন কৰিব লাগে। পূজাৰ অন্তত ভোজভাত খাই, পানীয় সেৱন কৰি বিবিধ বাদ্য বজাই গীত গাই নাচি-বাগি আনন্দ উপভোগ কৰাৰো থল ৰচিত হয়।

লাঙা পূজা ঃ লাঙা পূজা শিৱৰ পূৰ্ণাংগ অৱয়বৰ পূজা। ৰাভাসকলৰ ৰংদানী আৰু পাতি ফৈদৰ লোকসকলে এই পূজা বিশেষভাৱে আয়োজন কৰে। গাঁৱৰ পৰা নিলগৰ কোনো হাবিত নতুবা নৈ-বিলৰ পাৰত এই পূজা কৰা নিয়ম। পাতি ৰাভাসকলে লাঙা পূজা উপলক্ষে সম্পত্তিৰ গৰাকী ধনকুবেৰ, শিৱ লাঙা, ভগৱতী ঠাকুৰাণী, অভীষ্ট পূৰ্ণকাৰী দুধকুমৰ-ফুলকুমৰ অধিষ্ঠাত্ৰী দেৱী খোক্চি বা বায়খোৰ প্ৰতীক হিচাপে একোটাকৈ শিল স্থাপন কৰি পূজাভাগ আগবঢ়োৱা দেখা যায়। বহাগ বা জেঠ মাহত পালিত এই পূজাত মাহ-প্ৰসাদ আৰু বলিও দিয়া হয়।

গাঁওবাসীৰ সৰ্বতো মংগল কামনা কৰাৰ লগতে শস্য পথাৰ নদন বদন হোৱাৰ আশাৰে এই পূজা কৰা হয়।

কাঁচা খাইতি পূজা ঃ কেঁচাইখাতি ভগৱতীক পূজা কৰিবলৈ বহাগ-জেঠ মাহত আয়োজন কৰা হয়। অৱশ্যে বহুতে লাঙা পূজাৰ দিনাই এই পূজাও কৰে। নৈৰ পাৰত সমজুৱাকৈ কঁচাখাইতি পূজা কৰা হয়। পাতিৰাভাসকলৰ মাজত এই পূজা 'ডিঙা পূজা' হিচাপে পৰিচিত। কলগছৰ পটুৱাৰে ডিঙা সাজি তাত পূজাৰ সামগ্ৰী দি এই পূজা কৰাৰ নিয়ম। মহিলাসকলে শুদ্ধ মনেৰে বিবিধ পিঠাপনা কেঁচাইখাইতিৰ নামত উৎসৰ্গ কৰে। ডেকা সকলে ঘৰে ঘৰে 'হাওল' খেদি গৃহস্থৰ বাৰীৰ ফলমূল, হাঁহ, ছাগলী, কুকুৰা, কণী, পাৰ আদি সংগ্ৰহ কৰি পূজাৰ বাবে উৎসৰ্গ কৰে।

গাঁৱত যাতে ভূত-প্ৰেতৰ উপদ্ৰৱত অশান্তিৰ সৃষ্টি নহয় সেইবাবে এই পূজা কৰা হয়।

মাৰাই পূজা ঃ মনসা পূজাকেই ৰাভাসকলে মাৰাই পূজা বুলি অভিহিত কৰে। গোৱালপাৰা আৰু কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ৰাভা বসতিপূৰ্ণ গাঁওবোৰত এই পূজাৰ প্ৰচলন পোন প্ৰথমে হোৱা বুলি কোৱা হয়। অতীজৰে পৰা মাৰাইগানৰ ওজাপালি আৰু দেওধ্বনি নৃত্যৰ চৰ্চা ৰাভাসকলৰ মাজত চলি আহিছে।

দাৰমাং বায় ঃ স্বাস্থ্য আৰু সা-সম্পত্তিৰ গৰাকী হিচাপে এই দাৰমাং বায় পূজা সমূহীয়া আৰু ব্যক্তিগত ভাবেও আয়োজন কৰা হয়।

বেৰা-হাচুবায় ঃ ৰাভাসকলে ঘৰচীয়া জীৱজন্তু হাঁহ-কুকুৰা, পাৰ, গৰু, ছাগলী, ম'হ, গাহৰি আদিক মাৰি-মৰকৰ পৰা ৰক্ষা কৰিবৰ বাবে এই বেৰা-হাচুবায় পূজাৰ আয়োজন কৰে।

ৰাভাসকলে উপৰিউক্ত পূজা সমূহৰ উপৰি সকলোৰে সুখ, শান্তি, স্বাস্থ্য আৰু ঘৰচীয়া জীৱজন্তুৰ মংগল কামনা, ফলমূল-শস্যাদিৰ উৎপাদন বৃদ্ধিৰ বাবে 'লাংগাচাৰা বায়', 'হায়মায়ৰং বায়', 'খেলাৰাম বায়', 'মাৰাংবায়' আদি দেৱতাৰ নামতো পূজা কৰে। পূজাৰ সৈতে সংগতি ৰাখি উৎসৱ মুখৰ পৰিৱেশো সৃষ্টি কৰে।

পাতি ৰাভা সকলে 'লাঙা' পূজা বহাগ মাহৰ প্ৰথমতে বহাগ বিহুৰ লগত সংগতি ৰাখি কৰে আৰু 'হানা ঘোঁৰা' সাজি শিৱক পূজি ভক্তি ভাৱেৰে গাঁও ফুৰাৰ লগতে গৃহস্থৰো ঘৰৰ চোতালত প্ৰৱেশ কৰোৱাই বছৰলৈ সকলোৰে সুখ-শান্তি কামনা কৰাৰ লগতে সম্পত্তিশালী হোৱাৰ বাবেও আশীৰ্বাদ জনোৱা হয়। আনহাতে তেওঁলোকে 'জাৰী ঘোঁৰা' ও নচুৱাই ভক্তিৰভাৱ জাগৃত কৰা অনুষ্ঠান ৰচনা কৰে।

"জাৰী ঘোঁৰা নচুৱাওঁতে হানাঘোঁৰা নচুওৱাৰ নিচিনাকৈ বগেজাৰী গীত গোৱা হয়। দুয়োধৰণৰ ঘোঁৰা নচুৱাওঁতে একে ৰকমৰ গীত গোৱা হয় যদিও সুৰ বেলেগ বেলেগ হয়। ...... হানাঘোঁৰা নচুওৱাৰ অন্তত ঘোঁৰাক হাবিত পেলাই দিয়া হয়। ৰাইজে ভোজভাত খায়। কিন্তু জাৰী ঘোঁৰাক

৪ মজুমদাৰ, সূৰ্য্যকুমাৰ, দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি, প্ৰগতি গ্ৰন্থপীঠ, সৰপাৰা, কামৰূপ, পৃ. ৩৪



গোঁসাই ঘৰত সংৰক্ষণ কৰা হয় ভোজভাত খোৱাৰ দস্তুৰ নাই।"[৪] হানাঘোঁৰা বহাগ মাহৰ প্ৰথম দিনটোৰ পৰা সাতদিনলৈকে কেৱল দিনৰ ভাগত নচুওৱা হয়। আনহাতে জাৰী ঘোঁৰা ৰাতিৰ ভাগতহে নচুৱাই ফুৰুওৱা হয় আৰু এই উৎসৱ পালনৰ নিৰ্দিষ্ট মাহ আৰু দিনবাৰ নাথাকে। উল্লেখনীয় যে জাৰী ঘোঁৰা নচুওৱাৰ বাবে বহাগ বা জেঠ মাহৰ কোনোবা এটা মংগল বাৰে দিনৰ ভাগত পূজা কৰি ৰাতিলৈ এই কাৰ্য চলোৱা হয়।

'পাৰ নৃত্য' পাতিৰাভা ফৈদৰ এটা লেখত ল'বলগীয়া নৃত্যানুষ্ঠান। ইষ্ট দেৱতা পাৰদেৱক পূজা কৰি বৃক্ষ পূজাও কৰা হয়। সকলোৰে অপায় অমংগল দূৰ কৰাৰ উদ্দেশ্যেৰে এই পূজা কৰি নৃত্য-গীতমাত পৰিৱেশনৰ ব্যৱস্থা কৰা হয়।

পাতি ৰাভা সকলৰ মাজত বগেজাৰী, টুকুৰীয়া, মাৰে আদি গীত-মাত বহুলভাৱে চৰ্চিতহৈ আহিছে। এইবোৰৰ উপৰি ৰাভা জনজাতিৰ লোকসকলে ছাথাৰ, হু'ৰছায়, বহুৰঙী, ফাৰ্কান্তি, টোটাকামি, মাৰাংমাঠাং, না-বোকায়, বাংবাং বা লাখৰ, নলুৱা-চলুৱা, বন্দনা-চন্দনা, উপাসনা, লেওৱা বিকায়, হৈমাৰু, জুনা, বাৰমাহী আদি গীতমাত চৰ্চা কৰি এটা সংস্কৃতিবান জাতি হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। "অসমৰ আদিমবাসী মংগোলীয় গোষ্ঠীৰ ৰাভাসকলৰ 'বায়খো' উৎসৱেই বিহু উৎসৱ নহয় জানো? ছাথাৰ গীতৰ সমধৰ্মী বিহু গীত বনগীতবোৰ ছাথাৰগীতৰে ৰূপান্তৰ কিম্বা ভাষান্তৰ বুলি কোৱাৰ যুক্তি নুই কৰাও নেযায়। সেইদৰে 'বিহু' শব্দৰ উৎপত্তিও 'বায়খো' শব্দৰ পৰাই হোৱা বুলি যুক্তি দৰ্শাব পাৰি।"[৫]

সাংস্কৃতিক দিশত চহকী এই জনজাতিৰ লোকগীত-মাত আৰু নৃত্যৰ সৈতে বহুবিধ পৰম্পৰাগত বাদ্যযন্ত্ৰও ব্যৱহাৰ কৰা হয়। তেনে বাদ্যযন্ত্ৰসমূহ পৰম্পৰা আৰু থলুৱা উপাদানৰ দ্বাৰা প্ৰস্তুত কৰি লোৱা হয়। আনহাতে বাদ্যবোৰৰ জন্মৰ ক্ষেত্ৰতো অলেখ জীয়া কাহিনী প্ৰচলিত হোৱা লক্ষ্যণীয়।

তেওঁলোকৰ মাজত পৰম্পৰাগতভাৱে ব্যৱহৃতহৈ অহা উল্লেখনীয় বাদ্যযন্ত্ৰবোৰৰ ভিতৰত ব্ৰাংছি; লাখৰবাঁহী, হেম বা খাম, খাৰা ব্ৰাংছি বা কাঢ়ানল বাঁহী, জাপখাৰাবাঁহী, ছিংগা, বাদুংদুমা বা বাগাডুং, মাঞ্চেলেংকা, গমেনা, গুগুমেল, গংগ্লেং, দায়দি বা কাসি, বুবুৰেঙা, খামনালুক, তাৰ্চা,

৫ সৰকাৰ, হৰিমোহন, ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস, চিতলমাৰী বনগাঁও, গোৱালপৰা, ১৯৮৯, পৃ. ১৫

ত্ৰিস্বৰ বাঁহী, সপ্তস্বৰ বাঁহী, ছানাই আদিয়েই প্ৰধান।

ৰাভাসকলৰ বাঁহী বা ব্ৰাংছি বাঁহেৰে তৈয়াৰী এবিধ সুষিৰ বাদ্য। তেওঁলোকৰ বাঁহীত দুই, তিনি বা তাতোকৈ বেছি বিন্ধা কৰি বজোৱা হয়।

লাখৰ বাঁহীৰ লাখৰ শব্দই গৰখীয়া ল'ৰাক সূচায়। গৰখীয়া ল'ৰাই ধেমালি কৰোঁতে এবিধ বাঁহী সাজি বজোৱা দেখা যায়। এই বাঁহীয়েই লাখৰ বাঁহী।

ৰাভাসকলে ঢাক আৰু মাদল হিচাপে ঢোল বাদ্য হেম বা খাম বজায়। নৃত্য-গীতৰ সময়ত দীঘল ঢোল অৰ্থাৎ খাম সংগত কৰে। আনদ্ধ বা অৱনদ্ধ বাদ্যৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত এই খামৰ বিভিন্ন অংগবোৰ হৈছে "পানখলি' অৰ্থাৎ দীঘলগছৰ খোলা, 'বম' অৰ্থাৎ সোঁ-কোৱা, 'টিং বা বাওঁ কোবা বা তালি, 'বমখৰথপ' বা 'বম' অংশক ঢাকি ৰখা চামৰা, 'টিংখথপ' টিঙৰ ঘেৰ অনুসৰি বাকী অংশ বমখৰথপৰ দৰে হোৱা বাঞ্ছনীয়। 'নাকৰ' হৈছে বম আৰু টিঙৰ দুয়োফালে দুডালকৈ সৰ্বমুঠ চাৰিডাল দনক ধৰি ৰখা গোটা চামৰা, 'দন' হৈছে বমখৰথপ আৰু টিংখথপক ধৰি ৰখা পথালি চামৰা, 'দনখৰ থপ' অৰ্থাৎ বম আৰু টিঙক ঢাকি ৰাখি পানখোলিৰ দিশলৈ বাঢ়ি থকা চামৰাকেই বোলা হয়। 'বমটিংথপ' অংশটো হৈছে বমক ভগোৱা দুটা ভাগৰ প্ৰথম ভাগটো, 'টিংটিংথপ' অৰ্থাৎ পানখোলিৰ মূৰৰ ভাগৰ পৰা প্ৰথম ভাগ, 'বমগিৰজিং অৰ্থাৎ বমৰ দ্বিতীয় ভাগৰ মধ্যাংশ, 'কাচিকায়' অৰ্থাৎ বাদকে ডিঙিত ওলোমাই লোৱা চামৰাৰ জৰীডাল। সাধাৰণতে ৰাভাসমাজৰ লোকনৃত্যত বত্ৰিশ প্ৰকাৰৰ বোল ব্যৱহাৰ কৰা হয়।[৬]

খাৰাব্ৰাংছি হৈছে ৰাভাসকলৰ এবিধ দীঘল নল বাঁহৰ দ্বাৰা তৈয়াৰী বাঁহী বাদ্য। প্ৰায় সাত-আঠ ফুট দীঘল বাঁহ এডাললৈ তাৰ মাজৰ গাঁঠিবোৰ কৌশল পূৰ্ণভাৱে ফুটাই লোৱা হয়। ইয়াৰ এমূৰে ফুঁ দি সুৰ সৃষ্টি কৰি বজোৱা হয়। এই বাঁহীক কাড়ানল বাঁহী হিচাপেও পৰিচিত কৰা হয়।

খাৰাব্ৰাংছিৰ দৰে জাপ খাৰা বাঁহীও এইবধ দীঘল বাঁহী। অৱশ্যে ইয়াক কেইবাটাও বাঁহৰ চুঙা খাপ্ খাপ্‌কৈ জোৰা লগাই সজা হয়।

ম'হৰ শিঙৰ দীঘল ডাঙৰ বাদ্যটোকেই ৰাভাসকলে ছিংগা বাদ্য বুলি অভিহিত কৰে। পৰম্পৰাগতভাৱে তেওঁলোকৰ মাজত ইয়াৰো প্ৰচলন

৬ ৰাভা, মুকুল, লোক সংস্কৃতিৰ সুবাস বিচাৰি, পৃ. ১৫-১৬



আছে।

দুয়োমূৰে গাঁঠি থকা এপাব শকত বাঁহৰ দ্বাৰা বাদুং দুপ্পা বা বাগ্‌ৱাডুং বাদ্যবিধ তৈয়াৰ কৰা হয়। বাঁহ টুকুৰাৰ পৰা তাঁৰৰ দৰে চেঁচু উলিয়াই দুয়ো মূৰে কাঠী ভৰাই সেই চেঁচু দুডালত মাৰিৰে কোবাই এনে বাদ্যবিধ সাজি বজোৱা হয়।

মাঞ্চালেংকা বা মানছেলেংকা হৈছে ৰাভাসকলৰ বিশেষকৈ ফাৰকান্তি অনুষ্ঠানত নৃত্য পৰিৱেশন কৰাৰ কালত ব্যৱহৃত এবিধ নৃত্য সামগ্ৰী। এডাল তিনিফুট মান দীঘল মাৰিত কেইটামান মাছৰোকা চৰাইৰ আকৃতিৰে কাঠৰ পুতলা খুৱাই লোৱা হয়। ইহঁতক সংযোগ কৰা ৰছীৰে নৃত্যৰ ছন্দ আৰু গীত বাদ্যাদিৰ তালে তালে টানি এইবিধ বাদ্য বজোৱা হয়। চৰাইৰ পুতলাকেইটা তল ওপৰ হোৱাৰ সময়ত এক ছন্দযুক্ত শব্দৰ সৃষ্টি হয়। সেইবাবে এই সামগ্ৰী বিধকো বাদ্যযন্ত্ৰৰ শাৰীত পেলাব পাৰি।

বুবুৰেঙা নামৰ বাদ্যটি সুষিৰ শ্ৰেণী ভুক্ত বাদ্য। টাঙা নামৰ এবিধ ঘাঁহৰ দ্বাৰা ইয়াক তৈয়াৰ কৰা হয়। ফুঁ দি পেঁপাৰ দৰে বুবুৰেঙা বজাব পাৰি।

দায়দি বা কাসি নামৰ এবিধ কাঁহ বাদ্যৰ ব্যৱহাৰো ৰাভাসমাজত প্ৰচলিত। তেওঁলোকে সাধাৰণভাৱে সকলো সমাজে ব্যৱহাৰ কৰা কাঁহ বাদ্যকেই দায়দি বা কাসি বুলি অভিহিত কৰে।

এনেধৰণৰ লোকবাদ্যই বৃহৎ অসমীয়া লোক সংস্কৃতিৰ ভঁৰালো নিশ্চয় পুষ্ট কৰাত সহায়ক হৈছে। অৱশ্যে কালৰ বুকুত জাহ যাবলৈ উপক্ৰম হোৱা এনে আপুৰুগীয়া বাদ্য যন্ত্ৰ সম্পদবোৰ সংৰক্ষণ সচেতন ভাৱে দিহা কৰাটো বাঞ্ছনীয়। পৰম্পৰাগত বিভিন্ন আকৰ্ষণীয় উৎসৱ-পাৰ্বন-নৃত্য-গীত আৰু বাদ্যযন্ত্ৰৰ সুৰেৰে মুখৰিত ৰাভা জনজাতিৰ স্বকীয় কলা-কৃষ্টিয়ে অসমৰ সাংস্কৃতিক পথাৰ সোণালী শইচেৰে ওপচাই তুলিছে।[৭]

৭ দুৱৰা, ধৰ্মেশ্বৰ, "ৰাভাসকলৰ লোক সংস্কৃতিত বাদ্যযন্ত্ৰ", আজিৰ অসম, ১ মাৰ্চ, ১৯৯৭

## ১৭.০০ সপ্তদশ অধ্যায়

# ৰাংখল সমাজৰ উৎসৱ-অনুষ্ঠান

উত্তৰ কাছাৰ জিলাৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত বসবাস কৰা ডিমাছা, জেমিনগা, মাৰ, বেইটে, কুকি, ভাইফে, জয়ন্তীয়া আদি জাতি-উপজাতিৰ সৈতে এটা স্বকীয় সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি ৰাংখল জাতিৰ লোকসকলে বসবাস কৰে। বৰ্তমান ত্ৰিপুৰা ৰাজ্যত বসবাস কৰা 'হালাম' জনজাতীয় গোষ্ঠীভুক্ত বহু সংখ্যক ৰাংখল লোক অসমৰ উত্তৰ কাছাৰ জিলালৈ বহু বছৰৰ আগতে আহি নিগাজীকৈ বসতি কৰি আছে।[১]

ওঠৰশ শতিকাৰ শেষ ভাগত 'ৰাংখল' আৰু 'বেইটে' নামৰ মাৰৰ দুটা উপজাতিয়ে কুকিৰ আন দুটা উপজাতি 'চাংচেন' আৰু 'থাড'ৰ হেচাঁত নতুবা স্থান সলনিৰ প্ৰৱণতাৰ কাৰণে কাছাৰৰ সমতল ভূমিয়েদি সোমাই উত্তৰ কাছাৰ পাহাৰত বাস কৰিবলৈ লয় আৰু ইয়াত তেওঁলোক 'প্ৰাচীন কুকি হিচাপে পৰিচিত হয়।[২]

বৰ্তমান ৰাংখল উপজাতিৰ লোকসকল উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ তাংপুই, বুবংকুং, চাপটুক, পাইজা, লস্কৰ, কালিমাবং, টুইকিম, আচিয়েক, ৰবি, বৰৰবি, দলাই জুৰংকা, মিচিখুৰ, ৰেখ, ডিয়ুং, লুংখক আদি গাঁওসমূহত বসতি কৰি আছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি উত্তৰ কাছাৰ পাৰ্বত্য জিলাত ৰাংখলৰ জনসংখ্যা হৈছে ১,১০৭ জন। এইটো মন কৰিবলগীয়া যে এই জাতিৰ ভাষা মাৰ, খেলমা, হালাম, বেইটে আদি জনজাতিৰ ভাষাৰ লগত বহু পৰিমাণে মিল থাকিলেও জাতীয় পৰম্পৰা, আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতিৰ ভিন্নতাই এটা সুকীয়া জাতি হিচাপে প্ৰতিষ্ঠাপিত কৰিছে। পুৱাৰ পৰা গধূলি আৰু দিনৰ পাছত মাহ বাগৰি বছৰেকত ভৰি দিয়ে। গতিশীলতাৰ চক্ৰত ঘূৰি মানৱ জাতিৰ সভ্যতা-সংস্কৃতিৰ পৰম্পৰাও যুগে যুগে ৰূপ সলনি কৰি থাকে। নিত্য নতুন পৰিৱেশৰ কোবাল সোঁতে

[১] Gan Chaudhury, Jagadish, Tripura– The Land Its People, 1980.

[২] Barkataki, S, The Tribes of Assam, Chapter VI P. 8.



ইয়াৰ ধাৰাক ভিন্ন দিশেৰে বোৱাই নিয়ে। নানা জাতি-উপজাতিৰ সংমিশ্ৰণৰ ফলত পৰম্পৰ প্ৰভাৱান্বিতহৈ জাতীয় পৰম্পৰাক অধিক সৌন্দৰ্যশালী কৰাত অহোপুৰুষাৰ্থ কৰে। ই চিৰন্তন।

সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈকে ৰাংখল জাতিৰ লোকসকলে ঘৰুৱা কামবনৰ উপৰি ঝুমতলীত খেতিখোলা কৰি যি উৎপাদন কৰে সিয়েই তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ উৎস। ৰাংখল জনগোষ্ঠী অধ্যুষিত গাঁৱলৈ গ'লে কুকুৰাই ডাক দিয়াৰ পৰৰ পৰাই কামৰ ব্যস্ততাৰ প্ৰমাণ পোৱা যায়। পুৱতি নিশাতেই উঠি ঘৰৰ তিৰোতাসকলে উৰালত ধুম-ধুমকৈ ধান খুন্দে ; দূৰৈৰ নিজৰাৰ পানী পিঠিত কঢ়িয়ায়, ভাত ৰান্ধি সকলোকে খুৱায়। তাৰ পাছত পুৰুষ-তিৰোতা সকলোৱেই ঝুমতলীত কাম কৰিবলৈ ওলাই যায়।

এজাক জিৰ জিৰ বৰষুণ, পাহাৰীয়া জুৰিৰ কুলু কুলু সুৰ আৰু গছলতিকাৰ নতুন কুঁহিপাতে বসন্তৰ আগমণৰ বতৰা বিলাই দিয়াৰ লগে লগে ৰাংখলসকলৰ অন্তৰতো উথলি উঠে বিশ্ব প্ৰকৃতিৰ সেই আৱহমান কালৰ এটি অজানিত পুলক। তেওঁলোকেও প্ৰকৃতিৰ সৈতে একাত্ম হ'বলৈ হাবিয়াস কৰে। সেয়েহে গাৱঁৰ সকলো মিলি এটি আনন্দ উৎসৱৰ আয়োজন কৰে। ইয়েই হৈছে 'পাৰঙত' উৎসৱ। আনহাতে কৃষিজীৱী এই গোষ্ঠীৰ লোকসকলে প্ৰধান খেতি ধান চপোৱাৰ অন্তত অন্য এটি আনন্দ উৎসৱ পালন কৰে। সেয়া হৈছে 'ৰোৱল-চা-ফাক'। নৃত্যগীত আৰু শিল্প চৰ্চাৰ অনুৰাগে তেওঁলোকক সংস্কৃতি সম্পন্ন জাতি হিচাপে পৰিচিত কৰি তুলিছে।[৩]

পাৰঙত উৎসৱ ঃ 'পাৰঙত'ৰ অৰ্থ হৈছে ফুল। বসন্ত কালত পাহাৰৰ হাবি বননিত নানা তৰহৰ বনৰীয়া ফুল ফুলে। ৰাংখল ডেকা-গাভৰুৰ অন্তৰত তাৰ সুবাসে এটি বুজাব নোৱাৰা শিহৰণৰ জোৱাৰ তোলে। প্ৰকৃতিৰ ৰূপ-সৌন্দৰ্যৰ মাজত নিজকে বিলাই দিয়াৰ কামনাৰে তেওঁলোক ব্যাকুলহৈ পৰে। এনে এটি ঋতুৰ মধুৰ পৰিৱেশত তেওঁলোকে পালন কৰে ফুলৰ উৎসৱ 'পাৰঙত'। পুৰণি বছৰ এটিক বিদায়দি অন্য এটি বছৰ আদৰি অনাৰ হেপাহেৰে ৰমক জমক ফুলৰ থোঁপা এজনে আন এজনক উপহাৰ দি

[৩] দুৱৰা, ধৰ্মেশ্বৰ, "সমাজ আৰু সংস্কৃতি ঃ ৰাংখল", আজিৰ অসম, গুৱাহাটী, ১১ আহাৰ, ১৯১০ শক, ২৬ জুন, ১৯৮৮

আগন্তুক বছৰৰ দিনবোৰ উজ্জ্বল হোৱাৰ আন্তৰিকতাৰে কামনা কৰে। 'চালবয়না' 'চেনচই' আদিৰ পৰম্পৰাগত শুৱলা সুৰেৰে প্ৰাকৃতিক বৰ্ণনা আৰু প্ৰণয়ৰ গীত গাই তেওঁলোকে আনন্দ লভে। তেনে এটি প্ৰণয় গীতত ডেকা এজনে প্ৰেয়সীৰ সৈতে ভৱিষ্যত যুৱীয়া জীৱনৰ মাধুৰ্য কামনা কৰি এইদৰে গাইছে—

ৰাংখল ঃ ৰোৱল নো ৰোৱল পা ইৰ দিট হ্লা
মেল মু লই বোৱৌ এঙ ই ন গেই,
মেল ই মু পৌ নেং চং থেঁই লই।
নাং অ'মে মিচুন চাং নৌ ৰ'
কেঁই অ'মে মিজুও চাং নৌ নিং
চেৰ মেই অ' চাং ৰেই কোৰংখা টা।
চিপা হই লং নো চি পা হই,
চেন চিয়েই অ'ই চ'ল ভা লেং নান হই। ইত্যাদি।

সম্পূৰ্ণ গীতটিৰ ভাবাৰ্থ অসমীয়াত এনেকুৱা ঃ

"তোমালৈ চাই থাকিলে মোৰ হাবিয়াস নপলায়। মনৰ মাজত জানো কেনে ভাৱৰ গুঞ্জৰণ। আমাৰ মিলনৰ বান্ধোন ছিঙি তুমি আনক হিয়া বিলাই নিদিবা সোণ। দুখন নৈৰ সুঁতি মিলি এখন বিশাল নৈৰ সৃষ্টি হোৱাৰ দৰে নতুবা ঝুমতলীৰ বহু জুইৰ শিখাৰ মিলন হোৱাৰ দৰে আমাৰো মধুৰ মিলন অনিবাৰ্য। [illegible]বৰ ওখ টিলাৰ কোমল ঘাঁহনিত বহি দুয়ো প্ৰকৃতিৰ ৰূপত বিভোৰহৈ যাম়। আমাৰ মাজৰ মিলনৰ এনাজৰীডাল বৰ টান। মা-দেউতাই নজনাকৈয়ে আমাৰ মিলন হ'লেও, সেই মিলনৰ বাটৰ বগৰিজেং আঁতৰাই মুক্তি লভিম। — তোমাক কি লাগে বাৰু? সেই বনৰীয়া আপুৰুগীয়া পখীটিকো আনি দিম সোণ।"

অৱশ্যে এই উৎসৱ উপলক্ষে তেওঁলোকে কোনো ধৰণৰ নৃত্য পৰিৱেশন নকৰে।

'পাৰঙত' উৎসৱ পালনৰ কোনো নিৰ্দিষ্ট দিনবাৰ নাই যদিও বসন্ত কালৰ শুক্ল পক্ষত শুভ দিনবাৰ স্থিৰ কৰি ইয়াক পালন কৰা হয়। গাঁৱৰ সমূহীয়া সকলো কামত ডেকাসকলৰ সংগঠন 'ৰোল তাংবা'ৰ অৱদান অতি গুৰুত্বপূৰ্ণ। 'ৰোলতাংবা'ৰ সকলো সদস্যই এই উৎসৱৰ সকলো প্ৰকাৰৰ



আয়োজন অতি মিলাপ্ৰীতিৰ বান্ধোনেৰে পৰিকল্পিতভাৱে সম্পাদন কৰে। উৎসৱত খৰছ পাতি কৰিবৰ কাৰণে টকা পইচাৰ সংগ্ৰহৰ ভাৰো তেওঁলোকৰ ওপৰতেই ন্যস্ত।

বসন্ত কালৰ শুক্লপক্ষৰ জোনাক ৰাতি পাৰঙত উৎসৱ উপলক্ষে ৰাংখল গাঁৱত যি আনন্দ উল্লাসৰ পয়োভৰ হয় সি সঁচাকৈ উপভোগ্য। ডেকাসকলে গাভৰুসকলক আৰু গাভৰুসকলেও ডেকাসকলক গীতৰ মাধ্যমেৰে তেওঁলোকৰ মনৰ অলেখ অপ্ৰকাশিত কথাৰ আভাস দিয়ে। এইদৰেই তেওঁলোকৰ মাজত মিলাপ্ৰীতি আৰু বুজা পৰাৰ ভাব জাগৰিত হয়।

'পাৰঙত' উৎসৱ আবেলিৰ পৰা আৰম্ভহৈ পাছদিনা পুৱালৈকে থাকে। সেইদিনা গাঁৱলৈ সোমোৱা মূল পথটোৰ বাদে বাকীবিলাক পথ বন্ধ ৰখা হয়। মূল পথটো চাফ-চিকুণ কৰি সজাই পৰাই তোলা হয়। ডেকাসকলে উৎসৱৰ কাৰণে হাবিৰ পৰা নানা বনৰীয়া ফুল সংগ্ৰহ কৰি আনে। গাঁৱৰ বয়োবৃদ্ধ লোকজনৰ ঘৰহে এই উৎসৱৰ থলী হিচাপে বাছি লোৱা হয়। এই ঘৰখনক 'তুনকোং' বুলি অভিহিত কৰা হয়। বয়োবৃদ্ধ লোকজনক সুসজ্জিত এখন দোলা 'মিৰহিয়েৰ তলাই'ত উঠাই সন্মানেৰে গাঁৱৰ মূৰৰ পৰা মূল পথেদি উৎসৱথলীলৈ কঢ়িয়াই অনা হয়। সেইদৰে সংগৃহীত ফুলবিলাকো অন্য এখন দোলা 'পাৰতলাই'ত ভৰাই তালৈ কঢ়িয়াই অনা হয়। বৃদ্ধলোকজনক ডেকা-গাভৰুসকলে ফুল উপহাৰদি শুভেচ্ছা জনোৱাৰ পাছত তেওঁলোকেও পৰস্পৰক আদৰ সম্ভাষণ জনায়। গোটেই নিশা 'জু' লাওপানী পান কৰি, গীত-মাত গাই ফূৰ্ত্তি কৰি তেওঁলোকে নতুন বছৰক আদৰণি জনায়।

বোৱল-চা-ফাক উৎসৱ ঃ

অতি পৰিশ্ৰমী গঞা ৰাংখলসকলে দৈনন্দিন জীৱনত সকলো আৱশ্যকীয় সা-সঁজুলি, বাঁহ-বেত, কাঠ আদিৰে নিজে ঘৰতেই তৈয়াৰ কৰি লয়। ধানৰ উপৰি বিবিধ শাক-পাচলিৰ খেতিও ঝুমতলীবিলাকত কৰে। ৰাংখল গাভৰু-মহিলাসকলে নিজহাতে কঁকালত বন্ধা তাঁতশাল 'ৰিকল'ত আৱশ্যকীয় কাপোৰ কানি বৈ-কাটি লয়। এৰী পলু পুহি তাৰ সূতা কাটি এৰী চাদৰো বৈ লয়।

ধান দাই চপাই আনি ঘৰলৈ সোমোৱাৰ পাছত তেওঁলোকে বছৰটোলৈ স্বস্তিৰ নিশ্বাস পেলায়। পয়োভৰপূৰ্ণ ৰাংখল গাওঁবোৰত তেতিয়াই আয়োজিত হয় মাঘৰ ভোগালী বিহুৰ দৰে ভোগৰ উৎসৱ "ৰোৱল-চা-ফাক"। গাঁৱৰ বয়োজ্যেষ্ঠলোকজনৰ ঘৰত এই উৎসৱৰ থলী 'তুন্‌কোং' পতা হয়। ডেকা-গাভৰুসকলে সমূহীয়াভাৱে খেতি বাতি কৰি সুকীয়াকৈ উৎপাদন কৰা শস্যৰ পৰা এই উৎসৱৰ খৰছপাতিৰ যোগাৰ কৰা হয়। তিনিদিন ধৰি খোৱা-বোৱা আৰু নৃত্য-গীতৰ আনন্দ উল্লাসেৰে ৰাংখল গাঁওবোৰ উৎসৱমুখৰহৈ পৰে।

কৰ্মময় জীৱনৰ মাজে মাজে সুৰদি সুৰেৰে ঝুমতলীৰ খেতিৰ বৰ্ণনাদি গোৱা গীতৰ উদাহৰণ দিয়া হ'ল।

ৰাংখল ঃ

চুৰন চিন হ্লা (ঝুমতলীৰ গীত)
আথুৱই অ' পেল টে চাত টিয়েং আ,
জুৰ বই অ' লান চেন ডাঙটিয়েং আ।
মাং আ লে হ্লুই চেম কাণ টাকলিম,
লে টিয়েং অ একাই থেম পিয়েল লা।
বৰ মা লে খুৱন এই নো চাং আ,
ৰাম মাং অই পেল টে চল এন থেম।
মিচি বোৰ বৰমা ৰাজা টে,
চাম না লে মুৱল খুৰ ৰাম এন দং। ইত্যাদি।

অসমীয়া ভাবাৰ্থ ঃ

এইয়া সময়, ঝুমতলীৰ হাবি কাটিবলৈ দা-কুঠাৰ যোগাৰ কৰাৰ। সূৰ্যৰ তাপত কটা হাবি শুকাই কনকনীয়া হ'লে জুইকুৰা দপ্ দপ্‌কৈ জ্বলি উঠে। টিঙিৰি তুলাৰে জ্বলোৱা সেই জুই শক্তিৰ আধাৰ। ছাই পৰি সাৰুৱা হোৱা মাটিত শইচৰ বীজ অংকুৰিতহৈ লহপহকৈ গছবোৰ গজে। ডেকা-গাভৰুৱে উদ্যমেৰে কঁপালৰ কেঁচা ঘাম মাটিত পেলাই কাপোৰ-কানি ফাটি গ'লেও কামত অগ্ৰসৰ হোৱাটো অতি প্ৰয়োজনীয়। আমাৰ ধাননিত পাহাৰৰ সিপাৰৰ আঁৰত লুকাই চৰাইজাকে চোন ধানৰ ছেঁই চুৰি কৰি খায়। এইয়াযে সময় ধান চপোৱাৰ। সোণগুটি ধানেৰে ভঁৰাল ভৰিলেহে আমি আয়োজন



কৰিম "ৰোৱল-চা-ফাক" উৎসৱ।

এই উৎসৱৰ সময়ত গাঁও ঘৰ সকলো চাফ-চিকুণ কৰি সজাই-পৰাই তোলা হয়। পুৰুষ-মহিলাসকলোৱেই বিহু উপলক্ষে নতুন সাজপাৰ পিন্ধি উৎসৱত যোগদান কৰে। পুৰুষসকলে পিন্ধে জাতীয় সাজ চুৰিয়া 'ৰাইডিয়েৰ', কামিজ 'চংকল', পাগুৰি 'লোকম', ৱাচকোট 'চংকলতাক' আৰু কাণ ফুটুৱাই পিন্ধে বাঁহৰ কাঠীৰ অলংকাৰ 'কোৰৰকাই'। মহিলাসকলৰ সাজৰ ভিতৰত থাকে— বুকুৰ পৰা কঁকাললৈকে পিন্ধা কাপোৰ 'প'ৱনবম', 'অভম', 'আধুক', ফুলাম কমৰবন্ধ 'কংখিত', এটা কান্ধৰ পৰা কঁকাললৈকে পেলাই পিন্ধা কাপোৰ 'প'ৱন আমনেই', মূৰত বন্ধা কাপোৰ 'অচাই লোকাম' আদি। অলংকাৰৰ ভিতৰত থাকে ডিঙিত ৰূপৰ টকাৰ মালা 'চুমহ্লুই' ৰঙীণ মণিৰ মালা 'ই ৰথেই', কাণত ৰূপৰ কাণফুল 'কৰদৈতেয়া', বাঁহৰ কাণফুল 'নাংঙই' হাতত গামখাৰুৰ দৰে 'জাকচেৰ' খাৰু 'জাকচেৰ খাল' আৰু খোপা বন্ধা চুলি কোচাত পিন্ধা কাঁহ বা পিতলেৰে তৈয়াৰী অলংকাৰ 'চামকিল' আদি।[৪]

উৎসৱ পালনৰ প্ৰথম দিনাখন আৰম্ভণিতে তেওঁলোকৰ পূজাৰী 'অচাই'এ শান্তি সম্প্ৰতি সকলোৰে মাজত বিৰাজ কৰিবৰ কাৰণে গাঁৱলৈ সোমোৱা মূল পথৰ সন্মুখত এভাগ পূজা তেওঁলোকৰ 'চতন' দেৱতাৰ উদ্দেশ্যে আগবঢ়ায়। আগলি কলপাতত অলপ কপাহ আৰু চাউললৈ তাত কণী বলি দি দেৱতাৰ উদ্দেশ্যে নৈবেদ্য নিবেদন কৰে। ভোজভাত খোৱাৰ আগতেও অচায়ে তেওঁলোকৰ 'খচই' দেৱতাৰ উদ্দেশ্যে কলপাতত ভাত-আঞ্জা সজাই উৎসৰ্গ কৰে যাতে খোৱা-বোৱাৰ পাছত কাৰো একো অপায়-অমংগল হ'ব নোৱাৰে।[৫]

যি ঘৰ মানুহৰ চোতালত বিহু পতা হয় তেওঁৰ খেতি-বাতি আদিত সেই বছৰ গাঁৱৰ ডেকাসকলে এদিন স্বেচ্ছামূলকভাৱে কাম কৰি সহায় কৰি দিয়ে। এই উৎসৱত ডেকা-গাভৰুসকলে উলাহত অধীৰহৈ গীত আৰু

[৪] (——) "ৰাংখলসকলৰ উৎসৱ-পাৰ্বন, নৃত্য-গীত আৰু বাদ্যযন্ত্ৰ", দৈনিক জনমভূমি, যোৰহাট, ৩০ চ'ত, ১৯১৬ শক, ১৪ এপ্ৰিল, ১৯৯৫

[৫] —', "ৰাংখল জাতিৰ উৎসৱ", প্ৰান্তিক, ২য় বছৰ ১৮ সংখ্যা, গুৱাহাটী, ১৬ আগষ্ট, ১৯৮৩

[৬] Duarah, Dharmeswar, "The Folk Festivals of the Hrangkhals of the N.C. Hills",

পৰম্পৰাগত বাদ্যযন্ত্ৰ 'ডাৰ', 'চেৰাগুা', 'ৰচেম থেইলেৰ' আদিৰ সুৰে সুৰে নাচে চক্‌চল্‌লাম', 'ডাৰলাম', 'দেনকিনি' আৰু 'ৰোচেমলাম' নাচ। আনহাতে তেওঁলোকৰ গোষ্ঠীৰ মুখিয়াল 'কালিম', 'চপিয়া', 'কাবোৰ' আৰু 'পাৰহুইলাক' সকলক সন্মান প্ৰদৰ্শন নতুবা কোনো বিশিষ্টলোকক আদৰণি জনোৱাৰ কাৰণে 'ভাইলাম' নৃত্য পৰিৱেশন কৰা হয়। উৎসৱৰ শেষৰ দিনা তেওঁলোকে গাঁৱৰ সকলোৰে ঘৰত হুচৰি গোৱাৰ দৰে নৃত্য-গীত পৰিৱেশন কৰি আনন্দ উপভোগ কৰে আৰু গৃহস্থয়ো তেওঁলোকলৈ যথাসাধ্য দান বৰঙণি আগবঢ়ায়।[৮]

[৮] News Star. Vol IV No 80, Guwahati, 21st April, 1985.

## ১৮.০০ অষ্টাদশ অধ্যায়

# ৰেংমা নগাৰ উৎসৱ - অনুষ্ঠান

ভৌগোলিকভাৱে বৰ্তমান নগালেণ্ড অসমৰ পৰা পৃথক হ'লেও বুৰঞ্জীয়ে পৰশা দিনৰেপৰা বৰ অসমৰ জনজাতি হিচাপে নগাসকলৰ বিভিন্ন জনগোষ্ঠীয়ে বৃহৎ অসমীয়া সংস্কৃতিলৈ যথেষ্ট অৱিহণা আগবঢ়াই আহিছে। নগালেণ্ডৰ পাহাৰী জনজাতিসকলৰ মাজত ৰেংমা জনজাতিৰ ভূমিকা উল্লেখনীয়।

অসমৰ কাৰ্বিআংলং জিলাৰ বোকাজান মহকুমাৰ অন্তৰ্গত উত্তৰে চকিহোলা আৰু দক্ষিণে বৰপথাৰ অঞ্চলৰ মাজৰ নগা ৰেংমা মৌজাৰ অন্তৰ্গত বাৰখনতকৈ অধিক গাঁও পাতি ৰেংমা নগা জনজাতীয় লোকসকলে বসবাস কৰি আছে।

কাৰ্বি আংলঙত বসবাস কৰা ৰেংমা নগাসকলৰ উপৰিপুৰুষসকল অতীজতে নগালেণ্ডৰ বাসিন্দা আছিল। তিনিভাগত অঞ্চলভেদে বিভক্ত কৰিব পৰা ৰেংমা নগা সকলৰ দক্ষিণ-পশ্চিমৰ শাখাটোৰ পৰা এটা ঠাল কাৰ্বিআংলঙলৈ আগমন হয়। সেইবাবে তেওঁলোকৰ ভাষা সংস্কৃতিৰ মিল আছে। বাকী উত্তৰ পশ্চিম আৰু পূব অঞ্চলৰ ৰেংমাৰ লগত কিছু বৈসাদৃশ্য পৰিলক্ষিত হয়।[১]

কাৰ্বিআংলঙ জিলাত বসবাস কৰা সকলো ৰেংমালোকেই বৰ্ত্তমান খ্ৰীষ্টান ধৰ্মাৱলম্বী। খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ আগতে তেওঁলোক জড়োপাসক আছিল। সেইসময়ত তেওঁলোকে জন্ম, মৃত্যু, বিবাহ, কৃষি কৰ্ম, ঘৰুৱা আৰু সামাজিক সকলো ধৰণৰ কৰ্মৰ ক্ষেত্ৰত নিৰ্দিষ্ট দেৱ-দেৱীক জীৱজন্তু উৎসৰ্গ কৰি পূজা কৰিছিল। তেওঁলোকৰ মুখ্য দেৱতা আছিল 'টেৰুনিউ' (Terunyu)। এই গৰাকী দেৱতাক বছৰেকীয়াকৈ গাহৰি, শিয়াল, গৰু উৎসৰ্গ কৰি পূজা উৎসৱ পাতি গাঁওবাসীৰ সৰ্বতোপ্ৰকাৰ

[১] Milis, J.P., The Rengma Nagas, P.2

মংগল কামনা কৰা হৈছিল। এই দেৱতাৰ উপৰি ঘৰুৱাকৈ সম্পদৰ অধিকাৰী দেৱ-দেৱী 'নিচাগয়ু' (Nichagyu) আৰু 'নিচাগই' (Nichagyi) ক উৎসৱ মুখৰ পৰিৱেশেৰে বছৰুত তিনিবাৰকৈ পূজা ভাগ আগবঢ়ায়। যোল দিনকৈ 'গেনা' পালন কৰি এই পূজা পালিত হোৱাত যথেষ্ট নিয়ম-নীতিৰে গাঁওবাসী চলিব লাগে।[২] 'গেনা'ৰ সময়ত গেনা ধৰা লোকে কাম কাজ কৰাৰ পৰা বিৰত থাকিব লাগে আৰু গাঁৱৰ চাৰিসীমা চেৰাই বাহিৰলৈ যাব নালাগে। এই সময়ত তেওঁলোক সংযমী আৰু ধৈৰ্য্যশীল হোৱা প্ৰয়োজন। পূজা-পাতল আৰু অন্যান্য ধৰ্মানুষ্ঠানৰ বেলিকা ৰেংমাসকলৰ কোনো নিৰ্দিষ্ট পূজাৰী নাথাকে। এই সমূহ পালনৰ বাবে সমাজৰ বয়োজ্যেষ্ঠলোক আগবাঢ়ি আহি পৱিত্ৰ অনুষ্ঠান পৰিচালিত কৰে।

ৰেংমা নগাৰ নাৰীসকল বোৱা-কটাত পাকৈত আৰু খেতি-বাতিৰ ক্ষেত্ৰতো পুৰুষসকলক সহায় কৰি দিয়ে। জীৱজন্তু পোহপাল আৰু ধানখেতিকে ধৰি বাগিচা শস্যও যথেষ্ট পৰিমাণে উৎপাদন কৰি আৰ্থিক দিশ উন্নত কৰিবলৈ দেহেকেহে খাটে। কৰ্মঠ জীৱন যাপন কৰা ৰেংমা নগাসকলৰ গাঁওবোৰ শান্তি-সম্প্ৰীতিৰ বিৰাজ ভূমি। প্ৰকৃতিৰ কোলাত লালিত-পালিত এনে সমাজত নৃত্য-গীত বাদ্যৰো চৰ্চা হৈ থাকে।

তেওঁলোকৰ ডেকাচাঙক 'ৰেণ্চি' বোলা হয়। বুজন হোৱাৰ পাছতেই ল'ৰাবোৰ ঘৰৰ পৰা ওলাই আহি ৰাতিটোহঁত 'ৰেণ্চি'ত শুৱেহি। ইয়াতে বয়োজ্যেষ্ঠসকলে কণিষ্ঠসকলক বাঁহ-বেতৰ কাম, খেতিৰ সঁজুলি নিৰ্মাণ, যুদ্ধৰ কৌশল জ্ঞান, নৃত্য-গীত-বাদ্যৰ শিক্ষা প্ৰদান কৰে। সমাজ-সাংস্কৃতিক সকলো দিশতে সিংহ অংশ গ্ৰহণ কৰা এই 'ৰেণ্চি'ৰ ভূমিকা ৰেংমা সমাজত অতিশয় গুৰুত্বপূৰ্ণ। বছৰৰ বিভিন্ন সময়ত পালন কৰা বিভিন্ন উৎসৱ-পাৰ্বনৰ সময়তো 'ৰেণ্চি'ৰ সদস্য ডেকাসকলে সকলো কৰ্তব্য পালন কৰে।

ৰেংমানগা সকলৰ সমাজত বিশেষকৈ কৃষিভিত্তিক উৎসৱবোৰেই মুখ্য ভূমিকা গ্ৰহণ কৰে। পাহাৰীয়া অঞ্চলত ঝুমখেতি কৰাৰ বাবে হাবিবন কটা, জ্বলোৱা, গুটি সিঁচা, চপোৱা আৰু মৰণা মাৰি ভঁৰালত থোৱা আদি বছৰটোৰ কেউটা মাহেই তেওঁলোক ব্যস্তহৈ থাকে। কৃষি কৰ্মৰ স্তৰে স্তৰে

২ Bordoloi, B.N. and Sharma Thakur, G.C., Tribes of Assam, Part II, Tribal Research Institute, Assam, P. 69-70



পৃথক পৃথক উদ্দেশ্যেৰে ৰেংমাসকলৰ কৃষি উৎসৱ সমূহ পালিত হয়। তেওঁলোকে পালন কৰা উৎসৱ সমূহ হ'ল (১) 'পি-পে', (২) 'লটচুং-গা', (৩) 'খং কেপাং কেনুও' আৰু (৪) 'ন্যাদা'।

**(১) পি-পে উৎসৱ ঃ** ঝুমতলীৰ হাবি-বন কটাৰ আগতে ৰেংমা নগাসকলে 'পি-পে' উৎসৱ পালন কৰে। জানুৱাৰী 'থুই' মাহৰ আগভাগতে এই উৎসৱ পালন কৰা হয়। আগন্তুক নৱবৰ্ষত যাতে কাৰো অপায়-অমংগল নহয়, সুখ-সমৃদ্ধি যাতে বিৰাজ কৰে, সকলোৰে মাজত যাতে সদভাৱ প্ৰীতি বৰ্তি থাকে তাকেই কামনা কৰি পি-পে উৎসৱ উপলক্ষে বিভিন্ন আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতি পালন কৰা হয়। এই উৎসৱ তিনিদিনীয়া। এই কেউটা দিনতেই ঘৰ ঘৰোৱাহীয়ে নৈ-জান-জুৰি আদিত গা-পা ধুই চাফ-চিকুণকৈ থাকিব লাগে। ঘৰ-দুৱাৰ সাৰি-পুচি পৱিত্ৰ কৰি ৰাখিব লাগে। তদুপৰি বিবাহিত পুৰুষ মহিলাই এই কেইদিন সহবাস কৰা নিষিদ্ধ। খোৱা বোৱা আৰু আনন্দ-উপভোগ কৰা এই উৎসৱৰ অন্যতম আকৰ্ষণ। 'পি-পে' উৎসৱ পালন কৰাৰ অন্তত গাওঁবাসীয়ে নতুন ঝুমতলী উলিয়াবলৈ হাবি-বন কটাৰ সুযোগ লাভ কৰে।

**(২) লটচুংগা উৎসৱ ঃ** ঝুমতলীৰ হাবি বন ইতিমধ্যে কাটি শুকাবলৈ দিয়া হয়। মাৰ্চ 'কেৰ'' মাহৰ মধ্যভাগত শুকাই থকা গছ-গছনিবোৰত জুই লগাই পোৱা হয়। গধূলি সময়ত এই জুই দূৰৈৰ পৰা চালে একোডাল মালাৰ দৰেহে অনুভূত হয়। যদিও গছ-গছনি ধ্বংস কৰাৰ পৰা বিৰত থাকিবলৈ পাহাৰী জনজাতিক বিভিন্ন প্ৰকাৰে সজাগতাৰ সৃষ্টি কৰা হৈছে তথাপি পৰম্পৰা ৰক্ষা কৰি ঝুম পদ্ধতিৰে বৰ্তমানেও তেওঁলোকে কৃষি কৰ্মত নিয়োজিত হয়। বিশেষকৈ উদ্যান শস্যৰ প্ৰতি আগ্ৰহী কৰি স্থায়ী কৃষি কৰ্মত মনোনিৱেশ কৰিলে এনে বিধ্বংসী ঝুমখেতি নিশ্চয় লাহে লাহে তেওঁলোকে পৰিত্যাগ কৰিব।

লট চুং গা উৎসৱ পালন কৰিবলৈ পাঁচদিনকৈ গেনা পালন কৰিব লাগে। গাঁৱৰ ৰাইজে এই গেনাৰ কেইদিন কামবনৰ পৰা বিৰত থাকে আৰু গাঁৱৰ বাহিৰলৈ ওলাই নাযায়। প্ৰতিঘৰ লোকেই কৃষিৰ অধিষ্ঠাত্ৰী দেৱীৰ সন্তুষ্টিৰ বাবে লাউপানী উৎসৰ্গ কৰে। কৃষিৰ অধিষ্ঠাত্ৰী দেৱী সন্তুষ্ট হ'লেহে নতুন বছৰৰ কৃষি উৎপাদন বৃদ্ধি হ'ব বুলি তেওঁলোকে বিশ্বাস কৰে।

পঞ্চম দিনৰ পাছত গাঁওবাসীয়ে ঝুমতলীত থকা আধাপোৰা গছবোৰ আঁতৰাই গুটি সিঁচাৰ বাবে তলীখন উপযোগী কৰি তোলে। গছ-গছনি জ্বলোৱা ছাইবোৰ ৰসায়নিক সাৰলৈ ৰূপান্তৰিত হয়। জুইৰ প্ৰতাপত পোক-পৰুৱাও ধ্বংস হয়। বতৰ অনুকূল হ'লে ঝুমতলীত ধান গোমধানৰ লগতে বিবিধ শাক-পাচলিৰ খেতিও যথেষ্ট উৎকৃষ্ট হয়। অৱশ্যে একেডোখৰ ভূমিতে কৃষি কৰ্ম কৰি থাকিবলগীয়া হোৱাত ভূমিৰ উৰ্বৰা শক্তি ক্ৰমান্বয়ে কমি আহে আৰু উৎপাদনো কমি যায়। গতিকে স্থায়ী বাগিচা শস্যৰ খেতি কৰিলেহে লোকসকল ভৱিষ্যতে উপকৃত হ'ব। উৎসৱ উপলক্ষে ভোজভাত খোৱা আৰু আনন্দ উপভোগ কৰাও হয়।

**(৩) খং কেপাং কেনুও উৎসৱ ঃ** লখিমী আদৰা উৎসৱ হিচাপে ৰেংমা নগাসকলে 'খং কেপাং কেনও' উৎসৱৰ আয়োজন কৰে। পথাৰত ধান পকে। সোণালী বৰণ ধৰে। ৰাইজৰ মনতো উল্লাহে ওপচি পৰে। উৎসৱমুখৰ পৰিৱেশেৰে ৰেংমা গাঁওবোৰো উথলি উঠে।

অসমৰ অন্যান্য জাতিয়ে সভক্তিৰে প্ৰথম ধানমুঠি 'লখিমী আদৰা' বা 'লখিমী অনা' অনুষ্ঠানেৰে আনি ভঁৰালত থয়। আনহাতে এগৰাকী বৃদ্ধা মহিলাই পোন প্ৰথমে পকিবলৈ ধৰা ধাননিলৈ গৈ কৃষিৰ অধিষ্ঠাত্ৰী দেৱীৰ উদ্দেশ্যে খাদ্য সামগ্ৰী আৰু লাউপানী উৎসৰ্গ কৰে।[৩] তাৰপাছত তেওঁ কেইগছিমান ধান দাই হোৱাত ভৰাই গাঁওমুখী হয়। সেই ধানৰ চাউল খুন্দি ৰান্ধি-বাঢ়ি ৰাতি তেওঁ ভক্ষণ কৰে। সেইদিনাৰ পাছৰ পৰাই গাঁওবাসীয়ে তেওঁলোকৰ নিজৰ নিজৰ কৃষিভূমিৰ পৰা ধান দাই ঘৰলৈ অনাৰ সুযোগ গ্ৰহণ কৰে। এই নীতি-নিয়ম পালন নকৰাকৈ কোনেও পকাধান দাই ঘৰলৈ আনিব নোৱাৰে।

**(৪) ন্যাদা উৎসৱ ঃ** কৃষি চপোৱা আৰু বছৰৰ শেষ উৎসৱ হিচাপে ৰেংমা নগাসকলে ন্যাদা উৎসৱ পালন কৰে। অতিশয় কটকটীয়া বান্ধোন আৰু ৰীতি-নীতিৰে পালিত এই উৎসৱ আঠ দিনলৈ পালিত হয়। অসমীয়া ৰঙালী বিহুক সাতদিনলৈ পালন কৰি প্ৰতিটো দিনকে চ'তবিহু, ৰাতিবিহু, গৰুবিহু, মানুহ বিহু, চেনেহী বিহু, কুটুম বিহু, চেৰা বিহু আদি নামকৰণ কৰি পৃথক পৃথক অনুষ্ঠান পালন কৰাৰ দৰে ৰেংমা নগাসকলেও ন্যাদা উৎসৱৰ

[৩] I bid, P. 72-73



আঠোটা দিনক বিভিন্ন আচাৰ-অনুষ্ঠানেৰে পালন কৰে।

প্ৰথম দিনাখন লাউপানী প্ৰস্তুত কৰা হয়। দ্বিতীয় দিনাখন পৰিয়ালৰ লোকসকলে ইতিমধ্যে মৃত্যুবৰণ কৰা সকলৰ কবৰবোৰ চাফ-চিকুণ কৰে আৰু মেৰামতি কৰে। উৎসৱৰ সময়ত মৃত উপৰিপুৰুষসকলক সুঁৱৰি তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰে। আনহাতে সেইসকলৰ আত্মাই যাতে আশীৰ্বাদ প্ৰদান কৰে তাৰ বাবেও প্ৰাৰ্থনা জনোৱা হয়। তৃতীয় দিনাখন পৰিয়ালৰ মহিলাসকলে মৰিশালিলৈ গৈ উপৰি পুৰুষক সুঁৱৰি তেওঁলোকৰ উদ্দেশ লাউপানী উৎসৰ্গ কৰে। এনেদৰে উৎসৰ্গ কৰাৰ পাছতহে উৎসৱ উপলক্ষে তৈয়াৰ কৰা লাউপানী ৰাইজে সেৱন কৰে। চতুৰ্থ দিনাখন ডেকা-গাভৰুসকলে মিলি মৃত উপৰিপুৰুষৰ সোঁৱৰণীত নৃত্য-গীতৰ আয়োজন কৰে। তেওঁলোকৰ আত্মাৰ সদ্‌গতি কামনা কৰি নৃত্য-গীতেৰে গাঁওখন ৰজনজনাই তোলে। উপৰিপুৰুষৰ আত্মাই সন্তুষ্টি লাভ কৰিলে গাঁওবাসীক আশীৰ্বাদ জনায় বুলি তেওঁলোকে বিশ্বাস কৰে। পঞ্চম দিনাখন ডেকা-গাভৰুসকলে উৎসৱৰ শেষৰ দিনা ভোজ ভাত খাবৰ বাবে ঘৰে ঘৰে খাদ্য সামগ্ৰী সংগ্ৰহ কৰি ফুৰে। হাঁহি-ধেমালিৰে এনে সমূহীয়া কাম-কাজত ব্যস্তহে তেওঁলোকৰ মাজত মিলা-প্ৰীতিৰ ভাৱ জগাই তোলে। ষষ্ঠ দিনাখন উৎসৱ উপলক্ষে প্ৰস্তুত কৰা লাউপানী গাঁওবাসীৰ সকলোৱে সেৱন কৰি আনন্দ-উপভোগ কৰে। সপ্তম দিনাখন গাঁওবাসীৰ পুৰুষসকল ঘৰ চোৱা খেৰ সংগ্ৰহ কৰিবলৈ পুৰণি ঝুমতলীলৈ যায়। ছন পৰা ঝুমতলীত গজি উঠা উলু, বৰতা, হৰণ খেৰ কাটি আনি নিজৰ নিজৰ ঘৰবোৰ ছাৱনি দিবলৈ আৰম্ভণি কাৰ্য সম্পাদন কৰে। প্ৰত্যেক দিনাৰে নিৰ্দিষ্ট কৰ্মেৰে 'ন্যাদা' উৎসৱ পালন কৰি আহি শেষৰ উপভোগৰ দিনত আহি উপনীত হয়। অষ্টম অৰ্থাৎ শেষৰ দিনা 'ৰেণ্‌চি' অৰ্থাৎ ডেকাচাঙৰ সদস্য ডেকাসকলে সমূহীয়া ভোজভাতৰ আয়োজন কৰি গাঁওবাসীক আপ্যায়িত কৰে। অতি উলহ-মালহেৰে পালিত এই উৎসৱত ডেকা-গাভৰুসকলে নৃত্যগীতৰো আয়োজন কৰি আনন্দ উপভোগ কৰে। চাই থাকোতেই উৎসৱৰ দিনবোৰ পাৰহৈ যায় আৰু পৰৱৰ্তি বৰ্ষত পুনৰ আনন্দৰ জোৱাৰ তুলিবলৈ অপেক্ষা কৰে।[৪]

[৪] দুৱৰা, ধৰ্মেশ্বৰ, " উৎসৱৰ আনন্দৰ মাজেৰে ৰেংমা নগাৰ দিন" (আজিৰ অসম, ২ নবেম্বৰ, ২০০৩)

## ১৯.০০ উনবিংশ অধ্যায়

# সোণোৱাল সমাজৰ উৎসৱ-অনুষ্ঠান

সোণোৱাল কছাৰীসকল বৃহৎ বড়ো জনগোষ্ঠীৰ এটা অন্যতম সম্প্ৰদায়। অসমৰ বিশেষকৈ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, লক্ষীমপুৰ জিলাৰ স্থান বিশেষত এই জনগোষ্ঠীৰ লোকসকলে বৰ্তমান বসবাস কৰি আছে। তদুপৰি অৰুণাচল প্ৰদেশতো তেওঁলোকৰ লোকৰ বসতি আছে। মংগোলীয় অথবা তিৰ্বৃত-বৰ্মা জাতিৰ অন্তৰ্ভুক্ত লোক হিচাপে তেওঁলোকৰ শাৰীৰিক গঠন আন আন মংগোলীয় লোকৰ লগত সাদৃশ্য থকা।

১৯৬১ চনৰ লোকপিয়ল অনুসৰি সোণোৱাল কছাৰীসকলৰ জনসংখ্যা সৰ্বমুঠ ২,৩৬,৯৩৭ জন আছিল। আকৌ ১৯৭১ চনৰ লোকপিয়ল মতে সেই সংখ্যা ১,৯৮,৬১৯ জন হয়। আনহাতে ১৯৮৭ চনৰ মাৰ্চ মাহৰ প্ৰকল্প মতে জনসংখ্যা হয়গৈ ৩,১৮,৭১৭ জন।

সোণোৱাল জনগোষ্ঠীৰ আদি বাসস্থান ক'ত আৰু কেতিয়া আছিল সেই বিষয়ে ধাৰাবাহিক বুৰঞ্জী পোৱা নাযায় যদিও তেওঁলোকৰ মাজত প্ৰচলিত বিভিন্ন কিংবদন্তিৰ পৰাহে তাক ঠাৱৰ কৰা হয়। তেওঁলোকৰ ধৰ্মীয় আৰু জাতি উৎপত্তি গীত 'হাইদাংগীত'ৰ মতে এজনী চৰায়ে নটা কণী পাৰে আৰু তাৰে তিনিটা ঘোলা কণীৰ পৰা তিনিগৰাকী দেৱতা যথাক্ৰমে খিৰিং ৰাজা, গজাই আৰু মনাই অৰ্থাৎ মহেশ্বৰ, ব্ৰহ্মা আৰু বিষ্ণুৰ জন্ম হয়। বাকী ছটা কণীৰ পৰা অলেখ দেৱ-দেৱী, মানুহ, উৰণ-বুৰণ-গজন-ভ্ৰমণ আদি চাৰি মুঠি জীৱৰ জন্ম হয়। পৰম্পৰাগত লোকবিশ্বাস অনুসৰি খিৰিং ৰাজা অৰ্থাৎ বাথৌ বা মহাদেৱেই সোণোৱাল সমাজৰ সৃষ্টি-কৃষ্টিৰ আধাৰ স্বৰূপ মূল আৰাধ্য দেৱতা।

বুৰঞ্জীৰ দৃষ্টিকোণৰ পৰা জনশ্ৰুতি অনুসৰি দানবীৰ বলিৰ বৰপুত্ৰ বাণ ৰজাৰ নাতিয়েক চাৰিগৰাকী হ'ল গাৰো, ডিমাছা, ভালুকবীৰ আৰু হুগ্ৰা। এই কেইগৰাকী লোকে অঞ্চল ভেদে বসবাস কৰি বংশ বৃদ্ধি কৰে। সেই অনুসৰি গাৰৰ পৰা গাৰো, ডিমাছাৰ পৰা ডিমাছা, ভালুকবীৰৰ পৰা



বালিপাৰাৰ অঁকা আৰু হুগ্ৰাৰ পৰা হালালী ৰাজ্য আৰু জনগোষ্ঠীৰ উৎপত্তিৰ কথা পোৱা যায়। শদিঁয়া অঞ্চলৰ দিহং, দিবং, শদিয়া-কুণ্ডিল ভূখণ্ডৰ অন্তৰ্গত হালালী ৰাজ্যত হুগ্ৰাল বংশ বিস্তাৰিত হয়।

আহোমৰ ৰাজত্ব কালত প্ৰায় ১৭৫০ খ্ৰীষ্টাব্দৰ পূৰ্বে শদিয়াখোৱা গোহাঁইৰ অনুপ্ৰেৰণাত চিংফৌ ৰ্‌নীৰ ডেকা 'লথৰা'ই সোণোৱালসকলৰ ওপৰত সঘনাই চলাই থকা অত্যাচাৰৰ বাবে তেওঁলোক শদিয়াৰ পৰা দক্ষিণলৈ আঁতৰি আহিবলগীয়া হয়। সেই কাহিনী প্ৰবাদটো পোৱা যায় এনেদৰে— "নালে শুৱনি / ফাঁকে দা / দহ শইকীয়া / তাৰ মাজত শদিয়া খোৱা, / শদিয়া খোৱা নাৰকী / নৰকত পৰিলে / লথৰাক লগাই / ভঙালে দেশ।"

কছাৰী বুৰঞ্জী অনুসৰি শদিয়াৰ এটা কছাৰী ৰাজফৈদে পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙৰ দক্ষিণ পাৰ আৰু দক্ষিণে দিলিহৰ কেন্দুগুৰিৰ মাজৰ ভূখণ্ডত ৰাজত্ব কৰিছিল। প্ৰায় একাদশ দ্বাদশ শতিকাত মাণিক নামৰ এগৰাকী ৰজাই সেই ভূখণ্ডত ৰাজত্ব কৰিছিল। এইজন কছাৰী ৰজাৰ পিছৰ যুগৰ বিচাৰপতি ফাই মহঙলৈকে ৰাজত্ব কৰিছিল। আহোমৰ স্বৰ্গদেউ চুকাফা অসমলৈ ১২২৮-২৯ খ্ৰীষ্টাব্দত আহোঁতে ৰজা বিচাৰ পতিফাক মহঙৰ পৰা আঁতৰাই পঠায়। বিচাৰ পতিফাৰ পুতেক বিক্ৰমাদিত্যই শেষত নামচাং বৰহাটক সীমা কৰি ৰাজ্য পাতিলে। ৰজা মাণিকেই কছাৰীৰ শদিয়ালৰ প্ৰথম ৰজা।[১]

সোণোৱাল নামৰ উৎপত্তি সোণৰ পৰাই হৈছে। আহোমৰ ৰাজত্ব কালত কছাৰী আৰু চুতীয়া সকলক 'সোণোৱাল' আৰু 'ৰূপোৱাল' বুলি পাইক হিচাপে নিযুক্ত কৰা হৈছিল। ব্যৱসায় অনুসৰি সোণ কমোৱা সকলক 'সোণোৱাল' ৰূপ কমোৱা সকলক 'ৰূপোৱাল', লো কমোৱা সকলক 'তিৰুৱাল' আৰু দীঘল চোলা বা ঠেঙা পিন্ধা আৰু চিলোৱাসকলক 'ঠেঙাল' কছাৰী হিচাপে অভিহিত কৰা হৈছিল। কালক্ৰমত তেওঁলোকেই কছাৰীৰ বিভিন্ন সম্প্ৰদায়ত বিভক্ত হ'ল।

আন এটা সূত্ৰ অনুসৰি গদাপাণি কোঁৱৰে শাস্তি বিহাৰ ভয়ত আউনি আটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱ গোঁসাইয়ে কিছু সংখ্যক ভকত সহিতে

---

[১] গগৈ, লীলা, "মাধৱ কন্দলি আৰু মহামাণিক্য কৰ" অসম সাহিত্য সভা পত্ৰিকা, বিংশ বছৰ, তৃতীয় সংখ্যা।

শদিয়াৰ কুণ্ডিলৰ হাবিত লুকাই ফুৰিছিল। এই গৰাকী গোঁসাইৰ অসীম ঐশ্বৰিক শক্তি থকাৰ কথা সোণোৱালসকলৰ মাজত প্ৰচাৰিত হৈছিল। সেই সময়ত তেওঁলোকে একোতোলাকৈ মান হিচাপে আগবঢ়াই কেশৱদেৱ গোঁসাইৰ ওচৰত শৰণ ল'লে। এনেদৰে সোণ আগবঢ়োৱা সকল সোণোৱাল আৰু ৰূপ আগবঢ়োৱাসকল ৰূপোৱাল অৰ্থাৎ ঠেঙাল হিচাপে খ্যাত হয়। সেই অঞ্চলৰ সৰহ সংখ্যক সোণোৱালেই তেওঁৰ ওচৰত শৰণ আৰু ভজন গ্ৰহণ কৰি বৈষ্ণৱ ধৰ্ম্মমুখী হয়। যি অঞ্চলত তেওঁলোকে গোঁসাইৰ আগত আঁঠু লৈছিল সেই অঞ্চলক আঁঠুকঢ়া মাজুলী বা চাপৰি বোলা হৈছিল কিন্তু বৰ্ত্তমান ব্ৰহ্মপুত্ৰ নৈৰ বুকুত ঠাইডোখৰ লীন হৈ গ'ল। আকৌ প্ৰবাদ মতে সেই ঠাইৰ গছ-গছনিও আঁঠু কাঢ়িয়েই ডাঙৰ-দীঘল হোৱাৰ কথা অনুসৰি ঠাই ডোখৰ আঁঠুকঢ়া মাজুলী বা চাপৰি নামেৰে বিখ্যাত হৈ পৰিছিল। আনহাতে সোণোৱালসকলে সেই অঞ্চলত গোঁসাইৰ শৰণলৈ হিন্দুত্ব গ্ৰহণ কৰাৰ সাক্ষী স্বৰূপে ঐতিহাসিক শদিয়াৰ বৈৰাগী মঠ বিদ্যমান।

সোণোৱালসকলৰ মাজত মূল সাতটা খেল, চৈধ্যটা বংশৰ উপৰি অলেখ সঁচ বা পৰিয়াল, গোট আৰু আহোমৰ দ্বাৰা প্ৰদত্ত কিছুমান খেল বিস্তৃতভাৱে আজিও বৰ্ত্তি আছে। এনে খেল, বংশ, পৰিয়াল আদিৰ উৎপত্তিৰ বেলিকাও কিছুমান উল্লেখনীয় কাহিনী জড়িতহৈ আছে।

এসময়ত এই সোণোৱাল জনগোষ্ঠীৰ নিজস্ব ভাষা আছিল যদিও বৰ্ত্তমান অসমীয়া ভাষাকেই সম্পূৰ্ণৰূপে নিজা ভাষা ৰূপে গ্ৰহণ কৰিছে। অসমৰ অন্যান্য জাতিৰ লোকৰ দৰে সোণোৱালসকলৰ সকলো ধৰণৰ সমাজ-সংস্কৃতি আৰু অৰ্থনৈতিক জীৱনৰ পৰিৱৰ্ত্তন ঘটিছে আৰু আনসকলৰ সৈতে সমন্বয়ৰ সৃষ্টি হৈছে। তেওঁলোকে আউনি-আটী সত্ৰৰ শিষ্যৰূপে ধৰ্মাচৰণ কৰাৰ উপৰি পৰম্পৰাগতভাৱে পালন কৰি অহা কিৰাত ধৰ্মানুষ্ঠানকো সমান্তৰালভাৱে প্ৰচলন কৰি আছে। এনেদৰে বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিলেও শাক্ত-ধৰ্মৰো আচৰণ বিধি মানি অহাটো লক্ষ্যণীয়। "শদিয়াৰ চাৰিশাল গোঁসানী, দক্ষিণৰ চৈখোৱা, চলাৰ কেঁচাইখাঁতী বৰ বাথৌ মন্দিৰ, গজাই শাল বা থান আদিয়েই ইয়াৰ নিদৰ্শন ৰাখি থৈছে। তাৰোপৰি স্থান আৰু সমাজ বিশেষে পৰিয়াল আৰু সমাজ অনুসৰি সৰগদেউ (ইন্দ্ৰ পূজা) ; ঘৰে ঘৰে বিভিন্ন পূজা পাতল, উৎসৱ-অনুষ্ঠানত



বলি বিধানো আছে।"[১] এনেদৰে তাত্বিক দৃষ্টিকোণৰ পৰা সম্পূৰ্ণৰূপে বৈপৰীত্য থকা শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ যোগেদি সোণোৱাল সমাজে দ্বিধাহীন ভাৱে ধৰ্মানোষ্ঠানৰ আয়োজন কৰে। এই ধৰণৰ ধৰ্মীয় আচৰণ অতিশয় তাৎপৰ্যপূৰ্ণ।

ৰঙালী বিহু উৎসৱ ঃ অসমৰ অন্যান্য লোকগোষ্ঠীয়ে ৰঙালী বিহু বা বহাগ বিহু পালন কৰাৰ দৰে সোণোৱাল সকলেও এই বিহু পালন কৰে। তদুপৰি কাতি বিহু কঙালী আৰু মাঘ বিহু ভোগালীও যথা ৰীতি মতে পালন কৰি আহিছে। ৰঙালী বিহু উপলক্ষে ঘৰ-দুৱাৰ চাফ-চিকুণ কৰা, নতুন কাপোৰ-কানি পিন্ধা, সৰুৱে বৰক সন্মান প্ৰদৰ্শন কৰা, মাহ-হালধি সানি বিবিধ পাচলি চকলিয়াই গাত মাৰি দীৰ্ঘায়ু আৰু বংশ বৃদ্ধি কামনা কৰি গৰু গা-ধুওৱা, হুচৰি গোৱা, জা-জলপান-পিঠাপনা খোৱা, কণী যুঁজ অনুষ্ঠিত কৰা, ৰং-ৰহইচ কৰা আদি বিভিন্ন কাৰ্য-সম্পাদন কৰা হয়। তেওঁলোকে এই বিহুক গৰু বিহু, মানুহ বিহু আদি নামকৰণেৰে সুকীয়া সুকীয়া কাৰ্যসূচী লয়। গৰু বিহুত গৰু গা ধুৱাই নতুন পঘা আৰু তৰা জৰীৰে বন্ধাৰ নিয়ম। কৃষিজীৱী লোক সকলৰ পৰম বন্ধু গৰুক সেইদিনা সকলো প্ৰকাৰে শুশ্ৰূষা আৰু সেৱা জনোৱা হয়। তাৰ পাছৰ দিনা মানুহ বিহু উপলক্ষে হুচৰি গোৱাৰ প্ৰথা প্ৰচলিত। সকলো ধৰণৰ ৰং-ৰহইচ আৰু খোৱা বোৱাৰ আয়োজন এই বিহু উপলক্ষে কৰা হয়।

বিহুৰ উৎপত্তিৰ বিষয়ে সোণোৱাল লোকসমাজত এটা কাহিনী প্ৰচলিতহৈ আছে। সেই মতে দৈত্য ৰজা বলিক বামনে সুতললৈ দৈত্যৰ সৈতে পঠাই দিছিল। বিষুৱ সংক্ৰান্তিত এবছৰ পূৰ্ণ হোৱাত তেওঁ পুনৰ পৃথিৱীলৈ উভতি আহে। আদি ৰজা বলিক কেন্দ্ৰ কৰি তেওঁলোকে অতিশয় আনন্দত উল্লাসিতহৈ বিহুৰ আয়োজন কৰে।

আনহাতে বিহু উপলক্ষে আয়োজিত হুচৰি অনুষ্ঠানৰো উৎপত্তি সংক্ৰান্তত এটি লোক বিশ্বাস আছে। এগৰাকী অপসৰাৰ গৰ্ভত ব্ৰহ্মাৰ ফালৰ পৰা এজনী কন্যা সন্তানৰ জন্ম হৈছিল। সেই কন্যা ডাঙৰ-দীঘল হ'লত ব্ৰহ্মাৰ চকু তাইৰ শৰীৰত পৰে আৰু পত্নী ৰূপে পাবলৈ প্ৰয়াস কৰে।

[১] সোণোৱাল, গগণ, "সোণোৱাল কছাৰী সম্প্ৰদায়ৰ ঐতিহাসিক আৰু সামাজিক জীৱনৰ এটি চমু পৰিচয়"—'সৌমাৰ' অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

এই কাৰ্যৰ প্ৰতি ধৰ্ম ৰজা অৰ্থাৎ যমৰ দৃষ্টি পৰে আৰু তেওঁ ততালিকে বিচাৰৰ দণ্ডত তুলি পৰীক্ষা কৰিবলৈ ধৰে। বিচাৰ অনুসৰি কন্যাক দোষী সাব্যস্ত কৰি স্বৰ্গৰ পৰা তাইক বিতাৰিত কৰিলত পৃথিৱীলৈ আহি অনাই বনাই ঘূৰি ফুৰিবলগীয়া হয়। বসন্তকালত স্বৰ্গ-মৰ্ত্ত্য সকলোতে আনন্দ আৰু নতুনৰ পয়োভৰ হোৱাৰ ক্ষণত ব্ৰহ্মাৰ এই কন্যাজনীলৈ পুনৰ মনত পৰে। তাইৰ আলৈ-আহুকালৰ কথা ভাবি পৰিত্ৰাণৰ বাবে তেওঁ বিষ্ণুৰ কাষ চাপে। বিষ্ণুৱে মহাদেৱৰ 'বাথৌ'ৰ কাষলৈহে যোৱাৰ পৰামৰ্শ প্ৰদান কৰে। বৰগছৰ তলত উপবিস্থহৈ বাথৌৱে ব্ৰহ্মাক হুচৰি, নৃত্য, গীত, বাদ্য আদিৰ শিক্ষা প্ৰদান কৰে। ইয়াৰ পাছত ভগৱান ব্ৰহ্মাই সকলোৰে ঘৰত নৃত্য-গীত পৰিৱেশন কৰি অলেখ সম্পদ আহৰণ কৰে। সেই সম্পদেৰে কন্যাটিৰ পুনৰ বাসৰ ব্যৱস্থা কৰা হয়। তায়ো আনন্দ কৰি নাচবাগ কৰিবলৈ ধৰে। এনে কাৰ্য দেখি ধৰ্মৰজাই কৰুণাময়ীহৈ কন্যাটিক পুনৰ স্বৰ্গলৈ ঘূৰি যোৱাৰ অনুমতি দিয়ে। তায়ো মৰ্ত্ত্যৰ পৰা ঘূৰি যায়গৈ। কিন্তু মহাদেৱে দিয়া শিক্ষাৰে পুষ্ট নৃত্য-গীত-বাদ্যৰ পৰিৱেশন অনুষ্ঠান সোণোৱালসকলৰ মাজত ৰৈ যায়। নামঘৰত আৰম্ভ কৰা হুচৰি গাৱঁৰ ঘৰে ঘৰে পৰিৱেশন কৰা প্ৰথা চিৰকাললৈ প্ৰচলিতহৈ পৰে।[৩] সেইকাৰণে তেওঁলোকে আজিও এই কিম্বদন্তিত গায়— "তিনিশ তিনিকুড়ি তিনিদিন / বলিৰজা দোমাহী / বলি ৰজা আহে আৰু যায়।"

অসমৰ অন্যান্য জনগোষ্ঠীয়ে গোৱা হুচৰিৰ লগত সোণোৱালসকলৰ হুচৰিৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য লক্ষ্যণীয়। স্বৰৈশিষ্ট্যৰে গোৱা এই হুচৰিৰ বাবে এডাল নপাব বা কোনোৰ মতে তেৰ পাব আৰু তেৰটা গাঁঠি থকা জাতি বা ভলুকা বাঁহৰ বিশেষ আৱশ্যক। এই বাঁহডাল তিনি বা চাৰি যোৰ বাঁহৰ খুটিৰ ওপৰত বান্ধি ঘৰে ঘৰে লৈ ফুৰোৱা হয়। দীঘল বাঁহডালক টকা বাদ্য বুলি অভিহিত কৰা হয় আৰু ইয়াক হুচৰি গোৱা দলৰ লোকে হাতে হাতে লোৱা বাঁহৰ মাৰিৰে কোবাই হুচৰি নামৰ তাল ৰক্ষা কৰে। "তেওঁলোকৰ লোকবিশ্বাস মতে 'বলি ৰজা দোমাহীত' টকা হিচাপে বজোৱা নটা পাব থকা জাতি বা ভলুকা বাঁহডাল হ'ল মানৱ দেহৰ নৱ গ্ৰন্থীৰ প্ৰতীক। দক্ষযজ্ঞত পাৰ্বতীয়ে

[৩] Bordoloi, B.N and Sharmah Thakur, G.C, Tribes of Assam, Part II, P. 90-91, Tribal Research Institute, Assam, 1988.



দেহ ত্যাগ কৰাৰ পাছত তেওঁৰ শৰীৰটো মহাদেৱে কান্ধত তুলি লৈ ফুৰাওঁতে ৰাজহাড়ডাল আহি শদিয়াৰ ওচৰৰ পৰশুৰাম কুণ্ডৰ কাষত পৰে। এই ৰাজহাড় ডালেৰে সেই অঞ্চলত আদিতে বসবাস কৰা দেউৰী আৰু কছাৰীসকলক কোবাই খেদা হৈছিল। সোণোৱাল কছাৰীসকলৰ হুচৰিত ব্যৱহাৰ কৰা এই বাঁহডাল পাৰ্বতীৰ ৰাজহাড়ৰ প্ৰতীক বুলি জনবিশ্বাস আছে। বাঁহডাল প্ৰতিষ্ঠা কৰিবলৈ ব্যৱহাৰ কৰা তিনি যোৰা বাঁহৰ খুটিয়ে (১) কৌমুদকী (বিষ্ণুৰ গদা), (২) সাৰংগ ধেনু (শ্ৰীকৃষ্ণৰ ধেনু) আৰু (৩) শ্ৰীকৃষ্ণৰ বাঁহীৰ প্ৰতিনিধিত্ব কৰে। তদুপৰি ইহঁতক ত্ৰিদেৱতা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ হিচাপে জানি অহা হৈছে। কিছুমান অঞ্চলত চাৰি যোৰকৈও খুটি বান্ধি লোৱা হয়। এই খুটিক 'চাৰি সিদ্ধ' হিচাপে গণ্য কৰা হয়। মন কৰিবলগীয়া যে টকাৰ ছাঁ কেতিয়াও গৃহস্থৰ ভঁৰালত পৰিবলৈ দিয়াটো নিষিদ্ধ।"[৪]

হুচৰিত গোৱা গীতক তেওঁলোকে চাৰিটা ভাগত ভাগ কৰিছে। সেইবোৰ হৈছে (১) বাৰে মন্ত্ৰ, (২) পোহাৰী গীত, (৩) থিয় গীত আৰু (৪) বৰগীত। পূৰ্বপুৰুষৰ স্মৃতি তৰ্পণ আৰু গৃহস্থৰ সৰ্বপ্ৰকাৰ মংগল কামনা কৰি প্ৰাৰ্থনা কৰা গীত বোৰেই হৈছে বাৰে মন্ত্ৰ। পৃথিৱীত কেনেকৈ গীতমাতৰ ৰাগ-ৰাগিণীৰ সৃষ্টি হৈছে তাৰ বৰ্ণনা কৰাৰ উপৰি বিভিন্ন ফকৰা-যোজনাসহ ব্যংগ-হাস্য প্ৰতিচ্ছবি থকা গীতবোৰক পোহাৰী গীত ৰূপে আখ্যা দিব পাৰি। হাতত টকা বাদ্যলৈ থিয়হৈ গোৱা এই থিয় গীতত মালিতা বা কাহিনীৰ বৰ্ণনাৰে ভৰপুৰ সুৰ লক্ষ্য কৰা যায়। আকৌ বুৰঞ্জী, উত্থান-পতন তথা আশা-আকাংক্ষ্যা ব্যক্ত কৰা গীতবোৰক বৰগীত শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়। এইটো উল্লেখনীয় যে বৰগীতসমূহ গাঁৱৰ বিশিষ্ট লোক অৰ্থাৎ বাৰিক, মণ্ডল, গাঁওবুঢ়া, পণ্ডিত, গীতঘাই, বায়ন বুঢ়া, মেধি আদিৰ ঘৰৰ বাহিৰে আনসকলৰ ঘৰত গোৱা নহয়।

সোণোৱাল সকলৰ ভোগপুৰীয়া আৰু ঢুলীয়াল সকলৰ মাজত হুচৰি গোৱাৰ সময়ত টকা-বাদ্য থিয় কৰোৱা আৰু গীতৰ সুৰৰ মাজত কিছু বৈসাদৃশ্য দেখা যায়। সাধাৰণতে ঢুলীয়ালসকলে টকাডালৰ দুয়োটা মূৰ ডাংখুৰাই ৰাখে আৰু গীতবোৰ ধীৰ গতিৰে তথা লালিত্য পূৰ্ণকৈ পৰিৱেশন কৰে। আনহাতে ভোগপুৰীয়াসকলে টকাডালৰ এটা মূৰ মাটিত

[৪] দুৱৰা, ধৰ্মেশ্বৰ, অসমৰ বাদ্যযন্ত্ৰ, অসম সাহিত্য সভা, পৃ ১০৩—১০৪

এই কাৰ্যৰ প্ৰতি ধৰ্ম ৰজা অৰ্থাৎ যমৰ দৃষ্টি পৰে আৰু তেওঁ ততালিকে বিচাৰৰ দণ্ডত তুলি পৰীক্ষা কৰিবলৈ ধৰে। বিচাৰ অনুসৰি কন্যাক দোষী সাব্যস্ত কৰি স্বৰ্গৰ পৰা তাইক বিতাৰিত কৰিলত পৃথিৱীলৈ আহি অনাই বনাই ঘূৰি ফুৰিবলগীয়া হয়। বসন্তকালত স্বৰ্গ-মৰ্ত্ত্য সকলোতে আনন্দ আৰু নতুনৰ পয়োভৰ হোৱাৰ ক্ষণত ব্ৰহ্মাৰ এই কন্যাজনীলৈ পুনৰ মনত পৰে। তাইৰ আলৈ-আহুকালৰ কথা ভাবি পৰিত্ৰাণৰ বাবে তেওঁ বিষ্ণুৰ কাষ চাপে। বিষ্ণুৱে মহাদেৰ 'বাথৌ'ৰ কাষলৈহে যোৱাৰ পৰামৰ্শ প্ৰদান কৰে। বৰগছৰ তলত উপবিস্থহৈ বাথৌৱে ব্ৰহ্মাক হুচৰি, নৃত্য, গীত, বাদ্য আদিৰ শিক্ষা প্ৰদান কৰে। ইয়াৰ পাছত ভগৱান ব্ৰহ্মাই সকলোৱে ঘৰত নৃত্য-গীত পৰিৱেশন কৰি অলেখ সম্পদ আহৰণ কৰে। সেই সম্পদেৰে কন্যাটিৰ পুনৰ বাসৰ ব্যৱস্থা কৰা হয়। তায়ো আনন্দ কৰি নাচবাগ কৰিবলৈ ধৰে। এনে কাৰ্য দেখি ধৰ্মৰজাই কৰুণাময়ীহৈ কন্যাটিক পুনৰ স্বৰ্গলৈ ঘূৰি যোৱাৰ অনুমতি দিয়ে। তায়ো মৰ্ত্ত্যৰ পৰা ঘূৰি যায়গৈ। কিন্তু মহাদেৱে দিয়া শিক্ষাৰে পুষ্ট নৃত্য-গীত-বাদ্যৰ পৰিৱেশন অনুষ্ঠান সোণোৱালসকলৰ মাজত ৰৈ যায়। নামঘৰত আৰম্ভ কৰা হুচৰি গাৱঁৰ ঘৰে ঘৰে পৰিৱেশন কৰা প্ৰথা চিৰকাললৈ প্ৰচলিতহৈ পৰে।[৩] সেইকাৰণে তেওঁলোকে আজিও এই কিম্বদন্তিত গায়— "তিনিশ তিনিকুড়ি তিনিদিন / বলিৰজা দোমাহী / বলি ৰজা আহে আৰু যায়।"

অসমৰ অন্যান্য জনগোষ্ঠীয়ে গোৱা হুচৰিৰ লগত সোণোৱালসকলৰ হুচৰিৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য লক্ষ্যণীয়। স্বৱৈশিষ্ট্যৰে গোৱা এই হুচৰিৰ বাবে এডাল নপাব বা কোনোৰ মতে তেৰ পাব আৰু তেৰটা গাঁঠি থকা জাতি বা ভলুকা বাঁহৰ বিশেষ আৱশ্যক। এই বাঁহডাল তিনি বা চাৰি যোৰ বাঁহৰ খুটিৰ ওপৰত বান্ধি ঘৰে ঘৰে লৈ ফুৰোৱা হয়। দীঘল বাঁহডালক টকা বাদ্য বুলি অভিহিত কৰা হয় আৰু ইয়াক হুচৰি গোৱা দলৰ লোকে হাতে হাতে লোৱা বাঁহৰ মাৰিৰে কোবাই হুচৰি নামৰ তাল ৰক্ষা কৰে। "তেওঁলোকৰ লোকবিশ্বাস মতে 'বলি ৰজা দোমাহীত' টকা হিচাপে বজোৱা নটা পাব থকা জাতি বা ভলুকা বাঁহডাল হ'ল মানৱ দেহৰ নৱ গ্ৰন্থীৰ প্ৰতীক। দক্ষযজ্ঞত পাৰ্বতীয়ে

[৩] Bordoloi, B.N and Sharmah Thakur, G.C, Tribes of Assam, Part II, P. 90-91, Tribal Research Institute, Assam, 1988.



দেহ ত্যাগ কৰাৰ পাছত তেওঁৰ শৰীৰটো মহাদেৱে কান্ধত তুলি লৈ ফুৰাওঁতে ৰাজহাড়ডাল আহি শদিয়াৰ ওচৰৰ পৰশুৰাম কুণ্ডৰ কাষত পৰে। এই ৰাজহাড় ডালেৰে সেই অঞ্চলত আদিতে বসবাস কৰা দেউৰী আৰু কছাৰীসকলক কোবাই খেদা হৈছিল। সোণোৱাল কছাৰীসকলৰ হুচৰিত ব্যৱহাৰ কৰা এই বাঁহডাল পাৰ্বতীৰ ৰাজহাড়ৰ প্ৰতীক বুলি জনবিশ্বাস আছে। বাঁহডাল প্ৰতিষ্ঠা কৰিবলৈ ব্যৱহাৰ কৰা তিনি যোৰা বাঁহৰ খুটিয়ে (১) কৌমুদকী (বিষ্ণুৰ গদা), (২) সাৰংগ ধেনু (শ্ৰীকৃষ্ণৰ ধেঁনু) আৰু (৩) শ্ৰীকৃষ্ণৰ বাঁহীৰ প্ৰতিনিধিত্ব কৰে। তদুপৰি ইহঁতক ত্ৰিদেৱতা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ হিচাপে জানি অহা হৈছে। কিছুমান অঞ্চলত চাৰি যোৰকৈও খুটি বান্ধি লোৱা হয়। এই খুটিক 'চাৰি সিদ্ধ' হিচাপে গণ্য কৰা হয়। মন কৰিবলগীয়া যে টকাৰ ছাঁ কেতিয়াও গৃহস্থৰ ভঁৰালত পৰিবলৈ দিয়াটো নিষিদ্ধ।"[৪]

হুচৰিত গোৱা গীতক তেওঁলোকে চাৰিটা ভাগত ভাগ কৰিছে। সেইবোৰ হৈছে (১) বাৰে মন্ত্ৰ, (২) পোহাৰী গীত, (৩) থিয় গীত আৰু (৪) বৰগীত। পূৰ্বপুৰুষৰ স্মৃতি তৰ্পণ আৰু গৃহস্থৰ সৰ্বপ্ৰকাৰ মংগল কামনা কৰি প্ৰাৰ্থনা কৰা গীত বোৰেই হৈছে বাৰে মন্ত্ৰ। পৃথিৱীত কেনেকৈ গীতমাতৰ ৰাগ-ৰাগিণীৰ সৃষ্টি হৈছে তাৰ বৰ্ণনা কৰাৰ উপৰি বিভিন্ন ফকৰা-যোজনাসহ ব্যংগ-হাস্য প্ৰতিচ্ছবি থকা গীতবোৰক পোহাৰী গীত ৰূপে আখ্যা দিব পাৰি। হাতত টকা বাদ্যলৈ থিয়হৈ গোৱা এই থিয় গীতত মালিতা বা কাহিনীৰ বৰ্ণনাৰে ভৰপূৰ সুৰ লক্ষ্য কৰা যায়। আকৌ বুৰঞ্জী, উত্থান-পতন তথা আশা-আকাংক্ষ্যা ব্যক্ত কৰা গীতবোৰক বৰগীত শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়। এইটো উল্লেখনীয় যে বৰগীতসমূহ গাঁৱৰ বিশিষ্ট লোক অৰ্থাৎ বাৰিক, মণ্ডল, গাঁওবুঢ়া, পণ্ডিত, গীতঘাই, বায়ন বুঢ়া, মেধি আদিৰ ঘৰৰ বাহিৰে আনসকলৰ ঘৰত গোৱা নহয়।

সোণোৱাল সকলৰ ভোগপুৰীয়া আৰু ঢুলীয়াল সকলৰ মাজত হুচৰি গোৱাৰ সময়ত টকা-বাদ্য থিয় কৰোৱা আৰু গীতৰ সুৰৰ মাজত কিছু বৈসাদৃশ্য দেখা যায়। সাধাৰণতে ঢুলীয়ালসকলে টকাডালৰ দুয়োটা মূৰ ডাংখুৰাই ৰাখে আৰু গীতবোৰ ধীৰ গতিৰে তথা লালিত্য পূৰ্ণকৈ পৰিৱেশন কৰে। আনহাতে ভোগপুৰীয়াসকলে টকাডালৰ এটা মূৰ মাটিত

[৪] দুৱৰা, ধৰ্মেশ্বৰ, অসমৰ বাদ্যযন্ত্ৰ, অসম সাহিত্য সভা, পৃ ১০৩—১০৪

স্পৰ্শ কৰোৱায় আৰু গীতৰ সুৰবোৰ বিহুসুৰীয়াকৈ গায়।

গৃহস্থই হুচৰি গোৱা সকলক তামোলপাণ, আৰিহণা আৰু চেলেং-গামোচা আদিৰে শৰাই ভৰাই সেৱা কৰে আৰু দলটোৰেও মংগল কামনা কৰি আৰ্শীবাদ দিয়ে।

বুৰঞ্জীয়ে গৰকা সোণোৱাল জনগোষ্ঠীৰ মাজত পৰম্পৰাগত লোক-সংস্কৃতিয়ে যুগ পৰিবৰ্ত্তনৰ পাছতো জীপলৈ আছে। তেওঁলোকৰ মাজত প্ৰচলিত হুচৰি, হাইদাংগীত, বিহুগীত, হুগ্ৰানৃত্য, বহুৱা নৃত্য, আইনাম, লখিমীনাম, কুলাবুঢ়ীৰ নৃত্য, গায়নৰ ধেমালি, দলবিহু বা লগবিহু আদিয়ে অতীত আৰু বৰ্ত্তমানক সাঙুৰি এটা ৰসাল সংস্কৃতিক বহন কৰি আছে।

**বাথৌ পূজা ঃ** সোণোৱালসকলে বিশেষকৈ শিৱৰাত্ৰিৰ পাছৰ সোমবাৰৰ দিনা ৰাতি বাথৌ পূজা পাতে। এই পূজাৰ পাছৰ দিনা হাইদাংগীত গাই আনুষ্ঠানিকভাৱে ৰঙালী বিহুক স্বাগত জনোৱা হয়। তেওঁলোকে আজিও অতীতৰ শদিয়াৰ পৰা স্থানান্তৰিত কৰা আৰু ডাঙৰীৰ বৰপথাৰ গাৱঁত বৰ্ত্তমান আদি গুৰু শ্ৰীশ্ৰীগজাই বুঢ়া মুদুৰীয়ে প্ৰতিষ্ঠা কৰা শ্ৰীশ্ৰীবাথৌ মন্দিৰত কাঠৰ পৱিত্ৰ স্তম্ভক পৰমপুৰুষ দেৱাদিদেৱ খিৰিংৰজা দেৱতাক সেৱা জনায়। পৃথিৱীৰ সকলোৰে সুখ শান্তি কামনা কৰি হাইদাংগীত এই মন্দিৰত গোৱা হয়। এনে মন্দিৰৰ পূজাৰ শেষত পূজাৰী অৰ্থাৎ 'বাইথ'ৰ ঘৰলৈ মন্দিৰৰ পৰাই হাইদাংগীত গাই যায়। বাইথই তেওঁৰ পদূলিত ৰাইজক আদৰি বৰঘৰৰ ভিতৰ সোমাই দুৱাৰ বন্ধ কৰি থয়। ৰাইজে চোতালত গীত গাই সামৰাৰ লগে লগে বাইথই দুৱাৰৰ ফাঁকেৰে এটা টোপোলা আগবঢ়াই বিহু নমায়। চোতালত যুগুতাই থোৱা নপবীয়া টকাত কোবমাৰি তাল ৰাখি হুচৰি যোৰে। হুচৰিৰ অন্তত বাইথই বিদায় জনোৱাৰ বাবে শৰাই আগবঢ়ায়। সেইদিনাৰ পৰাই সোণোৱাল ডেকাসকলে বিহুৰ আখৰা কৰিবলৈ লয় আৰু বিধে বিধে বাদ্যযন্ত্ৰত সুৰ সঞ্চাৰ কৰে। ইয়াৰ পাছদিনা ওচৰৰ হাবিত বাঘ দেউৰ পূজাৰ আয়োজন কৰা হয়। অৱশ্যে বাথৌ পূজা অনুষ্ঠিত নকৰাসকলে চ'তৰ সংক্ৰান্তিৰ পৰাই বহাগ বিহুৰ আয়োজন কৰে।

বাথৌ পূজাৰ পাছৰ দিনা মংগলবাৰে থানত হাইদাং গীত গোৱা হয়। বসন্ত ঋতুত সকলো জীৱৰে শান্তি সমৃদ্ধি কামনা কৰি গোৱা এই হাইদাংগীতৰ বেলিকা হাতে হাতে তেওঁলোকে ম'ৰা চৰাইৰ পাখিলৈ দেৱাদিদেৱ খিৰিংৰাজা অৰ্থাৎ বাথৌ-শিৰক প্ৰাৰ্থনা জনায়।



হায়দাং গীতৰ মূল অৰ্থ হৈছে সৃষ্টিৰ স্তুতি। "হা ইয়হ নমোনাৰায়ণ" অৰ্থাৎ হা-পৃথিৱী, ইয়হ বিশ্ব সৃষ্টিৰ আচৰিত সৃষ্টি কৰ্ত্তা, নাৰা + আয়ন। নাৰা = পানী + আয়ন = আশ্ৰয় = পানীত আশ্ৰয় লোৱা জীৱকোষ বা বীৰ্য। হে জীৱকোষ ৰূপী নাৰা আয়ন তুমিয়েই সৃষ্টিৰ মূল কাৰণ।"[৫]

হায়দাংগীত সোণোৱালসকলৰ আদি আৰু আনুষ্ঠানিক গীত। প্ৰত্যেক বছৰে ফাগুন মাহৰ ফাকুৱা পূৰ্ণিমাৰ ঠিক আগৰটো দেওবাৰৰ দিনা বাইথ মন্দিৰ বা থানত দেও নমোৱা হয় আৰু ইয়াৰ পাছৰ সোমবাৰে ৰাতি তেত্ৰিশ কোটি দেৱতাৰ নামত পূজা-সেৱা আগবঢ়োৱা হয়। তেনেকৈ মংগল বাৰে পুৱা ভকতসকল সমবেতহৈ হায়দাং গীত গাই ভক্তি অৰ্পণ কৰে। অসমীয়া ভাষাৰ দ্বাদশ শতিকাৰ আগৰ নিদৰ্শন স্বৰূপ হায়দাং গীতৰ ছন্দ, ঘোষা, পদ, শব্দ জোঁটনি মনকৰিবলগীয়া। হায়দাং গীতক মূলতঃ তিনিটা ভাগত ভগাব পাৰি। সেইমতে মন্ত্ৰযুক্ত স্তুতি গীত, সুৰযুক্ত সৃষ্টি ৰহস্যগীত আৰু সোণোৱাল কছাৰীৰ সামাজিক জীৱনৰ ভিত্তিত ৰচিত কাহিনী গীত।[৬] আনহাতে হালালী সাংস্কৃতিক সন্ধিয়াৰ সংক্ষিপ্ত বিৱৰণ ৬ এপ্ৰিল ১৯৯০ ত প্ৰকাশিত পুস্তিকা মতে হায়দাং গীতসমূহক এঘাৰটা অধ্যায়ত বিভক্ত কৰা হৈছে। সেই অনুসৰি প্ৰথম আৰু দ্বিতীয়ত সৃষ্টিৰ ৰহস্য, তৃতীয়ত বিশ্ব-ব্ৰহ্মাণ্ডৰ চেতন অচেতন, জড়জীৱ আদিৰ মাজত ডাঙৰ সৰুৰ ব্যাখ্যা, চতুৰ্থত পুৰুষ-প্ৰকৃতিৰ দ্বাৰা বংশ বৃদ্ধিৰ ফলত সোণোৱালৰ ৭ খেল আৰু ১৪ বংশৰ উৎপত্তি, পঞ্চমত খিৰিং ৰজাৰ বিয়াৰ বৰ্ণনা, ষষ্ঠত খিৰিং ৰজাৰ বিয়াৰ দিনা শত্ৰুৰ সৈতে হোৱা যুদ্ধৰ বৰ্ণনা, সপ্তম আৰু অষ্টমত যুদ্ধত জয়ী হৈ কন্যাক ঘৰলৈ নিয়া, নৱমত অপায়-অমংগল দূৰীকৰণৰ বাবে দহ দেৱতাক প্ৰাৰ্থনা কৰা, দশমত কৃষিৰ অধিষ্ঠাত্ৰী লখিমীক নদ-নদীৰ পৰা আদৰি অনা আৰু একাদশত সৰ্বমংগল কামনা কৰি দেৱ-দেৱতাক প্ৰাৰ্থনা কৰাৰ বৰ্ণনা দিয়া হৈছে। এই গীতৰ তালে তালে সৃষ্টিৰ প্ৰক্ৰিয়াক অনুসৰণ কৰি নৃত্যও পৰিৱেশিত হয়।[৭]

---

[৫] "হালালী সাংস্কৃতিক সন্ধিয়াৰ সংক্ষিপ্ত বিৱৰণ", সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সৌজন্যত, পৃ. ১। ৬, এপ্ৰিল, ১৯৯০

[৬] বৰুৱা, মহেন্দ্ৰ কুমাৰ, "সোণোৱালসকলৰ বাথৌ পূজা, হাইদাং গীঁত আৰু বহুৱা বিহু", অগ্ৰদূত, ১১ মাৰ্চ, ১৯৯২, পৃ. ১১

[৭] দুৱৰা, ধৰ্মেশ্বৰ, "সোণোৱালসকলৰ সমাজ আৰু সংস্কৃতি", আজিৰ অসম, ২১ আঘোণ, ১৯১৮ শক, ৭ ডিচেম্বৰ, ১৯৯৬

**হুগ্ৰা নৃত্য ঃ** হুগ্ৰা বা মিৰি পছ সোণোৱাল সকলৰ আদিম চিকাৰ কাৰ্যৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা এবিধ লোকনৃত্য। বহাগ বিহুৰ সাদিনৰ আগতে অনুষ্ঠিত এই হুগ্ৰা নৃত্য বিশেষকৈ আগৰ বছৰ বিহু সামৰা লোকৰ ঘৰতেই প্ৰথমে আৰম্ভ কৰা হয়। আকৌ বাইথ পূজা উপলক্ষে হায়দাংগীত গোৱা, হুচৰিৰে বিহু নমোৱাৰ অন্তত হুগ্ৰা নৃত্য পৰিৱেশন কৰা হয়। সোণোৱালৰ বাইথ পূজাৰ বৰ বলিৰ বাবে গাহৰি বিচাৰি হাবিত চিকাৰ কৰা কাৰ্যৰ প্ৰতিফলন হুগ্ৰা নৃত্যত পৰিছে। লোক বিশ্বাস অনুসৰি হিৰণাক্ষ্য আৰু হিৰণ্যকশিপুৰ বংশধৰসকল হিৰণ্যকশিপুক বিষ্ণুৱে বৰাহ স্বৰূপে বধ কৰাৰ বাবে বিষ্ণুৰ প্ৰতি শত্ৰুতা আচৰণত লিপ্ত হয়। সেইবাবে তেওঁলোকে বৰাহকে শালত বলি দিয়ে। এই দৰেই হুগ্ৰা নৃত্যৰ উৎপত্তি হয়। এই নৃত্যত হুগ্ৰাই গাহৰিৰ ৰূপ ধৰি নাচে। এই হুগ্ৰা বা গাহৰিক চিকাৰ কৰিবলৈ মূল চিকাৰী, সংগী চিকাৰী, যখ, যখিনী আদিয়ে ধনুকাঁড়লৈ চিকাৰীৰ নৃত্য পৰিৱেশন কৰে। এই নৃত্যৰ যোগেদি চিকাৰ কৰা, গাহৰিক শালত বলি দি তাৰ মাংস ভগাই দিয়া কাৰ্যৰ উপৰি বিভিন্ন হাস্য-ব্যংগাত্মক ৰসেৰে উপস্থিত দৰ্শকক আমোদ দিয়া হয়।

এনে ধৰ্মীয় দিশৰ বাহিৰেও বিহুৰ আগে আগে বিভিন্ন সামগ্ৰী বুটলি অনা কাৰ্য আৰু আদিম মানৱে চিকাৰ কৰি পোৱা নানা অভিজ্ঞতাক এই নৃত্যত অভিনয় স্বৰূপে পৰিৱেশন কৰা হয়। আনন্দ-উল্লাস আৰু চিকাৰৰ ভোজন তৃপ্তিও এনে নৃত্যত প্ৰতিফলিত হয়। চিকাৰ কাৰ্যৰ সময়ত নৰ্ত্তকসকলে সম্পূৰ্ণ আদিম মানৱৰ বেশ-ভূষা ধাৰণ কৰে।

হুগ্ৰা নৃত্যৰ বাবে নাম ডাঙৰীয়া, জ্ঞাতি গুৰি, মাটিগিৰি আদি দেৱ দেৱতাক উদ্দেশ্য কৰি উলুখেৰেৰে টোপোলা বন্ধা হয়। সেইমতে পিছৰ বছৰতো সেৱা আগবঢ়াব লাগে। গাঁওখনৰ সকলো অপায়-অমংগল দূৰ কৰিবলৈ এনে সেৱা আগবঢ়োৱা প্ৰথা প্ৰচলিত।[৮]

**বহুৱা নাচ ঃ** সোণোৱালসকলৰ মাজত প্ৰচলিত লোকনৃত্যসমূহৰ ভিতৰত উল্লেখযোগ্য নৃত্য হৈছে বহুৱা নাচ। বিশেষকৈ ডাঙৰী অঞ্চলৰ ঢলা কছাৰী গাওঁ, ডিব্ৰুগড়ৰ জামিৰা, ধমলগাঁও, শদিয়াৰ কুকুৰ মৰা গাঁৱত নিজস্ব বৈশিষ্ট্যৰে এই নৃত্যৰ প্ৰচলনহৈ আছে।

[৮] "সোণোৱাল কছাৰীসকলৰ লোকনৃত্য ঃ হুগ্ৰা আৰু বহুৱা", পূবালী, অসম সাহিত্য সভা, ডুমডুমা অধিৱেশন, স্মৃতিগ্ৰন্থ, পৃ. ৬৫—৭২



জনশ্ৰুতি অনুসৰি অতীজতে এহাল অভূতপূৰ্ব আৰু কিম্ভুত কিমাকাৰ জীৱ আহি সোণোৱাল বসতিপূৰ্ণ গাঁৱত প্ৰৱেশ কৰে। গাঁৱৰ ৰাইজে ইহঁত দুটাক মৃদং বজাই খেদি যায় আৰু দুয়োটাই নাচি বাগি গাঁৱৰ বাহিৰৈহে কাষৰ নৈৰ পানীত ডুবগৈ অদৃশ্যহৈ পৰে। সোণোৱালসকলে এনে অদ্ভুত জীৱ দুটাৰ লগতে গাঁৱৰ সকলোধৰণৰ মাৰি মৰক আৰু অপায়-অমংগল আঁতৰিল বুলি বিশ্বাস কৰে। সেইকাৰণে তেওঁলোকে এই নৃত্যৰ আয়োজন কৰি সৰ্বমংগল কামনা কৰিবলৈ লয়।

আদিম ৰূপত মুখা পিন্ধি আৰু কলপাত ছিৰিলি ছিৰিলিকৈ ফালি তাক বসন হিচাপে পৰিধান কৰি অদ্ভুত জীৱ দুটা সদৃশ বহুৱা আৰু বহুৱানী অৰ্থাৎ পুৰুষ-নাৰীৰ প্ৰতীক ৰূপে বহুৱা নাচৰ আয়োজন কৰে। ইয়াৰ দ্বাৰা আদিম বন্য জীৱন আৰু ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰি অহা হৈছে। আদিম বন্য জীৱনৰ স্মৰণৰ এনে নৃত্যানুষ্ঠানৰ আৰম্ভণি সোণোৱালসকলৰ সংগীতৰ জ্ঞানৰ উৎসৰ আগৰে পৰাই প্ৰচলিতহৈ আহিছে বুলিব পাৰি। বন্য জীৱনৰ আভাস পোৱাৰ বাবে বহুৱা নৃত্যত গ্ৰহণকাৰী লোকসকলে অনুষ্ঠানৰ কেইদিনমান আগৰে পৰা হাবিত থাকিবলৈ লয়। তেওঁলোকৰ সাজ-সজ্জাৰ সময়ত কোনো লোককে চাবলৈ দিয়া নহয়। আনহাতে বহুৱাই পিন্ধাৰ দৰে কলপাত কোনোৱাই পিন্ধিলে তেঁৱো সময়ত বন্যবাসী হোৱাৰ সম্ভাৱনা আছে বুলি লোকবিশ্বাস আছে। পুৰুষসকলেই বহুৱা-বহুৱানী বা বহু-বহুনীৰ অভিনয় কৰি নাচে। সাধাৰণতে বৰলা আৰু নিঃসন্তান লোকেহে বহুৱা-বহুৱানী হোৱাৰ যোগ্য। বহুৱা নৃত্যৰ শেষত সমজুৱা ভোজৰো আয়োজন কৰা হয়।

বহাগৰ পাত বিহুৰ দিনাই এই বহুৱা নৃত্যৰ অনুষ্ঠান আয়োজিত হয়। এই নৃত্য গায়ন-বায়নে মৃদংগ, তাল আদি বাদ্য বজাই পৰিচালনা কৰে। নৃত্যৰ শেষত বহুৱা বহুৱানীকে আদি কৰি সহযোগী নৰ্ত্তকসকলে ওচৰৰ হাবিলৈ গৈ পোছাক সলাই গা-পা ধুই পুনৰ গাঁওমুখী হয় আৰু তেনেদৰেই বহুৱা বিহুৰো সামৰণি পৰে। আনহাতে পুৰণি বছৰৰ সকলো দুখ-ক্লেশ আঁতৰাই নতুন বছৰে ভুমুকি মৰাৰ কামনা কৰিও এই নৃত্যৰ আয়োজন কৰা হয়। লোক সংস্কৃতিৰ বৰ্ণাঢ্য পৰম্পৰা আজিও সোণোৱাল সমাজত বৰ্তি আছে।[৯]

[৯] গগৈ, লীলা ঃ "মাধৱ কন্দলি আৰু মহামনিক্য", অসম সাহিত্য সভা পত্ৰিকা, বিশ বছৰ, তৃতীয় সংখ্যা

## ২০.০০ বিংশ অধ্যায়

# হাজংসকলৰ উৎসৱ-অনুষ্ঠান

